
বুঢ়ী আইৰ
সাধু
লক্ষ্মীনাথ বেজবৰুৱা

# বুঢ়ী আইৰ সাধু

লক্ষ্মীনাথ বেজবৰুৱা

সাহিত্য-প্ৰকাশ
ট্ৰিবিউন বিল্ডিংছ
গুৱাহাটী-৩

**BURI AIR SADHU**

A collection of Assamese folklores by Sahityarathi Lakshminath Bezbaroa and published by Sahitya-Prakash, Tribune Buildings, Guwahati-781003.
Price Rs. 18.00 (Rupees eighteen only)

* প্ৰকাশক ঃ
সাহিত্য-প্ৰকাশ, ট্ৰিবিউন বিল্ডিংছ, গুৱাহাটী-৭৮১০০৩

* বেটুপাত ঃ ত্ৰৈলোক্য দত্ত

* মূল্য : ১৮.০০ (ওঠৰ টকা)

* মুদ্ৰক ঃ ট্ৰিবিউন প্ৰেছ, গুৱাহাটী-৭৮১০০৩

মৰমৰ

"অৰুণা"ৰ হাতত

"বুঢ়ী আইৰ সাধু"

দিলোঁ

"পাপা"

# পাতনি

প্ৰত্যেক জাতিৰ আৰু প্ৰত্যেক দেশৰ স্বকীয় ভাষা থকাদি স্বকীয় সাধু-কথা (Folklore) আছে। ভাষা যেনেকৈ কোনো এটা জাতিৰ জাতীয় জীৱনৰ গুৰিৰ পৰা আত্মপ্ৰকাশ আৰু আত্ম-জীৱনচৰিত, পুৰণি সাধুকথাবোৰো সেইদৰে জাতীয় জীৱনৰ পুৰণি কালৰপৰা আত্মপ্ৰকাশ আৰু আত্ম-জীৱন চৰিত। কোনো এটা জাতিৰ ভিতৰৰ শিক্ষিত-অশিক্ষিত, সভ্য-অসভ্য, জ্ঞানী-অজ্ঞানী সকলো মানুহৰে চৰণৰ ছাপ যেনেকৈ সেই জাতিৰ নিজা ভাষাত মচ নোখোৱাকৈ থাকি যায়, জাতীয় পুৰণিকলীয়া সাধুকথাবিলাকতো সেইদৰে সেই জাতিৰ ভিতৰৰ সকলো শ্ৰেণীৰ মনুহৰ পুৰণি আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চিন্তা-কল্পনা আদিৰ সাঁচ মচ নোখোৱাকৈ থাকি যায়। সেইদেখি মানুহৰ জাতীয়-জীৱনত অলিখিত পুৰণি বুৰঞ্জী জানিবৰ নিমিত্তে "ফাইল'লজি" (Philology) অৰ্থাৎ ভাষাতত্ত্ব আৰু "মাইথ'লজি" (Mythology) অৰ্থাৎ পুৰাণতত্ত্ব যেনেকুৱা লাগতিয়াল, ফকল'ৰ (Folklore) অৰ্থাৎ সাধুকথাতত্ত্বও তেনেকুৱা লাগতিয়াল।

সুপ্ৰসিদ্ধ ভাষাতত্ত্ববিদ জাৰ্ম্মান পণ্ডিত বপ্ (Bopp) আদিৰ দ্বাৰাই আবিষ্কৃত এই মত,—অৰ্থাৎ টিউটন (Tuton) কেল্ট (Celt) হিন্দু আদি আৰ্য্যবংশীয় মানুহবোৰ যে গুৰিতে একে আছিল আৰু তেওঁলোকে যে আদিতে মধ্য এচিয়াৰ একে ঠাইতে থকা একে পৰিয়ালৰ একেজোপা গছৰে ডাল,—সাধুকথাবোৰৰ তত্ত্ব আলোচনাই আৰু গজগজীয়া কৰিলে।

কিছুকালৰ আগলৈকে সাধুকথাবোৰৰ আচল মূল্য নবুজি সকলোৱে সেইবোৰ ল'ৰালি আৰু অকামিলা বুলি ভাবি আছিল। কিন্তু প্ৰথমতে জাৰ্ম্মান পণ্ডিতসকলে এই ভুল বিশ্বাস ভাঙি দিয়ে। প্ৰথমতে জাৰ্ম্মানীত সাধকথাৰ প্ৰকৃত মল্য নিৰ্দ্ধাৰিত হয় আৰু তাতে সেইবোৰ বৈজ্ঞানিক প্ৰণালীত আলোচিত হয়। ১৭৭৮-৭৯ খৃষ্টাব্দত ছপা হোৱা হাৰ্ডাৰৰ (Herder) প্ৰসিদ্ধ "Collection of Popular Songs" অত এই চেষ্টাৰ প্ৰথম উন্মেষ হয়। কিন্তু ১৮১১ অৰ পৰা ১৮৩৫ খৃষ্টাব্দৰ ভিতৰত

কৰা বিখ্যাত পণ্ডিত গ্ৰীমৰ (Grimm দুই ভায়েক) পৰিশ্ৰমে এই চেষ্টাৰ ফল ধৰায়। জাৰ্ম্মানীৰ গাৱলীয়া কটনাকটা বুঢ়ী তিৰোতা মানুহৰ মুখৰপৰা পোনতে এনে সাধু গোটাই ছপা কৰি উলিওৱা হয়। বাস্তৱিকতে কবলৈ গলে জাৰ্ম্মান পণ্ডিত-সকলৰ পৰিশ্ৰমেহে পোনতে সভ্য জগতক দেখুৱাই দিলে যে কোনো এটা জাতিৰ এটা পুৰণি সাধুকথাৰ ইতিহাস আৰু ভাষাৰ ভিতৰত এটা শব্দৰ ইতিহাস এখন ডাঙৰ যুদ্ধৰ ইতিহাসতকৈ মূল্যবান।

সাধুকথা দুবিধ আছে। এবিধ, মানুহক যাইকৈ নীতিশিক্ষা দিবৰ নিমিত্তে ৰচিত :—পঞ্চতন্ত্ৰ, হিতোপদেশ আৰু লা ফণ্টেনৰ (La Fontion) সাধুবোৰ। আনবিধ, মানুহৰ কল্পনা শক্তিৰ বাঘজৰী ঢিলাই দি তাক চেকুৰিবলৈ এৰি দি ল'ৰা-ডেকা-বুঢ়া সকলোৰে মনত আনন্দ দিবলৈ ৰচিত, যাইকৈ ল'ৰাৰ মনত। কিন্তু গুৰিতে সাধুবোৰ যি উদ্দেশ্যেৰেই হওক, এতিয়া সেইবোৰৰ পৰা পণ্ডিতসকলে মনুষ্য জাতিৰ পুৰণি ইতিহাসৰ অমৃতৰস খীৰাই উলিয়াই তাৰে জ্ঞান-বিজ্ঞানক হৃষ্ট-পুষ্ট আৰু শকত কৰিছে, সি যি হওক, সেইবোৰ এতিয়া এই চুটি পাতনিত উলিয়াই আমি ইয়াক দীঘল কৰিব নোখোজো।

পাঠকসকলে দেখিব যে এই কিতাপত দিয়া কোনো কোনোটো সাধু ভাৰত-বৰ্ষৰ আন আন দেশত, যাইকৈ বঙ্গদেশত প্ৰচলিত সাধুৰে সৈতে যাই কথাবিলাকত মিলে। এনে দেখি যদি তেওঁলোকে ভাবে যে সেইবোৰ বিদেশী সাধুৰ ছাঁলৈ ৰচনা কৰা হৈছে তেন্তে ভুল কৰা হব। এদেশৰ সাধু আন এদেশৰ সাধুৰে মিলি যোৱাৰ কেবাটাও কাৰণ আছে ; তাৰে প্ৰথমটো হৈছে—সাধুবোৰ ইমান পুৰণি যে অতীজৰ আৰ্য্যবংশীয় মানুহবোৰ একেলগে থাকোতেই সেইবোৰ ৰচিত হয়। কালক্ৰমত আৰ্য্যবিলাক ফাটি য়ুৰোপ আৰু এচিয়াত ভাগ ভাগ হৈ পৰিলত দেশ-কাল-পাত্ৰ অনুসৰি তেওঁলোকৰ স্বভাৱ আৰু গঢ়গতিৰ সলনি হোৱাদি সেই সাধু-বোৰৰো গঢ়-গতিৰ সলনি ঘটিছে। কিন্তু সেইবুলি সেইবোৰৰ জঁকাৰ সলনি ঘটা নাই আৰু ঘটিব নোৱাৰেও। সেইদেখি ইণ্ডো-য়ুৰোপীয়সকলৰ (Indo-Europeans) ভিতৰত প্ৰচলিত অনেক সাধুৰ বাহিৰৰ আকৃতি অনেক বিষয়ত বেলেগ হলেও

তসব ভেঁটি একে। সেইদেখি লা ফণ্টেনৰ সাধুবোৰ পঢ়োতে, পঞ্চতন্ত্ৰ আৰু হিতোপদেশৰ সাধুবোৰ পঢ়োতাই সেইবোৰ আচহুৱা যেন নাপায়। সেইদেখি ভাৰতবৰ্ষৰ ল'ৰা-নিচুকুৱা ধাইমাকে ল'ৰা নিচুকুৱাওঁতে যিবোৰ সাধু কয়, প্ৰায় তেনেকুৱা সাধুকে জাৰ্ম্মান, নৰ'ৱে আৰু ফ্ৰান্সৰ ধাইমাকৰ মুখত শুনিবলৈ পোৱা যায়,—বিভিন্নতাৰ ভিতৰত মাথো তাৰ সাজপাৰ, বৰণ আৰু মাত-কথা।

দ্বিতীয়তে, এদেশৰ সাধু লাহে লাহে মুখে মুখে বাগৰি আন দেশলৈ নগৈ নাথাকে আৰু যাওঁতে বাটত তাৰ মোট সলনি নহৈ নাথাকে। প্ৰবাসত দীৰ্ঘকাল বাস কৰা বাবে শেষত সেইবোৰ পৰ-বাসেই আপোন-বাস হয় আৰু গঢ়-পিত লৰি পৰে। কিন্তু এই শ্ৰেণীৰ সাধুৰ লেখ সৰহ নহব। ওচৰ-চুবুৰীয়া দেশৰ পৰাও সাধুৱে অহা-যোৱা কৰিবলৈ সুচল পায়। সেইদেখিহে আমি অসমীয়া সাধু বঙ্গদেশত ঘাইকৈ পূৰ্ব্ববঙ্গত অনেক পাওঁ। আৰু এটা কথা মন কৰিবলৈ পাহৰিব নালাগে যে পূৰ্ব্ববঙ্গ আৰু উত্তৰবঙ্গৰ এডোখৰ পুৰণি কামৰূপ ৰাজ্যৰ ভিতৰত থকা বাবে আমাৰ বহুত কামৰূপীয়া অৰ্থাৎ অসমীয়া সাধু বঙালী হ'ল। এই কথা ভালকৈ মন কৰিলে ফটফটীয়াকৈ দেখিবলৈ পোৱা যায় যে, আজিকালি যিবিলাক বঙালী গ্ৰন্থকাৰে সাধু বা "ৰূপকথা"ৰ কিতাপ লেখি ছপাইছে, তেওঁলোকৰ ভিতৰত যি কেইজন পূৰ্ব্ব বঙ্গদেশীয় তেওঁলোকৰ কিতাপ অসমীয়া সাধুকথাৰ জকা আৰু ছাঁ সৰহ; পশ্চিমবঙ্গদেশীয় কেইজনৰ কিতাপত সিমান নহয়। আমাৰ কথাৰ প্ৰমাণ দুখন বঙলা সাধুকথাৰ কিতাপেৰে দিওঁ, যেনে পূৰ্ব্ববঙ্গদেশীয় গ্ৰন্থকৰ্ত্তাৰ "টুনটুনিৰ বই" আৰু পশ্চিম বঙ্গদেশীয় গ্ৰন্থকৰ্ত্তাৰ "ঠাকুৰমাৰ ঝুলি"।

আৰু এটা কাৰণত সাধুকথাৰ মিল ঘটে। সেইটো হৈছে আকস্মিক মিল। মানুহ সকলো ঠাইতে মানুহ, আৰু তেওঁৰ ভাবিবৰ প্ৰণালীও পৃথিৱীৰ সকলো ঠাইতে অনেক বিষয়ত একে। সেইদেখি আন কি জুলুৰ কি হণ্টেটৰ কোনো কোনো সাধুৰে সৈতেও আৰ্য্যজাতিৰ মানুহৰ কোনো কোনো সাধুৰ মিল ওলায়।

অসমীয়াই সাধুৰ মোল পুৰণি কালৰ পৰা বুজে আৰু চিৰকাল যে সাধক সমাদৰ কৰি আহিছে এই কথা "সাধু-কথা" এই শব্দটোলৈ মন কৰিলেই দেখিবলৈ পোৱা যায়। সাধুকথা মানে সজ কথা বা সন্ত-সাধুৰ উপদেশ বাক্য বুলি আদিৰপৰাই

অসমীয়াই ভাগি আছিছে। ইয়াৰ পৰা এইটো স্পষ্টকৈ বুজিব পাৰি যে এইবিধ মনোহৰ মৌখিক উপকথাৰে পুৰণি কালত অসমত জ্ঞানবৃদ্ধসকলে লোকক আৰু নিজৰ ল'ৰা-ছোৱালীক সজ উপদেশ আৰু নীতি-শিক্ষা দিছিল; সেইদেখিয়ে ইয়াৰ নাম সাধু-কথা দিছিল। এনে উপকথা বা গল্পক কোনো দেশৰ কোনো জাতিয়ে "সাধু-কথা" এই শুদ্ধ নাম দিয়া নাই। য়ুৰোপীয় Folktales বঙালীয়ে ইয়াক "ৰূপকথা", "আষাঢ়ে গল্প" বোলে, অসমীয়াৰ দৰে সাধু-কথা, নোবোলে। ভাষা আৰু Folktales জাতিৰ হাড়-মগজু। ভাষাক অসমীয়াই বোলে মাতৃ আৰু ফক্‌টেলচক সাধু-কথা; তথাপি অসমীয়া আৰু বঙলা ভাষা হেনো একে।

শেহত কওঁ যে তলত নাম দিয়া সকলৰ পৰা আমি এই কিতাপত দিয়া সৰহ ভাগ সাধু পাইছিলো; কিন্তু কোনটো কাৰপৰা পোৱা গৈছিল সেইটো কোৱা অসাধ্য, কাৰণ নানাৰকমকৈ লিখা একোটা সাধকে আমি কেইবাজনৰ পৰা পাই-ছিলো আৰু সেই এটাইবোৰ পঢ়ি মিলাই বাছি, যোগ-বিয়োগ কৰি আমি নিজৰ ভাষাত সাধুবোৰ সম্পূৰ্ণ নতুনকৈ লিখিছো। স্বৰূপাৰ্থত, তেওঁলোকে যি ভাষাত সাধুবোৰ লিখি পঠাইছিল সেই ভাষা এই সাধুবোৰত নাই বুলিলেই হয়, দৈবাৎ হে কোনোটোত এশাৰী আদশাৰী আছে। কিছুমান সাধু আমাৰ সমূলি নিজা। সি যি নহওক, তেওঁলোকৰ সহায়ৰ বাবে আমি তেওঁলোকৰ শলাগ লৈছো। তেওঁলোকৰ নাম—

শ্ৰীভ্ৰমৰচন্দ্ৰ শইকীয়া, শ্ৰীমহীচন্দ্ৰ বৰা, শ্ৰীসীতানাথ শৰ্ম্মা, শ্ৰীসৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী, শ্ৰীৰুদ্ৰকান্ত গোস্বামী, শ্ৰীওৱাজেদ আলি, শ্ৰীনৰনাথ শৰ্ম্মা, শ্ৰীবোষেশ্বৰ শৰ্ম্মা, শ্ৰীপদ্মধৰ চলিহা, শ্ৰীৰত্নকান্ত শৰ্ম্মা, শ্ৰীহলধৰ ভূঞা, শ্ৰীগোলোক চন্দ্ৰ শৰ্ম্মা, শ্ৰীমেঘনাথ ডেকা, শ্ৰীৰূপচন্দ্ৰ বৰুৱা শ্ৰীদীননাথ মেধি, শ্ৰীলোকনাথ দাস, শ্ৰীগোবিন্দ চন্দ্ৰ চৌধুৰী, শ্ৰীদীনেশ্বৰ দত্ত।

লৰেলচ্
হাওৰা                                    গ্ৰন্থকাৰ
কাতি, ১৮৩৩ শক। ১৯১১, খৃষ্টাব্দ

# সূচী-পত্ৰ


| বিষয় | পৃষ্ঠা |
|---|---|
| ১। মেকুৰীৰ জীয়েকৰ সাধু | ১ |
| ২। বান্দৰ আৰু শিয়াল | ৫ |
| ৩। ঔ-কুঁৱৰী | ১০ |
| ৪। ঢোঁৰাকাউৰী আৰু টিপচীচৰাই | ১৩ |
| ৫। এজনী মালিনী আৰু এজোপা ফুল | ১৯ |
| ৬। বুধিয়ক শিয়াল | ২০ |
| ৭। বাঘ আৰু কেঁকোৰা | ২৫ |
| ৮। তেজীমলা | ৩৬ |
| ৯। বুঢ়া-বুঢ়ী আৰু শিয়াল | ৪৫ |
| ১০। দীঘল ঠেঙীয়া | ৪৯ |
| ১১। গঙ্গাটোপ | ৫৩ |
| ১২। নুমলীয়া পো | ৫৭ |
| ১৩। সৰবজান | ৫৯ |
| ১৪। এটা শিঙৰা মাছৰ কথা | ৬৫ |
| ১৫। এটা বলী মানুহ | ৬৭ |
| ১৬। চিলনীৰ জীয়েকৰ সাধু | ৭০ |
| ১৭। তুলা আৰু তেজা | ৮১ |
| ১৮। কটা যোৱা নাক, খাৱণী দি ঢাক | ৯৮ |
| ১৯। তীখৰ আৰু চুটিবাই | ১০৪ |
| ২০। চম্পাৱতী | ১০৯ |
| ২১। জৰদ্গৱ ৰজাৰ উপাখ্যান | ১২০ |
| ২২। পানেশৈ | ১২৪ |
| ২৩। জোঁৱাইৰ সাধু | ১৩০ |
| ২৪। কুকুৰীকণা | ১৩২ |
| ২৫। ভেকুলীৰ সাধু | ১৩৮ |
| ২৬। তাৱৈয়েকৰ সাধু | ১৪১ |
| ২৭। লট্কন | ১৪৫ |
| ২৮। লুখিমী তিৰুতা | ১৫০ |
| ২৯। দুই বুধিয়ক | ১৫৫ |
| ৩০। কাঞ্চনী | ১৫৯ |

# মেকুৰীৰ জীয়েকৰ সাধু

এঘৰ মানুহৰ এজনী বৰ চেনেহৰ মেকুৰী আছিল। তাই গাভিনী হৈছিল। ঘৰৰ গিৰিহঁতনীও ঠিক সেই সময়তে গা-ভাৰী আছিল। মেকুৰীজনীৰ বৰকৈ মাছ খাবৰ মন যোৱাত তাই, "মোৰ মাছ খাবৰ মন গৈছে" বুলি গিৰিহঁতনীক কলে। গিৰিহঁতনীয়ে উত্তৰ দিলে, "আই হে' তই চপাই কোচাই আনি দিলেহে মই খাবলৈ দিব পাৰোঁ, নহলেনো মই ক'ৰপৰা দিম ?" ইয়াকে শুনি মেকুৰী-জনীয়ে সেইদিনাখনৰ পৰা অইনৰ ঘৰৰ পৰা চুৰতাৰি কৰি বা ডকাহকা দি কোনোৰকমে মাছ আনি দিবলৈ ধৰিলে। ইফালে গিৰিহঁতনীয়ে মাছ ৰান্ধি-বাঢ়ি খাই মেকুৰীজনীক খালি কাঁইটবোৰ খাবলৈ দিলে। সেইদৰে মেকুৰীজনীয়ে দিনৌ মাছ আনি খাবলৈ নেপায়। ইয়াতে তাইৰ মনত বৰ বেজাৰ লাগি গিৰিহঁতনীক শাও দিলে, "মোৰ পেটত যি আছে তাইৰ পেটলৈ যাওক আৰু তাইৰ পেটত যি আছে মোৰ পেটলৈ আহক।" ইয়াৰ কিছুদিনৰ পাচতে সঁচাসঁচিকৈয়ে গিৰি-হঁতনীয়ে দুটা মেকুৰী পোৱালি পালে আৰু মেকুৰীয়ে ছোৱালী দুজনী পালে। আতৌ-পুতৌ কৰি মেকুৰীয়ে ছোৱালী দুজনীক কোনো-ৰকমে ডাঙৰ কৰিলে। ছোৱালী দুজনীক ঘৰতে থৈ মেকুৰীয়ে

নিতৌ মাছ, গাখীৰ ইত্যাদি বিচাৰি যায়। ছোৱালী দুজনী জনা হলত গিহঁতে এদিন মাকক কলে,—"আই, তুমি যদি গাঁৱলৈ যাওঁতে কোনোবাই মাৰি খয় তেনেহলে আমি কেনেকৈ জানিম আৰু কি কৰিম ?" তেতিয়া মাকে এজোপা তুলসী আৰু তাৰ ওচৰতে এমলা গাখীৰ থৈ কলে, "যদি মোক কোনোবাই খাবে তেন্তে এই তুলসীজুপি জঁয় পৰিব আৰু গাখীৰমলা ক'লা হ'ব। তেতিয়া তহঁতে মোক বিচাৰি যাবি।" ইয়াৰ দিন দিয়েকৰ পাচত তুলসীজোপা জঁয় পৰিল আৰু গাখীৰ মলা কেঁহেৰাজ-বৰণীয়া হ'ল। তেতিয়া মাকৰ কি হ'ল বুলি জানি কান্দি-কাটি ছোৱালী দুজনীয়ে মাকক বিচাৰি গ'ল। গিহঁতে ভালেমান দূৰ গৈ ভনীয়েকৰ পিয়াহ লাগিলত পানী বিচাৰি যাওঁতে আগতে এখন নৈ পালেগৈ। নৈৰ গৰাতে ভনীয়েকক থৈ বায়েকে পানী আনিবলৈ নামি গ'ল। তাই আঁজলি দিয়েক নিজে খাই ভনীয়েকলৈ পানী আনিবলৈ ধৰাত পানী শুকাই গ'ল আৰু জলকোঁৱৰে মাত লগালে, "যদি তোমাৰ হাতৰ আঙঠিটো মোক দিব পাৰা তেন্তে তুমি পানী নিব পাৰা।" ভনীয়েকতকৈ আঙঠিটোনো কি ডাঙৰ বস্তু, এই বুলি বায়েকে আঙঠিটো দি পানী আনিলে। ভনীয়েকে পানী খাই বায়েকক আকৌ আঙঠিটো আনি-বলৈ পঠিয়াই দিলে। এইবাৰ বায়েক পানীত নামোতেই জলকোঁৱৰে তাইক হৰি নিলে। বায়েকক নিয়া দেখি ভনীয়েকে বামতে বহি হিয়া-মূৰ ভুকুৱাই কান্দিবলৈ ধৰিলে। ইয়াৰ কিছুপৰৰ পাচতে এজন মুদৈ বেপাৰলৈ আহোঁতে অকলশৰীয়া ৰূপহী ছোৱালীজনী নৈৰ পাৰত বহি থকা দেখি তাইক নাৱত ভৰাই লৈ গুচি গ'ল। ঘৰ পাই মুদৈয়ে তাৰ দুজনী ঘৈণীয়েকৰ লগতে তাইকো এজনী সৰু-ঘৈণী পাতি ললে। কোমল বয়সীয়া সৰু ঘৈণীয়েকক মুদৈয়ে

আগৰ দুজনী ঘৈণীয়েকতকৈ বেছি মৰম কৰিবলৈ ধৰিলে। খিয়ালতে ই দুজনীয়ে, কেনেকৈ মুদৈয়ে এইক দেখিব নোৱাৰা হয় তাৰেহে উপায় চিন্তিবলৈ ধৰিলে। তাইৰ প্ৰথমবাৰ অশৌচৰ সময়ত তাইৰ চকু দুটা কাপোৰেৰে বান্ধি, তাই এটা ঢেকীথোৰা পালে বুলি কৈ তাই পোৱা মতা ল'ৰাটো সতিনীয়েকহঁতে নৈত উটাই দিলে। পিচৰ বাৰতো তাই তেনেকৈ এটা ৰঙালাও পালে বুলি সিহঁতে কৈ আচল মতা ল'ৰাটো নৈত উটাই দিলে। ইফালে জলকোঁৱৰে হৰি নিয়া বায়েকে সেই উটাই দিয়া ল'ৰা দুটাক ভনীয়েকৰ ল'ৰা বুলি জানিব পাৰি তুলি-তালি ডাঙৰ-দীঘল কৰিলে। মুদৈয়ে সৰুজনী ঘৈণীয়েকৰ এইবোৰ কথা সঁচা বুলি ভাবি তাইক কুলক্ষণীয়া তিৰোতা বুলি ঠিক কৰি নিজৰ ঘৰৰ পৰা খেদি দি চুৱাপাতনিত ঘৰ এটা সজাই দি থলে। তাই চুৱাপাতনিতে এটা ঘৰত দুখেৰে দিন কটাবলৈ ধৰিলে। এদিন মুদৈয়ে বেপাৰলৈ যাওঁতে পানীৰ মাজতে জলকোঁৱৰে তেওঁৰ নাওখন ধৰি ৰখালে। মুদৈয়ে নাওখন কোনো ৰকমে এৰুৱাব নোৱাৰি কি কৰোঁ বুলি বিচুত্তি হৈ থাকোতে পানীৰ মাজৰ পৰা কোনোবাই মাত লগাই কলে,—"তুমি এটা সকাম কৰিবলৈ গাত লোৱা আৰু কেতিয়া কৰিবা তাক থিৰাংকৈ কৈ তোমাৰ তামোলৰ হাচটিখন আৰু লাখুটিডাল পেলাই থৈ যোৱা, তেহে তোমাৰ নাও মুকলি হব।" মুদৈয়ে উপায় নেপাই এটা বৰ সবাহ কৰিবলৈ দিন ঠিক কৰি হাচটিখন আৰু লাখুটিডাল তাতে পেলাই দিলত নাওখন চাট্‌কৰে এৰাই গ'ল। ইফালে জেঠায়েকে সেই ল'ৰা দুটাক সিহঁতৰ মাকে মেকুৰীৰ পেটত জন্ম লোৱাৰ পৰা আৰম্ভ কৰি সিহঁতক নৈত উটাই দিয়ালৈকে এইবোৰ কথা বৰ্ণনা কৰি কলে আৰু সেই সকলোখিনি সিহঁতৰ বাপেকে পতা বৰ সবাহৰ দিনা সিহঁতে ৰাইজক কবলৈ কলে। সিহঁতে সবাহৰ দিনা বাপেকৰ

লাখুটিডাল আৰু হাচাটিখন লৈ মুদৈৰ, ঘৰৰ ফালে যাবলৈ ধৰিলে। পোনেই গৈ সিহঁতে চুৱাপাতনিত থকা মাকক আই বুলি মাতি এটুপি পানী খাবলৈ খুজিলত, সিহঁতে চুপতি কৰা বুলি মাকে ভাবি কবলৈ ধৰিলে,—"মোক কিয় ভেঙুচালি কৰিছহঁক, সৌৱা সবাহলৈ মানুহ আহিছে তালৈ যা আৰু তাতে যি পা খাগৈ।" তেতিয়া সিহঁতে সকলোখিনি কথা মাকৰ আগত ভাঙি কৈ চিনাকি দি, তাতে অলপ জিৰাই শঁতাই সবাহলৈ গ'ল। সবাহত মানুহ দিহা-দিহি বহিছে, এনেতে খবৰ ওলাল যে চুৱাপাতনিত থকা মানুহজনীৰ তাত খাই বই দুজন মানুহ এই সবাহত বহিছিল। যেতিয়া এই কথা তাত জনাজাত হ'ল তেতিয়া ৰাইজৰ পৰা বিচাৰ হ'ল যে সেই মানুহ দুজনে সবাহৰ মাজত ওলাই নিজৰ চিনাকি দিব লাগে। কথাষাৰ শুনা মাত্ৰকতে দুই ককাই ভায়েকে গিৰিপ কৰে উঠি মাত লগালে যে, "আমি য'ত সোমাইছিলো তেওঁ আমাৰ আই।" তেতিয়া ৰাইজে এই বিষয়ে কি জানা বুলি মুদৈক সোধাত মুদৈয়ে একোকে কব নোৱাৰিলে। তেতিয়া ৰাইজে সিহঁতক সেই বিষয়ে কবলৈ কোৱাত, বৰটোৱে মাত লগালে যে ৰাইজে যেন সকলো কথা মন দি শুনে। এই বুলি সকলো কথা ভাঙি পাতি সি কবলৈ ধৰিলে আৰু মুদৈৰ হাচাটিখন আৰু লাখুটিডাল ৰাইজৰ আগত উলিয়াই দি সিহঁতৰ কথা সঁচা বুলি প্ৰমাণ কৰিলে। মুদৈয়ে হা-হুমুনিয়াহ কাঢ়ি সৰগ পৰা মানুহ যেন হ'ল আৰু লাখুটিডাল, হাচাটিখন নিজৰ বুলি সৈ কাঢ়িলে। তেতিয়া সকলোৱে সতিনীৰ কু-মন্ত্ৰণা বুজিব পাৰিলে আৰু মুদৈৰ ঘৈণীয়েকহঁতক মতাই সকলো কথা সোধাত সিহঁতে একো মাতিব নোৱাৰিলে, ৰাইজেও একো হাই-উৰুমি নোহোৱাকৈ সবাহ খাই গ'ল। সবাহৰ পাছত মুদৈয়ে ঘৈণীয়েক দুজনীৰ নাক-কাণ কাটি সিহঁতক খেদি দিলে আৰু

ল'ৰা দুটিৰে সৈতে গৰু ঘৈণীয়েকক আনি ঘৰ সোমালেহি। ল'ৰা দুটিও বাপেক-মাকৰ বুকু জুৰাই লগতে থাকিল।

---

# বান্দৰ আৰু শিয়াল

এটা শিয়াল আৰু এটা বান্দৰ আছিল। সিহঁতে দুয়ো সখি পতাই হেঁপাহ পলুৱাই খাই ফুৰিবলৈ আলচ কৰিলে। এদিন সিহঁতে ক'ত কি খাবলৈ পাওঁ ভাবি হাবিৰ মাজৰ ৰাজ-আলি এটাৰ কাষত লুকাই আছিল, এনেতে সেই বাটেদি গোটাচেৰেক মানুহে বিয়াৰ গাখীৰ-গুৰ, কল-কুঁহিয়াৰ ভাৰ বান্ধি লৈ যোৱা দেখিলে। তাকে দেখি শিয়ালে বান্দৰক কলে,—"সখি, সেই মানুহকেইটাই লৈ যোৱা বস্তবোৰ খাব লাগিল ; এতেকে এটা বুধি উলিওৱা যাওক। তুমি অলপ দূৰতে বাটৰ কাষৰ জোপা এটাৰ ভিতৰত লুকাই থাকা, মই এইখিনিৰ জোপা এটাতে লুকাই থাকো। সিহঁত যেতিয়া আহি আমাৰ ওচৰ পাবহি, মই মাতিম হোৱা আৰু তুমি মাতিবা খোৱা। দেখিবা সিহঁতে হঠাৎ আমাৰ 'হোৱা' 'খোৱা' শুনিলে ভয় খাই বস্ত পেলাই লৰ মাৰিব।"

বান্দৰে আৰু শিয়ালে এই বুদ্ধি আলচি লুকাই থাকিল, মানুহ কেইটা আহি ওচৰ পালত, "হোৱা হোৱা" আৰু "খোৱা খোৱা"

কৰিলত বাঘ কি ভালুক আহিছে বুলি মানুহকেইটা ভয় খাই ভাৰখোৰ তাতে পেলাই এৰি থৈ ভিৰাই লৰ মাৰিলে। মানুহ-কেইটাই পিয়াপি দি লৰ মৰা দেখি শিয়াল আৰু বান্দৰে বঙত দেও-দোপাল পাৰি ভাৰৰ বস্তবোৰ লৈ গৈ হাবিত সুমুৱালে। বান্দৰে শিয়ালক কলে,—"সখি, আমি বস্তবোৰ ইয়াতে খাবলৈ বহিলে যদি



সেই মানুহকেইটাই সিহঁতৰ বস্ত বিচাৰি উভতি আহে, তেন্তে আমাক ইয়াতে পালে মাৰি আধ্যা কৰি বস্তবোৰ কাঢ়ি লৈ গুচি যাব ; এতেকে এটা কাম কৰা যাওক,—মই বস্তবোৰ লৈ এই ওখ গছজোপাৰ

ওপৰত উঠো আৰু তুমি তলত থাকা, তুমিতো আৰু গছত উঠিব নাজানা। ওপৰত মোৰ ভাগ বস্তু মই খাম। আৰু তোমাৰ ভাগৰ বস্তুবোৰ মই এটা এটাকৈ তললৈ পেলাই দি থাকিম। এতেকে তুমি মোক বস্তুবোৰ দাঙি দিয়া, মই ওপৰলৈ তুলি নিওঁ!" এই কথাত শিয়াল মান্তি হৈ বস্তুবোৰ দাঙি বান্দৰক দিবলৈ ধৰিলে আৰু বান্দৰে তুলি নি গছৰ ফেৰেঙনিত থবলৈ ধৰিলে। সকলো-খিনি বস্তু থানথিত লগাই থৈ অতাই বান্দৰে গছৰ ডালত বহি মহা-সুখে নিশ্চিন্ত মনেৰে হেঁপাহ পলুৱাই খাবলৈ লাগিল। শিয়ালে গছৰ তলৰ পৰা মাত লগালে, "সখি মোৰ ভাগ ক'ত?" বান্দৰে কল খাই বাকলিটো তললৈ পেলাই দি কলে, "সখি চাবা, সেইটি কল হৈছে ধৰিবা।" গাখীৰ খাই চুঙা আৰু টেকেলি তললৈ পেলাই দি কলে, "সখি, তোমাৰ ভাগৰ গাখীৰ গৈছে, ধৰিবা।" কুঁহিয়াৰ খোৱা চোবা তললৈ পেলাই দি কলে, "সখি চাবা, কুঁহিয়াৰ গৈছে ধৰিবা।" এইদৰে বান্দৰে শিয়ালক ফাঁকি দি সকলোবোৰ বস্তু খোৱা দেখি শিয়ালে খঙত গছৰ গুৰিকে কামুৰি আৰু মাটি আচুৰি-পিচুৰি মনৰ দুখ মনতে লৈ তাৰ পৰা গুচি গ'ল।

এদিন বান্দৰে শিয়ালক এবাহ টেকেলীয়া কোদোৰ ওচৰত বহি থকা দেখি ওচৰ চাপি সুধিলে,—"সখি কি কৰিছা?" শিয়ালে উত্তৰ দিলে,—"এ সখি কিনো কম দেওহে, ৰজাই মোক দবা-ৰখীয়া পাতিছে, সেইদেখি ৰজাৰ এই দবাটো ৰখি বহি আছোঁ।" বান্দৰে কলে—"সখি এচাপৰ বাওঁ দিয়াহে।" শিয়ালে উত্তৰ দিলে,—"নোৱাৰোঁ দিব সখি, ৰজাই শুনিলে মোক কাটি দোছোৱা কৰিব। তুমি শুনা নাই নে নৰজাউতেই গো-গোৱাই আছে"। বান্দৰে কলে,—"নহয় সখি, লাহেকৈ এচাপৰ বাওঁ দিয়া, ৰজাই নুশুনে! মোৰ বৰ মন

গৈছে।" শিয়ালে "বাৰু সখি, তোমাৰ কথাকে পেলাওঁ কেনেকৈ, নাহে নাহে চাপৰ দিয়েক মোৰ।" এইবুলি বান্দৰক কৈ শিয়াল সাউত কৰে আঁতৰ হ'ল। বান্দৰে হুকিয়াতে কোমোৰ বাহত চাপৰ মাৰিলত, গোটেইবোৰ টেকেলীয়া কোমোৰে তাৰ হাতে-ভৰিয়ে, গায়ে-মুখে উবুৰি খাই পৰি কামুৰিবলৈ ধৰিলে আৰু বান্দৰৰ মুখ উখহি দোন যেন হ'ল। বান্দৰে তত নেপাই বাগৰি জুগৰি, চিঞৰি-বাখৰি শিয়াল সখিয়েকক মাতিলে, "সখি, সখি আহা মই মৰিলো।" শিয়ালে দূৰৰ পৰা উত্তৰ দিলে,—"কলটো খাই যে মোলৈ বাকলিটো পেলাই দিছিলা তাৰ উপকাৰ কৰিলো।" বান্দৰে মাতিলে, "সখি মোক ৰাখা, মই মৰিলো।" শিয়ালে উত্তৰ দিলে,—"গাখীৰ খাই যে শুদা টেকেলিটো মোলৈ পেলাই দিছিলা তাৰ শোধ তুলিলো।" বান্দৰে মাতিলে,—"সখি আহা ঐ। মই মৰিলো।" শিয়ালে "কুঁহিয়াৰ খাই যে মোলৈ চোবা পেলাই দিছিলা তাৰ পোটক তুলিলো।" এই বুলি কৈ বান্দৰক তাতে এৰি আঁতৰি গুচি গ'ল।

ইয়াৰ বহুত দিনৰ পিচত বান্দৰে এদিন দেখিলে, শিয়ালে এডৰা বেত কচু ধৰি বহি আছে। বান্দৰে তেতিয়া সেই কোমোৰ কথা একেবাৰেই পাহৰি গৈছিল। সি ওচৰ চাপি আহি শিয়ালক সুধিলে,—"সখি কি কৰিছা? সেইডৰা কি?" শিয়ালে হাঁহি-মুখেৰে বান্দৰৰ কাণে চাই মাত লগালে,—"এইডৰা ৰজাৰ পূৰা কুঁহিয়াৰ। মোক ৰজা-ঘৰৰ পৰা ৰখীয়া পাতিছে দেখি ৰখি আছোঁ। কিনো কৰিম দেওহে, ৰজাৰ হুকুম।" কুঁহিয়াৰৰ নাম শুনিয়েই বান্দৰৰ মুখৰ পানী ওলাল। বান্দৰে কলে,—"সখি মোক সৰু চাই এডালি খাবলৈ দিবানে?" শিয়ালে উত্তৰ দিলে,—"আও তুমিনো কি কোৱাহে, ৰজাৰ কুঁহিয়াৰ মই তোমাক কেনেকৈ খাবলৈ দিওঁ?

ৰজাই শুনিলে মোকতো মাৰিবই, পেটৰ পোৱালিকো ছিৰি মাৰিব।" লুভীয়া বান্দৰে আকৌ কলে,—"নহয় সখি, মোৰ বৰ মন গৈছে, এডালি মনে মনে খাবলৈ দিয়া, ৰজাই গম নাপায়।" শিয়ালে কলে, "খাব খুজিছা খোৱা, তেহেলে মোৰ যি হয় হব, কিন্তু এডালিৰ বেছি নহয়।" শিয়ালৰ অনুমতি পোৱা মাত্ৰকতে খকুৱা বান্দৰে ডাঙৰ কচু এডাল আনি লৰালৰিকৈ চোবাবলৈ ধৰিলে। তৎক্ষণাত বেজ-কচুৱে তাৰ মুখ খজুৱাই তত্ এৰুৱাই দিলে আৰু সি চিঞৰি গছৰ পাত সৰাই শিয়ালক মাতিবলৈ ধৰিলে,—"সখি মোক ৰাখা, মই মৰিলো।" শিয়ালে উত্তৰ দিলে,—"কল খাই যে বাকলিটো মোলৈ পেলাই দিছিলা তাৰ উপকাৰ কৰিলো।" বান্দৰে মাতিলে,—"সখি মৰিলো।" শিয়ালে উত্তৰ দিলে,—"কুঁহিয়াৰ খাই মোলৈ চোবা পেলাই দিয়াৰ হোৰ তুলিলো।" বান্দৰে মাতিলে,—"সখি মোক ৰক্ষা কৰা, মৰিলো।" শিয়ালে—"গুৰ খাই টেকেলিটো মোলৈ পেলাই দিয়াৰ পোটক তুলিলো।" বুলি তাৰপৰা গুচি গ'ল।

এই ঘটনাৰ অনেক দিনৰ পিচত এদিন বান্দৰে ফুৰিচাকি ফুৰোতে দেখিলে যে শিয়ালটো এটা পুৰণি পাটনাদৰ ওচৰত বহি আছে। পাটনাদৰ মুখখন মকৰা জালে ঢাকি থৈছিল। বান্দৰে আগৰ দুবাৰৰ কথা একেবাৰেই পাহৰি গৈ শিয়ালক সুধিলে,—"সখি কি কৰিছা ?" শিয়ালে—"এ সখি কিনো কবা, ৰজাৰ ঘৰৰ এটা বিষয় মোৰ গাত সদায় লাগিয়েই আছে। ৰজাৰ এইখন কুঁৱৰীৰ যৌতুকত পোৱা দোলাৰ মোক ৰখীয়া পাতিছে, ৰখি আছো।" বান্দৰে কলে,—"ৰজাৰ দোলাত উঠিবলৈ বৰ সুখ নহয় নে সখি ? কেনেকুৱা এবাৰ মই উঠি চাওঁ দিয়াচোন।" শিয়ালে কলে, "নোৱাৰো দিব দেওহে, ৰজাই কেনেবাকৈ দোলাত কোনোবা উঠাৰ

চিন পালে মোক আজৰি কৰিব।" বান্দৰ—"কি চিন পাবহে ? লাহেকৈ উঠি নামি যাম। দিয়া মোৰ সখি, এবাৰ উঠি চাবলৈ দিয়া।" "যদি নেবা, উঠিব খুজিছা, তেন্তে কোনেও নৌ দেখোঁতেই বেগতে উঠা" বুলি শিয়ালে কলে। বান্দৰে ৰজাঘৰীয়া দোলাত গা পেলাই সুখ পাবলৈ, তৎক্ষণাত টোৱাই-ভিৰাই জাপ মাৰি দি তাত পৰিলতে, মকৰাৰ জাল বিদাৰি গৈ বান্দৰ নাদত পৰি মৰিল।

---

# ঔ-কুঁৱৰী

এক ৰজাৰ দুজনী ৰাণী আছিল। তেওঁলোক দুয়ো গৰ্ভৱতী হ'ল। এদিন দুয়ো ৰাণীৰ সন্তান উপজিল। বৰ ৰাণীয়ে এটি ল'ৰা আৰু সৰু ৰাণীয়ে এটা ঔ-টেঙা পালে। সৰু ৰাণীয়ে তেওঁৰ ঔ-টেঙাহে এটা উপজিল দেখি বৰ বেজাৰ পাই তাক চুৰাপাতত দলিয়াই পেলাই দিলে। কিন্তু দেখা গ'ল, দিনৌ ৰাণীয়ে কাম কৰিবৰ আৰু শুবৰ সময়ত সেই ঔ-টেঙাটো বাগৰি আহি ৰাণীৰ ওচৰ পায়হি। ৰাণীয়ে তাক দলিয়াই পেলালেও সি আকৌ বাগৰি ৰাণীৰ কাম পায়হি। এদিন ঔ-টেঙাটো দুপৰীয়া মানুহ-দুনুহ নোহোৱা সময়ত বাগৰি গৈ নৈৰ ঘাট পাই তাতে অলপ ৰৈ আছিল। সেই সময়ত ৰজাৰ কোঁৱৰ এজনে সেই ঘাটৰ অলপ আঁওহতীয়া

ঠাইতে বহি বৰশী বাই আছিল। কোঁৱৰে লক্ষ্য কৰি দেখিলে যে ঔ-টেঙাটোৰ ভিতৰৰপৰা এজনী দীপ-লিপ সুন্দৰী কন্যা ওলাই নৈত গা ধুই উঠি, ৰূপেৰে চাৰিও দিশ উজ্জ্বল কৰি চুলিকোছা ৰ'দত শুকাই লৈ, আকৌ ঔ-টেঙাটোৰ ভিতৰত সোমাই বাগৰি মাকৰ ঘৰলৈ উভতি আহিল। ৰজাৰ ল'ৰাই কন্যাজনীৰ ৰূপ দেখি মোহ গৈ ঘাটতে বৰশী পেলাই থৈ ঘৰলৈ গুচি আহি বোষ-ঘৰত সোমাল। ইফালে কোঁৱৰক বাপেক-মাকে নেদেখি বিচাৰি চলাথ লগাই শেহত বোষ-ঘৰত শুই থকা পালে। কি হৈছে বুলি তেওঁলোকে কোঁৱৰক সুধিলত, কোঁৱৰে কলে যে "অমুকা ৰজাৰ ঘৰত এটা বাগৰি ফুৰা ঔ-টেঙা আছে, সেই ঔ-টেঙাটোৰ সৈতে মোক দিয়া দিব লাগে।" ৰজা-ৰাণীয়ে প্ৰথমতে সেইটো হাঁহি-উঠা অসম্ভৱ কথা বুলি কোঁৱৰক বুজাবলৈ ধৰিলে, কিন্তু কোঁৱৰে নুশুনিলে। কোঁৱৰৰ খট-খাং এৰাব নোৱাৰি বাপেকে ৰজালৈ সেই বাতৰি দি ঔ-টেঙাৰে সৈতে নিজৰ কোঁৱৰৰ বিয়াৰ প্ৰস্তাৱ কৰি পঠিয়ালে। ঔ-টেঙাৰ মাক ৰাণীয়ে সেই কথা শুনি কান্দি-কাটি কলে যে,—"মোক কিয় এইদৰে লাজ দিব লাগিছে।" কিন্তু শেহত তেওঁ এৰাব নোৱাৰি সেই কথাত মান্তি হৈ ঔ-টেঙাটো ধুৱাই-পখলাই কোঁৱৰৰে সৈতে তাৰ বিয়া দিলে। বৰ ধুম-ধাম কৰি কোঁৱৰে ঔ-টেঙাক বিয়া কৰাই দোলাত তুলি আনি নিজৰ ঘৰ পোৱালেহি।

ৰজাৰ কোঁৱৰে ঔ-টেঙাৰ সৈতে একেটা শোৱনি-ঘৰতে থাকিল। ৰাতি কোঁৱৰে খাবলৈ মাকে যি ভাত পঠিয়াই দিয়ে তাৰ এভাগ কোঁৱৰে খায় আৰু এভাগ থৈ দি শুই থাকে। কিন্তু কোঁৱৰৰ টোপনি আহিলেই ঔ-টেঙাটোৰ ভিতৰৰপৰা কন্যাজনী ওলাই সেই ভাতখিনি খাই আকৌ ঔ-টেঙাৰ ভিতৰত সোমাই থাকে। দিনো কোঁৱৰে

টোপনিৰ পৰা উঠি সেই থৈ দিয়া ভাত নেদেখি আচৰিত মানে। কোঁৱৰে ইয়াৰ কাৰণ বুজিব নোৱাৰি মনত সদায় দুখ কৰি আমন-জিমনকৈ বহি থাকে। এদিন এজনী মগনীয়া বুঢ়ী কোঁৱৰৰ ওচৰত চাউল মাগিবলৈ আহিছিল। বুঢ়ীয়ে কোঁৱৰক আমন-জিমনকৈ বহি থকা দেখি সুধিলে,—"বোপা তুমি দেখোন মন মাৰি বহি আছা ? তুমি বিয়া কৰিলা কিন্তু ক'তা আমি দেখোন বোৱাৰীক দেখা পোৱা নাই ?" বুঢ়ীৰ কথা শুনি কোঁৱৰে আগৰপৰা গুৰিলৈকে তাইক সকলো কথা ভাঙি ক'লত বুঢ়ীয়ে মাত লগালে—"বোপা ঔ-টেঙাটোৰ ভিতৰতে তোমাৰ কুঁৱৰী আছে ; শোৱনী-ঘৰৰ ভিতৰত একুৰা তুঁহজুই ধৰি থবা আৰু দৈ গাখীৰ আঠিয়া কল ফেনেকি মিহলাই ওচৰতে এটা বাটিত থৈ দিবা। তুমি তোমাৰ শোৱাপাটীত টোপনি অহাৰ ভাও জুৰি নাক ঘোৰ্ঘোৰাই থাকিবা। তোমাৰ টোপনি আহিছে ভাবি যেতিয়া সেই ঔ-টেঙাটোৰ পৰা ছোৱালীজনী ওলাই ভাত খাবলৈ বহিব তেতিয়া তুমি ততালিকে উঠি সেই ঔ-টেঙাটো তুঁহজুইত দি পুৰি পেলাবা। কিন্তু তেতিয়া দেখিবা যে ছোৱালীজনী ঠাচ কৰে মাটিত পৰি গৈছে। তেতিয়াই লৰালৰিকৈ সেই বাটিৰপৰা দৈ-গাখীৰ আৰু আঠিয়াকল আনি তাইৰ মূৰত ভৰণ দিবা ; দিলেই তাই জ্ঞান পাই উঠি বহিব।" বুঢ়ীৰ বুধি শুনি কোঁৱৰে ৰং পাই তাইক বটা দি বিদায় দিলে ; আৰু ৰাতি সেই বুঢ়ীৰ কথামতেই কৰি ঔ-কুঁৱৰীক লাভ কৰিলে।

কোঁৱৰৰ বাপেক্-মাকে পিছদিনা পুৱা এই ঘটনা শুনি আৰু বোৱাৰীয়েকক দেখি তেওঁলোকৰ মনত আনন্দই নধৰা হ'ব। বিয়ৈ-

বিয়নী ৰজা-ৰাণীলৈ এই বাতৰি তেওঁলোকে কৈ পঠিয়ালত তেওঁ-লোকৰো মনত মহা ৰং মিলিল আৰু আকৌ তেওঁলোকে মহা পয়ো-ভৰেৰে জীয়েক ও-কুঁৱৰীক কোঁৱৰলৈ দিয়া দিলে।

— —

# টোঁৰাকাউৰী আৰু টিপচীচৰাই

এক বোলে টোঁৰাকাউৰী আৰু এটা টিপচীচৰাই আছিল। সিহঁত দুয়ো সখি বন্ধালে। এদিন দুয়ো একেলগে এজোপা গছৰ ডালত বহি আছিল। এনেতে দেখিলে যে এজনী বুঢ়ীয়ে ধান সিজাই চোতালত মেলি দিছে। টোঁৰাকাউৰীয়ে টিপচীক ক'লে,—"সখি, সখি চোৱাচোন সেই বুঢ়ীজনীয়ে সিজোৱা ধান ৰ'দত মেলি দিছে, এথাপ মাৰি আমি আনোহঁক আহাঁ।" টিপচীয়েও—"এৰা আনোহঁক আহাঁ" বুলি মাত দিলত টোঁৰাকাউৰীয়ে ক'লে—"কিন্তু সখি এটা কথা, মই ঠোঁটত যিমান ধান আনিম তুমিও যদি সিমান আনিব নোৱাৰা তেনেহলে মই তোমাক খাম। আৰু তুমি যিমান আনিবাময়ো যদি সিমান আনিব নোৱাৰো তেনে তুমি মোক খাবা।" টোঁৰাকাউৰীৰ কথা শুনি টিপচীয়ে ভাবিলে—"মইতো তাতকৈ বেছি ধান একে থাপতে আনিব নোৱাৰিমেই; সেইদেখি বুজিছোঁ সি মোক খাবলৈ বুধি পাতিছে। বাৰু দেখাই যাওকচোন সি মোক কেনেকৈ

খায়।" ইয়াকে ভাবি টিপচীয়ে উত্তৰ দিলে—"বাৰু সখি সেয়ে হওক।" ঢোঁৰাকাউৰীয়ে কলে,—"তেন্তে তুমি আগেয়ে থাপ মাৰি আনা।" টিপচীয়ে উত্তৰ দিলে—"নহয় সখি তুমি আগেয়ে আনা।" কাউৰীয়ে ক'লে—"তুমিহে আগ হব লাগে মই তোমাৰ পিচতহে।" এই কথা শুনি টিপচীয়ে তাৰ এখুদমান ঠোঁটেৰে থাপমাৰি এঠোঁট ধান আনিলে; কিন্তু সি নিচেই তাকৰ। তাৰ পিচত ঢোঁৰাকাউৰীয়ে থাপ মাৰি ইমান ধান আনিলে যে টিপচীয়ে অনা ধানতকৈ সি অনেক গুণে সৰহ। ঢোঁৰাকাউৰীয়ে ধান আনিয়েই মাত লগালে—"সখি মই এতিয়া তোমাক খাব পাওঁ।" টিপচীয়ে উত্তৰ দিলে—"নিশ্চয় পোৱা সেই-দেখি তুমি মোক খাবা; কিন্তু তাৰ আগেয়ে তুমি মোৰ এটা কথা ৰাখিব লাগিব,—তুমি সততে মৰা শ খাই ফুৰা, সেইবাবে তোমাৰ ঠোঁটটোত বৰ বেয়া গোন্ধ। তুমি অনুগ্ৰহ কৰি তোমাৰ ঠোঁটটো সাগৰৰ পানীত ধুই মোক খোৱা।" ঢোঁৰাকাউৰীয়ে—"বাৰু সখি, তোমাৰ কথা ৰাখিম; মই এতিয়াই মোৰ ঠোঁটটো সাগৰৰ পানীত ধুই আহোঁগৈ" বুলি কৈ উৰি গৈ সাগৰৰ কাষ পাই সাগৰক মাতিলে—"সাগৰ ককাই, অ' সাগৰ ককাই" সাগৰে উত্তৰ দিলে—"কি হৈছে।" ঢোঁৰাকাউৰীয়ে কলে—

"দে পানী, পখালো ঠোঁট !
ভোজন কৰো টিপচী গোট ॥"

সাগৰে উত্তৰ দিলে,—"কিহতকৈ দিম ? যদি কিবা এটা পাত্ৰ দিব পাৰা তেন্তে দিব পাৰো।"

সাগৰৰ কথা শুনি কাউৰীয়ে টেকেলি এটা বিচাৰি কুমাৰৰ ঘৰলৈ গ'ল। কুমাৰক কাউৰীয়ে মাত লগালে,—"কুমাৰ ককাই,

কুমাৰ ককাই, ঘৰত আছেনে ?” কুমাৰে উত্তৰ দিলে,—“আছোঁ কিবা কৈছে ?” কাউৰীয়ে কলে—

“দে টেকেলি, তোলো পানী, পখালো ঠোঁট ।
ভোজন কৰো টিপচী গোট ॥”

কুমাৰে কলে—“মোৰ ঘৰত গঢ়া টেকেলি, নাই । যদি অলপ-মান মাটি আনি দিব পাৰা, তেন্তে মই টেকেলি এটা গঢ়ি দিব পাৰোঁ ।”

কুমাৰৰ কথা শুনি কাউৰীয়ে মাটিৰ ওচৰলৈ গৈ মাটিক কলে—

“দে মাটি, দিওঁ কুমাৰক, গঢ়ক টেকেলি,
তোলো পানী, পখালো ঠোঁট ।
ভোজন কৰোঁ টিপচী গোট ॥”

মাটিয়ে উত্তৰ দিলে,—“মই নিজে কেনেকৈ দিম ? যদি কিবা উপায়েৰে খান্দি নিব পাৰা নিয়া ।”

মাটিৰ সনিধান পাই কাউৰীয়ে ম'হৰ ওচৰ পালেগৈ । সি ম'হক মাত লগালে,—

“দে শিং, খান্দো মাটি ।
দিওঁ কুমাৰক, গঢ়ক ঘটি
তোলো পানী, পখালো ঠোঁট ।
ভোজন কৰোঁ টিপচী গোট ॥”

ম'হে উত্তৰ দিলে,—“মই নিজে মোৰ শিং কেনেকৈ দিম ? যদি কিবা উপায়েৰে নিব পাৰা নিয়া ।”

ম'হৰ কথা শুনি কাউৰীয়ে গৈ কুকুৰৰ ওচৰ পাই কুকুৰক ক'লে—

"মাৰ ম'হ নিওঁ শিং, খান্দো মাটি,
দিওঁ কুমাৰক, গঢ়ক ঘটি।
তোলো পানী, পখালো ঠোঁট।
ভোজন কৰোঁ টিপচী গোট॥"

কুকুৰে উত্তৰ দিলে,—"আজি ভালেমান দিন মই গাখীৰ খাবলৈ পোৱা নাই, সেইদেখি মোৰ গাৰ বল কমি গৈছে। তুমি যদি মোক গাখীৰ খুৱাব পাৰা তেন্তে মই ম'হ মাৰি দিব পাৰোঁ।"

এই কথা শুনি কাউৰীয়ে গাইৰ ওচৰলৈ গৈ গাইক কলে—

"দে গাখীৰ, খুৱাওঁ কুকুৰক,
বান্ধক বল, মাৰক ম'হ।
নিওঁ শিং, খান্দো মাটি।
দিওঁ কুমাৰক, গঢ়ক ঘটি॥
তোলো পানী, পখালো ঠোঁট।
ভোজন কৰোঁ টিপচী গোট॥"

গায়ে উত্তৰ দিলে,—"মই বুঢ়ী হৈছোঁ; ভালেমান দিন ভালকৈ ঘাঁহ খাবলৈ পোৱা নাই। তুমি যদি মোক ভালকৈ এগোপা ঘাঁহ খাবলৈ আনি দিব পাৰা, তেন্তে মই তোমাক যিমান গাখীৰ লাগে সিমান দিম।"

গাইৰ উত্তৰ শুনি কাউৰীয়ে ঘাঁহৰ ওচৰলৈ গৈ ঘাঁহক কলে,—

"দে ঘাঁহ, খুৱাওঁ গাইক, ওলাওক গাখীৰ,
খুৱাওঁ কুকুৰক, বান্ধক বল, মাৰক ম'হ,
নিওঁ শিং, খান্দো মাটি।
দিওঁ কুমাৰক, গঢ়ক ঘটি॥
তোলো পানী, পখালো ঠোঁট।
ভোজন কৰোঁ টিপচী গোট॥"

ঘাঁহে উত্তৰ দিলে,—"মই কেনেকৈ ঘাঁহ দিম ? যদি কাটি নিব পাৰা নিয়া ।"

ঘাঁহৰ কথা শুনি কাউৰীয়ে কমাৰৰ ঘৰ পালেগৈ । বাহিৰৰ পৰা কাউৰীয়ে কমাৰক মাত লগালে—"কমাৰ কাই, কমাৰ কাই, ঘৰত আছে নে ?' কমাৰে উত্তৰ দিলে,—"আছো কাউৰী ভাই, কি গকামত বা আহিলা ?" কাউৰীয়ে উত্তৰ দিলে—

"দে খন্তি, কাটো ঘাঁহ, খুৱাওঁ গৰুক
ওলাওক গাখীৰ, খুৱাওঁ কুকুৰক, বান্ধক বল,
মাৰক ম'হ ।
নিওঁ শিং, খান্দো মাটি,
দিওঁ কুমাৰক, গঢ়ক ঘটি ।
তোলো পানী, পখালো ঠোঁট ।
ভোজন কৰো টিপচী গোট ।"

কমাৰে কলে,—"মোৰ জুইকুৰা নুমাই গ'ল ; যদি মোক জুই অলপ আনি দিব পাৰা, তেন্তে মই এতিয়াই খন্তি এখন গঢ়ি দিব পাৰোঁ ।"

কাউৰীয়ে কমাৰৰ কথা শুনি চাৰিওফালে চাই দেখিলে যে গাগৰৰ সিপাৰে এঠাইত জুইৰ ধোঁৱা ওলাইছে । দেখিয়েই সি উৰি গৈ সিপাৰ পাই এজনী বুঢ়ীয়ে ধান সিজাই থকা দেখিলে । বুঢ়ীৰ ওচৰ চাপি কাউৰীয়ে কলে,—"আই, মোক অলপ জুই দিব পাৰা নে ?" বুঢ়ীয়ে উত্তৰ দিলে,—"কিহতকৈ দিম ?" কাউৰীয়ে কলে—"মোৰ ডোকাৰ ভিতৰতে বান্ধি দিয়া ।" বুঢ়ীয়ে তাকে কৰিলে । কাউৰীয়ে জুইৰ আঙঠাৰ টোপোলাটো ডোকাত বান্ধি লৈ গাগৰৰ ওপৰেদি উৰি আহি থাকোতে তাত বতাহ লাগি জ্বলি



উঠি ডৌকা পুৰি গ'লত সি মাজ সাগৰত পৰি বুৰি মৰিল। ইফালে টিপচীয়ে মনে মনে কাউৰীৰ পাছে পাছে আহি আগৰেপৰা গুৰিলৈকে এটাইবোৰ লক্ষ্য কৰি আছিল। শেষত কাউৰীৰ এনে মৃত্যু দেখি সি সন্তোষ পাই এজোপা গছৰ ডালৰ পৰা উৰি আন এজোপা গছৰ ডালত পৰিলগৈ। আৰু মোৰ কাপোৰৰ কানি ক'লা হলত, ময়ো গুচি আহিলো।

ঢেকিয়াই মেলিলে ঠোৰ।
মোৰ কথাৰ পৰিল ওৰ ॥
তামোলে মেলিলে ডাবি।
কোন কলৈ যাবি ॥
ক'লা মেকুৰীৰ বগা কাণ।
ডাকি বোলা ৰাম ৰাম ॥

# এজনী মালিনী আৰু এজোপা ফুল

এক মালিনী আছিল। তাই বৰ যতনকৈ এজোপা ফুল-গছ ৰুইছিল। তাই সেই গছজোপা দিনৌ ইমান পতি কৰে, তথাপি তাত ফুল নুফুলে। সেইদেখি এদিন তাই ফুলগছজোপাক সুধিলে,—

"অ' গছ, অ' গছ, ফুল নুফুল কিয় ?" গছে উত্তৰ দিলে,—

"মই যে ফুলিব লাগে, গৰুৱেনো মোৰ আগ খায় কিয় ?" তেতিয়া মালিনীয়ে গৰুৰ ওচৰলৈ গৈ গৰুক সুধিলে—

"অ' গৰু, অ' গৰু, ফুলগছৰ আগ খাব কিয় ?"

গৰু—"গৰখীয়াই যে গৰু নাৰাখে, মই বা নাখাম কিয় ?"

মালিনী—"অ' গৰখীয়া, অ' গৰখীয়া, গৰু নাৰাখ কিয় ?"

গৰখীয়া—"বান্ধনীয়ে যে ভাত নিদিয়ে, মই বা ৰাখিম কিয় ?"

মালিনী—"অ' ৰান্ধনী, অ' ৰান্ধনী, ভাত নিদিয় কিয় ?"

ৰান্ধনী—"খৰীয়াই যে খৰি নিদিয়ে, মইনোদি ম কিয় ?'

মালিনী—"অ' খৰীয়া, অ' খৰীয়া, খৰি নিদিয় কিয় ?"

খৰীয়া—"কমাৰে যে কুঠাৰ নিদিয়ে মই নো দিম কিয় ?"

মালিনী—"অ' কমাৰ, অ' কমাৰ, কুঠাৰ নিদিয় কিয় ?"

কমাৰ—"এঙাৰীয়াই যে এঙাৰ নিদিয়ে মইনো দিম কিয় ?"

মালিনী—"অ' এঙাৰীয়া, অ' এঙাৰীয়া, এঙাৰ নিদিয় কিয় ?"

এঙাৰীয়া—"মই যে এঙাৰ দিব লাগে, মেঘেনো বৰষে কিয় ?"

মালিনী—"অ' মেঘ, অ' মেঘ, বৰষুণ দিয় কিয় ?"

মেঘ—"ভেকুলীয়ে যে টোৰ্টোৱায় মই বা নিদিম কিয় ?"
মালিনী—"অ' ভেকুলি, অ' ভেকুলি, টোৰ্টোৱাৰ কিয় ?"
ভেকুলি—"বপা-ককাৰ ৰীতিটো মই এৰিম বা কিয় ?"

---

# বুধিয়ক শিয়াল

এদিন এটা শিয়ালে ভোকত কিবা খাবলৈ বিচাৰি এখন গাঁৱৰ মানুহৰ বাৰীয়ে ঘৰে লুংলুঙাই ফুৰিছিল। এনেতে সি এঘৰত ভঁৰালৰ চাঙত তলি-ফুটা ভগা দোণ এটাত লখিমীলৈ দিয়া পিঠা কিছুমান পালেগৈ। সি টেমাক-টেমাককৈ অকতিয়াই-পকতিয়াই পিঠাবোৰ খাই শেষ কৰি, ভগা দোণটোৰ ফুটা তলিখন ঢাকি দিয়া কলপাতখন মূৰ জোকাৰি চেলেকিবলৈ ধৰিলে। সি মূৰপুতি চেলেকোতে চেলে-কোতে কলাপাতখন ফাটি ভগা দোণটো তাৰ মূৰেদি ডিঙিত গল-মণি হৈ পৰিল। কোনো প্ৰকাৰে শিয়ালটোৱে দোণটো ডিঙিৰপৰা গুচাব নোৱাৰিলে। শেষত এনে হ'ল, যে সি হাঁহ ছাগলী এটাও ধৰিব নোৱাৰা হ'ল; কাৰণ ডিঙিত ভগা দোণটোৱে লাংপটংকৈ সি হাবিৰপৰা বাহিৰলৈ ওলালেই মানুহে হৈ দিবলৈ ধৰে আৰু নিলগতে তাক দেখিলেই সকলোৱে "ধৰ গলমণিকাক" বুলি শিঙপাল খেদা দিয়ে।

এদিন শিয়ালটোৱে হাবিয়ে হাবিয়ে অনাই-বনাই ফুৰোতে এঠাইত এগাল বাঘ-পোৱালি লগ পাই দেখিলে যে সিহঁতৰ আগত

কিছুমান মঙহ আছে। ততালিকে শিয়ালটোৱে সেই মঙহকে খাবলৈ বুধি সাজি নিলগৰ পৰা খৰপোচ কৰি দোণটো জোকাৰি মাত লগালে,—"হেৰ তহঁতৰ মাৰ-বাপেৰ কিলৈ গ'ল অ' ? মই অহাৰ গম পায়েই পলাইছে হবলা ? সিহঁত ক'ত আছে ক ?"



শিয়ালটোৰ গেৰেহাগেৰেহ কথা শুনি বাঘ-পোৱালি দুটাই ভয়ত কোঁচমোচ খাই কোমল মাতেৰে উত্তৰ দিলে,—"আমাৰ আই-বোপাই দুয়ো চিকাৰলৈ গৈছে।" শিয়ালে কলে,—"বাৰু গৈছে গৈছে, আহি পালেই মই আহিছিলো বুলি কবিহঁক। চাচোন তহঁতৰ বাপেৰে তাহানি এইটো দোণেৰে মোৰ এদোণ ধন ধাৰে আনিলে, আজিলৈকে সি মোক সেই ধন ওভোতাই দিয়া নাই। মই আজি সৰহপৰ ৰব নোৱাৰো, সি আহিলেই তহঁতে তাক এই কথা কবি।

মোৰ ভোক লাগিছে,হেৰ কিবা আছে যদি চাচোন মই খাই যাওঁ।” শিয়ালে এই বুলি পোৱালিলৈ মাক-বাপেকে থৈ যোৱা মঙহখিনি খাই নিজৰ পেট পুৰাই গুচি গ'ল।

নিতৌ বাঘ আৰু বাঘিনী চিকাৰলৈ গলেই শিয়ালে আহি পোৱালিকেটাক ভাবুকি দি টিপতে সিহঁতৰ ভাগৰ মঙহখিনি খাই গুচি যায়। এইদৰে ভালেমান দিন যোৱাৰ পিছত পোৱালিকেটা শুকাই গৈ চেৰেলা হোৱা দেখি বাঘিনীয়ে কথাটো টং কৰি চালে—“ইহঁত কিয় এনেকুৱা হৈছে ? আমি ইহঁতলৈ থৈ যোৱা মঙহ আমি ওলাই গলে কোনোবাই ইহঁতক ফাঁকি দি খায় নেকি ?” বাঘিনীয়ে এইদৰে ভাবি গিৰিয়েকক কলে,—“শুনিছানে বোলো আজি তুমি পহু মাৰিবলৈ যাব নেলাগে, মৱে অকলৈ যাওঁ। আমি নথকাত ইয়ালৈ কোনোবা আহে নে নাহে চাবলগীয়া হৈছে। আজি তুমি লুকাই চাই থাকা।” এইবুলি সেইদিনা বাঘক থৈ বাঘিনী অকলে চিকাৰ কৰিবলৈ গ'ল।

আন দিনাৰ দৰে সেইদিনাও বাঘ-পোৱালিৰ আগত ভগা দোণ জোকাৰি ফাং-ফাং-ফোং-ফোংকৈ মঙহ খাবলৈ কাৰবাৰ কৰোতেই, নিজগত লুকাই থকা বাঘে শিয়ালৰ কাণ্ড দেখি সকলো বুজিব পাৰি হাউৰি মাৰি শিয়ালক খেদা মাৰি নিলে। টেঙৰ শিয়ালে কেতিয়াবা এনেকৈ সি ধৰা পৰিলে কি কৰিব সেই বুধি আগৰে পৰা আলচি ঠিক কৰি থৈছিল ; সেইদেখি সি আগে আগে লৰি গৈ দুফে-ৰেঙনীয়া গছ এজোপাৰ কেৰেপৰ মাজেদি সৰকি লৰ মাৰিলে। বাঘো কোবেৰে সেই কেৰেপৰ মাজেদি সৰকি যাব খোজোতেই কেৰেপত চেপা খাই থাকিল। বাঘে কেৰেপৰ পৰা ওলাবলৈ যিমানকৈ চাটিফুটি ধৰ-ফৰ কৰিবলৈ ধৰিলে, সিমান টানকৈ

তাত গৈ খাজ খাই চেপা খালে। বাঘৰ চিঞৰত হাবি তল-ওপৰ লাগি পৰিল। ম'হ, গৰু, পহু আদি জন্তুবোৰ চাৰিওফালে ফিৰিঙতি ভগাদি ভাগিল। বাঘৰ চিঞৰ শুনি বাঘিনীয়েও লৰি আহি সেইখিনি পালেহি। শিয়াল অলপ দূৰতে থিয় হৈ আছিল; সি বাঘিনীক দেখি কবলৈ ধৰিলে,—"চাচোন, তোৰ গিৰিয়েৰক কেনে শালত দিলো। লোকৰ ধন ধাৰলৈ আনি ভুজিবৰ মন নগৈছিল; এতিয়া কেনে পালি? তোকো মাৰিম খাপেৰে। তই ভালে ভালে দিয় যদি মোৰ ধন দে। ধন নাই যদি মোৰ তলতীয়া হৈ থাক, হাক-বচন মানি ফুৰ। নহলে তোৰ ৰক্ষা নাই, নিশ্চয় জানিবি। তোৰ পোৱালি কেইটাকো আজৰি কৰিহে এৰিম।"

এনেতে বাঘটো ধৰফৰাই মৰিলেই। বাঘিনীয়ে একো উপায় নেপাই শিয়ালৰ অধীন হ'ল। সেইদিনাৰ পৰা শিয়ালে মুকলিমূৰী-য়াকৈ নিৰ্ভয়ে পৰৰ মূৰত খাবলৈ ধৰিলে। সি বাঘিনীক চিকাৰলৈ পঠিয়ায় আৰু ঠেঙৰ ওপৰত ঠেং তুলি দকচি খায়।

ইয়াৰ কিছুমান দিনৰ পিচত বাঘিনীয়ে চোং সনাবৰ হ'ল। বাঘিনীয়ে পোৱালি দুটাক লগত লৈ নৈ এখন পাৰ হৈ আন এখন হাবিলৈ যাবলৈ কাৰবাৰ কৰিছে; শিয়ালো ওলাল। বাঘিনী আৰু পোৱালি দুটা নৈত সাঁতুৰি পাৰ হৈছে, শিয়ালেও নিজৰ মান ৰাখিবৰ নিমিত্তে মৰো-জীওঁ-সোঁ-আধিকৈ পানীত পৰিল। নৈৰ সোঁতত পৰি শিয়ালে থৰযুগুতি এৰি টলংভটং কৰি কক্‌বকাই উটি যোৱা দেখি বাঘিনীয়ে তাক থাপমাৰি ধৰি লৈ গ'ল। শিয়ালে বামলৈ উঠিয়েই বাঘিনীক ভেকাহি মাৰি কলে,—"তই মোক কেলৈ তুলি আনিলি ঐ? তোক কোনে তুলিবলৈ মাতিছিল? তইঁত তিৰুতাবোৰৰ যদি অকণো বুধি আছে। বোলো মোক জলকোঁৱৰে

ইয়াৰে চাইদোণ ধন দিব লাগে ; সি মোক দেখিলে সদায় পলায় । আজি সি বুঢ়াৰ হাতত চেঙেলী পৰিছিল, তাক দেখা পায়েই ভালকৈ ধৰিছিলো, বোলো আজি মোৰ ধনবোৰ তাৰপৰা নুলিয়াই নেৰোঁ । সেইদেখি তাৰে সৈতে মোৰ জোঁটাপুতি লাগিছিল । তই সকলোবোৰ নষ্ট কৰিলি । ও হয় ; তইনো কিয় আগভেটা দি ধৰিছিলি কচোন ?"

এইদৰে ছল বুধি কৰি শিয়ালে নিজৰ মান ৰাখি আকৌ বাঘিনীৰ লগতে ঠাই ললে । বাঘ-পোৱালি দুটা লাহে লাহে জনা বুজা হৈ উঠিল । চিকাৰলৈ যাবলৈ সিহঁতে মাক আৰু শিয়ালেৰে সৈতে পাল বাঁটি ললে । শিয়ালৰ পালৰ দিনা শিয়ালে সিহঁতক নানা ছলাহী কথা কৈ গা সাৰে । এদিন শিয়ালে এৰাব নোৱাৰি বাঘিনীৰে সৈতে পহু মাৰিবলৈ ওলাল । শিয়ালে বাঘিনীক কলে,—"মই পহুৰ পটিৰ মুখত থাকো ; তই সেইফালে গৈ পহু খেদি দেগৈ ; পহু মোৰ ওচৰেৰে আহিলেই আৰু ক'ত সাৰিব ?" শিয়ালৰ কথা মতে বাঘিনীয়ে পহু খেদি দিলে, কিন্তু শিয়ালে পটিৰ মুখত ধোবাং জুৰি পৰি থাকোতেই পহুৱে শিয়ালৰ পেটৰ ওপৰেদি লৰ মাৰিলে । গচকত শিয়ালৰ পেটৰ ছাল ছিগি গ'ল । পহু পলোৱাৰ পিছত বাঘিনী শিয়ালৰ ওচৰলৈ আহিলত, শিয়ালে তাইক গেথাই গেথাই কলে,—"শুনিছ নে হয়, শুনিছ ? পহুটো এইফালে আহিলত মোৰ এনে হাঁহি উঠিল যে পহু ধৰা দূৰত থাওক, মই মোৰ হাঁহিটোকে ৰখাব নোৱাৰিলো । ইমান সৰু পহুটো মই হেন বীৰক ধৰিবলৈ দিয়া হাঁহিতে মোৰ পেট ফুটি পেটু-নাড়ী ছিগি ওলাই যাবলগীয়া হৈছিল ।"

এইবাৰো শিয়ালে বুধিৰে জিকি আকৌ কিছুমান দিন বাঘিনীৰ লগতে বহি খাবলৈ পালে । এইদৰে কিছুমান দিন থাকোতে

বাঘ-পোৱালি দুটাই লাহে লাহে শিয়ালৰ টেঙৰালি বুজিব পাৰি তাক ধৰা পেলাবলৈ চাব্দিলে। এদিন ৰাতি গিলগত আন শিয়ালে হোৱা দিয়া শুনি এই দোণ পিন্ধা শিয়ালটোৱেও লোভ সামৰিব নোৱাৰি হোৱা দিবৰ মনেৰে বাঘৰ ওচৰৰ পৰা আঁতৰি যোৱাত বাঘ-পোৱালি দুটায়ো তাৰ আঁতিগুৰি লবলৈ সি নেদেখাকৈ মনে মনে তাৰ পাছে পাছে গৈছিল আৰু যেতিয়া সি আঁতৰ হৈ নিশ্চিন্ত মনে হোৱা দিলে, সিহঁতে তাক ধূৰ্ত শিয়াল বুলি মনত খুকুৰি নথকাকৈ জানিব পাৰি একে চোচাই খেদি নি ধৰি থেকেচি মাৰি পেলালে।

---

# বাঘ আৰু কেঁকোৰা

অতি পুৰণি কালত এঠাইত এটা বাঘ আছিল। সি চোং সলাই আন এখন চোঙলৈ যাওঁতেই বাটতে এটা কেঁকোৰাৰ সৈতে তাৰ দেখা-শুনা হ'ল। কেঁকোৰাটোৱে বাঘক দেখি মিচিকিয়া হাঁহি মাৰি মাত লগালে,—"ককাই কলৈ যোৱা ?" বাঘে কেঁকোৰাৰ হাঁহি মুখ দেখি ভাল পাই উত্তৰ দিলে,—"মই চোং সলাই আন এখন হাবিলৈ যাওঁ। তুমি নো কলৈ যোৱা ?" কেঁকোৰাই কলে,—"মই কলৈকো নাযাওঁ, মোৰ ওচৰতে ঘৰ। মই অকল-শৰীয়া জীৱ, মোৰ আগলৈকো চাবলৈ নাই, পিচলৈকো চাবলৈ

নাই।" বাঘেও কলে,—"মোৰো সেয়ে কথা,ময়ো একলশৰীয়া নিৰাশ্ৰয় প্ৰাণী ; মোৰো কেও কিছু নাই।" এইদৰে দুয়ো আলাপ কৰি দুয়ো দুয়োৰো ওচৰত ইমান সন্তুষ্ট হ'ল যে শেষত দুয়ো সখি পতাই সেই হাবিতে ওচৰা-ওচৰি কৰি থাকিল।

এইদৰে কিছুদিন দুয়ো মিলাপ্ৰীতিৰে আছিল। বাঘে পহু মাৰি আনে, দুয়ো ভগাই মহাসুখেৰে খাইমেলি থাকে। কেঁকোৰা বাঘৰ সখিয়েক দেখি আন হিংস্ৰুক জন্তুৱেও কেঁকোৰাৰ কোনো অপকাৰ কৰিবলৈ সাহ নকৰে। এদিন কেঁকোৰাই বাঘক কলে,— "সখি মঙহ খাই আৰু আমুৱালে ; তোমাৰ আগত সঁচা কথা কবলৈ কি, মঙহ খাই মই লাহে লাহে পেটকগীয়া হৈছোঁগৈ। এতেকে আমি নিজে নিজে নিবানহীয়া খাবৰো দিহা কৰিলে কেনে হয় ? আমি খেতি কৰো আহাঁ।" বাঘে উত্তৰ দিলে,—"খেতি কৰাটোনো কি টান কথা ? তুমি ভাল দেখা যদি কৰোঁহক আহাঁ" এই বুলি বাঘে কেঁকোৰাৰ কথাত হয় দিলত কেঁকোৰাই কলে,— "তেন্তে সখি তুমি গাঁৱলৈ গৈ ধানৰ পথাৰৰ পৰা কিছুমান কঠিয়া তুলি লৈ আহাঁ। মই হাবিৰ মাজৰ এই মাটি ডোখৰকে চহাওঁ।" এই বুলি দুয়ো আলচ কৰি, কেঁকোৰাই মাটি খান্দিবলৈ লাগিল আৰু বাঘে লোকৰ পথাৰৰ পৰা মাণিকিনধুৰি ধানৰ কঠিয়া চুৰকৈ আনি সেই মাটিত কৰলৈ ধৰিলে।

কিছুমান দিনৰ ভিতৰতে সিহঁতৰ ধানে থোক মেলিলে। ধান দেখি সন্তোষ পাই কেঁকোৰাই বাঘক মাত লগালে,—"ধান জানিবা আজিলো, কিন্তু তাৰ সাবথি পাচলি নহলে কি হব ? শুদা ভাত খামহঁক কেনেকৈ ? এতেকে আমি শাক-পাচলিও আজিব লগা হ'ল। তুমি গাঁৱৰপৰা লাই, লফা, চুকা, পালেং, মেমেধু,

বাবৰিৰ পুলি কিছুমান লৈ আহাঁগৈ। বেঙেনাৰ পুলি গোটাচেৰেকো আনিবলৈ নাপাহৰিবা। মই শাকনিবাৰীৰ মাটি চহাওঁ।" এই বুলি বাঘক শাক-পুলি আনিবলৈ পাচি দি কেঁকোৰাই মাটি খান্দিবলৈ লাগিল। বাঘ দুখোজমান যোৱাৰ পিচতে কেঁকোৰাই আকৌ বিড়িয়াই মাত লগালে,—"সখি মই কবলৈ পাহৰিছিলো, জলকীয়াৰ পুলি গোটাচেৰেকো আনিবা; টেঙা দিয়া শাকৰ আঞ্জাৰে ভাত খাবলৈ জলকীয়া নহলে জুতি নালাগিব।" বাবে "হুঁ" বুলি আনিবলৈ গাত লৈ দীঘল দীঘলকৈ জাপ মাৰি গাঁৱৰফালে যাবলৈ ধৰিলে।

এইদৰে খেতি-বাতি কৰি দুয়ো বহি আছে। লাহে লাহে আঘোণ মাহ পালেহি। ধান পকিবলৈ আৰম্ভ হৈছে, দাবৰ আয়োজন কৰি কেঁকোৰাই বাঘক সুধিলে,—"সখি মই আগ নিম।" এই বুলি কেঁকোৰাই ধানৰ আগ অৰ্থাৎ গুটি নিলে আৰু বাঘে গুৰি অৰ্থাৎ নৰা নিলে। তাৰ পিচত বেঙেনা ছিঙিবৰ হ'ল। বাঘে কেঁকোৰাক সুধিলে,—"সখি তুমি গুটি নিবা নে গছ নিবা?" কেঁকোৰাই গুটি নিম বুলি বেঙেনাৰ গুটি নিলে, বাঘে গছ নিলে। এইদৰে খেতি সামৰি অঁতাই এদিন বাঘে নখোৱা পাতি কেঁকোৰাক নিমন্ত্ৰণ কৰিলে। ইপিনে বাঘে ধানৰ গুৰি ৰান্ধিছে, বেঙেনা গছৰ শাক ৰান্ধিছে, ৰান্ধি কেঁকোৰাক খাবলৈ দিলে। কেঁকোৰাই সেইবোৰ কি খাব, অলপ ছুই গুচি আহিল। সি যি হওক, ইয়াৰ পিচতো কেঁকোৰাই সদায় তিনি তেলনি মাৰি বাঘৰ ঘৰত মগুহৰ আঞ্জাৰে ভাত খায়, কিন্তু এদিনো বাঘক তাৰ নিজৰ ঘৰলৈ খাবলৈ নামাতে। বাঘে এই কথা টং কৰি এদিন কেঁকোৰাক কলে,—"সখি, তুমি এদিনো মোক তোমাৰ ঘৰত খাবলৈ মতা নাই। এদিন ন-খোৱা পাতি মোক মাতা, তোমাৰ ঘৰতনো কেনে ৰন্ধা-বঢ়া হয়,

মোৰ খাই চাবৰ মন গৈছে।" কেঁকোৰাই উত্তৰ দিলে,—"সখি তোমাক মোৰ ঘৰত খাবলৈ কিয় নামাতিম ? মই ন-খোৱা পাতি তোমাক মাতিম মাতিম বুলি সদায় পাঙিয়েই আছোঁ, কিন্তু মোৰ ঘৰত ঠাই সঙ্কীৰ্ণ, তোমাক ক'ত বহুৱাম, ক'ত শুৱাম বুলিহে থেৰোগেৰোকৈ আছো, সেইদেখি সেই কাম হৈ উঠা নাই। যি হওক, তুমি আহকাল পালে কাইলৈ ৰাতিপুৱাৰ সাজ ভাতকে মোৰ ঘৰত খাবাগৈ। কি বোলা সখি ? ন-খোৱা নামতহে। দুখীয়াৰ ঘৰত কাইলৈ ভৰিৰ ধূলি পেলাই শাকে-খাৰে এগাল খাই আহিবাগৈ মাথোন।" বাঘে উত্তৰ দিলে,—"নিশ্চয়, কাইলৈ তোমাৰ ঘৰত ন-খাবলৈ যাম।"

পিচদিনা পুৱা কেঁকোৰাই ন-খোৱা পাতি, মাণিকীমধুৰী জহা-চাউলৰ ভাত ৰান্ধিলে, বেঙেনাৰ খাৰ ৰান্ধিলে। বাঘে কেঁকোৰাৰ ঘৰৰ ন-খাবলৈ আহিল। কেঁকোৰাই বাঘক কলে,—"সখি, তুমি মোৰ গাতৰ ওচৰতে বহা, মই ভাত-আঞ্জা উলিয়াই দি থাকো, তুমি খাই থাকা ; তুমিতো আৰু মোৰ গাতৰ ভিতৰলৈ সোমাব নোৱাৰা। এই বুলি কেঁকোৰাই ভাত-আঞ্জা গাতৰ মুখলৈ উলিয়াই দিবলৈ ধৰিলে, আৰু বাঘে সলোপ-সলোপ কৰে খাবলৈ ধৰিলে। কেঁকোৰাৰ ভাতৰ চৰু সৰু, ভাত যি ৰন্ধা হৈছিল তাক দুমোকোৰাতে বাঘে ওৰ পেলালে ; গতিকে কেঁকোৰাৰ ভয় হ'ল—সি ভাবিলে, বাঘৰ আশয় পাবলৈ নাই। খাবলৈ বহি তাৰ পেট নভৰিলে, মোৰ প্ৰতি তাৰ বন্ধুতা-কন্ধুতা সোপাই কৰবালৈ যাব আৰু তাৰ খং উঠি সি মোক খাই পেলাব। এতেকে এটা বুদ্ধি কৰি ইয়াৰ হাতৰ পৰা সাৰিব লাগিব। ইয়াকে মনত পাঙি সি বাঘক কলে,—"সখি বাৰে বাৰে মই তোমালৈ ভাত কঢ়িয়াই মোৰ ককালৰ বিষে ধৰিছে, আৰু উঠিবই নোৱাৰো। তুমি তোমাৰ নেজডাল মোৰ গাতৰ ভিতৰলৈ সুমাই দিয়া, তাতে মই ভাত-আঞ্জা বাটিয়ে বাটিয়ে বান্ধি দিওঁ, তুমি নি নি

খাই থাকা।" কেঁকোৰাৰ টেঁঙৰা।ন কথাৰ আচল মানে বুজিব নোৱাৰি বাঘে তাৰ নেজডাল গাঁতত সুমাই দিলতে, কেঁকোৰাই ভিতৰৰ পৰা সেইডাল চেপি ধৰিলে। বাঘে দুখ পাই টানেহে টানে, নেজডাল নোলায়, আৰু তাত কেঁকোৰাৰ চেপা টানহে হয়। বাঘে যন্ত্ৰণাত তৎমৎ এৰি চিঞৰত গগন ফালিবলৈ ধৰিলে, তথাপি কেঁকোৰাই এৰি নিদিয়ে। দৈবযোগত তেতিয়া ওচৰতে বাঁৰী-কোঁৱৰ এটাই পথাৰত মাটি কুৰি আছিল। সি বাঘৰ চিঞৰ শুনি মাটি কুৰিবলৈ এৰি কোৰ লৈ পলাবলৈ ধৰোতে বাঘে দূৰৰ পৰা তাক দেখি চিঞৰি কান্দি-কাটি কাকুতি কৰি কলে,—"হে ককাই, এইপিনে আহাঁ, মই মৰিলো, কেঁকোৰাৰ চেপাৰ তাপত মোৰ প্ৰাণ যায়। মোৰ নেজডাল এৰুৱাই দিয়াহি ঐ" বাঁৰী-কোঁৱৰে উত্তৰ দিলে,--"মই নোৱাৰোঁ বুজিছ নে? তই বাঘ, তোৰ বিশ্বাস নাই, এৰুৱাই দিলেই তই মোক খাই পেলাবি।" বাঘে কলে,—"হে দেউতা আহাঁ ঐ। মই সত্য সত্য তিনি সইত খাই কৈছোঁ, তোমাক নেখাওঁ। মোক এৰুৱাই দিয়া মোৰ দেউতা, তুমি যদি মোক এই বিপদৰ পৰা উদ্ধাৰ কৰা তেনেহলে মই শপত খাই কৈছোঁ দিনৌ তোমাক একোটাকৈ পহু মাৰি আনি দিম।" এই কথা শুনি বাঁৰী-কোঁৱৰে বাঘৰ কথা পতিয়াই ওচৰ চাপি আহি কোৰখনেৰে চাব মাৰি দি বাঘৰ নেজডাল কাটি দিলত বাঘ ৰক্ষা পৰিল। বাঘে সেইখিনিৰ পৰা গুচি যাবৰ সময়ত বাঁৰী-কোঁৱৰক কাণে কাণে কৈ গ'ল,—"তোমাক মই মোৰ কথামতে দিনৌ পহু একোটা দিম হয়, তুমি কিন্তু সেই কথা কাৰো আগত কব নোৱাৰা; কলেই তুমি য'তে থাকা, তাৰেপৰাই মই ততালিকে তোমাক লৈ গুচি যামহি।"

বাঘৰ উপকাৰ কৰা বাবে ইয়াৰ পিচৰপৰা বাঁৰী-কোঁৱৰে বাঘৰ পৰা দিনৌ একোটাকৈ পহু পাবলৈ ধৰিলে। এইদৰে ভালেমান

দিন গ'ল। এদিন বাঁৰী কোঁৱৰৰ অলপ গা বেয়া হোৱা বাবে মাকে মঙ্গলতী বুঢ়ী এজনী মাতি আনি মঙ্গল চোৱালে। বুঢ়ীয়ে মঙ্গল চাই কলে যে কিছুমান জ্ঞাতি ভকতক পহুৰে ভোজ এটা খুৱালে বাঁৰী কোঁৱৰৰ গা ভাল হব। এই কথা শুনি বাঁৰীয়ে পুতেকক ক'লে্ত পুতেকে বাঘক ভোজলৈ দুটা পহু আনি দিবলৈ কলে। বাঘে ভোজৰ দিনা দুটা পহু মাৰি আনি বাঁৰী-কোঁৱৰক দি গ'ল।

ভোজৰ দিনা সকলো জ্ঞাতি-কুটুমে বাঁৰী কোঁৱৰৰ ঘৰত খাবলৈ বহিছে, এনেতে এখন পাত কম পৰাত এজনে কলপাত এখন কাটি আনিবৰ মনেৰে বাৰীৰ পাছফাললৈ গৈ দেখিলে কিহবাৰ হাড়ে তাত পৰ্বতাকাৰ হৈ আছে। মানুহটোৱে হাড়বোৰ দেখি বিচুতি হৈ পাত নাকাটি উভতি গুচি আহি সকলোকে কলে,—"ৰাইজসকল, আমি ইয়াৰ ঘৰত ভোজ খাব নোৱাৰো, ই কিবা খায়। আপোনা-সকলে আহি চাওকচোন। ই ইমানবোৰ হাড় দ'মাই থবলৈ ক'ত পালে?" এই বুলি কলত, সকলো ভোজৰ ভাতৰপৰা হাত দাঙি উঠি আহি দেখিলে কথা সঁচা। তেতিয়া সকলোৱে বাঁৰী-কোঁৱৰক সুধিলে,—"এইবোৰ কিহৰ হাড় মূৰ ক? নহলে আমি তোৰ ঘৰত ভোজ খাব নোৱাৰোঁ।" বাঁৰী-কোঁৱৰে কলে,—"খাব পোৱা জন্তুৰ বাহিৰে আন একোৰে হাড়-মূৰ নহয়। আপোনাসকলে বেয়া নাভাবি ভোজ-ভাত খাওক। মই কিন্তু কথাটোৰ আঁতি-গুৰি আপোনাসকলৰ আগত কব নোৱাৰো; কাৰণ কলেই মোক বাঘে লৈ গুচি যাবহি। সেইবাবে আপোনাসকলে খুকুৰি নাৰাখি মোক ক্ষমা কৰি ভোজ-ভাত খাওক।" ৰাইজে তাৰ কথা শুনি নপতিয়াই তাক কলে,—'আমি সকলোৱে যাঠি-জোং লৈ তোক বেঢ়ি থাকোঁ, তই ক; নহলে আমি নাখাওঁ।" ৰাইজৰ কথা শুনি বাঁৰী-কোঁৱৰে নিৰুপায় হৈ

সকলোৰে মাজত আঠু লৈ কথাটো কবলৈ ধৰিলে, সকলোৱে যাঠি-জোং লৈ, তাক বেঢ়ি ৰ'ল। যেই কথাটো শেষ হ'ল বিশ্বাশৰদে কৰবাৰ পৰা বাঘটো আহি মানুহৰ মাজৰপৰা তাক থাপ মাৰি ধৰি লৈ গুচি গ'ল। ভোজ খাবলৈ অহা ৰাইজসকলে অলপমান বেলি ভেবা লাগি তাৰ পিচত ইফালে সিফালে তাক নাপাই ঘৰাঘৰি গুচি গ'ল।

ইপিনে বাঘে বাঁৰী-কোঁৱৰক নি এখন গেজেপনি হাবিত সুমালেগৈ। কোঁৱৰৰ কিবা ভাগ্য ভাল আছিল, এনে সময়তে ভোকত তাৰ পেট কোৰ্ কোৰাবলৈ ধৰিলে। বাঘে কোৰ্ কোৰণি শুনি কোঁৱৰক সুধিলে—"তোৰ পেটত কিহে কোৰ্ কোৰাইছে অ' ?" কথাষাৰ শুনি বাৰী-কোঁৱৰৰ খপ্‌কৰে বুধি ওলাল, সি উত্তৰ দিলে,—"আয়ে সৰুতে মোক ছকুৰি কেঁকোৰা খুৱাইছিল, তাৰে তিনিকুৰি আগেয়ে ওলাল, তিনিকুৰি বাকী আছিল, এতিয়া সেই তিনি কুৰিয়েই ওলাব খুজিছে।" বাঘে কেঁকোৰাৰ নাম শুনিয়েই ভাবিলে,—"সৰ্বনাশ। এটা কেঁকোৰাই মোক চৈধ্য ভুবন দেখুৱাই থৈছে, এতিয়া যদি তিনি কুৰি কেঁকোৰা ওলাব লাগিল, তেনেহলে আমাৰ ফালে হৈছে আৰু।" বাঘে ইয়াকে ভাবি বাঁৰী-কোঁৱৰক তাতে এৰি থৈ লৰি পলাই গুচি গ'ল।

বাঁৰী-কোঁৱৰ বাঘৰ হাতৰপৰা এৰাই লাহে লাহে গৈ এখন নৈৰ পাৰত এজোপা গছৰ তল পালেগৈ। সি দেখিলে, গছজোপাৰ তলতে বনৰীয়া ম'হৰ খুটি। ম'হবোৰ তেতিয়া তাত নাছিল দেখি কোঁৱৰে লৰালৰিকৈ তাত পৰি থকা গাখীৰৰ ফেনবোৰ খাই খুটিখন ভালকৈ সাৰি-মচি চাফ-চিকণ কৰি থৈ ওচৰৰ গছজোপাত উঠি থাকিল।

এটাইবোৰ ম'হ চৰি গধূলি উভতি আহি, সিহঁতৰ খুটি সেইদিনা অঁতাই-পিতাই থোৱা দেখি আচৰিত হ'ল। সিহঁতে চাৰিওফালে চাই একো নেদেখি নিজৰ ভিতৰতেই কথা কোৱা-মেলা কৰি শুই থাকিল। পিচদিনা ৰাতিপুৱা আকৌ যেতিয়া ম'হবোৰ চৰিবলৈ গ'ল, বাঁৰী-কোঁৱৰ গছৰপৰা নামি আহিল। ম'হ-পোৱালিয়ে পিঁঙতে সিহঁতৰ মুখৰপৰা গাখীৰৰ যিবোৰ ফেন মাটিত পৰি আছিল সেইবোৰ গি খাই, আগৰ দিনাৰ দৰে খুটিখন ভালকৈ মাৰি গোবৰবোৰ পেলাই চাফ-চিকণ কৰি গছৰ ওপৰত উঠি থাকিল। সেইদিনাও গধূলি ম'হবোৰ উভতি আহি খুটিখন চাফ-চিকণ দেখি আচৰিত হ'ল আৰু কোনে এই কাম কৰে, তাক ধৰিবৰ মনেৰে আলচ কৰি পিচদিনা বুঢ়া ম'হ এটাক ৰখীয়া পাতি থৈ চৰিবলৈ গ'ল। যাবৰ সময়ত সিহঁতে বুঢ়া ম'হক কৈ গ'ল যে,—"তই ভালকৈ চাই থাকিবি, কোনে আহি আমাৰ খুটিখন অঁতাই যায়হি, আমি তোলৈ ঘাঁহ-পানী লৈ আহিম।" কিন্তু দুপৰীয়া ৰ'দত বুঢ়া ম'হটোৰ টোপনি আহিলত, ম'হটোৰ টোপনি অহা দেখি বাঁৰী-কোঁৱৰে সুতকৰে গছৰ ডালৰ পৰা নামি আহি আগৰদৰে ফেনবোৰ খাই খুটিখন অঁতাই গছৰ ওপৰত উঠি থাকিল, বুঢ়া ম'হে গমকে নাপালে।

গধূলি ম'হবোৰ আহি বুঢ়াক কি দেখিলে বুলি সুধিলত বুঢ়াই ক'লে,—"মই একো নেদেখিলো।" সিহঁতে বুঢ়াৰপৰা একো কাম নহয় জানি পিছদিনা কাণী ম'হ এজনীক ৰখীয়া পাতি থৈ গ'ল। কাণীয়ে ভাল চকুটো তলফালে আৰু কণা চকুটো ওপৰফালে কৰি শুই থাকোঁতেই সেইদিনাও বাঁৰী-কোঁৱৰে আগৰ দৰে সকলো কাম কৰি গছত উঠি ৰ'ল, কাণীয়ে একো নেদেখিলে। গধূলি ম'হজাকে আহি কাণীক বতৰা সোধাত কাণীয়ে "একো নেদেখিলো" বুলি

কলত সিহঁতে বুজিব পাৰিলে যে কাণীয়ে কণা চকুটো ওপৰ ফালে দি শুই থকা বাবেহে একো নেদেখিলে। এইবাৰ সিহঁতে ঘাই ম'হজনীকে ৰখীয়া পাতি থৈ যাবলৈ ঠিক কৰি পিচদিনা তাকে কৰিলে। কিন্তু সেইদিনাও ঘাই ম'হজনীৰ চিলমিলকৈ অলপ টোপনি অহা দেখি বাঁৰী-কোঁৱৰে নামি আহি ফেনা খাই খুটি অঁতাই লৰালৰিকৈ গছত উঠোঁতেই, ম'হজনীৰ টোপনি ভাগিলত, তাই তাক দেখি লৰ মাৰি আহি সুধিলে,—"তই দেৱতা নে মানুহ কোন ক? আৰু দেৱতাই হ বা মানুহেই হ নামি আহ।" বাঁৰী-কোঁৱৰে কলে,—"মই দেৱতা নহওঁ, মানুহ হে; মই নামি যাব নোৱাৰোঁ, গলেই তই মোক খুচি মাৰিবি" বুলি কলে। ম'হজনীয়ে কলে,— "নোখোচো নামি আহ।" কোঁৱৰে কলে,—"নহয় তই খুচিবি।" ইয়াৰ পিচত ম'হজনীয়ে তিনি সইত খাই নোখোচো বুলি ক'লত বাঁৰী-কোঁৱৰে গছৰ পৰা নামি আহি, আগৰ পৰা গুৰিলৈকে তাৰ সকলো কথা ম'হজনীক কলে। তাৰ কথা শুনি ম'হজনীৰ তালৈ মৰম লাগিল। তাই তাক কলে যে,—"তুমি আজিৰপৰা ইয়াতে নির্ভয়ে থাকা, তোমাক আমি, আমাৰ গৰাকী পাতিলো আৰু তুমি গাখীৰ খাবলৈ সুকীয়াকৈ আমি তোমাক এজনী ম'হ দিম।" গধূলি আনবিলাক ম'হ আহিলত ঘাই ম'হজনীয়ে সকলোবিলাক কথা সিহঁতক ক'লত সিহঁতে ৰং পালে আৰু বাঁৰী-কোঁৱৰক নিজৰ গৰাকী বুলি মানি ললে। ইয়াৰ পিচত সিহঁতে কাণী ম'হজনী মাৰি তাইৰ শিং দুটা বাঁৰী-কোঁৱৰক দি কলে,—"এই শিং দুটাৰ এটা খংশিঙা, এটা ৰংশিঙা। আমি চৰিবলৈ গলে তুমি যদি ৰংশিঙাটো বজোৱা শুনো তেন্তে তুমি ভালে আছা বুলি জানি আমিও ৰঙেৰে চৰি ঘাঁহ খাই ফুৰিম। আৰু যদি তোমাৰ কোনো বিপদ ঘটে তেন্তে তুমি যদি

খংশিঙাটো বজোৱা, তেতিয়া আমি তোমাক ৰাখিবলৈ নৰি তোমাৰ ওচৰ ওলামহি। তুমি আমাৰ খুটিখন যেনেকৈ খঁতাইছিলা সেইদৰে সদায় খঁতাই থাকিবা।"

এইদৰে ভালেমান দিন গ'ল। এদিন বাঁৰী-কোঁৱৰে ডালত বহি মূৰ আঁচোৰোতে দৈবাৎ তেওঁৰ মূৰৰ দীঘল চুলি এডাল ছিগি নৈত পৰিল। সেই চুলিডাল এটা ৰাঘ বৰালীয়ে খালে। এদিন এটা ডোমে জাল বাওঁতে সেই ৰাঘবৰালিটো তাৰ জালত পৰিলত, মাছটো ডাঙৰ আৰু তেলাল দেখি ডোমে তাক লৈ গৈ ৰজাক ভেটিলে।

ৰজাৰ এজনী দীপ-লিপ কন্যা আছিল। লিগিৰীহঁতে মাছটো বাছোঁতে কন্যাজনী আগতে থিয় দি আছিল। বৰালিৰ পেটৰ পৰা ইমান দীঘল চুলি এডাল ওলোৱা দেখি কন্যাজনীয়ে সেই চুলিডাল যাৰ মূৰৰ তেওঁক মনে মনে স্বামী বৰি, সেইডাল লৈ এটা টেমাৰ ভিতৰত সুমাই থৈ, ৰোষঘৰত সোমাল। কিয় জীয়েক ৰোষঘৰত সোমাল এই কথা ৰজাই সোধাত জীয়েকে কলে যে যদি এই চুলি-ডালৰ গিৰিহঁতক আনি তেওঁৰ লগতে বিয়া দিয়ে তেহে তেওঁ ৰোষ-ঘৰৰ পৰা ওলাব নতুবা তেওঁ ভাত-পানী নাখাই মৰি যাব। ৰজাই এই কথা শুনি বিচুৰ্তি হ'ল—ক'ৰ মানুহে মূৰ আঁচুৰি নৈত চুলি পেলালে, ক'ৰ মাছৰ পেটত সেই চুলি ওলাল, এতিয়া তেওঁ তাক ক'ত বিচাৰি পায়? নহলেও সিফালে ৰাজকন্যা মৰে। ৰজা বিমোৰত পৰি মূৰ ঘমাই বহি আছে।

ৰাজকন্যাই এটা ঢোঁৰাকাউৰী পুহিছিল। সি ৰজাৰ দুখ দেখি ওচৰ চাপি আহি ক'লে,—"স্বৰ্গদেউ, আপুনি একো চিন্তা নকৰিব, মই সেই চুলিৰ গৰাকীক উলিয়াই দিম, আপুনি মোক মাখোন এটা

পকা আম দিয়ক।” ৰজাই টোঁৰাকাউৰীৰ কথা শুনি অলপ উশাহ পাই লৰালৰিকৈ এটা পকা আম বিচৰাই আনাই টোঁৰাকাউৰীক দিলে। কাউৰীয়ে সেই পকা আমটো লৈ বাঁৰী-কোঁৱৰ থকা হাবিলৈ উৰি গৈ কোঁৱৰৰ ওচৰ পাই মাত লগালে,—

“বংশিঙা খংশিঙা কোনে বায় ?
পকা আমটি কোনে খায় ?”

পকা আমৰ নাম শুনিয়েই বাঁৰী-কোঁৱৰৰ লোভ লাগিল। তেওঁ উত্তৰ দিলে,—

“বংশিঙা খংশিঙা ময়ে বাওঁ।
পকা আমটি পালে ময়ে খাওঁ।”

এই বুলি কোঁৱৰে ক'লত কাউৰীটোৱে বাঁৰী-কোঁৱৰক পকা আমটি দিলে আৰু কোঁৱৰে আমটো লবলৈ হাত মেলোতেই সি টপ্‌কৰে খংশিঙাটো লৈ গুচি গ'ল। মানুহে কথাতে কয় বোলে “কাউৰী টেঙৰ আৰু মাউৰী টেঙৰ।” সি কোঁৱৰক কেনেকৈ ঠগিলে দেখিলা ? কোঁৱৰৰ হাতৰ পৰা খংশিঙাটি গুছি গ'লত, “বাপুৰ চিঁলিন ছিগিল।” ইয়াৰ পিচত বাঁৰী-কোঁৱৰে বংশিঙাটো বজায় হে বজায়, ম'হবোৰ বংশিঙাৰ মাত শুনি বং পাই ঘূৰি ঘূৰি চৰি ফুৰিবলৈহে লাগিল।

ইপিনে টোঁৰাকাউৰীয়ে ৰজাক খংশিঙাটো দি কলে বোলে “এই শিঙাৰ গিৰিহঁতেই চুলিব গৰাকী। আপুনি মোৰ লগত টেকেলা-বেঙেনা গোটাচেৰেক দিয়ক, মই তাক দেখুৱাই দিওঁগৈ।” কাউৰীৰ কথা শুনি ৰজাই গোটাচেৰেক টেকেলা তাৰ লগত দি তাক পঠাই দিলে। বাঁৰী-কোঁৱৰক এতিয়া সহজে ধৰি আনিব পৰা হ'ল; কাৰণ খংশিঙাটো লৈ তাৰ বল গ'ল।

বাঁৰী-কোঁৱৰক ৰজাৰ টেকেলাই ধৰি আনি ৰজাৰ আগত দিলেহি। কোঁৱৰক টেকেলাই ধৰি লৈ যাওঁতে সি বাটে বাটে নিজৰ গাৰ কাপোৰখনৰ এডোখৰ এডোখৰকৈ ফালি পেলাই গৈছিল। ম'হ-বোৰে গধূলি খুটিলৈ উভতি আহি বাঁৰী-কোঁৱৰক নেদেখি কোঁৱৰৰ কিবা বিপদ ঘটিল ভাবি কোঁৱৰে ফালি পেলাই যোৱা সেই কানি-কাপোৰবোৰৰ চিন ধৰি ধৰি বিচাৰি গৈ ৰজাৰ ঘৰ ওলালগৈ। ৰজাই ম'হজাক অহা দেখি ভয় খোৱাত বাঁৰী-কোঁৱৰে সেইজাক তাৰ ম'হ বুলি ক'লে। ম'হজাকেও কোঁৱৰক দেখি আনন্দত নাচিবলৈ ধৰিলে। ৰজাই কোঁৱৰক কলে,—"যদি তোমাৰহে ম'হ তেন্তে তুমি সিহঁতৰ কাণে কাণে বগাই ফুৰিব পাৰিবানে ?" কোঁৱৰে পাৰিম বুলি কৈ ম'হবোৰৰ কাণে কাণে বগাই ফুৰি দেখুৱালত ৰজাই কথাটোৰ প্ৰমাণ পাই সন্তোষিত হৈ বাঁৰী-কোঁৱৰে সৈতে নিজৰ জীয়েকক বিয়া দি জোঁৱায়েকক উঠি ৰজা পাতি নিজে বহি ৰজা হৈ ৰ'ল। আনাৰ কাপোৰ-কানি ক'লা হ'ল, গুচি আহিলো।

---

# তেজীমলা

এক সাউদৰ দুজনী ঘৈণীয়েক আছিল। বৰজনীৰ এজনী মাথোন ছোৱালী আছিল, তাইৰ নাম তেজীমলা। সৰুজনীৰ কোনো

ল'ৰা-ছোৱালী নাছিল। তেজীমলাৰ মাক তেজীমলাৰ কেচুৱা কালতে মৰিল, সেইদেখি মাহীমাকে তুলিতালি ডাঙৰ কৰিছিল। ঘৰখনত একেজনী ছোৱালী তেজীমলা বাপেকৰ বৰ চেনেহৰ আছিল ; কিন্তু মাহীয়েকে হলে পেটে পেটে তেজীমলাক সমূলি দেখিব নোৱাৰিছিল ; কেৱল গিৰিয়েকৰ ভয়তহে তাই তেজীমলাক প্ৰতিপাল কৰি ডাঙৰ দীঘল কৰিবলগীয়াত পৰিছিল।

আজি কালিকৈ তেজীমলা দহ-এঘাৰ বছৰীয়া হ'ল। সেই গাঁৱৰে ভাল মানুহ এঘৰৰ সমনীয়া ছোৱালী এজনীৰে সৈতে বাপেকে সখী বন্ধাই দিলে।

তেজীমলাৰ বাপেক বেপেৰুৱা মানুহ ; বেহা-বেপাৰলৈ নগলে নচলে। সেইদেখি সততে তেওঁ চাৰিওফালে বেহাই ফুৰিবলগীয়াত পৰে। এইবাৰ ৬।৭ মাহলৈকে তেওঁ বেপাৰৰ নিমিত্তে দূৰলৈ যাব-লগীয়াত পৰিল। সেইদেখি তেওঁ যাবৰ সময়ত ঘৈণীয়েকক ওচৰলৈ মাতি আনি তেওঁৰ অতি আদৰুৱা তেজীমলাক ঘৈণীয়েকৰ হাতত গতাই দি কলে যে, "এইবাৰ মই ৬।৭ মাহলৈ বিদেশলৈ যাওঁ। তোৰ হাতত মোৰ তেজীমলাক গতালোঁ। তাই আদৰুৱা ছোৱালী ; তাইক মৰম-বেথা কৰি ভালকৈ ৰাখিবি।"

সাউদনীয়ে ভাবিলে, "এইবাৰ মোৰ বেছ সুবিধা হৈছে, এই কেইমাহৰ ভিতৰতে মই মোৰ চকুৰ-কুটা, দাঁতৰ-শালটো গুচাব পাৰিম। তাইক ঠেকেচি ঠেকেচি মোৰ মনৰ হেঁপাহ পলুৱাম।" আৰু তাই ভাবিলে, "অকল ঠেকেচিয়ে নেৰোঁ, সেইদৰে এৰিলে বাপেকে আহি সেই কথা কেনেবাকৈ বুজ পালে এখন হাই-উৰুমিৰহে বাহ হব। এই আপদৰ একেবাৰেই জইন মাৰিম। এইক বিয়া

দিওঁতে মোৰ ঘৰৰ আদখিনি বস্তু এইৰ লগত উলিয়াই দিব লাগিব। এই হ'ল মোৰ সতিনীৰ জী। মোৰ কপালততো কোনো ল'ৰা-ছোৱালী নহলেই, সতিনীৰ এইটোকনো পোহ-পাল কৰি নিৰ্ব্বাহ দি মোৰ লাভ কি হব? বাপেকে এইৰ লগত যিখিনি ধন-বস্তু উলিয়াই দিব, সেইখিনি মোৰ আইৰ ঘৰলৈ সৰকালে উপকাৰ দিব। হেনজানি এইৰ দেউতাক উভতি অহাৰ আগতেই এটা বুধি কৰি এইৰ ওৰ পেলাব লাগিব।" ইয়াকে মাহীয়েকে ভাবি, সাউদে নাও মেলি যোৱাৰ দিনাৰেপৰা তেজীমলাৰ দায়ৰ চেলু বিচাৰিবলৈ ধৰিলে আৰু যিমান পাৰিলে তেজীমলাক অকলৈ পাই দুখ দিবলৈ ধৰিলে।


ইতিমধ্যে তেজীমলাৰ সখীয়েকৰ বিয়া আহিল। পৰহিলৈ বিয়া। সখীয়েকৰ ঘৰৰ পৰা তেজীমলাক বিয়ালৈ মাতি পঠিয়ালে। বিয়াৰ তিনি চাৰি দিন সখীয়েকৰ ঘৰত থাকি তেজীমলাই ৰং-ধেমালি কৰি নোৱাই-ধোৱাই সখীয়েকক বিয়া দিব লাগে। তেজীমলাৰো বৰ হেঁপাহ যে বিয়াৰ কেইদিন সখীয়েকৰ ঘৰত থাকি ৰং-ধেমালি কৰি তাই বিয়া খাব।

মাহীয়েকে অনেক দিনৰে পৰা আলচা কথা সিদ্ধি হবৰ আগন্তুক হৈছে ভাবি তেজীমলাক বিয়ালৈ যাবলৈ অনুমতি দি লোকক দেখুৱাই উৰুক-মৰুক কৰি তেজীমলাই বিয়াত পিন্ধিবলৈ কাপোৰ উলিয়াই ইটো জপা মেলিছে, সিটো জপা মেলিছে, ইটো পেৰা মেলিছে, সিটো পেৰা মেলিছে, "এইযোৰ কাপোৰ আমাৰ আইটি তোলৈ ভাল হব নে?" "এইখন ৰিহা সেইখন মেখেলাই তোক শুৱাব নে?" এনেবিলাক কথা কৈ মাহীয়েকে আড়ম্বৰ কৰিবলৈ ধৰিলে। মাহীয়েকৰ ভাল পাটৰ ৰিহা-মেখেলা এযোৰ আৰু এখন উত্তম গুণাৰ পাৰি দিয়া খনীয়াকাপোৰ আছিল; সেহত তাকে মাহীয়েকে উলিয়াই তেজীমলাক বিয়াত পিন্ধিবলৈ দি কলে,—"আইটি, এই কাপোৰযোৰ আৰু খনীয়া-

কাপোৰখনকে তোক পিন্ধিবলৈ টোপোলা বান্ধি দিওঁ। তই এতিয়া তোৰ গাত থকা কাপোৰ যোৰেৰেই সখীয়েৰৰ ঘৰলৈ যা, সখীয়েৰৰ ঘৰৰ ওচৰ পালেই টোপোলাত দিয়া ৰিহা-মেখেলা আৰু কাপোৰ পিন্ধিবি, ইয়াৰপৰা সেই কাপোৰ পিন্ধি গলে খোজকাঢ়ি যাওঁতে বাটত ধূলি-মাকতি লাগি ক'লা হব।" ইয়াকে কৈ মাহীয়েকে পাটৰ ৰিহা-মেখেলাযোৰৰ ভিতৰত মনে মনে এটা নিগনি সুমাই দি আৰু পাৰি দিয়া খনীয়াকাপোৰখনৰ ভিতৰত এটা আওঠা বান্ধি দি টোপোলা এটা কৰি তেজীমলাৰ হাতত দিলে।

সখীয়েকৰ ঘৰ পাওঁ পাওঁ হওঁতেই তেজীমলাই মাহীয়েকৰ কথা মতে পাটৰ ৰিহা-মেখেলা আৰু পাৰি দিয়া কাপোৰ পিন্ধিবৰ মনেৰে টোপোলা মেলিলতে কাপোৰযোৰৰ ভিতৰৰপৰা এটা নিগনি ওলাই লৰ মাৰিলে আৰু কাপোৰযোৰৰ ভিতৰৰপৰা এটা আওঠা সৰকি পৰিল। তেজীমলাই দেখি বিচুত্তি হ'ল যে ৰিহা-মেখেলাযোৰ নিগনিয়ে কুটি থকাসৰকা কৰিলে আৰু পাৰিদিয়া কাপোৰখন ঠায়ে ঠায়ে পুৰিলে। ভয়ত তেজীমলাৰ মুখ শুকাই গ'ল, তাই ঠক্ ঠক্ কৰে কঁপি ফেকুৰি কান্দিবলৈ ধৰিলে। লগত যোৱা মানুহেও এই কাণ্ড দেখি আচৰিত হৈ, শেহত, তেজীমলাক অনেক বুজাই-বৰাই নিচুকাই সখীয়েকৰ ঘৰলৈ লৈ গৈ তাৰপৰা এযোৰ ৰিহা-মেখেলা আৰু এখন কাপোৰ খুজি তাইক পিন্ধাই বিয়া চাবলৈ দিলে। বিয়াৰ পিচত তেজীমলা নিজৰ ঘৰলৈ উভতি আহিলত, মাহীয়েকে তাইক কাপোৰৰ কথা সুধিলত তাই ভয়ত কঁপি কঁপি সেই পোৰা আৰু কুটা কাপোৰৰ টোপোলা মাহীয়েকৰ আগত পেলাই দিলে। মাহীয়েকে কুটা আৰু পোৰা কাপোৰ দেখি কৃত্ৰিম খঙত জলি-পকি তেজীমলাক নথৈ গালি-শপনি পাৰি মাৰি তাও কৰিলে। ইমান মাৰিও মাহীয়েকৰ

হেঁপাহ নপলাল। পিছত তেজীমলাক টানি আনি মাহীয়েকে ঢেঁকীৰ আগত বহুৱাই ধান বঢ়াবলৈ লগাই নিজে ধুম ধুম কৰে ঢেঁকী দিবলৈ লাগিল। মাহীয়েকে ঢেঁকী দি থাকোঁতে এবাৰ হঠাৎ চাব মাৰি ঢেঁকীটো পেলাই দি তেজীমলাৰ সোঁহাতখন খুন্দি পেলালে। সোঁ-হাতখন খুন্দিলত তেজীমলাই যন্ত্ৰণাত চিঞৰি কান্দিবলৈ ধৰিলত, বাঢ়নি মাৰিডালেৰে মাহীয়েকে তেজীমলাৰ পিঠিত কোবাবলৈ ধৰি তেজীমলাক বাওঁহাতেৰে খুবলিত ধান বঢ়াই দিবলৈ হুকুম দিলে। বাওঁহাতেৰে তেজীমলাই ধান বঢ়াই থাকোঁতে মাহীয়েকে সোঁহাতৰ



দৰে তেজীমলাৰ বাওঁহাতখনো খুন্দিলে, বাওঁহাত খুন্দি তাৰ পিছত মাহীয়েকে তেজীমলাক সোঁ ভৰিৰে ধান বঢ়াবলৈ কৈ সোঁভৰিখনো

খুন্দিলে আৰু তাৰ পিছত সেইদৰে বাওঁভৰিখনো খুন্দিলে। শেহত মাহীয়েকে তেজীমলাক মূৰেৰে ধান বঢ়াবলৈ কৈ তেজীমলাৰ মূৰটোও খুন্দি পেলালে। তেজীমলা মৰিল।

এইদৰে গিৰিয়েকৰ আলাসৰ লাড়ু, চেনেহৰ তেজীমলাক মাৰি সাউদনীয়ে কোনেও নেদেখাকৈ লৰালৰিকৈ গৈ ঢেঁকীশালৰ পানী-পোতাতে গাঁত এটা খান্দি পুতি থলে।

তেজীমলাক পোতা ঠাই ডোখৰত কিছুদিনৰ মূৰত এজোপা লাওগছ গজি লহ-পহ কৰে ডাঙৰ হ'ল আৰু গছ ভৰি বঢ়িয়া বঢ়িয়া একোটা লাও লাগিল। ইফালে ওচৰ-চুবুৰীয়া মানুহে ভালেমান দিন তেজীমলাক দেখিবলৈ নাপায়, মাহীয়েকক তাইৰ বাতৰি সুধিলত মাহীয়েকে উত্তৰ দিলে,—"তেজীমলা সখীয়েকৰ ঘৰৰপৰা অহাই নাই।"

এদিন মাগনী বুঢ়ী এজনীয়ে সাউদনীৰ ঘৰৰ ঢেঁকীশালৰ চালত লাওবোৰ লাগি থকা দেখি সাউদনীৰ ওচৰলৈ আহি কলে,—"আই মোক লাও এটি দিয়ক।" তেজীমলাক মৰাৰ দিনাৰপৰাই মাহীয়েকে ঢেঁকীশালৰ ফালে যোৱা নাছিল দেখি লাওজোপা তাইৰ চকুত পৰাই নাছিল। সেই দেখি তাই মাগনী বুঢ়ীক উত্তৰ দিলে,—"মই তোক লাও দিবলৈ ক'ত পাম ? নিজেই আজি ভালেমান দিন লাও খোৱা নাই।" মাগনীয়ে কলে—"কিয় আই এনেকৈ কয়, আপোনাৰ ঢেঁকীশালৰ চালতে দেখোন লাও ভৰি লাগি আছে।" বুঢ়ীৰ কথা শুনি সাউদনীয়ে আচৰিত মানি ক'লে—"মই হলে দেখা নাই, তই দেখিছ যদি কেইটা লাগে ছিঙি নে গৈ।" বুঢ়ীয়ে এই কথা শুনি

লাও-গছৰ ওচৰলৈ আহি লাও এটা ছিঙিবলৈ হাত মেলোতেই লাওজোপাই বিনাই মাত লগালে—

"হাতো নেমেলিবি নাৰো নিছিঙিবি, ক'ৰে মগনীয়া তই।
পাট-কাপোৰৰ লগতে মাহী আই খুন্দিলে তেজীমলাহে মই।"

লাওগছে মতা শুনি বুঢ়ীয়ে ভয় খাই লাও নিছিঙি গুচি আহি সাউদনীক কলে,—"আই, লাও ছিঙিবলৈ হাত মেলোঁতেই মোক এইদৰে লাওজোপাই মাত লগালে। মোক আৰু লাও নেলাগে আই, মই গুচি যাওঁ।" এই বুলি মাগনী বুঢ়ী গুচি গ'ল। তেতিয়া সাউদনীয়ে কথাটোৰ আচল মানে ভালকৈ বুজিব পাৰি, কটাৰী এখন লৈ গৈ লাওগছজোপা কাটি টানি নি পিছফালে পেলাই দি গুচি আহিল।

লাওজোপা কাটি য'তে পেলাই দিছিল সেইখিনিতে কিছুমান দিনৰ মূৰত এজোপা জৰাটেঙা হৈ ডালভৰি জৰাটেঙা লাগিল। গছজোপাত জৰাটেঙা ইমানকৈ লাগিছিল যে তাৰ ভৰত গছজোপা দোঁ-খাই পৰিছিল। এদিন কিছুমান গৰখীয়া ল'ৰাই গৰু চৰাওঁতে সেই জৰাগছত জৰাটেঙা দেখি খাবলৈ মন কৰি সাউদনীৰ ওচৰলৈ আহি ক'লে,—"আই আমাক গোটাচেৰেক জৰাটেঙা খাবলৈ দিবা নে?" সাউদনীয়ে, "মই ক'ত জৰা পাম?" বুলি কলত সিহঁতে কলে,—"কিয় আই, আপোনাৰ বাৰীৰ পিছফালে এজোপা জৰাগছত জৰাটেঙা দেখোন ভৰি লাগি আছে।" সিহঁতৰ কথা শুনি সাউদনীয়ে আচৰিত মানি ক'লে,—"মই হলে ক'ত জৰাটেঙা লাগিছে দেখা নাই, তহঁতে দেখিছ যদি কিমান লাগে পাৰি নেগৈ।"

সাউদনীৰ হুকুম পাই গৰখীয়া ল'ৰা কেইটাই জবাটেঙাৰ কাষলৈ গৈ জবাটেঙা পাৰিব খোজোতেই গছজোপাই বিনাই নাত লগালে,—

"ভাইও বোলোঁ মই, ককাইও বোলোঁ মই, গাঁৱৰে গৰখীয়া ।
হাতো নেমেলিবি, জবাও নিছিঙিবি, ঘৰলৈ উভতি যা ।
পাট-কাপোৰৰ লগতে মাহীআই খুন্দিলে, মইহে তেজীমলা ॥"

গৰখীয়া ল'ৰাহঁতে এই বিননি শুনি কিবা দেও-ভূত গছজোপাত আছে বুলি জবাটো নিছিঙি তাৰপৰা আহি সাউদনীক এই কথা কৈ শুচি গ'ল । সাউদনীৰ চাঁটকৰে মনত পৰিল যে তাই লাওগছ-জোপা কাটি সেইখিনিতে পেলাইছিল । এই কথা মনত পৰিলত তাই বুজিলে যে তেজীমলাইহে জবা হৈ আছে । ইয়াকে ভাবি সাউদনীয়ে জবাগছজোপা কাটি নৈত উটাই দিলে ।

জবা গছজোপা নৈত উটি গৈ ওচৰৰে ঘূলি এটাত ৰৈ এজোপা পদুম হৈ এটা সুন্দৰ ফুলেৰে জক্‌মকীয়া হ'ল । কিছুদিনৰ মূৰত বেহা-বেপাৰ কৰি সেই নৈয়েদিয়েই তেজীমলাৰ বাপেক নাৱেৰে আহোঁতে নৈৰ ঘূলিত গছজোপাত সুন্দৰ পদুম ফুল এটা ফুলি থকা দেখি তেজীমলালৈ সেই ফুলটো লৈ যাওঁ বুলি ভাবি নাৱৰীয়া এটাক সেই ফুলটো ছিঙি আনিবলৈ ক'লে । নাৱৰীয়াটোৱে ফুলটো ছিঙি-বলৈ হাত মেলোতেই পদুমে বিনাই গালে,—

"হাতো নেমেলিবি, ফুলো নিছিঙিবি, ক'ৰে নাৱৰীয়া তই ।
পাট-কাপোৰৰ লগতে মাহীআই খুন্দিলে, তেজীমলাহে মই ॥"

ফুলে বিনোৱা দেখি নাৱৰীয়াটোৱে ভয় খাই সাউদক ক'লত, সাউদে সেইটো কিনো চাওঁ বুলি ওচৰ চাপি গৈ ফুলটো ছিঙিবলৈ হাত মেলোতে ফুলে বিনাই মাতিলে,—

"হাতো নেমেলিবা, ফুলো নিছিঙিবা, চেনেহৰ পিতাদেউ এ।
পাট-কাপোৰৰ লগতে মাহীআই খুন্দিলে, তেজীমলাহে মই ॥"

বাপেকে তেজীমলাৰ মাহীয়েকৰ স্বভাৱৰ কথা আগৰেপৰা জানি থৈছিল, সেই কাৰণে ভাবিলে যে, "এইজনী নিশ্চয় তেজীমলা।" ইয়াকে নুদেয়ে ভাবি তেওঁৰ বাওঁহাতত তেওঁৰ মুখৰ তামোলৰ এখন চোবা আৰু সোঁহাতত এটা লাড়ু লৈ কলে যে, "যদি তই মোৰ তেজীমলাহে হয়, তেন্তে নিশ্চয় তই শালিকাটি হৈ উৰি আহি মোৰ হাতত পৰি এই চোবাটি খাবি; আৰু যদিহে নহয়, আন কোনোবাহে হয় তেন্তে লাড়ুটো নিবি।" এইবুলি তেওঁ ক'লতে পদুম ফুলটি শালিকা এটি হৈ উৰি আহি তেওঁৰ হাতত পৰি চোবাটি খালে। বাপেকে তেতিয়া সেইটি তেজীমলা বুলি নিশ্চয়কৈ জানি শালিকাটি এটা সজাত সুমাই লৈ আহিল।

সাউদে ঘৰ পাই বৈণীয়েকক সুধিলে,—"তেজীমলা কলৈ গ'ল?" বৈণীয়েকে কলে,—"নোমায়েকৰ ঘৰলৈ গ'ল।" সদাগৰে বৈণীয়েকক ঘুকুটি ঘুকুটি প্ৰশ্ন কৰি আচল কথাটো উলিয়াই সৈ কঢ়ালে। ইয়াৰ পিচত শালিকাটিৰ গাত নিজৰ পানীগামোছাখন তেওঁ পেলাই দি কলে,—"যদি তই মোৰ তেজীমলা হে আৰু যদি মোলৈ তোৰ মৰম আছে, এই গামোছাখন পিন্ধি তই মানুহ হবি।" এই কথা শুনি তেতিয়াই তেজীমলা আগৰ দৰে হ'ল আৰু সাউদে বৈণীয়েকক ঘৰৰপৰা তেতিয়াই খেদাই দিলে।

# বুঢ়া-বুঢ়ী আৰু শিয়াল

এহাল বুঢ়া-বুঢ়ী আছিল। এদিন বুঢ়াই কিছুমান কচু আনি ৰুবলৈ ধৰিছে, এনেতে কিছুমান শিয়াল আহি বুঢ়াক মাত লগালে,—"ককা, আপুনি কচু কেঁচাই ৰুইছে নে সিজাই ৰুইছে?" বুঢ়াই উত্তৰ দিলে,—"বোপাহঁত, মই কচু কেঁচাই ৰুইছোঁ।" শিয়ালবোৰে বুঢ়াৰ কথা শুনি বুঢ়াক কলে,—"ককা, আপুনি কচু ৰুব জনা নাই; কচুবোৰ আগেয়ে সিজাই লওক। আৰু য'ত ৰুব, গাত একোটা দি ঢাকি থৈ যাওক, দেখিব, ৰাতিৰ ভিতৰতে একোজোপা ডাঙৰ ডাঙৰ কচু গছ হৈ আছে।" সিহঁতৰ কথা শুনি বুঢ়াই কলে,—"বাৰু মোৰ বোপাহঁত, তহঁতৰ কথামতেই মই কচু ৰুম।"


গধূলি বুঢ়াই এটাইবোৰ কচু সিজাই শিয়ালৰ বুধিমতেই ৰুই থলে। ৰাতি শিয়ালবোৰে আহি সিজোৱা কচুবোৰ আনন্দ কৰি খাই গুচি গ'ল। পিচদিনা বুঢ়াই ৰাতিপুৱাই কচুবাৰীত কচু চাবলৈ গৈ দেখে যে কচু এটাও নাই। তেতিয়া বুঢ়াই শিয়ালৰ ফাকিটো বুজিব পাৰি লাজতে তল-মূৰকৈ বহিল।

ইয়াৰ কিছুমান দিনৰ মূৰত বুঢ়াই এটা বুধি সাজি বুঢ়ীক কলে,—"বুঢ়ী, আজি তই মোৰ গাত কিছুমান লালী-গুড় ঢালি থ। গুড়ৰ গোন্ধ পাই যেতিয়া জাকে জাকে মাখি আহি মোৰ গাত পৰিব, তেতিয়াই তই ইনাই-বিনাই বুঢ়া মৰিল বুলি কান্দিবি। তোৰ কান্দোন

শুনি শিয়ালবোৰে ওচৰ চাপি আহি কি হৈছে বুলি তোক সুধিলেই তই সিহঁতক বুঢ়া মৰিল বুলি কৈ মোৰ শটো ঘৰৰ ভিতৰৰপৰা উলিয়াই লৈ গৈ খাবলৈ কবি। মোৰ ওচৰতে টাঙোন এডাল লুকাই থবি। সিহঁতে মোক উলিয়াই নিবলৈ ঘৰৰ ভিতৰ সোমালেই তই লাহেকৈ দুৱাৰখন জপাই দিবি, দিলেই মই গিৰিস্ কৰে উঠি টাঙোন ডাল লৈ সিহঁতক কোবাই মাৰিম।" বুঢ়াৰ কথা মতেই বুঢ়ীয়ে কৰিলত শিয়ালবোৰে বুঢ়ীক সুধিলেহি,—"আই কান্দিছ কিয় ? কি হৈছে ?" বুঢ়ীয়ে কলে,—"বোপাহঁত, আজি আমাৰ বুঢ়াটো ঢুকাল সেইবাবে কান্দিছো। তহঁতে পাৰ যদি বুঢ়াক বাহিৰলৈ উলিয়াই নি খাগৈ।" বুঢ়ীৰ কথা শুনি শিয়ালবোৰে ৰং মনেৰে বুঢ়াক নিবলৈ বুলি ঘৰৰ ভিতৰ সোমালত বুঢ়ীয়ে দুৱাৰখন মাৰি পেলালে আৰু বুঢ়াই একেচাৰেই উঠি টাঙোনডাল হাতত লৈ শিয়ালবোৰক মৰিয়াই মাৰিলে ; মাত্ৰ সিহঁতৰ ভিতৰত চাৰিটা শিয়াল কেনেবাকৈ পলাই সাৰিল।

কিছুমান দিনৰ মূৰত এদিন বুঢ়ীয়ে বুঢ়াক কলে,—"মই ভালেমান দিন শিয়ালৰ ভয়ত কলৈকো ওলোৱা নাই ; জী-জনীৰ ঘৰলৈ গৈ এবাৰ তাইক চাই আহোঁগৈ বুলিছোঁ ; মনটো বেয়া লাগি আছে।" বুঢ়াই কলে,—"বুঢ়ী, তই গলে বাটত শিয়ালবোৰে তোক অকলৈ পাই খাই পেলাব।" বুঢ়ীয়ে কলে,—"নোৱাৰে খাব ; যাম কোনো মতে।" এইবুলি জীয়েকৰ ঘৰলৈ গ'ল। বাটত শিয়ালবোৰে বুঢ়ীক অকলৈ পাই বেঢ়ি ধৰি কলে,—"বুঢ়ী, তোক আজি আমি নেৰো, খাম।" বুঢ়ীয়ে উত্তৰ দিলে,—"খাব খুজিছ খাবি, কিন্তু আজি মই ভালেমান দিন মোৰ ছোৱালীজনী দেখিবলৈ পোৱা নাই, মনটো কেনেবা লাগি আছে ; সেইদেখি মৰিবৰ আগেয়ে তাইক এবাৰ

চাই লওঁ বুলি আহিছো । মই উভতি আহোঁতে তহঁতে মোক খাবি ।" শিয়ালে কলে,—"যদি উভতি নাহ, তেন্তে ?" বুঢ়ীয়ে উত্তৰ দিলে,— "বুঢ়াক এৰিনো মই নহাকৈ কেনেকৈ থাকিম, মোৰ বোপাইত। মই সইত খাই কৈছোঁ, এই বাটেদিয়ে মই সোনকালে উভতি আহিম। আৰু তহঁতে মোক যি কৰ কৰিবি ।" বুঢ়ীৰ কথা পতিয়াই সিহঁতে



বুঢ়ীক এৰি দিলত, বুঢ়ী জীয়েকৰ ঘৰ পালেগৈ। জীয়েকৰ ঘৰত কিছুদিন খাই লৈ থাকি বুঢ়ীয়ে উভতি আহিবলৈ ধৰি জীয়েকক শিয়ালবোৰেৰে গৈতে হোৱা সকলো কথা ক'লত জীয়েকে মাকক কলে,—"আই, মোৰ ঘৰত এটা ডাঙৰ লাওৰ খোলা আছে, তুমি তাৰ ভিতৰত সোমাই বাগৰি ঘৰ পাবাগৈ ; শিয়ালে তোমাক

নেদেখে।” বুঢ়ীয়ে জীয়েকৰ বুধিমতে লাওটোত সোমাই বাটে বাটে বাগৰি গৈ আছে, এনেতে শিয়ালবোৰে দেখি কোৱাকুই কৰিবলৈ ধৰিলে,—“এইটো বৰ আচৰিত কথা, লাওটো কেনেকৈ বাগৰি যাব লাগিছে। ই নিশ্চয় লাও নহয়, ইয়াৰ ভিতৰত কিবা আছে।” এই বুলি সিহঁতে লথিয়াই লাওটো ভাঙি পেলালে। ভাঙিলত তাৰ ভিতৰৰ পৰা বুঢ়ী ওলাই পৰিল। সিহঁতে বুঢ়ীক দেখি আনন্দত “খেক্-খেক্ হোৱা-হোৱা” কৰিবলৈ ধৰি কলে,—“বুঢ়ী, তই আমাক ফাঁকি দি পলাই যাবলৈ ধৰিছিলি। এতিয়া কি হব? আমি তোক এতিয়া খামহঁক।” বুঢ়ীয়ে উত্তৰ দিলে,—“কি কৰিম, খাব খুজিছ খাবি; কিন্তু মই মোৰ জীৰ ঘৰত এটা সুন্দৰ নতুন নাচ শিকি আহিছোঁ; মই মৰিলে মোৰ নাচটো মোৰ লগতে যাব; সেইদেখি নই সেই নাচটো নাচি তহঁতক দেখুৱাওঁ তাৰ পিচত তহঁতে মোক খাবি।” বুঢ়ীৰ কথা শুনি সিহঁতে নাচ দেখাৰ লোভ সামৰিব নোৱাৰি সেই কথাতে মান্তি হলত বুঢ়ীয়ে কলে,—“মই নাম লগাই দিওঁ, তহঁতে ‘হয় হয়’ কৰি যাবি, তেহে আকৌ মোৰ ভালকৈ গাটো উঠিব।” এইখিনিতে কওঁ যে বুঢ়ী লাওটোৰ ভিতৰত থাকি বাগৰি বাগৰি ঘৰৰ ওচৰ পাওঁ-তেহে ধৰা পৰিছিল। বুঢ়ীৰ দুটা কুকুৰ আছিল, এটাৰ নাম ৰঙা, আনটোৰ নাম ক’লা। বুঢ়ীয়ে পাক দি নাচি নাচি নাম ধৰিলে—“ৰঙা ঔচ! ক’লা ঔচ!” শিয়ালবোৰে মাতিলে “হয় হয়।” এইদৰে বাৰচেৰেক বুঢ়ীয়ে “ৰঙা ঔচ! ক’লা ঔচ!” বুলিলতে ৰঙা আৰু ক’লা কুকুৰ দুটা তাতে লৰি ওলালহি। কুকুৰ দুটা দেখিয়েই শিয়ালবোৰ পিয়া পি দি পলাল আৰু তেতিয়া আমাৰ বুঢ়ী ঘৰলৈ গুচি আহিল। আমাৰো কাপোৰ-কানি ক’লা হ’লত আমিও গুচি আহিলোঁ।

---

# দীঘল ঠেঙীয়া


এজনী বুঢ়ী আছিল। তাই এজাক গৰু ৰাখি গাখীৰ বেচি কোনোমতে টুক্-টুক্ টাক্-টাককৈ খাই আছিল। তাই শোৱা ঘৰটো বৰ পুৰণি। তাৰ চালৰ খেৰবোৰ উৰঁলি গৈছে দেখি উৰুখি বৰষুণত পানী পৰে। এদিন ডাৱৰীয়া ৰাতি তাই খাই বৈ উঠি শুবলৈ ধৰোতে—"এ প্ৰভু, দীঘল ঠেঙীয়াই নেপায় যেন" এই বুলি চাঙত উঠি শুই থাকিল।

সেইদিনা ৰাতি এটা চোৰে বুঢ়ীৰ গৰু এটা চুৰ কৰি নিবলৈ বুলি আহি গোহালিৰ কাষতে লুকাই ৰহি, বুঢ়ী শুবলৈ বাট চাই আছিল। এটা বাঘেও বুঢ়ীৰ গৰু খাবলৈ মন কৰি এন্ধাৰে-মুন্ধাৰে মনে মনে আহি গোহালিৰ গৰু-জাকৰ মাজত সোমাই বুঢ়ী শুবলৈ বাট চাই আছিল। বাঘ আৰু চোৰ দুয়ো বুঢ়ীয়ে কোৱা সেই কথাষাৰ শুনিলে। কিন্তু দীঘল ঠেঙীয়া মানে কি সিহঁতে বুজিব নোৱাৰি ভাবিবলৈ ধৰিলে, "দীঘল ঠেঙীয়াটো বা কি ?"

বুঢ়ীৰ ভাত-খুমতি আহিল। চোৰে গৰু চুৰ কৰিবলৈ গোহালিত সোমাল। চোৰে ভাবিলে, "কোনটো গৰু ভাল কোনটো গৰু বেয়া। এন্ধাৰে-মুন্ধাৰে কেনেকৈ চিনিম। এতেকে যিটো গৰুৰে তাৰ টিকাত হাত দিলেই জপিয়াই উঠিব সেইটোৱেই নিশ্চয় চেঙা আৰু ভাল হ'ব।"

ইয়াকে সি থিৰ কৰি এটা এটাকৈ গৰুবোৰৰ টিকাত হাত ফুৰাবলৈ ধৰিলে। সেইদৰে সি হাত ফুৰাই চাই ফুৰোতে বাঘটোৰ টিকাত হাত পৰিলত বাঘটো জপিয়াই উঠিল। চোৰে ভাবিলে, এইটো বৰ্ কাটন গৰু, ইয়াকে নিব লাগিব। ইয়াকে ভাবি সি বাঘটোৰ নেজডাল পকাই দি তাক খেদি লৈ যাব খোজোতেই বাঘে ভাবিলে, এইটো বুঢ়ীয়ে কোৱা কিবা দীঘল ঠেঙীয়াইহে মোক পালে। এই ভাবি বাঘে আকৌ জাপ মাৰি উঠিল। চোৰে ভাবিলে, "ই কম গৰু নহয়, ইয়াৰ পিঠিত নুঠিলে ইয়াক লৈ যাব নোৱাৰিম।" ইয়াকে ভাবি চোৰে জাপ মাৰি বাঘৰ পিঠিত উঠিলতে, বাঘে ঠিক তাক দীঘল ঠেঙীয়াই ভালকৈয়ে পালে বুলি থিৰ কৰি গোহালিৰ পৰা ওলাই চেকুৰি লৰ মাৰিলে। চোৰেও গৰুটোৰ কেৰামতালি দেখি বুজিলে, 'সি গৰু নহয়, কিবা দীঘল ঠেঙীয়াহে। আজি মোক গঁচাকৈয়ে দীঘল ঠেঙীয়াইহে পালে।' দুইও দুইকো দীঘল ঠেঙীয়া ভাবি ভয়ত তংমং এৰিলে।

চোৰক পিঠিত লৈ বাঘে ঢাপলি মেলি হাবিত সোমাবলৈ ধৰোতেই চোৰে মৰোঁ-জীওঁকৈ বাঘৰ গলধনটো মোটোকাই ধৰিলে। তেতিয়া বাঘে ভাবিলে, 'অ ই দীঘল ঠেঙীয়া নহয়, ঘাৰ মোকো-টোৱাহে।' বাঘে ভয়ত আৰু বেগেৰে লৰ দিবলৈ ধৰিলে। চোৰে বাঘক ঘাৰ-মোটোকায়ো ৰাখিব নোৱাৰি শেষত বাঘৰ নেগুৰত হাত পৰিলত বাঘৰ লৰ আৰু চৰিল। লৰৰ কোবত চোৰটো বাঘৰ পিঠিত আৰু ৰব নোৱাৰি বাগৰি মাটিত পৰিল। কিন্তু সি বাঘৰ নেগুৰডাল ইমান বজ্ৰলেপ মুঠিৰে ধৰিছিল, যে নেগুৰডাল চোৰৰ হাতৰ মুঠিতে পেপা-কাঢ়ি ৰ'ল। বাঘ লৰমাৰি সাৰিল। সি হাবিৰ ভিতৰ পাই অলপ উশাহ লৈ ভাবিলে, তাক ঘাৰ-মোকোটোৱাই নহয়, পেঁপা-



কঢ়াইহে পাৰিছিল। ইফালে চোৰে হাতত নেগুৰডাল পিটিকি-চিটিকি চাই দেখিলে যে সেইডাল গৰুৰ কি আন জন্তুৰ নেজ নহয়, বাঘৰহে নেজ। তেতিয়াহে তাৰ ভয় লাগিবলৈ ধৰিলে। ৰাতি তেতিয়া ভালেমান আছিল। সেইদেখি সি ৰাতিটোৰ বাকীডোখৰ কটাবলৈ ওচৰৰে ওখ আম গছ এজোপাত উঠিল।

ইফালে বাঘে হাবিত সোমাই তাক পেপা-কঢ়াই পোৱা কথা তাৰ লগৰীয়া ভাই বন্ধুহঁতক ক'লত, সিহঁতে গুণি গাঠি থিৰ কৰিলে যে 'এইটো বৰ লাজৰ কথা হ'ল। সিহঁত বনৰ ৰজা। এতেকে সিহঁতৰ লগৰীয়া ভাই ৰজা এজনক পেপা-কঢ়াই এনে লঘু-লাঞ্ছনা কৰিব হু বৰ অসহনীয় কথা। ইয়াৰ প্ৰতিকাৰ নকৰিলে, পেপা-কঢ়াই পোৱা সেই বাঘটোৰ মাথোন নেজডালহে গৈছে, সিহঁতৰ কিন্তু

অপমানত নাক-কাণ সোপাই যাব আৰু তাৰ বাহিৰেও পেপা-ক্যা বুলি যদি কোনো জন্তু সিহঁতক বন্দী হৈ ওলায়, তেন্তে সিহঁত ৰজাৰ শাৰীৰ পৰা গৈ খৰি-ভাৰী, পানী-ভাৰীৰ শাৰীত পৰিবগৈ।" সেইদেখি সকলোবোৰ বাঘে নৰালৰিকৈ মেল পাতি ইয়াকে আলচ কৰিবলৈ যে অলপো পলম নকৰি তেতিয়াই সিহঁতে পেপা-ক্যাৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰি যোৱাটো উচিত।

দুকুৰিমান বাঘে পেপা-ক্যাক বিচাৰি চলাথ লগালে, কিন্তু ক'তো সিহঁতে পেপা-ক্যাক নেদেখিলে। শেহত এটা বাঘৰ চকু সেই আম-জোপাৰ আগত পৰিলত, সি পেপা-ক্যাক তাত বহি থকা দেখিলে। সেইটো পেপা-ক্যা বুলি আঙুলিয়াই দেখুৱালত এটাইবোৰ বাঘে একেবাৰে হাউৰি মাৰি উঠিল। কিছুপৰ সিহঁতে ভাবি-চিন্তি বুধি এটা সাজিলে। পেপা-ক্যাক ঢুকি পাবলৈ সিহঁতে এটাৰ পিঠিত এটা, আকৌ সেইটোৰ পিঠিত আন এটা, সেইদৰে উঠি উঠি ওখ হৈ গ'ল। চোৰে ভাবিলে যে এতিয়া সৰ্বনাশ। এতিয়াহে বিপাঙে নৰিলোঁ। তৎক্ষণাৎ চোৰেও এটা বুধি উলিয়ালে। সি দেখিলে যে, নিচেই তলত পেপা-ক্যাই পোৱা বাঘটো। সেই নেগুৰখৰা বাঘটোক চোৰটোৱে গলগলীয়া মাতেৰে মাত লগালে,-"খৰা, চাবি, চাবি, চাবি।" খৰা বাঘে ভাবিলে, 'আকৌ পেপা-ক্যাই আনবোৰক এৰি মোকেহে ধৰে নেকি ?' ইয়াকে ভাবি সি সুৰুঙি-বুদ্ধি হেৰুৱাই হাবিৰ ফালে লৰ ধৰিলে। সি তেনে কৰিলত, তাৰ পিঠিত এটা এটাকৈ উঠি ওখ হৈ যোৱা আটাইবোৰ বাঘ ঠন্ ঠন্ কৰে মাটিত পৰি পৰিল। সিহঁতেও 'আমাকো পেপা-ক্যাই পালে' বুলি ভাবি বৰকৈ ভয় খাই তৰা নৰা ছিঙি লৰি হাবিলৈ পলাই গুচি গ'ল।

চোৰে ৰাতিটো তাতে থাকি ৰাতি পুৱাতে গছৰ পৰা নামি তাৰ ঘৰলৈ গুচি আহিল ; আৰু তেতিয়াৰে পৰা সি চুৰ নকৰো বুলি শপত খালে।

# গঙ্গাটোপ

এদিন মাছবোৰ গোট খাই, মাছখোৱা জন্তুবোৰৰ লৈতে ৰণ দিবলৈ থিৰ কৰিবৰ নিমিত্তে মেল মৰা বিলৰ ভগা-ডুবিতে দুপৰীয়া মেল পাতিলে। সেই মেললৈ ৰৌ, বাহু, শ'ল, বৰালি, কাৱৈ, গৰৈকে আদি কৰি ফুল-ডৰিকণালৈকে সকলোবোৰ মাছ আহিল। সমজুৱা সকল গোট খালত, টপা মূৰীয়া বুঢ়া গৰৈক সকলোৱে সেইদিনাৰ মেলখনৰ বৰমূৰীয়া পাতিলে আৰু লৰবৰ চেঙেলিক পাচনীৰ ভাৰ দিলে। পাচনীয়ে গঙ্গাটোপক মেলখন নো কিয় পতা হৈছে সমজুৱাসকলক ভালকৈ বুজাই দিবলৈ কলত গঙ্গাটোপে হাতযোৰ কৰি কবলৈ ধৰিলে,—"ৰাইজসকল! মই আজি আপোনালোকৰ ভৰিৰ ধূলি মূৰত লৈ আমাৰ পাচনী চেঙেলী ককাইৰ আজ্ঞামতে আষাৰচেৰেক কথা কব খুজিছো, যদি মোৰ কথাত কিবা স্বৰূপে কেনা লাগে, মই লৰামতি মূৰুখ বুলি মোৰ জগৰ নধৰিব সকলো

দায়-দোষ মৰিষণ কৰিব যেন। আপোনালোকৰ চৰণত মোৰ এয়ে স্তুতি।"

"সকলো জন্তুৰ ভিতৰত আমাক যাইকৈ মানুহ নামৰ জন্তুবোৰে বৰকৈ হিংসা-বৈৰিতা কৰে। সিহঁতে আমাক জাল, পল', জুলুকি, পাউৰী, চেপা, চুঁহা আদি নানা যন্ত্ৰেৰে ধৰি তপত তেলত আৰু পকা আঙঠাত পেলাই ভাজি, পুৰি, পাতত দি, খৰিকাত দি, সিজাই, পকাই খায়। কিন্তু এটা কথা ৰাইজে মন কৰি চাব, যে সিহঁতে যদিও আমাক এইদৰে ধৰি নানা শাস্তি দি খায়, তথাপি সিহঁতক আন আন পশু জাতিৰ গোলাম কৰিহে ঈশ্বৰে চজি পঠিয়াইছে। আপোনালোকে মানুহ নামৰ এই জন্তুবোৰৰ ঘৰেপতি চাই ফুৰকগৈ; দেখিব, সিহঁতে গৰু, ম'হ, ঘোঁৰা, ছাগলী আদিৰ কিদৰে গোলামী কৰিব লাগিছে। গৰু, ঘোঁৰাক সিহঁতে খাবলৈ ঘাঁহ দিছে, শুবলৈ খেৰ পাৰি দিছে, থাকিবলৈ ঘৰ সাজি দিছে। গৰু, ঘোঁৰা, ছাগলীৰ গোবৰ আৰু লাদ পৰ্য্যন্ত এই বহতীয়াবোৰে উকটি চাফ কৰিছে।"

"ৰাইজসকল। এক প্ৰকাৰে চাবলৈ গলে এই মানুহ জাতিটো আগৰ কালত গৰু-পোৱালি আছিল যেন মনে ধৰে; কিয়নো সিহঁতে গৰুৰ গাখীৰ খায়। পশু জাতিৰ ভিতৰত দেখা যায় যে মাকৰ গাখীৰ খাইহে পোৱালি ডাঙৰ হব পাৰে। এইবোৰ কথা ভালকৈ ভাবি চালে মানুহ জাতিটো যে গোটগৰু আৰু সমূলি বুধি নাইকিয়া সেইটো ভালকৈ বুজিব পাৰি। এতেকে এনে গৰু মানুহক আমি টিলিকতে বধ কৰি আইধা কৰিব পাৰিমহঁক।"

"ৰাইজসকল। মই মূৰুখমতি ন'বা। মানুহৰ বিষয়ে সকলো-বোৰ কথা মই ভালকৈ জুকিয়াই লৈ ভাঙি-পাতি আপোনাসকলৰ

আগত কৰ পৰা নাই। মোৰ মাহী গেদ্‌গেদী এই মেলতে কিয় আজি অহা নাই কব নোৱাৰোঁ। তেওঁ ইয়াত থকাহেঁতেন অন্তৰ ভিতৰত কুলাধম এই মানুহবোৰৰ শিনয়ো আৰু তাৰকে বৰ্ণাই আপোনা-সকলৰ আগত কব পাৰিলেহেঁতেন আৰু সিহঁতক কেনেকৈ মাৰিব পাৰি, কি গুণ, কি ব্যৱস্থা, সকলোবোৰ সহজাই কব পাৰিলেহেঁতেন। কাৰণ তেওঁৰ মুখখনি সহজ। সেই মুখখনেৰেই মোৰ গেদ্‌গেদী মাহীয়ে আগৰ কালত কুৰুক্ষেত্ৰৰ যুঁজত ওঠৰ অক্ষৌহিণী সৈন্যৰ ভিতৰত অকলে এক অক্ষৌহিণী গিলিছিল বুলি শুনিছো। এতেকে তেওঁক বেগতে মতাই আনি মোৰ কথাৰ প্ৰমাণ লওক।"

গঙ্গাটোপৰ কথা শুনি তেতিয়াই মেলৰ ৰজনুৰীয়া গৰৈয়ে চেঙেলি পাচনীক হুকুম দিলে যে গেদ্‌গেদী বাইক এতিয়াই আনাৰ লাগে। তৎক্ষণাৎ পাচনীয়ে গৰৈচিৰিকা এটাক গেদ্‌গেদীৰ ঘৰলৈ লৰম্বাই পঠিয়াই দিলে। গৰৈয়ো গেদ্‌গেদীৰ ওচৰ পাই মাত লগালে,—

"গেদ্‌গেদী বাই। গেদ্‌গেদী বাই।
সৰাহলৈ যায়নে নোযায় ?"

গৰৈৰ কথা শুনি গেদ্‌গেদীৰ টিকুটি বিকুটি হৈ উঠিল। গেদ্‌-গেদীয়ে গৰৈক জোকোৰা মাৰি উত্তৰ দিলে,—"ৰন্দী টঙংৰা ; পোৱালি খোৱা, নোযাওঁ যা।" এই উত্তৰ শুনি গৰৈয়ে অপমান পাই উভতি আহি সমজুৱাসকলক জনালত গঙ্গাটোপে নিজেই মাহীয়েকক মাতিবলৈ, মেলৰ ৰজগৰাকী ৰজনুৰীয়া গৰৈৰ অনুমতি লৈ লৰ ধৰিলে। গেদ্‌গেদী বায়ে যদিও গৰৈচিৰিকাৰ আগত ধং কৰি মেলতে নোযাওঁ বুলিছিল, তথাপি ৰাইজৰ হুকুম পেলাব নোৱাৰি বুলি ভাবি কাচি-পাৰি

সেন্দুৰৰ ফোঁট-ৰেখা লৈ ওলাইছিল—এনেতে গঙ্গাটোপ ওলালহি। গঙ্গাটোপে মাত লগালে,—

"কাঞ্চনমতী আই, কাঞ্চনমতী আই।
সবাহলৈ যায়নে নেযায় ?"

গঙ্গাটোপৰ সম্বন্ধটো শুনিয়েই গেদ্‌গেদীৰ মুখৰ পৰা খং শৰ্মা পলাবলৈ তৎ নেপালে। হৰিষতে গেদ্‌গেদীয়ে উত্তৰ দিলে,—

"ঐৰা, ভালেহে জানে ভালৰ মোল।
আমাৰ গঙ্গাধৰ বোপা নে কোন ?"

"ব'লা গণ্ডাই বোপা, যাওঁ' বলা।" মাহীয়েকৰ মুখৰ শলাগনি আমাৰ গণ্ডাই বোপাৰ দুই কাণৰ বিন্ধাইদি হো-হো কৰে যেতিয়াই সোমাবলৈ ধৰিলে, গণ্ডাই বোপা আনন্দত উত্ৰাৱল হৈ পৰিল। আগেয়ে তেওঁক সেইদৰে কোনেও শলগা শুনা নাছিল। সেইদেখি তেওঁ হাতেৰে স্বৰ্গখন চুকি পোৱা যেন লাগি গপত ওফন্দি পৰিল। মাহীয়েকৰ কথাষাৰ গঙ্গাটোপ মনত যিমান পাগুলিবলৈ ধৰিলে সিমানন তেওঁৰ পেটটো ওফন্দিবলৈ ধৰিলে। ওফন্দা পেটটো খোজেপতি ওফোন্দাই ওফোন্দাই খোজ কাঢ়ি আহি গঙ্গাটোপ যেতিয়া সবাহৰ ওচৰ পালেহি, হঠাৎ পানী-হিলৈ ফটাদি শব্দটো হিলৈৰ শব্দ যেন হৈ ওলোৱাত সমজুৱাসকলে ভয় খাই দিহাদিহি পলাই পত্ৰং দিলে।

---

# নুমলীয়া পো

এহাল বুঢ়া-বুঢ়ী আছিল। বুঢ়া কালত সিহঁতৰ এটা ল'ৰা হ'ল। বুঢ়াই গুণি-ভাবি পুতেকৰ নাম কি থব বিচাৰি নাপাই, গণকৰ হতুৱাই নাম চোৱাবলৈ এজন গণকৰ ঘৰলৈ গ'ল। গণকে বুঢ়াক সুধি-পুচি, তাৰ বুঢ়া কালত হোৱা আৰু একেবাৰেই নুমলীয়া দেখি ল'ৰাৰ নাম নোমল দিলে।

বুঢ়াই গণকক পানী-গামোচা এখন আৰু এটা চৰতীয়া দি নামটো লৈ ঘৰলৈ উভতিল। বাটত আহোঁতে বুঢ়াই কেনেবাকৈ নামটো পাহৰে বুলি "নোমল" "নোমল"কৈ বিড়িয়াই আহিছিল। আহোঁতে আহোঁতে লাহে লাহে তাৰ ভুল হৈ নোমলৰ ঠাইত "নেমেল" "নেমেল" ওলাবলৈ ধৰিলে। সি যাওঁতে এখন নৈৰ পাৰেদি গৈছিল। সেই নৈতে এজন সদাগৰে নাও বান্ধি আছিল। বুঢ়া আহি সদাগৰৰ নাৱৰ ওচৰাওচৰি পাওঁতেই সদাগৰে তেওঁৰ নাওখন মেলিবলৈ নাৱৰীয়া-হঁতক হুকুম দিলে। নাৱৰীয়াহঁতে নাৱৰ গোজ উভালি নাওখন মেলি-বলৈ ধৰোতেই "নেমেল" "নেমেল"কৈ বিড়িয়াই যোৱা বুঢ়াৰ মাত শুনি সদাগৰক কলে, "দেউতা, কৰবাৰ বুঢ়া এটাই আমাক নাও মেলিবলৈ হাক দিছে।" নাৱৰীয়াহঁতৰ কথা শুনি সদাগৰে বুঢ়াক মতাই নি, সি কিয় নাও মেলিবলৈ হাক দিছে সুধিলে ; বুঢ়াই সদাগৰৰ কথাৰ উত্তৰ দিবলৈ গ'লে কিজানি সিফালে নামটো পাহৰি যায় ইয়াকে ভাবি কোনো উত্তৰ নিদি, মাথোন বাৰে বাৰে "নেমেল"

"নেমেল" কৰিবলৈ ধৰিলে। সদাগৰৰ খং উঠিল—"উস্ কটা! ইমান দিন ইয়াতে থাকি আজি দিনবাৰ চাই নাওখন মেলিবলৈ হুকুম দিলো আপদীয়া এইটোৱে ক'ৰবাৰপৰা আহি মোৰ শুভ-যাত্ৰাত বিঘিনি জন্মালে। কটা ধৰ ইয়াক।" এই বুলি সদাগৰে নাৱৰীয়াহঁতক লগাই দি বুঢ়াক ভালকৈ এপিটা দিয়ালে। মাৰ খাই বুঢ়াই নেমেল বুলিবলৈ পাহৰি "নহবৰ হ'ল", "নহবৰ হ'ল" বুলিবলৈ ধৰিলে। বুঢ়াই "নহবৰ হ'ল" কৈ গৈ আছে, এনেতে সেই বাটেদিয়েই ভালকৈ সাজ-পাৰ পিন্ধি যোৱা মানুহ এটাক গৈ লগ পালে। মানুহ-টোৱে বুঢ়াৰ সেই "নহবৰ হ'ল" কথাটো শুনি ভাবিলে গৈ ভালকৈ ধুন-পেচ মাৰি সাজ-পাৰ পিন্ধি আহিছে দেখিহে বুঢ়াই তাক সেইদৰে হাঁহিছে। ইয়াকে ভাবি গৈ তাৰ হাতৰ লাখুটিডালেৰে বুঢ়াক মাৰ চেৰেক মাৰিলে। বুঢ়াই মাৰ খাই সেই "নহবৰ হ'ল" কথাষাৰো পাহৰি "সিটোতকৈ ইটোহে চৰা" বুলি যাবলৈ ধৰিলে। এনেতে বুঢ়াৰ আগেদিয়েই দুটা গৱৰীয়া মানুহ গৈছিল; সিহঁতে ভাবিলে বুঢ়াই সিহঁতৰ গৱল দেখি সেইদৰে সিহঁতক হাঁহিছে। ইয়াকে ভাবি খং উঠি সিহঁত দুয়ো বুঢ়াক গুৰুলা গুৰুলকৈ কিলালে। কিল খাই বুঢ়াই চুচুৰি-বাগৰি কোনোমতে ঘৰ পালেগৈ। ঘৰ পাই গৈ তাৰ বুঢ়ীক বিপদৰ কথা ভাঙি কলত বুঢ়ীয়ে বেজাৰ কৰি বুঢ়াকসুধি লে, "বাৰু যি হ'ল হ'ল, এতিয়া গণকে দিয়া নামটো কি কোৱাচোন?" বুঢ়াই কলে,—"কিলৰ তাপত মোৰ মনৰপৰা নাম-কাম সোপাই পলাই গ'ল; মই নামটো পাহৰিলোঁ।"

বুঢ়াৰ কথা শুনি বুঢ়ীয়ে কলে, "পাহৰিলা যদি পাহৰিলা, কি কৰিম। ল'ৰাৰ নাম থোৱা হ'ল আৰু; এতিয়া আমাৰ মাটিডৰা ৰুবৰ কাৰবাৰ কৰা। বাৰীৰ চুকৰে মাটিডৰা নুমলীয়াকৈ ৰুবলৈ

কঠিয়া পাৰাগৈ যোৱা ।" "নুমলীয়াকৈ" কথাটো শুনিয়েই বুঢ়াৰ পুতেকৰ নামটো মনত পৰিল । বুঢ়াই তেতিয়া খণ্ডত এৰোনাই হৈ বুঢ়ীক কলে,—"হয়, তয়েই যদি মোৰ ল'ৰাৰ নামটো জান, তেন্তে মোক কিয় ইমানখন মাৰ-কিল খুৱালি ?" এই বুলিয়েই বুঢ়াই ঘৈণীয়েকৰ পিঠিত ও পাৰিলে ।

ইয়াৰ পিচত বুঢ়া-বুঢ়ীয়ে পুতেকৰ নাম নোমল দি খাই-বৈ থাকিল । আমি ঘৰলৈ গুচি আহিলো ।

# সৰবজান

কোনো এখন গাঁৱত ফৰিং নামেৰে এটা খেতিয়ক মানুহ আছিল । মানুহটোৰ ঘৈণীয়েকজনী আপোন-পেটীয়া ভাৱৰ আছিল । ঘৰখনত মাথোন গিৰিয়েক আৰু ঘৈণীয়েক । সিহঁতৰ সন্তান-সন্ততি হোৱা নাছিল । মাঘ মহীয়া অলপ কিনকিনীয়া বৰষুণ । ৰাতিপুৱাই ফৰিঙে শোৱাৰপৰা উঠি ঘৈণীয়েকক কলে,—"আজি ডাৱৰীয়া বতৰ ; মোৰ পিঠা খাবৰ মন গৈছে, তই পিঠা খনচেৰেক ভাজি দিব নোৱাৰনে ? আজি ভাত নাখাওঁ বুলিছোঁ ।" গিৰিয়েকৰ কথা

শুনি বৈণীয়েকে কলে,—"পিঠালৈ বৰাধান ক'ত ? বৰাধানতো আমাৰ ভৰালত নাই ।" গিৰিয়েকে কলে,—"তেন্তে কি হব ? পিঠা খোৱা নহ'ল দেখিছোঁ ।" বৈণীয়েকে উত্তৰ দিলে,—"যোৱাচোন, কাৰ ঘৰত বৰাধান মাৰিছে চোৱাগৈ । এগাল খুজিয়েই নহয় লৈ আহাগৈ ।" বৈণীয়েকৰ কথা শুনি, গিৰিয়েকে অলপ পৰ তভক মাৰি ভাবি থাকি এটা বুধি সাজি, গাত এখন এৰীয়া কাপোৰ লৈ ওলাই গ'ল ।

ফৰিঙে ওচৰ-চুবুৰীয়া এঘৰত বৰাধানৰ মৰণা মৰা দেখি, মৰণাৰ ওচৰতে বহি তাৰ গিৰিহঁতৰ সতে ভাত খোৱা শাক খোৱা আদি সুখ-দুখৰ নানা কথা পাতিবলৈ ধৰিলে । ভালেখিনি পৰ সেইদৰে কথা পাতি তাতে বহি আছিল । মৰণাৰ ধান সৰিল । গিৰিহঁতে খেৰ জোকাৰি ধানবোৰ এফলীয়া কৰিলে । এনেতে ফৰিঙে তাৰ বৰকৈ পেট কামোৰাৰ ভাও ধৰি গাত লৈ থকা এৰীয়া কাপোৰেৰে সৈতে ধানৰ ওপৰত বাগৰ দিলে । একেই কুকুৰা বৰাধান, তাতে এৰীয়া কাপোৰ, ধানে কাপোৰখন তেনেই গি সি ধৰিলে । ধানৰ ওপৰত ভালকৈ তিনি-চাৰি বাগৰ দি ফৰিং উঠি কেকাই কেকাই লাহেকৈ ঘৰলৈ উভতি আহিল । ঘৰ পাই ফৰিঙে এৰীয়া কাপোৰখন জোকাৰি এদোনমান ধান পালে । বৈণীয়েকে বৰাধান দোন দেখি বং পাই সিজাই ৰ'দত শুকাই-উবাই চাউল উলিয়াই পিঠাগুৰি খুন্দিলে । গধূলি বৈণীয়েকে ভাত ৰান্ধি ফৰিঙক খুৱাই ঔতাই, পিঠাৰ খোলা পাতি পিঠা ভাজিবলৈ ধৰিলে । ভাত খাই উঠি ফৰিঙৰ টোপনি আহিলত ফৰিং শুই থাকিল । বৈণীয়েকে বাৰবুৰি পিঠা ভাজি ডলা এখনত থৈ অঁতাই, অন্তত সৰহখিনি পিঠা নিজে খাই, মাখোন খনচেৰেক পিঠা বাটি এটাত ভৰাই থৈ দিলে । বৈণীয়েকে শুবৰ

সময়ত গিৰিয়েকক জগাই কলে,—"পিঠা ভজা হ'ল ; কিন্তু তোমাৰ সৈতে এটা কথা বান্ধো, কাইলৈ ৰাতিপুৱা আমাৰ দুয়োৰে ভিতৰত যেয়ে শোৱা পাটিৰ পৰা আগেয়ে উঠিব, সেয়ে তিনি ভাগৰ এভাগ পিঠা খাব, আৰু যি পিচত উঠিব সি দুভাগ খাবলৈ পাব। ফৰিং ঘৈণীয়েকৰ কথাত মান্তি হৈ শুই থাকিল।

পিছদিনা পুৱা শোৱাপাটিৰ পৰা এটাও নুঠা হ'ল। ৰ'দ ওলাই পকিব লগা হ'ল, তথাপি দুয়োৰে কোনো নুঠে, দুয়ো টোপনিৰ ভাও জুৰি নাক ঘোৰ্ঘোৰাই শুই আছে। শেষত ফৰিঙে দেখিলে যে এইদৰে সি হাল-কোৰ বন-বাৰী পেলাই থৈ কিমান শুই থাকিব। ঘৈণীয়েকেই পিঠা দুভাগ খাওক, সি এভাগকে খাব। ইয়াকে ভাবি সি উঠি আহিল। গিৰিয়েকক উঠি অহা দেখি ঘৈণীয়েকে মাত লগালে,—"তুমি মোতকৈ আগেয়ে উঠিলা, এতেকে তোমাৰ এভাগ মোৰ দুভাগ।" গিৰিয়েকে উত্তৰ দিলে,—"বাৰু তয়ে খাবি দুভাগ।"

ফৰিঙে পিঠা খাবলৈ গৈ দেখিলে যে পিঠা খনচেৰেক হে মাথোন আছে। সি ঘৈণীয়েকক সুধিলে,—"আৰু পিঠা ক'তা ?" ঘৈণীয়েকে উত্তৰ দিলে,—"আৰু কৰপৰা পিঠা ওলাব। যি হৈছিল এটাইবোৰ এই বাটিতে আছে। তুমি তাৰে এভাগ খাই দুভাগ মোলৈ থৈ দিবা।" গিৰিয়েকে পেটে পেটে ভাবিলে যে এইটো বৰ আচৰিত কথা, এদোন ধানৰ মুঠেই এই কেইখন পিঠাহে হ'ল। বেৰত আঁৰি থোৱা ডলাখনলৈ এনেতে হঠাৎ তাৰ চকু গলত সি দেখিলে যে তাত পিঠাৰ গাঁচ বান্ধি আছে। সি সেই গাঁচবোৰ লেখি তিনিকুৰি পালে। কিন্তু ঘৈণীয়েকক সি একোকে নকৈ ওলাই আহি বাহিৰত

ৰহিছিল, এনেতে ঘৈণীয়েকে বটাটো উলিয়াই আনি তাক তামোল-চালি কাটি দিওঁতেই, সি তামোল এখন হাতত লৈ ফকৰা মাতিলে,—

"নঙলাতে মঙল, এছাৰিতে দেও।
তিনিকুৰি পিঠা খালে নাজানিলে কেও॥"

গিৰিয়েকৰ ফকৰাটো ঘৈণীয়েকে বুজিব পাৰি লাজত আগৰপৰা উঠি আহি কাষত কলহ লৈ পানী আনিবলৈ নৈৰ ঘাট পালেগৈ। ঘাটত কেবাজনীও চিনাকী তিৰোতা মানুহ দেখি তাই সিহঁতক সেই কথাটো ভাঙি কলে যে তাইৰ গিৰিয়েক সৰ্ব্বজান। তিৰোতা মানুহৰ কথা, ইজনী সিজনীৰ কাণত পৰি বহল হৈ গ'ল; আৰু সকলো গঞা মানুহে ফৰিঙক সৰ্ব্বজান বুলি জানিলে।

ইতিমধ্যে এটা মানুহৰ ক'লা গৰু এজনী হেৰাইছিল; গৰুৰ গৰাকীয়ে পাঁচ দিন সেই গৰুজনী বিচাৰি নাপাই শেষত ফৰিং সৰ্ব্ব-জান বুলি শুনি ফৰিঙৰ কাষ পাই গৰুৰ কিবা ভু ফৰিঙে দিব পাৰেনে বুলি ফৰিঙক সুধিলে। দৈৱক্ৰমে সেইদিনা পুৱা ফৰিঙে তাৰ বাৰীৰ পিছফালে উলুবনিৰ মাজত সেই ক'লী গাইজনী চৰি থকা দেখি আহিছিল। সেইদেখি ফৰিঙে তাক কলে,—"বাৰীৰ পিছফালে এই পিনেই বিচাৰি গ'লে তুমি তোমাৰ গৰুজনী পাবা।" মানুহটোৱে ফৰিঙৰ কথামতে গৈ থিতাতে গৰুজনী পাই আনিলে। ইয়াৰ পিচত ফৰিং যে বৰ প্ৰমাণী সৰ্ব্বজান সেই কথা চাৰিওফালে ডহডহীয়া হৈ পৰিল। এই কথা গৈ ৰজাৰ কাণত পৰিলগৈ। ইতি-পূৰ্ব্বে ৰজাৰ ঘৰত এক লাখ টকা বেচৰ সোণৰ হাৰ এডাল হেৰাইছিল। ৰজাই অনেক বিচাৰ খোচাৰ কৰি সেই হাৰডাল উলিয়াব নোৱাৰিলে। সেইদেখি ৰজাই সৰ্ব্বজানক হাৰ উলিয়াই দিবলৈ মাতিলে। এই

কথা টেকেলাই ফৰিঙক ক'লত ফৰিং থিয়ৈ মুচকচ্ যোৱা যেন হ'ল। নগলেও ৰজাই কাটিব, গৈ হাৰ উলিয়াই দিব নোৱাৰিলেও কাটিব, আৰু সি সৰবজান নহয় বুলি কলেও ৰজাই কাটিব। এতেকে সি কি কৰিব একো ভাবি নাপাই, যি কপালত থাকে হব বুলি ঈশ্বৰক চিন্তি ৰজাৰ আগত উপস্থিত হ'লগৈ। ৰজাই সৰবজানক অহা দেখি আদৰ-সাদৰ কৰি ঘৰৰ ভিতৰলৈ জলপান খুৱাবলৈ লৈ যাবলৈ ক'লত ফৰিঙক ৰজাৰ ঘৰৰ ভিতৰলৈ লৈ গৈ দৈ-গাখীৰ, কোমল-চাউল, গুড়েৰে ভালকৈ এটা জলপান খাবলৈ দিয়া হ'ল।



"হা দৈ আজিয়েই খাই ল..............................

ৰজাৰ দুজনী কুঁৱৰী ; এজনীৰ নাম মাদৈ, এজনীৰ নাম হাদৈ। হাদৈয়েই ৰজাৰ সোণৰ হাৰডাল চুৰ কৰি লুকাই থৈছিল! সৰবজান অহা শুনি ধৰা পৰিম বুলি হাদৈৰ মুখত পানী নাই। সেইদেখি

সৰবজানে জলপান খোৱা ঘৰৰ ওচৰতে হাদৈয়ে থিয় দি বেৰৰ জলঙাইদি জুমি সৰবজানক চাই আছিল। ভয়ত সৰবজানৰ মুখতো পানী নাই। সি দৈ-গাখীৰেৰে জলপান বাটি দেখি আপোনা-আপুনি কলে—"হা দৈ আজিয়েই খাই ল, কাইলৈ ৰজাই কি কৰে চিন নাই।" সৰবজানে এইদৰে কোৱা শুনি সৰু কুঁৱৰী হাদৈয়ে ভাবিলে যে সৰ্ব্বনাশ। মোক সৰবজানে ধৰিলে। ইয়াকে ভাবি কুঁৱৰীয়ে ওলাই আহি সৰবজানৰ হাতত ধৰি কলে,—"সৰবজান, মোৰ কথা তুমি নকবা, তোমাক যি লাগে মই তাকে দিম।" সৰবজানে তেতিয়া বুজিবলৈ বাকী নাথাকিল যে হাদৈ নামৰ এই ৰাণীয়েই চোৰ। সি গহীন কৈ মাত লগালে,—"আইচু, আপোনাৰ কথা বাৰু নকওঁ, কিন্তু আপুনি হাৰডাল এতিয়াই আনি ৰজাৰ হাতনিপেৰাত থৈ দিয়কগৈ।" সৰবজানৰ কথামতেই কুঁৱৰীয়ে হাৰডাল নি তেতিয়াই ৰজাৰ হাতনি-পেৰাত থৈ দিলে।

পিছদিনা ৰজাই ৰাজসভালৈ সৰবজানক মতাই আনি হাৰ কোনে চুৰ কৰি নিছে কব লাগে বুলি সোধাত সৰবজানে ওলগ লৈ কলে,—"স্বৰ্গদেউ! বন্দীয়ে কোনেও হাৰ চুৰ কৰা নাপাওঁ। স্বৰ্গদেৱৰ হাতনিপেৰাতে হাৰ থকা মোৰ ভাব হয়।" তেতিয়াই ৰজাই, হাতনিপেৰা অনাই মেলি চালে। দেখিলে গঁচা, হাৰ তাতে আছে। কথাটো দেখি সকলো আচৰিত হ'ল। ৰজাই সৰবজানক মাটি-বাৰী, ধন-বস্তু, বটা দি মান ধৰি ৰজাৰ সভাতে সভাসদ কৰি ৰাখিলে।

এদিন ৰজাই হাতৰ মুঠিতে ফৰিং এটা সুমাই মুঠি মাৰি ধৰি সৰবজানক—"মোৰ হাতৰ মুঠিত কি আছে কোৱা ?" বুলি সুধিলত সৰবজানে তাৰ তালু ফুটি জীৱ গ'ল যেন পাই, বেজাৰতে কলে—

"এক কলো লেখি
এক কলো দেখি,
হা দৈ বোলোতে ওলাল হাবডাল
এতিয়াহে পৰিল ফৰিঙৰ মৰণৰ কাল।"

ৰজাই সৰবৃজানৰ নামটো জনা নাছিল। সেইদেখি "ফৰিঙৰ মৰণৰ কাল" শুনি হাতৰ মুঠিত থকা ফৰিঙৰ কথাটো কৈছে বুলি বুজি সন্তোষ পাই মুঠিৰ ফৰিঙটো এৰি দি সৰবৃজানক নিজৰ গাৰ সাজ-কাপোৰ সোলোকাই দি বটা পিন্ধালে।

এদিন ৰজাই হাতৰ মুঠিত শেনুক এটা লৈ সৰবৃজানক "মোৰ হাতৰ মুঠিত কি আছে?" বুলি সুধিলত, সৰবৃজানে থতমত খাই কলে, "স্বৰ্গদেৱ, বাবেপতি শোলকো" ৰজাই শুনিলে, "বুবেপতি শেনুক।" তেওঁৰ হাতৰ শেনুকৰ কথা হে সৰবৃজানে কৈছে বুলি সৰবৃজানক ৰজাই বহুত ধন-সোণ দিলে। আমাৰ কাপোৰ-কানি ক'লা হ'ল, ঘৰলৈ উভতি আহিলো।

## এটা শিঙৰা মাছৰ কথা

এদিন এটা দুখীয়া মানুহে জকাই বাবলৈ গৈ দিনৰ দিনটো জকাই বালে, কিন্তু এটা শিঙৰা মাছৰ বাহিৰে সি একো নাপালে।

শেহত সি তাকে যৰলৈ নি খাবৰ মনেৰে বাছিবলৈ ধৰোতে শিঙৰাই মাত লগালে,—"ককাই, মই শিঙৰাৰ বজা ; তই মোক নেখাবি ; মই তোৰ সদায় গৰুটো ৰখি দিম।" মানুহটোৱে শিঙৰাৰ কথা শুনি তাক নেখাই, পিচদিনা দুপৰীয়া শিঙৰাক খুৱাই-বুৱাই তাৰ গৰুটো চৰাবলৈ পঠিয়াই দিলে। শিঙৰাই গৰুটোৰ টিকাত উঠি নিজৰ মুখৰ কাঁইটেৰে খুচি-খুচি তাক পথাৰলৈ লৈ গৈ চৰাবলৈ ধৰিলে। এইদৰে বহুদিন গ'ল। এদিন শিঙৰাই গৰুটো চৰাবৰ নিমিত্তে অৰণ্যৰ ফাললৈ লৈ গৈ অৰণ্যত এটা মুখ মেলি পৰি থকা ৰাক্ষস দেখিবলৈ পালে। ৰাক্ষসে গৰুটো দেখি আনন্দ মনেৰে উঠি ধৰিবলৈ যাওঁতেই শিঙৰাই তাক বাধা দি কলে,—"হেৰ ৰাক্ষস ৰ, ৰ, তই মোক দেখা নাই নেকি ? যদি তই মোক বলে পাৰ, তেহে মোৰ গৰু চুবি নহলে তোৰ ফালে আজি আধ্যা।" ৰাক্ষসে সেই অকণমান শিঙৰাটোৰ এনে মইমটনি দেখি হাঁহি, তাক মোহাৰি মাৰিবৰ মন কৰি হাতেৰে ধৰোতেই শিঙৰাই তাৰ হাতত বিহ-কাঁইটেৰে বিন্ধি দিলে। তেতিয়াই ৰাক্ষসৰ হাতখনত চেংচেঙনি ভকভকনি উঠিল। ৰাক্ষসে সহিব নোৱাৰি, "তোক যিহকে লাগে তাকে মই দিম, তেও মোক তই এৰি দে ঔ।" এইবুলি কোৱাত শিঙৰাই কলে,—"যদি তোক এৰি দিব লাগে তেনেহলে মোক কি দিবি আগেয়েই দে।" ৰাক্ষসে পেটৰ পৰা এটা সোণৰ আঙঠি উলিয়াই দি কলে,—"এই আঙঠিটো কলপাত এখনত থৈ ভালমতে সেৱা-শুশ্ৰূষা কৰিলেই আঙঠিটোৰ গুণত তোৰ ঘৰ-দুৱাৰ সকলোবোৰ সোণৰ হৈ পৰিব আৰু সোণ-ৰূপেৰে ঠাহ খাব।" শিঙৰাই ৰাক্ষসৰ এই কথা শুনি তাক বিন্ধিবলৈ এৰি দি আঙঠিটো লৈ গৰুটো খেদাই খেদাই আনি ঘৰ পালেহি। ঘৰ পাই সি গিৰিহঁতৰ হাতত আঙঠিটো

দি, সকলো কথা ভাঙি-পাতি কলত গিৰিহঁতে বং মনেৰে, শিঙৰাই কোৱামতে আঙঠিটো কলপাত এখনত থৈ সেৱা কৰাত তাৰ ঘৰ-বাৰী সকলোবোৰ সোণৰ হৈ পৰিল। আৰু সোণ-ৰূপেৰে ঘৰ উপচি পৰিল। গিৰিহঁতে তেতিয়াই শিঙৰাৰ লগত নিজৰ জীয়েকক কেঁচা পাণ, কেঁচা তামোল কাটি বিয়া দিলে। এইদৰে বহুদিন গ'ল। এদিন শিঙৰাই মনে মনে নৈৰ ঘাটত মোটটো থৈ মানুহ হৈ গা ধুবলৈ ধৰোঁতে-শিঙৰাৰ ঘৈণীয়েকে দেখি লৰালৰিকৈ মোটটো আনি জুইত পুৰি পেলোৱাত শিঙৰা গুচি সি বৰ ধুনীয়া পুৰুষ হৈ পৰিল। তেতিয়া সকলোৱে মহা আনন্দেৰে ৰজাৰ দৰে থাকিবলৈ ধৰিলে।

চালত পৰিল ফেঁচা।
মোৰ সাধুকথা মিছা।
তামোলে মেলিলে ডাবি।
কোন কলৈ যাবি।

# এটা বলী মানুহ

এখন ৰাজ্যত এটা বৰ ডাঙৰ হাতী আৰু এটা বাঘ আছিল। সিহঁত দুয়োৰো উপদ্ৰৱত মানুহে তৎনং এৰিছিল। বহুত যত্ন কৰিও

ৰজাই সেই বাঘ আৰু হাতী মাৰিব নোৱাৰি গোটেই ৰাজ্যতে ঢোল পিটি শুনাই দিলে বোলে যেয়ে এই হাতী আৰু বাঘটো মাৰিব পাৰিব তাক বহুত পুৰস্কাৰ দিয়া হব। এই কথা শুনি বহুত মানুহে বাঘ আৰু হাতী মাৰিবলৈ যত্ন কৰিবলৈ ধৰিলে কিন্তু মাৰিব নোৱাৰিলে। দৈবাৎ এদিন এটা মানুহে মনৰ দুখত বিহ খাই মৰোঁগৈ বুলি কিছুমান পিঠাগুড়িৰ লগত বিষ সানি লৈ সেই ৰাজ্যৰ ফালে যাওঁতে এজোপা গছৰ তলত সেই টোপোলাটো থৈ ওচৰৰে নৈ এখনত পানী খাবলৈ গৈছিল। সেই সময়ত দুষ্ট হাতীটোৱে আহি সেই পিঠাগুড়িবোৰ খাই পেলালে। যেতিয়াই বিহ-সনা পিঠাগুড়িবোৰ খালে, তেতিয়াই গাত বিষ লাগি হাতীটো মৰি থাকিল। এই কথা ৰজাই খবৰ পাই হাতীটো কোনে মাৰিলে বুলি বিচাৰ কৰোঁতে সেই বিষ অনা মানুহটোক ৰজাৰ ওচৰলৈ লৈ যোৱা হ'ল। সি কেনেকৈ হাতীটো মাৰিলে বুলি তাক ৰজাই সুধিলত সি কলে,—"মই হাতীটো একে ভুকুৱেই মাৰিলো।"

ৰজাই বৰ সন্তোষ পাই তাক অনেক ধন দি ক'লে—"মোৰ ৰাজ্যত আৰু এটা বৰ দুষ্ট বাঘ আছে, যদি তই সেই বাঘটোও মাৰিব পাৰ তেন্তে তোক মই আৰু বহু ধন দিম।" সি কলে বোলে, "স্বৰ্গদেউ সেই বাঘটোও মই মাৰিব পাৰিম।" এইবুলি কোৱাত ৰজাই কলে,—"তই পৰহিলৈ বাঘটো মাৰিব লাগিব।" মানুহটোৱে শলাগি শলাগি আহি তাৰ থকা ঠাই পাই চিন্তা কৰিবলৈ ধৰিলে,—সি কেনেকৈ সেই বাঘটো মাৰিব পাৰে। যেতিয়া বাঘ মৰাৰ দিন পৰিলহি, সি কিছুমান ডোল আৰু এটা ঢেঁকীথোৰা লৈ ভয়-ভয়কৈ হাবিত সোমালগৈ। সেই হাবিত এজোপা ডাঙৰ গছ আছিল। সি গৈ সেই গছৰ ওপৰত

উঠি "কে" "কে" "কা" "কা" বুলি মিছা-মিছিকৈ গান গাই আছে আৰু চৰাইবিলাকে সেই গছজোপাৰ পাতে পাতে পৰি কোঢ়াল কৰি আছে। তাকে শুনি বাঘে সেই গছৰ ওচৰলৈ আহি মানুহটোক সুধিলে, "ককাই, তই চৰাইবিলাকক কি শিকাইছ ?" সেই মানুহটোৱে কলে বোলে—"ভাই মই সিহঁতক গান শিকাইছোঁ।" তেতিয়া বাঘে কলে,—"ককাই, মোকো তেনেকুৱা গান শিকাব পাৰিবি জানো ?" মানুহটোৱে কলে,—"তই হৈছ বাঘ, মই হৈছো নৰমনিচ, তই মোক খাবি নহয় ?" তেতিয়া বাঘে কলে,—"মই সইত সইত তিনি সইত খাই কৈছোঁ, মই তোক নাখাওঁ। তই মোক তেনেকুৱা গান শিকা।" বাঘৰ কথা শুনি মানুহটোৱে গছৰপৰা নামি আহি বাঘৰ ঠেং চাৰিখন গোটাই খুবমতে বান্ধি পেলাই ঢেঁকীথোৰাটোৰে তাক মাৰিবলৈ ধৰিলে।



মাৰত তৎ নেপাই বাঘে কলে,—"ককাই, মই আৰু গান নিশিকো,

নোক এৰি দে।" মানুহটোৱে কলে,—"ভালকৈ শিক ; নিশিকিবি ?" এইদৰে মাৰি থাকোতেই বাঘ মৰিল। সি সেই বাঘটো আনি ৰজাক দেখুৱাই দিলে। তেতিয়া ৰজাই বৰ বং মনেৰে তাক কলে বোলে, "আজি তোমাৰ লৈতে যুঁজিবলৈ এটা বলী মানুহ আনি দিম, তুমি সেই মানুহটোক জিকিব পাৰা যদি তোমাক আৰু ধন-বস্তু দিম।" এইবুলি কৈ এটা বলী মানুহ আনি ৰাতি তাৰ লগত ৰজাই শুৱাই থলে। ৰাতি মানুহটোৱে বলী মানুহটোক কলে বোলে, "ভাই, মই একেটা ভুকুতে এটা হাতী মাৰিছোঁ আৰু এটা ডাঙৰ বাঘ মাৰিছোঁ, তই মোৰ লগত কেনেকৈ যুঁজ কৰিবি ? তই এতিয়া ভৰ বয়সত মোৰ লগত যুঁজি মৰিবলৈ আহিছনে ?" এইবুলি কোৱাত সেই মানুহটো ভয়ত ৰাতিয়েই পলাই গ'ল। পিচে পুৱা ৰজাৰ বলী মানুহটো ৰজাই বিচাৰি নাপাই বাঘ মৰা বলী মানুহটোক বহুত ধন-বস্তু দি বিদায় দিলে আৰু তেতিয়াৰ পৰা হাতী আৰু বাঘৰ উপদ্ৰৱ গুচি নিৰাপদে ৰাজ্য চলাবলৈ ধৰিলে। কঠালে পেলালে মুচি। মই আহিলো গুচি।

# চিলনীৰ জীয়েকৰ সাধু

এখন দেশত এটা কুমাৰ আছিল। তাৰ অনেক ধন-বস্তু আছিল ; কিন্তু ল'ৰা নাছিল। তাৰ ঘৈণীয়েকে বাৰে বাৰে ছোৱালীহে পাইছিল।

এই কথাত কুমাৰৰ মনত সদায় বৰ বেজাৰ। কিছুদিনৰ মূৰত ঘৈণীয়েক আকৌ গা-ভাৰী হলত কুমাৰে ঘৈণীয়েকক কলে,—"যদি এইবাৰো তই ছোৱালীকেহে পাৱ, তেন্তে মই ঠিক কৈছো তোক নগাত বেচিম।" গিৰিয়েকৰ কথা শুনি ঘৈণীয়েকে বৰ ভয় খালে। ল'ৰা পাবৰ ওচৰা-ওচৰি হলত কুমাৰৰ ঘৈণীয়েক মাকৰ ঘৰলৈ গ'ল। কিন্তু কি দুৰ্কপাল, এইবাৰো তাইৰ ছোৱালী এজনী হে উপজিল। ছোৱালী ওপজা দেখি ভয়ত কুমাৰণীৰ কণ্ঠ-কণ্ঠ শুকাই গ'ল। সেইদেখি তাইৰ গিৰিয়েকে বুজ পোৱাৰ আগেয়েই তাই তেতিয়াই লৰালৰিকৈ ছোৱালীজনীক এটা চৰুত ভৰাই ফটা-কানিৰে ঢাকি-ঢুকি আন এটা চৰুৰে তাৰ ওপৰত গাঁফৰ দি নৈত উটাই দিলে।

চৰুটো নৈত উটি গৈ আছে, এনেতে নৈৰ পাৰত কাপোৰ ধুই থকা ধোবা এটাই চৰুটো দেখি তাত কি আছে চাওঁ বুলি সাঁতুৰি গৈ সাফৰটো মেলি দেখিলে,—নকৈ হোৱা কেচুৱা ছোৱালী এজনী তাতে ভৰাই কোনোবাই উটাই দিছে। ধোবাটোৱে ছোৱালী-জনী তুলি লবৰ মনেৰে সাঁফৰটো গুচাই চৰুটো ধৰি লাহে লাহে সাঁতুৰি বামৰ ফালে টানি আনোতেই, হঠাৎ এজনী চিলনীয়ে থাপ-মাৰি চৰুটোৰপৰা ছোৱালীজনী লৈ গুচি গ'ল। এজোপা আঁহত গছৰ আগত চিলনীজনীৰ বাহ আছিল। তাই ছোৱালীজনী সেই বাহতে থলেগৈ। কণমান ৰূপহ ছোৱালীটি দেখি চিলনীৰ বৰ মৰম লাগিল। সেইদেখি তাই ছোৱালীজনী তুলি-তালি ডাঙৰ-দীঘল কৰিবলৈ মনতে ঠিক কৰিলে।

দিনো চিলনীয়ে য'ৰেপৰা যি ভাল খোৱা-বস্তু পায় থাপ্ মাৰি

লৈ আহি ছোৱালীজনীক খুৱায়। এইদৰে চিলনীয়ে লাহে লাহে তাইক ডাঙৰ-দীঘল কৰিলে। কাৰবাৰ ঘৰত ভাল বিহা-মেখেলা ৰ'দত শুকাবলৈ মেলি দিয়া দেখিলে চিলনীয়ে সেইবোৰ থাপ্‌মাৰি লৈ আহি জীয়েকক পিন্ধিবলৈ দিয়ে। এদিন ৰজাৰ জীয়েক এজনীয়ে নৈৰ ঘাটতে গাৰ অলঙ্কাৰ পাতিবোৰ সোলোকাই থৈ নৈত গা ধুবলৈ নামিছিল, এনেতে চিলনীয়ে থাপ্‌মাৰি সেই অলঙ্কাৰ-বোৰ লৈ গুচি আহি জীয়েকক পিন্ধিবলৈ দিলে। এইদৰে ফণি, আৰ্চী, সেন্দুৰৰ টেমা, তেলৰ বাটি চিলনীয়ে য'তে যি পায় তাকে নি জীয়েকক দিয়ে।

ছোৱালীজনী লাহে লাহে গছৰ ডালতে ডাঙৰ হ'ল; আৰু ৰূপত অপেশ্বৰী যেন হ'ল। এদিন চিলনীয়ে জীয়েকক কলে,— "আই, তই এতিয়া ডাঙৰ হৈছ, মই সদায় তোক অকলে এৰি থৈ দূৰলৈ যাওঁ, সেইদেখি তোক কোনোবাই কিবা কৰে বুলি মোৰ বৰ ভয় লাগি থাকে। আজিৰপৰা মই গলে তোৰ ভয়-চয় লাগিলে বা খিতাতে লগা হলে তই মোক এইদৰে মাতিবি, মই ততালিকে উৰি আহি তোৰ আগতে পৰিম—

"আঁহতৰ পাত নৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে॥"

এদিন দুপৰীয়া চিলনীৰ জীয়েকে গছৰ ডালতে বহি মূৰ আঁচুৰিছে। এনেতে এটা সদাগৰ সেইপিনেই ক'ৰবালৈ যাওঁতে ৰ'দত ভাগৰ লাগি সেই গছজোপাৰ তলতে জিৰাবলৈ বহিল। সেইডোখৰ ঠাইত জনপ্ৰাণী নাই। ক'ৰবাৰপৰা এডাল চুলি উৰি আহি সদাগৰৰ কোলাতে পৰিল। সদাগৰে চুলিডাল দেখি আচৰিত

মানি তুলি লৈ, বৰ দীঘল যেন দেখি জুখি চালে। চুলিডাল সাত হাত দীঘল। সদাগৰে ক'ৰপৰা ইমান দীঘল চুলিডাল আহিল বুলি চাৰিওফালে চাই একো নেদেখিলে। এনেতে গছৰ ওপৰলৈ সদাগৰৰ চকু গ'ল। তেওঁ দেখিলে এজনী দীপ-লিপ ছোৱালীয়ে ডালতে বহি চুলি আঁচুৰিব লাগিছে। সদাগৰে আচৰিত মানি ছোৱালীজনীৰ ফাললৈ চাই মাত লগালে,—"তুমি কোন? দেৱতা নে মানুহ? নে অপেশ্বৰী? নে যখিনী, কোন কোৱা? তুমি এই ভৰ-দুপৰীয়া গছৰ ডালত কিয় বহি আছা?" ইয়াৰ আগেয়ে ছোৱালীজনীয়ে মানুহ কেতিয়াও দেখা নাছিল; সেইদেখি ভয় খাই কি উত্তৰ দিব একোকে থিৰ কৰিব নোৱাৰি মাকক বিনাই মাতিলে—

"আঁহতৰ পাত লৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে॥"

এইদৰে মতা মাত্ৰকতে চিলনী ক'ৰবাৰপৰা উৰি আহি জীয়েকৰ আগতে পৰিল। "আই মোক কিয় মাতিছ?" বুলি চিলনীয়ে সুধিলত জীয়েকে গছৰ তলত থকা সেই মানুহটোলৈ মাকক আঙুলিয়াই দেখুৱালে। চিলনীয়ে ডেকা আৰু ধুনীয়া সদাগৰক দেখিয়েই মনে মনে ভাবিলে, যদি এই মানুহটো ভাল হয়, তেন্তে এওঁলৈকে মোৰ ছোৱালীজনী বিয়া দিব পাৰিলে ভাল হব। ইয়াকে ভাবি তললৈ আহি চিলনীয়ে সদাগৰক আগৰে পৰা গুৰিলৈকে জীয়েকৰ সকলো কথা ভাঙি-পাতি কলে। সদাগৰে চিলনীক কলে যে, "মোৰ অনেক ধন-বস্তু আছে, মই চহকী মানুহ। কিন্তু মোৰ এতিয়া সাতজনী বৈণী আছে, তুমি যদি সেইবাবে কোনো আপত্তি নকৰি তোমাৰ জীয়েৰাক মোলৈ বিয়া দিয়া তেনেহলে মই নিশ্চয়কৈ কৈছোঁ যে

তাইক মই সুখে-সন্তোষে ৰাখিম, কেতিয়াও দুখ নিদিওঁ।" সদাগৰৰ কথা শুনি চিলনীয়ে অনেক ভাবি-চিন্তি জীয়েকক সদাগৰলৈকে দিবলৈ মান্তি হ'ল আৰু জীয়েকক ভালেমান বুজাই-বঢ়াই নমাই আনি সদাগৰৰ হাতত সমৰ্পণ কৰিলে। চিলনীয়ে কান্দি-কাটি কাকুতি-মিনতি কৰি সদাগৰক কলে, যেন ছোৱালীটিক তেওঁ দুখ নিদিয়ে। আৰু জীয়েককো কলে,—"আই, মোক তোৰ লগা হলে শিকাই দিয়াৰ দৰেই মাতিলেই মই তোৰ আগত পৰিমগৈ।"

ইয়াৰ পিচত সদাগৰে চিলনীৰ জীয়েকক ঘৰলৈ আনি বৰ মৰম-চেনেহ কৰি ৰাখিলে। কিন্তু সদাগৰৰ আগৰ সাতজনী ঘৈণীয়েকে চিলনীৰ জীয়েকৰ ৰূপ দেখি ভাবিলে যে এনে ৰূপহী ঘৈণীয়েককে পাইছে যেকিয়া সিহঁতক আৰু দেখিব নোৱাৰা হব। ইয়াকে ভাবি সাতোজনীয়ে চিলনীৰ জীয়েকক হিংসা-খিয়াল কৰি দুখ দিবলৈ ধৰিলে।

এদিন সাতোজনীয়ে লগ লাগি চিলনীৰ জীয়েকক কলে,—"তই বৰ অপেশ্বৰী হৈ আহিছ, আনি ঘৰৰ বন-বাৰী কৰি ৰান্ধি-বাঢ়ি দিম, তই বহি বহি খাবি? যা আজি তই ভাত ৰান্ধগৈ।" চিলনীৰ জীয়েকে তাইৰ জীৱনত কেতিয়াও ভাত বন্ধা নাই; সেইদেখি কেনেকৈ ভাত ৰান্ধিব লাগে নাজানি একোকে উপায় নাপাই কান্দি কান্দি বাৰীৰ পিছফালে কলনিৰ মাজত বহি বিনাই মাকক মাতিলে—

"আগলি কলপাত লৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে॥"



এনেদৰে মতা মাত্ৰকতে চিলনী আহি তাইৰ আগতে পৰিল। "কি হ'ল, মোক কিয় মাতিছে?" বুলি জীয়েকক চিলনীয়ে সুধিলত জীয়েকে ক'লে,—"আই, মোক সতিনীহঁতে ভাত ৰান্ধিবলৈ কৈছে, মই কেনেকৈ ভাত ৰান্ধিব লাগে নাজানো। নাৰান্ধিলে সিহঁতে গিৰিহঁতক লগাই দি মোক কি কৰোৱায় ঠিক নাই।" মাকে জীয়েকৰ কথা শুনি কলে,—"আই তই একো ভয় নকৰিবি, কেনেকৈ ভাত ৰান্ধিবি মই কৈ দিওঁ শুন। এটা চৰুত এচৰুকৈ পানী দি তাতে চাউল এটা পেলাই দিবি আৰু আন এচৰু পানীত এডাল শাক পেলাই দিবি, দি চৰু দুটাৰ তলত এডোখৰ কাঠখৰি দি থৈ তই আখলঘৰৰ পৰা ওলাই বাহিৰতে বহি থাকিবি; দেখিবি চৰুত

অক্ষয় ভাত আৰু আঞ্জা হৈ আছে।" ইয়াকে জীয়েকক বুধি দি চিলনী উৰি গুচি গ'ল আৰু জীয়েকে চিলনীয়ে কোৱা দৰেই কৰিলে। ভাত খাবৰ সময়ত সতিনীয়েকহঁতে ভাতৰ পাতৰ তলত একোটা গাত খানি লৈছিল, যেই চিলনীৰ জীয়েকে সিহঁতৰ পাতত ভাত দি যায়, তেতিয়াই সিহঁতে সেই ভাত পাতৰ তলৰ গাতত পেলাই দি "ভাত ঢুকাল, লৈ আহ" বুলি আকৌ ভাত খোজে। এইদৰে সতিনীয়েকহঁতে যতবাৰ ভাত খোজে ততবাৰ চিলনীৰ জীয়েকে চৰুৰ পৰা ভাত আনি দি থাকে। শেহত সিহঁত হাৰি লাজ পাই উঠি গ'ল।

এদিন সতিনীয়েকহঁতে চিলনীৰ জীয়েকক গোহালি ঘৰ আঁতাবলৈ কলে। চিলনীৰ জীয়েকে গোহালি ঘৰৰ ভিতৰ সোমায়েই মাকক মাতিলে—

"আগলি কলপাত লৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে॥"

জীয়েকে এইদৰে বিনাই মতা মাত্ৰকতে চিলনী আহি আগতে পৰি, "কিয় মাতিছ" বুলি জীয়েকক সুধিলত, জীয়েকে কলে,—"আই, সতিনীহঁতে মোক গোহালি আঁতাবলৈ কৈছে, কেনেকৈ আঁতাম তোমাক সুধিবলৈ মাতিছোঁ।" মাকে কলে,—"গোহালিঘৰৰ ইফালৰ পৰা সিফাললৈ বাঢ়নীৰ কাঠি এডাল বুলাই যা, দেখিবি—ঘৰটো চিকণ হৈ পৰিব।" এইবুলি কৈ মাক উৰি গলত চিলনীৰ জীয়েকে তাকে কৰিলে আৰু সেই দিনা গোহালি ঘৰ আগতকৈ বেছি চাফ হৈ জকমকীয়া হৈ পৰিল। চিলনীৰ জীয়েকৰ এনে সুন্দৰ বন-বাৰী দেখি সদাগৰে তাইক বৰ ভাল পাবলৈ ধৰিলে।

চ'তৰ বিহুৰ ওচৰ চাপিলত সদাগৰে আঠোজনী যৈণীয়েকক গাইপতি পাঁচ সেৰকৈ কপাহ দি ক'লে—"তহঁতে মই বিহুত পিন্ধিবলৈ চোলা, চুৰিয়া, কাপোৰ, গামোছা বৈ দে। আৰু কাৰ কাপোৰ ভালকৈ বোৱা হয় মই চাম।" সাতোজনী যৈণীয়েকে গাইপতি লৰা-লৰিকৈ কপাহবোৰ লৈ চন্দিয়াই, নেওঠি, পাঁজি বাটি, সূতা উলিয়াই কাপোৰ ববলৈ লাগি গ'ল; কিন্তু চিলনীৰ জীয়েকে একো কৰিব নাজানি আমন-জিমনকৈ বহি থাকিল। সতিনীয়েকহঁতে ভাবিলে এইবাৰ চিলনীৰ জীয়েক ঠেকত পৰিল। তাইতো একোকে নাজানে, কেনেকৈ গিৰিয়েকক কাপোৰ বৈ দিয়ে দেখিম।" চিলনীৰ জীয়েকে বাৰীৰ পিছফালে গৈ মাকক আগৰ দৰে বিনাই মাতিলত মাক আহি আগতে পৰি জীয়েকক সুধিলে,—"কি কথা, কিয় মাতিছ?" জীয়েকে কাপোৰ বোৱাৰ কথা কলত, চিলনীয়ে জীয়েকক কলে,—"আই তই চিন্তা নকৰিবি, তই তোৰ গিৰিয়েৰক কাপোৰ দিব পাৰিবি। চাইটা বাঁহৰ চুঙাত এজোলাকৈ কপাহ সুমাই চুঙা কেইটাৰ মুখত সোপা দি থৈ দে, বিহুৰ দিনা যেতিয়া তোৰ গিৰিয়েৰে কাপোৰ খুজিব, তেতিয়া তই চুঙা চাৰিটা আনি গিৰিয়েৰৰ হাতত দিবি।" এইবুলি চিলনী উৰি গুচি গলত, জীয়েকে চাৰিটা চুঙা আনি চাৰি জোলা কপাহ মাকে কোৱাৰ দৰে ভৰাই সোপা দি থৈ দিলে। সতিনীয়েকহঁতে লচপচকৈ কাপোৰ বৈছে আৰু চিলনীৰ জীয়েকে একো নকৰাকৈ কপাহবোৰ পেলাই থৈছে দেখি সিহঁতে পেটে পেটে ৰং পাই ভাবিছে,—"এইবাৰ বান্ধে পৰিল ফান্দত। এইবাৰ চিলনীৰ জীয়েকে কাপোৰ দিব নোৱাৰিলে সদাগৰে খেদাই নেবে।"

বিহুৰ দিনা সাতোজনী যৈণীয়েকে নিজৰ নিজৰ কাপোৰ

গামোছা, চোলা, চুৰিয়া উলিয়াই গিৰিয়েকৰ হাতত দিলে আৰু চিলনীৰ জীয়েকে মাথোন চুঙা চাৰিটা দিলে। সতিনীয়েকহঁতে চিলনীৰ জীয়েকে চুঙা চাইটা গিৰিয়েকৰ হাতত দিয়া দেখি, ঢেক্-ঢেক্ কৰে হাঁহিবলৈ ধৰিলে। সদাগৰেও খঙত চকু ৰঙা কৰি চিলনীৰ জীয়েকক সুধিলে,—"এইবোৰ কি দিছ ? তোৰ কাপোৰ ক'তা ?" তাই কলে,—"চুঙা কেইটা মেলি চাওক।" সদাগৰে এটা এটাকৈ চুঙা কেইটাৰ গাঁফৰ মেলিলত সুন্দৰ চোলা চুৰিয়া পাটকাপোৰ আৰু গামোছা ওলাই পৰিল। আৰু সেইবোৰ ইমান বঢ়িয়া আৰু মিহি যে সেইবোৰৰ আগত সতিনীয়েকহঁতৰবোৰ শোটা-কানি বুলিলেই হয়। সদাগৰে সেইদেখি খঙত সাতোজনীয়ে দিয়া কাপোৰবোৰ ডোখৰ ডোখৰ কৰি কাটি দলিয়াই পেলাই দি চিলনীৰ জীয়েকে দিয়াবোৰ পিন্ধিলে।

লাহে লাহে সতিনীয়েকহঁতে গম পালে যে এজনী চিলনী আহি তাইক এনেদৰে বুধি দি যায়। ইয়াকে গম পাই সিহঁতে চিলনীজনীক মাৰিবলৈ বুলি বুধি আলচিলে। তাই কি বুলি চিলনীজনীক মাতে সেইটো সিহঁতৰ ভিতৰত এজনী চোপা দি লুকাই থাকি শিকি লৈ এদিন গোহালি ঘৰৰ ভিতৰত সোমাই চিলনীৰ জীয়েকৰ নিচিনাকৈ মাতিলত, চিলনীজনী আহি তাইৰ আগত পৰিল। তেতিয়াই তাই চিলনীজনীক পূৰ্ণহতীয়াকৈ বাঢ়নীৰে কোব মাৰি, মাৰি পেলাই গোবৰৰ তলত পুতি থলে। চিলনীৰ জীয়েকে এই কথাৰ শুং-সূত্ৰকে নাপালে। ইয়াৰ পিচত চিলনীৰ জীয়েকে মাকক বিনাই-বিনাই কতবাৰ মাতিলে, কিন্তু মাক আৰু ক'ৰপৰা আহিব ? সতিনীয়েকহঁতে কিবা বুধি কৰি চিলনীজনী

মাৰিলে বুলি তেতিয়া চিলনীৰ জীয়েকে বুজিব পাৰি ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে।

ইয়াৰ কিছুদিনৰ পিচত সদাগৰ বেপাৰ কৰিবলৈ যাবলৈ ওলাল। যাবৰ সময়ত সদাগৰে সাতোজনী ঘৈণীয়েকক দঢ়াই দঢ়াই ক'লে, সিহঁতে যেন চিলনীৰ জীয়েকক দুখ নিদি ভালকৈ ৰাখে।

এদিন মুদৈ এটাই ফণি, আচী, সেন্দুৰ, খুৰীবাটি, গোন্ধতেল, আদি বেচিবলৈ বুলি সদাগৰৰ ঘাটতে তাৰ নাও বান্ধিলেহি। সদাগৰৰ ঘৈণীয়েহঁতে গিহঁতে চকুৰ কূটা দাঁতৰ শাল চিলনীৰ জীয়েকক সেই মুদৈটোকে বেচিবলৈ মনে মনে আলচি মুদৈটোৰপৰা কিছুমান বস্তু কিনি সেইবোৰৰ বেচৰ বাবে তাক এজনী ৰূপহী ছোৱালী দিম বুলি কলে। এই ছোৱালীজনীৰ ৰূপ-গুণ সিহঁতে মুদৈটোৰ আগত এনেকৈ বৰ্ণাইছিল যে মুদৈৰ লোভ লাগি বস্তুৰ বেচত মাৰি ছোৱালী-জনীকে লৈ যাবলৈ সি মান্তি হ'ল। চিলনীৰ জীয়েকক সতিনীয়েক-হঁতে ক'লে,—"আমাৰ ঘাটত এটা মুদৈয়ে এনাও বঢ়িয়া বস্তু বেচিবলৈ আনি নাও বান্ধি আছেহি। আমি চাই-মেলি তাৰ পৰা কিছুমান বস্তু কিনি আনোগৈ আহ।" চিলনীৰ জীয়েকে কলে,—"বাইহঁত, মোক একো নালাগে। তোমালোকেই যোৱা, মই নাযাওঁ। মোক তেখেতে কলৈকো যাবলৈ হাক দি গৈছে।" সিহঁতে তাইক নানা ৰকমে বুজাই নেৰানেপেৰাকৈ ধৰাত শেহত তাই খেৰোগেৰোকৈ সিহঁতৰ লগতে গৈ ঘাট পালেগৈ। সিহঁতে বস্তু চোৱাৰ লাচতে চিলনীৰ জীয়েকক মুদৈৰ নাৱত তুলি দিলত, মুদৈয়ে আগেয়ে সিহঁতৰ সৈতে আলচি থোৱা মতে খপ কৰে নাও মেলি দি চিলনীৰ জীয়েকক লৈ গুচি গ'ল।

মুদৈয়ে চিলনীৰ জীয়েকক লৈ গৈ নিজৰ ঘৰ পোৱালেগৈ। লৈৰ তাত চিলনীৰ জীয়েকক শুকান মাছৰ ৰখীয়া পাতিলে। লৈৰ পাৰত মুদৈটোৰ ঘৰ। চিলনীৰ জীয়েকে ৰ'দত বহি শুকান মাছ ৰখি থাকোঁতে এনেদৰে বিনাই থাছিল—

"কুমাৰণী আয়ে মোক উটুৱাই দিলে।
চিলনী আয়ে মোক দাঙি ধৰিলে।
গাউদৰ কোঁৱৰে মোক বিয়া কৰালে।
সাত সতিনীয়ে মোক ডোমত বেচিলে।
ডোমে মোক শুকান মাছ ৰখীয়া কৰিলে।"

চিলনীৰ জীয়েকে এইদৰে বিনাই শুকান মাছ ৰখি থাকোঁতে সেইদিনে সদাগৰ নাৱেৰে উজাই ঘৰলৈ আহিছিল। দূৰৰপৰা এই বিননি শুনি সদাগৰে সেইখিনিতে নাও ৰাখি চিলনীৰ জীয়েকৰ ওচৰলৈ গৈ, তাইৰ কি হৈছে, কিয় কান্দিছে বুলি সুধিলত, সকলো কথা ভাঙি তাই সদাগৰক কলে। তেতিয়া সদাগৰে তাইৰ আগত নিজৰ চিনাকি দি তাইক নাৱত তুলি গা-পা ধুৱাই ন বিহা-মেখেলা পিন্ধাই লৈ গুচি আহিল। নাৱতে চিলনীৰ জীয়েকক সদাগৰে এটা কাঠৰ পেৰাত সুমাই থৈ তাই উশাহ লবলৈ পেৰাটোত এটা ছিদ্ৰা কৰি দিছিল। সদাগৰে ঘৰ পাই তেওঁৰ আনবোৰ বস্ত্ৰ-বস্তুৰে সৈতে পেৰাটোও তেওঁৰ শোৱনি ঘৰত সুমাই থলে। সাতোজনী ঘৈণীয়েকক আগত দেখি সদাগৰে সুধিলে,—"তহঁত এটাইকেইজনীক দেখিবলৈ পাইছোঁ; কিন্তু চিলনীৰ জীয়েকক নাই পোৱা কিয়?" সিহঁতে উত্তৰ দিলে,—"তাই আজি ভালেমানদিন হ'ল, মাকৰ ঘৰলৈ গ'ল, উভতি অহাই নাই।" এই কথা শুনি সদাগৰে সিহঁতক কলে,—

"মোৰ মনে ধৰিছে তইঁতে তাইক কিবা এটা কৰিলি। বাৰু তইঁতে সঁচা কথা কৈছ নে মিছা কথা কৈছ মই তইঁতক এতিয়াই পৰীক্ষা কৰিম।" এই বুলি এটা দ গাঁত খনাই তাত জেং আৰু কাঁইট পুতি এডাল এৰাঁসুতা গাঁতটোৰ ইপাৰৰ পৰা সিপাৰলৈ বান্ধি দি, ঘৈণীয়েকহঁতক ক'লে,—"যি এই সূতাৰ ওপৰেদি বগাই যাব পাৰিবি, সিয়েই নিৰ্দ্দোষী বুলি জানিম।" এজনী এজনীকৈ ছজনী ঘৈণীয়েকে এৰাঁসূতাৰ ওপৰেদি গৈ সূতা ছিগি গাঁতত পৰি মৰিল, কিন্তু সপ্তমজনী নপৰিল। সেইজনীয়ে সেই সূতাইদি সাত-বাৰ অহা-যোৱা কৰিলে তথাপি সূতাডাল নিছিগিল : কাৰণ তাই সঁচাকৈয়ে চিলনীৰ জীয়েকক বেচাৰ কথা একো নাজানিছিল। আন সতিনীয়েকহঁতে সেই কাম কৰোতে তাই ভাত ৰান্ধিছিল।

ইয়াৰ পিচত সদাগৰে তেওঁৰ সেই ছজনী ঘৈণীয়েকক গাঁততে মাটি দি পুতি থলে আৰু চিলনীৰ জীয়েকক পেৰাৰপৰা উলিয়ালে। তাৰ পিচত চিলনীৰ জীয়েক আৰু সপ্তমজনী ঘৈণীয়েকৰে সৈতে সদাগৰে গৃহবাস কৰি সুখত কটাবলৈ ধৰিলে।

আমাৰ কাপোৰ-কানি ক'লা হ'ল, আমি গুচি আহিলো।

# তুলা আৰু তেজা

এটা চহকী খেতিয়কৰ দুজনী ঘৈণীয়েক আছিল ; বৰজনী এলাগী, সৰুজনী লাগী। এলাগীৰ এজনী ছোৱালী আৰু এটি

ল'ৰা, নাম তেজা আৰু কানাই। লাগীৰ মুঠেই এজনী ছোৱালী, নাম তুলা। তুলা তেজাতকৈ বয়সত ডাঙৰ আছিল। লাগীজনীয়ে এলাগী আৰু তাইৰ ল'ৰাটোক আৰু ছোৱালীজনীক বৰ দুখ দিছিল। তিৰুতাগেৰুৱা গিৰিয়েকেও লাগীৰ ভয়ত সিহঁতক মৰম কৰিব নোৱাৰিছিল। সিহঁতে ভাল খাব পিন্ধিবলৈ নাপায়। ৰাতিপুৱা তেজা আৰু কানায়ে কৰ্কৰা পইতা ভাত এগাল খাই গৰু ৰাখিবলৈ গুচি যায় কিন্তু তুলাই মাকে সৈতে তিনি-তেলনি মাৰি খায়, ভাল কাপোৰ-কানি পিন্ধি মহা সুখে থাকে। গিৰিয়েকে হাল-কোৰ বাই দুপৰীয়া ঘৰলৈ উভতি আহিলে, লাগী সৰুজনী ঘৈণীয়েকে গিৰিয়েকক তপত ভাত, তপত আঞ্জা, নানা ৰকমৰ ভজা, খৰিকাত দিয়া আদি খাবলৈ দি আন ধৰে; কিন্তু কেতিয়াবা এলাগীয়ে গিৰিয়েকক কাবৌ-কোকালি কৰি খাবলৈ মাতি নি নিজৰ ভঙা চালিত পঁইতা ভাত, পোৰা মাছ খাবলৈ দিয়ে আৰু গিৰিয়েকে লাগীৰ ভয়ত লুকাই-চুৰকৈ খায় আৰু বৰ তৃপ্তি পায়। বাস্তৱিকতে দুপৰীয়া হাল-কোৰ বাই তাৰ পইতা ভাত, পোৰা মাছ যেনে ভাল লাগে, লাগীৰ তপত ভাত, তপত আঞ্জা তেনে ভাল নালাগে। লাগীয়ে দেখিলে যে লাহে লাহে গিৰিয়েকে পথাৰৰপৰা আহি এলাগীৰ ঘৰত ভাত খোৱাটো বাঢ়ি আহিবলৈ ধৰিছে। সেইদেখি তাই এলাগীক কেনেকৈ গিৰিয়েকৰ চকুৰপৰা আঁতৰাব এই কথা ভাবিবলৈ ধৰিলে।

এদিন লাগীয়ে এলাগীক জকাই বাবলৈ মাতি লৈ গ'ল। লাগীৰ জকাইত কেঁকোৰা, কুচিয়া আঙ্গুলিচেপা আদি উঠিল, এলাগীৰ জকাইত কুৰ্হি, চেনি, লাচোন, ভাঙোন আদি ভাল ভাল মাছ উঠিল।

এনে হোৱা দেখি এলাগীৰ ওপৰত লাগীৰ নথৈ খং উঠিল। জকাই বাই উঠি দুয়ো গা ধুবলৈ বুলি এটা বৰ-পুখুৰীৰ দলঙত উঠিল। লাগীয়ে এলাগীক কলে,—"বাই, মোৰ পিঠিখন ভালকৈ ঘঁহি দিয়া, বোকা আৰু মলিয়ে টাটবি বান্ধিছে। মোৰ ঘঁহা হৈ গলে তোমাৰ পিঠিখনো মই ঘঁহি দিম।" লাগীৰ কথা শুনি এলাগীয়ে লাগীৰ পিঠি ঘঁহি দিয়াৰ পিচত লাগীয়ে এলাগীৰ পিঠি ঘঁহিবলৈ ধৰিলে আৰু ঘঁহি থাকোতেই "বৰকাছ হগৈ" বুলি তাইক মন্ত্ৰ মাতি এলাগীক হেঁচা মাৰি পুখুৰীত পেলাই দিলে। তাৰ পিচত এলাগীৰ জকাইখন তাই গচকি ভাঙি হাবিলৈ দলিয়াই পেলাই দি ঘৰলৈ গুচি আহিল। এই কথা কোনেও নেদেখিলে, কোনেও নেজানিলে। মাকক নেদেখি এলাগীৰ ল'ৰা-ছোৱালী হালে সুধিলে,—"মাহী, মাহী, আমাৰ আই কলৈ গ'ল দেখিছিলানে?" মাহীয়েকে সিহঁতক জোকোৰা মাৰি কলে,—"মই কেনেকৈ কম? তহঁতৰ মাৰ কলৈ যায়, কিবা মোক সুধি যায় নে?" গিৰিয়েকে লাগীৰ ভয়ত এলাগীৰ বৰকৈ বিচাৰ নকৰিলে। সি ভাবিলে তাই ক'ৰবাত কিবা হৈ মৰিল। ল'ৰা-ছোৱালী হালে মাকক বিচাৰি বিচাৰি কতো নাপাই কান্দি-কাটি থাকিল। পিছদিনা পুৱা সিহঁতে নিয়ম মতে গৰু ৰাখিবলৈ গ'ল, কাৰণ নগৈ বহি থাকিলে লাগীৰ হাতত সিহঁতে গালি আৰু মাৰ খাবই লাগিব।

এইদৰে সিহঁতে মনৰ বেজাৰত কান্দি-কাটি গৰু ৰখি ফুৰোতে এদিন দ'দত সিহঁতৰ বৰ পিয়াহ লগাত সেই বৰ-পুখুৰীটোৰ পৰা পানী খাবলৈ গ'ল। ভৰ দুপৰীয়া সকলো নিমাত আৰু পুখুৰীৰ পাৰ নিজান। এনেতে সিহঁতৰ মাক বৰকাছজনীয়ে পানীৰপৰা বামলৈ উঠি আহি সিহঁতক মাতিলে,—"মোৰ মইনা তেজা আৰু

কানাই, মাহীয়েৰে লোক ইয়াতে গতা মাৰি পেলাই বৰকাছু হ বুলি বৰকাছু কৰি গুচি গ'ল। তহঁতৰ মুখ শুকাই আছে, তহঁতে একো খোৱা নাই। মই জলকুঁৱৰীৰপৰা পৰমান আনিছোঁ, তহঁতে কচুপাত দুটা ছিঙি আনি এই পৰমান খা। কিন্তু এই কথা তহঁতে কাকো নকবি। মাহীয়েৰাই গম পালে লোক মাৰি পেলাব। দিনৌ দুপৰীয়া মই তহঁতক পৰমান খাবলৈ দিম, তহঁতে আহি এইদৰে খাই যাবিহি।" মাকৰ কথা শুনি দুয়ো কচুপাত দুটা ছিঙি আনি পাতি এই পৰমান খাই গৰু চৰাই অঁতাই ঘৰলৈ গুচি আহিল। সিহঁতে নিতৌ এইদৰে পুখুৰীৰ পাৰত পৰমান খাই চিকণ হৈ উঠিল। মাহীয়েকে সিহঁতৰ শ্ৰী দেখি ভাবিলে,—"মই ইহঁতক ভালকৈ খাবলৈ নিদিওঁ অথচ ইহঁত দিনে দিনে চিকণ হৈহে আহিছে। ইহঁতৰ মুখৰ বৰণ কেঁচা সোণযেন হৈছে। মোৰ তুলাক ইমানকৈ খুৱাওঁহে খুৱাওঁ তেওঁ দেখোন তাই এনে হব নোৱাৰে। ইয়াৰ কাৰণ কি? ইহঁতে গৰু চৰাবলৈ যাওঁতে নিশ্চয় ক'ৰবাত কিবা খায়।" ইয়াকে ভাবি তাই পিছদিনা তুলাক সিহঁতৰ লগত গৰু চৰাবলৈ পঠিয়াই দিলে, তেজা আৰু কানায়ে ক'ত কি খায় চাই থাকিবলৈ মনে মনে শিকায়ো দিলে। সেইদিনা তেজা, কানাই আৰু মাক বৰকাছু মহা আচকালত পৰিল; কাৰণ তুলাই তেজা আৰু কানাইৰ লগকে নেৰে। তেজাই এবাৰ বুধি কৰি তুলাক দূৰৰপৰা এটা গৰু খেদি আনিবলৈ ক'লত, তুলাই গৰুটো খেদি আনিবলৈ গ'ল। তুলা আঁতৰি গলতে তৎক্ষণাৎ বৰকাছুজনী ওলাই সিহঁত দুয়োকো খাবলৈ দি গুচি গ'ল আৰু সিহঁতে লৰালৰিকৈ খাই পাত দুখন দলিয়াই পেলালে। ঠিক এনে সময়তে তুলাই দূৰৰপৰা সিহঁতে কিবা খোৱা যেন দেখি লৰি আহি ক'লে,—"তহঁতে কি খালিহঁক,

নহ কাৰো কৈ মাতিছোঁ মোকো দে।" তুলাৰ কাৰো এবাৰ নোৱাৰি সিহঁতে তুলাক কলে,—"আৰুতো একো নাই, বাৰু তই সেই পাতখনকে চেলেক ; কিন্তু এই কথা মাৰৰ আগত নকবি ; কলে আৰু তোক কেতিয়াও খাবলৈ নিদিওঁ।" তুলাই পাত দুখন বুটলি আনি চেলেকিবলৈ ধৰিলে। সেইদিনা তুলা ঘৰলৈ উভতি আহিলত মাকে তুলাৰো মুখখন পকা সুমথিৰা টেঙাটো যেন হৈ অহা দেখি বুজিলে যে তায়ো সিহঁতৰ লগতে আজি কিবা খালে। তুলাক মাকে লৰালৰিকৈ ভিতৰলৈ মাতি নি সুধিলে,—"সিহঁতৰ লগত কি খালি ক ?" তুলাই কোনোমতে নকয়। শেহত মাকে তাইৰ চকুত জলকীয়া সানি দিবৰ ভয় দেখুৱালত তাই সৈ কাঢ়ি সকলো কথা কৈ দিলে। মাকে তেতিয়া বুজি উঠিল যে বৰকাছ হোৱা সতিনীয়েকেহে পুতেক-জীয়েকক কিবা খাবলৈ দিয়ে। ইয়াকে বুজি তাই বৰকাছজনী মাৰিবলৈ বুধি পাতিলে। তাই শোৱাপাটীৰ তলত খোলাকাটি কিছুমান থৈ তাইৰ নৰিয়া হৈছে বুলি শুই থাকিল। গিৰিয়েকে কি হৈছে বুলি তাইক সুধিলত তাই উস-আস কৰি ইকাটি-সিকাটি কৰে আৰু খোলাকাটিবোৰ মেৰ্ মেৰাই উঠে। গিৰিয়েকে অনেককৈ সুধিলত তাই কলে,—"উস্ ! মোৰ বৰ নৰিয়া। মোৰ হাড়ে-মূৰে ভাগি যাবলৈ ধৰিছে। মোৰ প্ৰাণ যায়।" ঘৈণীয়েকৰ অৱস্থা দেখি গিৰিয়েকে বৰ ভয় খাই মঙলতী বুঢ়ীক মাতি আনি ঘৈণীয়েকৰ নৰিয়া কি কৰিলে ভাল হব সুধি মঙ্গল চোৱালে। মঙ্গলতীক লাগীয়ে আগেয়েই ৰূপ-বান খুৱাই শিকাই থৈছিল যে, "তোক মোৰ গিৰিহঁতে মঙ্গল চাবলৈ মাতিলে তই কৰি যে বৰপুখুৰীত থকা বৰকাছজনী মাৰি খুৱালেই মোৰ নৰিয়া ভাল হ'ব।" মঙ্গলতীয়ে সেই শিকনি মতেই

মঙ্গল চাই ক'লত গিৰিয়েকে সকলো ৰাইজক ৰৰপুখুৰীৰ কাছজনী ধৰি দিবৰ নিমিত্তে ভাৰসা কৰি কলে। ৰাইজ সন্মত হৈ গ'ল, জুলুকি, জাল লৈ কাছ ধৰিবলৈ আহিল। ৰাইজ অহাৰ আগতেই এই কথা ভু পাই ল'ৰা-ছোৱালী হালে মনে মনে কান্দি কান্দি মাক ৰৰকাছক সেই বাতৰি ক'লত, মাকে সিহঁতক কলে,—"মই কাৰো জাল, প'লত নপৰোঁ। সিহঁতে যেতিয়া মোক ধৰিব নোৱাৰি ভাগৰি উঠি যাব, তেতিয়া তহঁতে ভগা জকাই এখন লৈ আহিবি, মই তাতে উঠিম। কিন্তু মোক মাৰি যেতিয়া মোৰ মঙহ বাছি তহঁতক খাবলৈ দিব, তহঁতে নাখাবি; তহঁতে সেইদিনা তেল-খাৰণীৰে ভাত খাই থাকিবি। মোৰ আগ-হাতোৰা দুটা তহঁতে কাছ বাছোতাক খুজি লৈ এই পুখুৰীৰ পাৰতে পুতি থবি, তাতে মই এজোপা জবা ফুলৰ গছ হৈ থাকিম। সেয়ে তহঁতক দুখত তাৰিব।" এই বুলি সিহঁতক বুজনি দি মাকে পঠিয়াই দিলে।

কাছ ধৰিবৰ মনেৰে গঞা মানুহ গৈ পুখুৰীত নামিল। প'ল, জুলুকি, জাল বাই পানী ঘোলা কৰিলে; কিন্তু কোনেও কাছ ধৰিব নোৱাৰিলে। শেহত ভাগৰি সকলো পাৰত উঠিলত তেজা আৰু কানায়ে ভগা জকাই এখন লৈ গৈ ৰাইজক কলে যে—"আমি এই জকাইৰেই কাছ ধৰি দিব পাৰোঁ।" ৰাইজে সিহঁতৰ কথা শুনি হাঁহি-খিকিন্দালি মাৰি কলে,—"বাৰু অ' ভেটোগুটি দুটাই কাছ ধৰে হেনো। বাৰু ধৰচোন চাওঁহঁক।" ইয়াৰ পিচত তেজাই জকাই-খনেৰে দুচাৰ কি চাৰি চাব মাৰিলতে কাছ জকাইত উঠিল। ৰাইজে দেখি আচৰিত মানিলে।

ইফালে লাগীয়ে যেতিয়াই সেই ৰৰকাছ ধৰা পৰিছে বুলি শুনিলে তেতিয়াই গা ভাল পাইছোঁ বুলি শোৱাপাটীৰপৰা উঠি বহিল। ৰৰকাছজনী

চোতালত পেলাই কাটি থাকোঁতেই ল'ৰা-ছোৱালী হালে কাছ কাটোতাক খুজি আগ-হাতোৰা দুটা লৈ মনে মনে পুখুৰীৰ পাৰত পুতি থলেগৈ। সকলোৱে কাছৰ আঞ্জাৰে ভাত খালে, কিন্তু তেজা আৰু কানায়ে ভাতৰ পাতৰ তলত গাত খান্দি লৈ সেইবোৰ পুতি থৈ তেল-খাৰণী খুজি লৈ তাৰে ভাত খাই উঠি গুচি আহিল।

সিহঁতে পুখুৰীৰ পাৰত য'ত সেই হাতোৰা দুটা পুতি থৈছিল, তাতে এজোপা জবাটেঙা আৰু এজোপা জবা ফুলৰ গছ হ'ল। জবা গছজোপা সুন্দৰ মনোমোহা জবা ফুলেৰে জকমকাবলৈ ধৰিলে আৰু জবাজোপাতো সুন্দৰ জবাটেঙা উপচি লাগিল। তেজা আৰু কানায়ে নিতৌ গৰু চৰাবলৈ গৈ সেই গছ দুজোপাৰ তলতে বহি জিৰাই মাকৰে সৈতে কথা পাতি থাকে।

এদিন সেই দেশৰ এজন ৰজাই দোলা হাতী ঘোঁৰাৰে সেইপিনে যাওঁতে জবাগছজোপাত জবাটেঙা লাগি থকা দেখি তেওঁৰ খাবৰ মন গ'লত আৰু সুন্দৰ জবা ফুল গোটাচেৰেক আনি পিন্ধিবৰ মন গ'লত তেওঁ সেইখিনিতে দোলা হাতী ৰখাই, মন্ত্ৰীক ফুল আৰু টেঙা আনিবলৈ পঠিয়াই দিলে। ল'ৰা-ছোৱালী হালে মন্ত্ৰীক দেখি ক'লে যে,—"জবা আৰু জবা আমাৰ। ৰজাই নিজে আহি আমাক খুজিলেহে আনি দিম।" মন্ত্ৰীৰ মুখৰপৰা ৰজাই এই কথা শুনি, সুন্দৰ ল'ৰা-ছোৱালী হাল দেখি সিহঁতলৈ মৰম লাগি নিজে দোলাৰপৰা নামি আহিল। কানায়ে ৰজাৰ আগত আঠু লৈ কলে,—"যদি স্বৰ্গদেৱে মোৰ এই তেজা বাইদেউক বিয়া কৰি নিয়ে, তেনেহলে হে আমি স্বৰ্গদেৱক টেঙা আৰু ফুল দিম।" ছোৱালীৰ সুন্দৰ ৰূপ দেখি ৰজাৰ মোহ লাগিছিল, সেইদেখি তেওঁ কলে,—"বাৰু একো কথা নাই, মই তোমাৰ

তেজা বাইদেউবাক বিয়া কৰি দিম কিন্তু তেওঁ এতিয়া সৰু ছোৱালী, তেওঁ ডাঙৰ হওক, হলে মই নিশ্চয় বিয়া কৰাই লৈ যামহি।" তেজাই এটা মইনা চৰাই পোৱালি পুহিছিল; সৰু চৰাইতে সদায় তাক লগত লৈ পোক, পৰুৱা, ফৰিং খুৱাই ফুৰে। কানায়ে এটা ডালিমৰ পুলি আৰু সেই মইনা চৰাইটো ৰজাক দি কলে,—"স্বৰ্গদেউ। আমি দুখীয়া মানুহলৈ স্বৰ্গদেৱে কিজানি পাহৰি যায়, সেইদেখি এই ডালিম পুলিটি আৰু মইনা চৰাইটো স্বৰ্গদেৱক দিলো, স্বৰ্গদেৱে লৈ যাওক; ডালিম গছজোপাত যেতিয়া ডালিম পকিব আৰু মইনা চৰাইটোৱে মাত লব, তেতিয়া স্বৰ্গদেৱে আহি তেজাক বিয়া কৰাই লৈ যাব লাগিব।" ৰজাই সেই কথাত মান্তি হৈ জৰাটেঙা, জবা ফুল, ডালিম পুলি আৰু মইনা চৰাই লৈ নিজৰ নগৰলৈ গুচি গ'ল। ওপৰত কোৱানতে ৰজাক কবলৈ তেজা আৰু কানাইৰ মাকে আগেয়ে কানাইক শিকাই থৈছিল। সেই দেখি কানায়ে সেইদৰে কব পাৰিছিল। ৰজাই ডালিম পুলিটো তেওঁৰ শোৱা ঘৰৰ ওচৰতে ৰুলে আৰু মইনাটো এটা সোণৰ সজাত সুমাই ঘৰৰ পিৰালিতে আঁৰি দিলে।

এইদৰে কিছুকাল গ'ল। লাহে লাহে ডালিম পুলি ডাঙৰ হ'ল। ডালিমে ফুল ধৰিলে; কলি পেলালে আৰু আজি-কালিকৈ ডালিম কলি ডাঙৰ হ'ল, হৈ পকিল। ইপিনে তেজাও গাভৰু হ'ল। মইনায়ো কলকলালে; তাৰ পিচত মাত ল'লে। তথাপি তেজাৰ কথা ৰজাৰ মনত নপৰিল। এদিন ৰজাই খাই-বই উঠি তামুলী চ'ৰাত বহি জিৰাইছে, এনেতে সেই মইনাটোৱে মাত লগালে—

"এহাল নিজাৰ পৰিল।
ডালিম পকি সৰি গ'ল।
মইনাৰো লগালে নাত।
কিনো বজা ভোল গ'ল।
তেজা বাই গাভৰু হ'ল।

বজাই কিহে নাতিছে বুলি সৰি-পকি চাই চাই একো নেদেখি বহি থাকিল। এনেতে আকৌ মইনাই নাত লগালে,—

"ডালিম পকি সৰি গ'ল।
তেজা বাই গাভৰু হ'ল।
তেওঁ বজাৰ মনত নহ'ল।"

এইবাৰ বজাই পদ কেইফাঁকি শুনি চাট কৰে তেজাৰ কথা তেওঁৰ মনত পৰিল। উঠি গৈ বজাই দেখিলে ডালিম গছত ডালিম পকি আছে। তেতিয়াই বজাই গাজপাৰ পিন্ধি টেকেলা-বেঙেনা, লগুৱা-লিকচৌ লগত লৈ তেজাক বিয়া কৰাই আনিবলৈ গ'ল। কিন্তু বজাই তেওঁৰ ৰাণীক এই কথাৰ একো নোকোৱাকৈ গ'ল। বজা ওলাই গলতে ৰাণীয়ে নিজৰ বুঢ়ী বেটীজনীক সুধিলে,—"বাই বজা কলৈ গ'ল, তই ক'ব পাৰনে?" বুঢ়ীয়ে উত্তৰ দিলে,—"পাৰোতো বজাই কি কৰে, কলৈ যায়, তুমিহে ভু নোপোৱা, আমি ভু পাওঁ। বোলো ভেলেকী আই, বজাই তোমালৈ সতিনী আনিবলৈ গৈছে। শুনিছো চহকী খেতিয়ক এটাৰ তেজা নামেৰে ছোৱালী এজনী আছে, তাইকে বজাই আনিবলৈ গৈছে।" বুঢ়ী বেটীৰ কথা শুনি ৰাণীয়ে হুৰাওবাৰে কান্দিবলৈ ধৰিলে। বুঢ়ীয়ে কুঁৱৰীক বুজনি দি কলে,— "আই তুমি নাকান্দিবা, মই বুধি দিওঁ শুনা, তুমি সেই মতেই কাম

কৰা। কাইলৈ যেতিয়া ৰজাই তেজাক লৈ নৈৰ ঘাটত নাও চপাব, তেতিয়া তুমি সেইটো ঘাটতে বহি থাকি সেই বাটে তেজাক নামিব নিদিবা আৰু তাই যেনিয়েই নামিবলৈ খুজিব তেনিয়েই বাধা দিবা। তথাপি কিজানি নামি আহে সেইদেখি আজিয়েই আৰু এটা বুধি কৰি লোৱা,—ঘৰৰ দুৱাৰমুখতে দুটা কলপুলি ৰুই দুইটাৰ গুৰি কাটি এনেকৈ সেই দুটা থিয় কৰি থবা যেন তেজাৰ গাৰ কাপোৰ লাগিলেই দুয়োটি পৰি যায়। ঘৰৰ দুৱাৰৰ পোলাৰ গাঠি এনেকৈ কাটি থবা যেন তেজাই চুলেই সি সুলকি যায়। বহা পীৰাৰ খুৰা এনেকৈ ভাঙি থবা, তেজাই তাৰ ওপৰত বহিলেই যেন খুৰা ভাঙি যায়, শোৱা চালপীৰাৰ খুৰাও সেইদৰে ভাঙি লগাই থবা যেন ৰজা তেজাৰ সৈতে তাত শুবলৈ গলেই ভাগি পৰে। ইয়াকে কৰিলে ৰজাই তেজাক অমঙ্গলীয়া তিৰোতা বুলি খেদি দিব।"

বুঢ়ীৰ বুধি শুনি ৰাণীয়ে তাকে কৰিলে। সিফালে ৰজাই গৈ তেজাক বিয়া কৰালে। তেজাই বাপেকৰ ঘৰৰপৰা ওলাই আহিবৰ সময়ত বাপেকক বিনাই বিনাই এইদৰে বস্তু খুজিলে,—

"আইৰে দিনৰে ছকুৰি জপা,
তাৰে তিনিকুৰি মইহে পাওঁ।
আইৰে দিনৰে ছকুৰি পেৰা,
তাৰে তিনিকুৰি মইহে পাওঁ।
আইৰে দিনৰে ছকুৰি বাটি,
তাৰে তিনিকুৰি মইহে পাওঁ।
আইৰে দিনৰে ছকুৰি গৰু,
তাৰে তিনিকুৰি মইহে পাওঁ।

আইৰে দিনৰে ছকুৰি ম'হ,
তাৰে তিনিকুৰি মইহে পাওঁ।"

তেজাই এইদৰে বিনাই থাকোঁতে মাহীয়েকে তেজাক ভেকাহি মাৰি কলে,—"মই কুটা এগছকে তোক নিদিওঁ।" তাৰ পিচত ৰজাই তেজাক লৈ নিজৰ নগৰলৈ গুচি আহিল। আহিবৰ সময়ত মনত বেজাৰ লাগি তেজাই কাকো নামাতি মাথোন ভায়েকক এইদৰে মাতি লগত লৈ আহিল।

"আইৰে দিনৰে একোটি ভাই
সিও মোৰ লগতে যায়।"

তেজাই পিচলৈ নোচোৱাকৈ আহিবলৈ ধৰিলে। যেতিয়াই তেজাই পিচলৈ নোচোৱাকৈ গুচি আহিল, তেতিয়াই তেজাৰ বাপেকৰ ঘৰৰ সকলোবোৰ বস্তু তেজাৰ পিচে পিচে আহিবলৈ ধৰিলে। বাপেকে দেখিলে সৰ্ব্বনাশ। তেতিয়াই বাপেকে বিনাই তেজাক মাতিলে,—

"হেৰ মোৰ মৰমৰ তেজা।
এবেলি পাছলৈ চা।
হেৰ মোৰ লাহৰী তেজা।
এবেলি পাছলৈ চা।"

বাপেকৰ বিননি শুনি অলপ কেৰাহি কৰি চালত, চাৰি ভাগৰ এভাগ বস্তু বাপেকৰ ঘৰত ৰ'ল, বাকী তিনি ভাগ তেজাৰ লগত আহিল। এইদেখি আজিও জীয়ৰী ছোৱালী উলিয়াই দিওঁতে তাই বাপেক-মাকৰ ফালে উভতি চাই যায়; নাচালে বাপেকৰ ঘৰৰ সকলোবোৰ বস্তু হেনো তাইৰ লগতে যায়।

বুঢ়ীয়ে আগেয়ে শিকাই থোৱা মতে ৰাণী গৈ নাওঁ চপা ঘাটতে বহি আছিল। তেজাৰ নাওঁ যেতিয়া ঘাট চাপিলহি তেতিয়াই ৰাণীয়ে মাত লগালে—

"এইপিনে নুঠিবি শাখিনী তেজা,
ৰজাই গা ধোৱা ঘাট।"

এই কথা শুনি তেজাই আন এটা ঘাটে উঠিবলৈ গ'লতে, ৰাণীয়ে আকৌ মাত লগালে,—

"এইপিনে নুঠিবি শাখিনী তেজা,
ৰজাৰ চাউল ধোৱা ঘাট।"

এইদৰে যেনিয়েই তেজা উঠিবলৈ যায় তেনিয়েই ৰাণীয়ে বাধা দিবলৈ ধৰিলে। এনেতে ৰজা আহি পালেহি। ৰজাক দেখি তেজাই বিনাই কলে,—

"শুনা শুনা নৃপতি ৰজা,
ৰাণী বাই বুলিছে শাখিনী তেজা।"

ৰজাই কলে,—

"বোলকে বোলকে শাখিনী তেজা।
তুমি হবা মাদৈ, মই হম ৰজা।"

এইবুলি ৰজাই তেওঁৰ গা ধোৱা ঘাটেদিয়েই তেজাক তুলি আনিলে। ইপিনে কুঁৱৰীও লৰালৰিকৈ আহি ঘৰ সোমাল। তেজাই ঘৰৰ দুৱাৰমুখ পাই কলপুলিৰ তলত থিয় হওঁতেই তেজাৰ গাৰ কাপোৰৰ আঁচল লাগি কলপুলি দুটা পৰি গ'ল। তাকে দেখি কুঁৱৰীয়ে মাত লগালে,—

"ক'ৰপৰা আহিলি শাখিনী তেজা,
আহিয়েই ভাঙিলি কলপুলি দুটা।"

তাৰ পিচত তেজা ঘৰ সোমাওঁতেই ঘৰৰ দুৱাৰৰ পোলাত তেজাৰ হাত লাগি পোলাটো স্থলকি পৰি ডাল ডাল হ'ল। কুঁৱৰীয়ে মাত লগালে,—

"ক'ৰপৰা আহিলি শাখিনী তেজা,
আহিয়েই ভাঙিলি দুৱাৰৰ পোলা।"

ইয়াৰ পিচত তেজা বৰপীৰাত বহোঁতেই বৰপীৰাৰ খুৰা ভাগি পৰিলত, কুঁৱৰীয়ে মাত লগালে,—

"ক'ৰপৰা আহিলি শাখিনী তেজা,
আহিয়েই ভাঙিলি বৰপীৰাৰ খুৰা।"

ৰাতি তেজাই চালপীৰাত শুৱলৈ যাওঁতে সেইদৰে চালপীৰাৰ খুৰা ভাগি পৰিল আৰু চালপীৰা ভগাৰ শব্দ শুনি কুঁৱৰীয়ে মাত লগালে,—

"ক'ৰপৰা আহিলি শাখিনী তেজা,
আহিয়ে ভাঙিলি চালপীৰাৰ খুৰা।"

এইবোৰ কথা শুনি তেজাৰ ৰবকৈ বেজাৰ লাগি তেজাই বিনাই বিনাই ৰজাক কৰে,—

"শুনা শুনা নৃপতি ৰজা,
ৰাণী ৰাই বুলিছে শাখিনী তেজা।"

ৰজাই পেটে পেটে এইবোৰ ৰাণীৰ দুষ্টালি বুলি ভালকৈ বুজিব পাৰি উৰাই দি তেজাক কলে,—

"বোলকে বোলকে শাখিনী তেজা ।
তুমি হবা মাদৈ, মই হম ৰজা ।"

ইয়াৰ পিচত তেজা ৰজাৰ কুঁৱৰী হৈ ৰজাৰ ঘৰ শুৱাই থাকিল । ইপিনে মাহীয়েকৰ হিংসাত টোপনি নাই যে তেজা ৰজাৰ কুঁৱৰী হ'ল আৰু তাইৰ নিজৰ জীয়েক তুলা হব নোৱাৰিলে । মাহীয়েকে সেইদেখি পেটে পেটে এটা বুধি সাজি এদিন ৰজাৰ ঘৰলৈ গৈ ৰজাৰ আগত তেজালৈ বৰ মৰম দেখুৱাই ক'লে,—"ইমান দিন হ'ল ছোৱালী-জনী মাক-বাপেকৰ ঘৰলৈ যাবলৈ পোৱা নাই, বপুৰীৰ চাগৈ বৰ হেঁপাহ লাগি আছে । বাপেকে দিনে ৰাতিয়ে খেতি-বাতিতেই মন পুতি থাকে, ঘৰৰ আন কথাৰ খবৰকে নকৰে । ছোৱালীজনী দেখিবলৈ নাপাই মোৰো মনটো সদায় হমহমাই আছিল, সেইদেখি মই নিজেই আজি তাইক দিন চেৰেকলৈ লৈ যাবলৈ আহিলোঁ ।" তেজাৰ মাহীয়েকৰ কথা শুনি ৰজাই তেজাক মাহীয়েকৰ লগত পঠিয়াই দিলে । তেজাক লগত লৈ মাহীয়েক নিজৰ ঘৰ পালেহি । আহিবৰ সময়ত তেজাই ৰজাৰ ঘৰতে জালিতাঁত এখন এৰি থৈ আহিছিল ।

তেজাক যদিও মাহীয়েকে বৰকৈ আতৌ-পুতৌ কৰি খুৱাই-বুৱাই ৰাখিছিল কিন্তু দিনে-ৰাতিয়েই তাত চেলু বিচাৰি নাছিল ।

এদিন মাকৰ শিকনিমতে তুলাই তেজাক ক'লে,—"ভনীটি, তোমাক ৰজাই দিয়া খাৰু, মণি, থুৰিয়াযোৰ কেনে ধুনীয়া, এবাৰ মোক পিন্ধি চাবলৈ দিবানে ?" তেজাই কথাষাৰ ভাল ভাবে বুজি

কলে,--"পিন্ধা, পিন্ধি চোৱা, কিনো হ'ল পিন্ধিলে।" এই বুলি তেজাই নিজৰ হাতৰ-কাণৰ অলঙ্কাৰবোৰ গোলোকাই তুলাক পিন্ধাই দিলে। এনেতে মাহীয়েকে ওচৰলৈ আহি তেজাক কলে,—"আই আহচোন, তোৰ ওকণী চাওঁ আৰু মূৰটো আঁচুৰি দিওঁ।" এইবুলি মাহীয়েকে তেজাক লৈ ওকণী চাবলৈ বহিল। ওকণী চাই থাকোতে হঠাৎ এবাৰ মাহীয়েকে এডাল সৰু লোৰ শলা লৈ মন্ত্ৰ মাতি তেজাৰ মাজ মূৰতে মাৰি দি কলে,—"তই শালিকী চৰাই হ।" তেতিয়াই তেজা শালিকী এটা হৈ উৰি ঘৰৰ চালতে পৰিলগৈ।

এই ঘটনাৰ পিচদিনা ৰজাই তেজাক লৈ যাবলৈ দোলা মানুহ পঠিয়াই দিলত, তেজাৰ মাহীয়েকে তুলাকে তেজাৰ বিহা-মেখেলা, কাপোৰ-কানি, অলঙ্কাৰ পাতি পিন্ধাই দি ঠিক তেজা যেনেকৈ সজাই ৰজাৰ ঘৰলৈ পঠিয়াই দিলে। তুলাও দেখিবলৈ অনেক গুণে তেজাৰ নিচিনা আছিল সেইদেখি ৰজাৰ চকুত সেইটো বৰকৈ উভহা যেন নেলাগিল। আৰু যি অলপ অচৰপ লাগিছিল ৰজাই ভাবিলে যে মাকৰ ঘৰত এই কেইদিন মুকলিমূৰীয়া হৈ খাই থাকি তেজা তেনে হৈছে। শালিকা চৰাইটিও ৰজাঘৰীয়া দোলা-মানুহৰ লগতে উৰি গৈ ৰজাৰ ঘৰ পাই ৰজাৰ ঘৰৰ চালতে বাহ ললে।

তেজাই বাপেকৰ ঘৰলৈ যাওঁতে এখন পাটৰ কাপোৰ লগাই অলপ বৈ তাঁততে এৰি গৈছিল। তুলাই আহি এতিয়া সেই তাঁত বব লগীয়াত পৰিল। কিন্তু তুলাই ভালকৈ কাপোৰ বব নেজানে। এদিন তাঁতৰ পাটত বহি তুলাই তাঁত ববলৈ গৈ বব নাজানি সূতা-বোৰ ছিঙি-ভাঙি একাকাৰ কৰিছে দেখি শালিকা চৰাইটিয়ে উৰা মাৰি আহি তাঁতশালৰ চালিত পৰি কবলৈ ধৰিলে,—

"নিছিঙিবি নাভাঙিবি মোৰ জালি তাঁত,
ভালে ভালে তুলি থ।"

ৰজা ওচৰত বহি আছিল। এই কথা শুনি ৰজাই শালিকা-টোৱে কি কয় বুলি কৈ একো ভাবি নাপাই মনে মনে থাকিল।

আন এদিন দুপৰীয়া ৰজা খাই-বৈ উঠি তুলাৰে সৈতে বহি পাশা খেলিছে। এনেতে শালিকাটিয়ে উৰি আহি অলপ দূৰতে পৰি মাতিবলৈ ধৰিলে,—

"কিনো ৰজা তুমি আভোল-ভোল হ'লা।
জেশাহুৰে সৈতে পাশা খেলিলা।"

ৰজাই শালিকাৰ কেল্‌কেলনি প্ৰথমতে বৰকৈ কাণ নকৰি একান্তমনে পাশা খেলিছে। কিন্তু চৰাইটোৱে আকৌ এবাৰ সেইদৰে মাতিলে,—

"কিনো ৰজা তুমি আভোল-ভোল হ'লা।
জেশাহুৰে সৈতে পাশা খেলিলা।"

ৰজাই শালিকাৰ কথা শুনি কথাষাৰ মনতে অলপ পৰ গুণিবলৈ ধৰিলে। ৰজাই লাহেকে ভিতৰলৈ উঠি গৈ ওলাই আহি এহাতে এটা ভোক লাৰু আৰু এহাতে এটা পিয়াহ লাৰু লৈ শালিকাৰ কালে চাই কলে,—"যদি তই আন কোনোবাহে, তেন্তে উৰি আহি মোৰ হাতৰ পৰা পিয়াহ লাৰুটো লৈ গুচি যাবি, আৰু যদি মোৰ কোনোবা আপোন মানুহ হে তেন্তে মোৰ হাততে পৰি এই ভোক লাৰুটো খাবি।" এই বুলি ৰজাই ক'লত, শালিকাটি উৰি আহি

ৰজাৰ হাততে পৰি ভোক লাৰুটো খাবলৈ ধৰিলে। ৰজাই চৰাই-টোক মৰম কৰি মূৰত হাত ফুৰাওঁতে তেওঁৰ আঙুলিৰ মূৰত এটা কিবা খহটা বস্তু লাগিলত, তেওঁ ভালকৈ চাই দেখিলে যে সেইটো এডাল সৰু লোৰ শলা। ৰজাই টানি শলাডাল উলিয়াই আনিলতে শালিকাটি শালিকা গুচি তেজা হ'ল। ৰজা অবাক।

তাৰ পিচত ৰজাই তেজাৰ মুখৰ পৰা, আগৰেপৰা গুৰিলৈকে তেজাৰ মাহীয়েক আৰু তুলাৰ সকলোবোৰ বৃত্তান্ত শুনি তেতিয়াই চাওডাঙক হুকুম দিলে যে সি তুলাক কাটি তাইৰ মঙহ এটা টোমত, হাত ভৰি মূৰ এটা টোমত ভৰাই আৰু এটা চুপিত তেজ ভৰাই আনি ৰজাক দিব লাগে।

ৰজাৰ হুকুম মতে কাম হ'ল। ৰজাই দুটা মানুহৰ হাতত সেই টোম দুটা আৰু চুপিটো তুলাৰ মাকৰ ঘৰলৈ পঠিয়াই দি মানুহ দুটাক শিকাই দিলে যে সিহঁতে তাত কব যে ৰজাই মিতিৰৰ ঘৰলৈ সেই টোম পহুৰ মঙহ পঠিয়াই দিছে আৰু যিটো টোমত তুলাৰ মূৰ আৰু হাত ভৰি আছে, সেইটো টোম সিহঁতে নিদি সেইদিনা ৰাতি লগতে ৰাখি পিছদিনা দোকমোকালিতে দুৱাৰমুখত থৈ গুচি আহিব।

ৰজাৰ মানুহে সেইদৰেই কাম কৰিলে। তেজাৰ মাহীয়েকে বস্তু পাই ৰঙত উধাও হৈ আপোনা আপুনি কবলৈ ধৰিলে,—

"মোৰ জী গৈয়েই মোলৈ টোপোলা পঠিয়ালে আৰু সিজনীয়ে ইমান দিনে কুটা এগছেকে পঠিওৱা নাছিল।"

ৰাতি তুলাৰ মাকে আৰু ঘৰৰ সকলোৱে মঙহৰ আঞ্জাৰে হেঁপাহ

পলুৱাই ভাত খালে আৰু চুপিৰপৰা তেল উলিয়াই চাকি লগালে। ৰজাঘৰীয়া মানুহ দুটাই সেই ৰাতি একো নাখাই শুই থাকিল। তুলাৰ মাকে সিহঁতক খাবলৈ বৰকৈ ধৰিছিল, কিন্তু সিহঁতে সিহঁতৰ বৰকৈ জ্বৰ উঠিছে বুলি কৈ একো নাখালে। ইফালে ৰাতি সকলোবোৰৰে খোৱা হ'লত, মানুহ দুটাই শোৱাপাটিৰপৰা ৰাগ দি গাবলৈ ধৰিলে—

"কুটুমে ৰান্ধিলে, কুটুমে বাঢ়িলে, কুটুমক কুটুমে খালে।
কুটুমৰ তেজেৰে বন্তি জ্বলালে, মজিয়া ভকেভকালে ॥"

ভিতৰৰপৰা তুলাৰ মাকে সিহঁতক সুধিলে,—"তহঁতে কি গাইছহঁক ঐ ?" সিহঁতে কলে,—"এ আই, জ্বৰৰ তাপত আমাৰ গিয়ান নাই, কিবা মুখত আহিছে, কিবা গাইছোঁ।"

পিছদিনা পুৱাই তুলাৰ মাক শোৱাপাটিৰপৰা উঠি আহি দেখিলে যে ৰজাৰ ঘৰৰ মানুহ দুটা গুচি গ'ল, আৰু দুৱাৰমুখতে এটা টোম পৰি আছে। তাই টোমটো মেলি চাই তাৰ ভিতৰত তুলাৰ মূৰ আৰু হাত-ভৰি দেখি চিনি পাই আগ ৰাতি খোৱা মঙহবোৰ কিহৰ সেইটো ভালকৈ বুজি হুৰাওবাৰে কান্দিবলৈ ধৰিলে।

# "কটা যোৱা নাক খাৰণী দি ঢাক"

এক ৰজাৰ সাতোটা কোঁৱৰ আছিল আৰু কোঁৱৰবোৰে প্ৰতি একোজনীকৈ কুঁৱৰী আছিল। কুঁৱৰীহঁতে সদায় গধূলি ভাত

পানী খোৱাৰ সময়লৈকে একেখন মজিয়াতে বহি সূতা কাটে আৰু তাত ভাৰতৰ কথা উজাৰি মনৰ ভাগৰ পলুৱায়। যঁতৰৰ কেৰ্কেৰণিৰ লগে লগে সিহঁতৰ শাক-খোৱা, ভাত-খোৱা, মাছ-খোৱা সকলো কথাই ওলাই পৰে।

চ'ত মাহ পৰিল। আজিৰ বাজে কাইলৈ বহাগ বিহু। বৰ বিহুৰ দিনা গা-পা ধুই আহি চোতালত থিয় হোৱা নিজৰ ল'ৰা-ছোৱালীক আৰু গিৰিয়েকক অতি কমেও এডুখৰি নিজে বোৱা ন-কাপোৰ সিহঁতে নিদিলেই নহয়, মিতিৰ-কুটুম, লা-লগুৱাৰ তো কথাই নাই। সেইদেখি কুঁৱৰীহঁতৰ গাত তৰণিয়েই নাই—কেনেকৈ নো ফুলাম গামোছা বওঁ, কেনেকৈ এখন মিহি সূতাৰে চুৰিয়া বওঁ, কেনেকৈ এখন চেলেং বওঁ, এইবোৰ ভাবিয়েই সিহঁত অস্থিৰ। সিহঁতে দিনৰ দিনটো তাঁত বৈ ৰাতি এপৰলৈকে পাঁজি বাটে, সূতা কাটে, মহুৰা ফুৰায়।

আজি সাতোজনী কুঁৱৰীয়ে নিজৰ নিজৰ যঁতৰ আগত লৈ কোনোৱে বা দীঘল, কোনোৱে বা বাণিৰ সূতা কাটিছে। বিহু পালেহিয়েই বুলিব লাগে। বৰজনীয়ে মাজুজনীক মাত লগালে,— "ৰুকুণীৰ মাক তই এইবাৰ বিহুৰ কেইদিনৰ আগেয়ে মাৰৰ ঘৰলৈ যাবি? মই হলে উৰুকাৰ দিনায়ে যাম, মোৰ বহুতো লেঠা, তাৰ আগেয়ে মাৰি অঁতাব নোৱাৰিম। তাৰ উপৰিও ল'ৰা-ছোৱালী এমখা লৈ আইৰ ঘৰতনো কিমান দিন থাকিম গৈ, ভাল নেলাগে চোন। তইঁত তিনি-চাৰি দিনৰ আগেয়ে যাইঁক আই হেবেই; মই আগেয়ে ল'ৰা-ছোৱালীৰ মাইকী নোহোৱাত দহ-বাৰ দিনৰ আগেয়েই গৈছিলো। আৰু আমাৰ সেই দিন নাই, আমাৰ খোলা উঠিল।" ৰুকুণীৰ

মাকে কলে,—"এৰা বাই, মোৰো চোন একে গতিয়েই ; তোমাতকৈ অলপহে কম। তেওঁ মই দুদিনৰ আগেয়ে যাম। তই কেইদিনৰ আগেয়ে যাবি গঙাইৰ মাক ?" গঙাইৰ মাকে উত্তৰ দিলে,—"মই তিনি দিন মানৰ আগেয়ে যাম বুলি ভাবিছো।" গঙাইৰ মাকৰ পিচৰজনীয়ে কলে,—"মই হলে চাৰি দিনৰ আগেয়ে যাম ; আৰু একেবাৰে গা খালি হলেহে আহিম। গোসাঁয়ে দোমাহীৰ যোৰাত একো বিঘিনি নঘটালেই ভাল হয়। উস্ মোৰ সোণামুৱা থকাহেঁতেন। কণা সি মোমায়েকৰ ঘৰত কি ৰঙেৰেই বিহু খাবলৈ গ'লহেঁতেন। কণা গোসাঁইৰ মোতে হে চকু পৰিল।" এনেতে ধনঞ্জয়ৰ মাকে মাত লগালে,—"মই পাঁচদিনৰ আগেয়ে যাম।" সৰু-মাজিউজনীয়ে টপৰাই মাতিলে,—"ময়ো পাঁচদিনৰ আগেয়েহে যাম, আৰু মোমায়েকৰ ঘৰতে মোৰ চন্দ্ৰৰ মুখত ভাত দিম।"

এটাইকেউজনীয়ে এইদৰে কথা পাতিছে, কিন্তু এটাইতকৈ সৰুজনীয়ে একো নামাতি তললৈ মূৰ কৰি সূতা কাটি আছে আৰু মাজে মাজে একোটা হুমুনিয়াহ কাঢ়িছে। ইয়াকে দেখি মাজুজনীয়ে চেনেহৰ মাতেৰে কলে,—"আমাৰ সৰু জাক মোৰ লগতে আইৰ ঘৰলৈ লৈ যাম দিয়া।" এই কথা শুনি সৰু জাকে কলে,—"নেলাগে বাই, মই ইয়াত শাহুৱে যি দিয়ে, শাকেৰেই হওক বা শোকোতাৰেই হওক, বিহু খাম, কলৈকো নাযাওঁ বাই।" এই কথা শুনি বৰজনীয়ে কলে,—"কিয়নো নেযাব আই হেৰে ? তোৰ মাৰ নাই, বাপেৰ নাই, ককায়েৰ নাই, ভায়েৰ নাই, নাইতো নাই কোনোৱে নাই ; আমি এটাইকেইজনীয়ে আই-বোপাইৰ ঘৰলৈ বিহু খাবলৈ যাম, তইনো অকলে ইয়াত থাকিবিনে ? গোসাঁয়ে যেতিয়া তোক এনেকুৱা

নিঠৰুৱা কৰিছে, কি কৰিবি মোৰ আই? বেজাৰ কৰিলে কি হ'ব? তোক ইয়াতে অকলৈ এৰি যাবলৈ আমাৰ বৰ বেয়া লাগিব।"

কাইলৈ বহাগৰ বিহু, আজি উৰুকা। বাটে-পথে মানুহ হো-হো কৰে আহিছে, হো-হো কৰে গৈছে, কাৰো গাত তৎ-ভৎ নাই। গৃহস্থৰ ঘৰৰ বোৱাৰী জীয়ৰী মাকৰ ঘৰলৈ যোৱাই যোৱাই যাব লাগিছে। এনেতে আবেলি এটা লহঙা মানুহে ৰজাৰ হাউলি সোমাই ৰজাৰ ঘৈণীয়েকক মাত লগাই কলে,—"আমৈ, মই আমাৰ আইটীক নিবলৈ আহিছোঁ।" ৰাণীয়ে আচৰিত মানি চকু থিয়কৈ সুধিলে,—"কাক?" সি উত্তৰ দিলে,—"আপোনাৰ সৰুজনী বোৱাৰীয়েকক।" ৰাণীয়ে কলে,—"তাইৰতো কোনো নাই। তই আকৌ কৰপৰা ওলালিহি।" সি কলে,—নহয় আমৈ, মই সৰুতে আই-বোপাখৰ লগৰ পৰা গৈ মোমাইৰ ঘৰত আছিলোগৈ। পিছে আই-বোপাই ঢুকালত, মই তাৰ-পৰা বস্তু-বেহানি সোপাকে লৈ গৈ মোমাইৰ গাঁৱতে ন-কৈ ঘৰবাৰী সাজি বিয়াবাৰু কৰাই থিতাপি হৈ আছোঁ। কাইলৈ বিহু, সেইদেখি মই মোৰ ভনীটীক লৈ যাবলৈ আহিলোঁ। ক'তনো আছে?" ৰাণীয়ে উত্তৰ দিলে,—"ভিতৰত আছে আহিব এতিয়া। হওঁতে যদি সঁচাহে বৰ ভাল কথা। আন এটাইকেইজনী বোৱাৰী মাকহঁতৰ ঘৰলৈ গ'ল। এইজনী যাবলৈ ঠাই নাই বুলি মই মনতে অসন্তোষ হে কৰি আছোঁ।"

এনেতে ভিতৰৰপৰা সৰু বোৱাৰীয়েক ওলাই আহিল। শাহুৱেকে বোৱাৰীয়েকক সকলো কথা ক'নত বোৱাৰীয়েক আচৰিত হ'ল। তাই কোনোমতেই তাইৰ ককায়েক এটা আছে বুলি স্বীকাৰ নকৰে

আৰু তাৰ লগত যাবলৈ মান্তি হয়। কিন্তু সেই মানুহটোৱে নানা ছলাহী কথাৰে মিঠা মিঠাকৈ সৰল লগাই নানা কথা কোৱাত শাহুৱেকে তাৰ কথা পতিয়াই বোৱাৰীয়েকক যাবলৈ কোৱাত বোৱাৰীয়েক যাওঁ-নাযাওঁকৈ অৱশেষত তাৰ লগত গ'ল।

সিহঁত দুয়ো গৈ বহুত পৰৰ পিচত এখন হাবিৰ ভিতৰ সোমাই এটা ঘৰ পালেগৈ। সেই ঘৰটোত সি সৰু কুঁৱৰীক সুমাই কলে,—"এইটো মোৰ ঘৰ। কাইলৈ তোৰ লগত মোৰ বিয়া হব। এতিয়া তই ইয়াতে খাই-বৈ থাক।" এই বুলি সি বুঢ়ী এজনী মাতি "আই, তই এইক চাবি; মই বিয়াৰ বস্তু গোটাবলৈ যাওঁ" বুলি কৈ গুচি গ'ল। কুঁৱৰীয়ে এতিয়াহে ভালকৈ বুজিব পাৰিলে যে তাইক চোৰে পালে। ভয়ত কুঁৱৰীৰ গা জুৰ-ঘামে ঘামিবলৈ ধৰিলে, মুখ আচম্বাই কৰিবলৈ ধৰিলে, থিয় হৈ থাকিব নোৱাৰি তাই বহি পৰিল। এনেতে এজনী বুঢ়ীয়ে মাত লগালে,—"উঠা মোৰ আই, ভয় নাখাবা, বেজাৰ নকৰিবা। ৰজাৰ ঘৰতকৈও তুমি মোৰ পোৰ ঘৰত ভালকৈ সুখেৰে খাই-মেলি থাকিব পাৰিবা। উঠি দুটামান ভাত খোৱাহি, মই ভাত ৰান্ধি থৈছোঁ।" বুঢ়ীৰ কথা শুনি কুঁৱৰীয়ে মনটো অলপ ডাঠ কৰি মাত লগালে,—"বুঢ়ী আই, তুমি কোন?" বুঢ়ীয়ে উত্তৰ দিলে,—"মই তাৰ মাক হওঁ। সি মোৰ পো। আমি চহকী আৰু ভাল কুলীয়া মানুহ। সি গাঁৱৰপৰা, নগৰৰপৰা ধন-সোণ লুটি-পুটি আনি মোৰ ঘৰ ভৰাই থৈছে, কিন্তু আজিলৈকে বিয়া কৰোৱা নাই। সিদিনা সি ৰজাৰ ঘৰত চুৰ কৰিবলৈ গৈছিল। তাতে বেৰৰ জলঙাইদি তাৰ নাকটো সুমাই তোমালোক আটাইকেইজনী কুঁৱৰীৰ কথাবাৰ্তা শুনি আছিল। তাতে তুমি হেনো তোমাৰ কোনো নাই বুলি কৈ কান্দিছিলা, সেইদেখি

সি তোমাক বুধি কৰি আনিছে। সি তোমাক বিয়া কৰাব। আজি সি গাওঁলৈ গৈছে, তোমাৰ বিয়ালৈ বয়-বস্তু আনিবলৈ। কাইলৈ উভতি আহিব। আই, তুমি বেজাৰ নকৰিবা, তোমাৰ মহা সুখ হব।" এইবুলি বুঢ়ীয়ে কুঁৱৰীক বুজাই ভাত খাবলৈ আনি দিলে। কুঁৱৰীয়ে কিন্তু ভাত হাতেৰে নুচুলে। ৰাতিটো কুঁৱৰী বুঢ়ীৰে সৈতে একেলগে থাকিল। কিন্তু ৰাতিপুৱাই আহিলত, তেওঁ বুঢ়ীৰ লগৰপৰা লাহেকৈ উঠি জৰী এডালেৰে বুঢ়ীক শোৱা চালপীৰাতে কটকটীয়াকৈ বান্ধি থৈ তাৰ ঘোঁৰাশালৰপৰা ভাল তেজী ঘোঁৰা এটা মেলি লৈ ঘোঁৰাত উঠি ফাইদাং মাৰিলে। কুঁৱৰীয়ে ঘোঁৰাত উঠি ঘোঁৰা চেকুৰাই আহোঁতে বাটৰ এঠাইত দেখিলে যে সেই মানুহটো এজোপা গছৰ তলত বহি আছে। সি দূৰৈৰপৰা কুঁৱৰীক দেখি, ঘোঁৰাত উঠি ৰজাৰ চিপাহী আহিছে ভাবি সাউৎকৰে উঠি হাবিৰ মাজত সোমালগৈ। কুঁৱৰীয়ে সেই গছৰ তল পাই দেখিলে যে গছৰ গুৰিতে কিছুমান বাখৰপতোৱা সোণৰ অলঙ্কাৰ পৰি আছে; মানুহ টোৱে লৰালৰিকৈ উঠি পলাই যোৱা বাবে সেইবোৰ লৈ যাব নোৱাৰিলে। কুঁৱৰীয়ে সেই অলঙ্কাৰবোৰ বুটলি লৈ ঘোঁৰা চেকুৰাই ৰজাৰ হাউলি পালত, সকলোৱে দেখি আচৰিত মানিলে। কুঁৱৰীয়ে তেতিয়া সকলোবোৰ কথা আগৰ পৰা গুৰিলৈকে ভাঙি ক'লত সকলো অবাক হ'ল।

মানুহটোৱে তাৰ ঘৰলৈ গৈ কুঁৱৰী পলাই যোৱা দেখি মাকৰ বান্ধ মোকোলাই দি তেতিয়াই ৰজাৰ নগৰৰ ফালে আহিল। গধূলি সৰু বোৱাৰীয়েকে শাহুৱেকৰে সৈতে কথা পাতি থাকোঁতে সি আকৌ আগৰ দৰে বেৰৰ জলঙাইদি নাকটো সুমাই কথা শুনি আছিল। চতুৰ সৰু কুঁৱৰীয়ে তাৰ গম পাই লাহেকৈ উঠি গৈ

খুৰ এখন আৰু খাৰণীসতাৰপৰা খাৰণী এবাটি আনি সাউৎকৰে গৈ খুৰেৰে তাৰ নাকৰ আগটো কাটি বেৰেৰে সৈতে সমান কৰি দিলে আৰু ততালিকে তাত খাৰণীবাটি ঢালি ফকৰাৰে কলে,—

“কটা যোৱা নাক
খাৰণী দি ঢাক ॥”

চোৰে “বোপাই ঐ। আই ঐ।” কৈ চিঞৰিবলৈ ধৰিলত ৰজাৰ পহৰীয়াই লৰি গৈ তাক ধৰি পেলালে। তেতিয়া সেইটো চোৰেই কুঁৱৰীক ফাঁকি দি লৈ গৈছিল বুলি কুঁৱৰীয়ে ক'লত, ৰজাই তাক শূলত দিয়ালে।

# তীখৰ আৰু চুটিবাই

এক গাঁৱত এহাল মাউৰা ল'ৰা-ছোৱালী আছিল। ল'ৰাটোৰ নাম তীখৰ আৰু ছোৱালীজনীৰ নাম চুটিবাই। ল'ৰাটোৰ বুধিটো সৰুৰেপৰা বৰ চোকা আছিল দেখি গঞা মানুহে তাৰ নাম তীখৰ দিছিল আৰু ছোৱালীজনী চুটি-চাপৰ দেখি তাইৰ নাম চুটিবাই দিছিল। সৰুৰেপৰা সিহঁতে ঘৰে ঘৰে বাগৰি-জাগৰি ঠোঙোনা-মোঙানা খাই বৰ দুখত উঠিছিল।

## তীখৰ আৰু চুটিবাই

সকলোৱে পিঠা খাই দেখি এদিন তীখৰৰ পিঠা খাবৰ মন গ'ল। নি বায়েকক কলে,—

চুটি-মুটি বাই।
পিঠা খাবৰ মন যায়।"

বায়েকে উত্তৰ দিলে,—"এ বোপাই, মন গলেই জানিবা, খাবি ক'ৰপৰা? ঈশ্বৰে আমাক সকলো সুখৰপৰা বঞ্চিত কৰিছে; নহলে নো ভাই-বোপায়ে আমাক টিলোটিপোতে এৰি মৰি যায় নে? কণা গোসাঁয়ে আমাৰ ফালে কণা চকুটো দি থাকে। কোনোমতে খুজি-মাগি শাকে-পাতে ভাত এগাল খাওঁ; পিঠা খাবলৈ বৰা ধান পাম ক'ত? তেল পাম ক'ত? গুড় পাম ক'ত?"

বায়েকৰ কথা শুনি তীখৰে অলপ পৰ টভক মাৰি থাকি কলে,—"চুটিবাই, তই মোক জোখা এৰী কাপোৰখনকে দে, মই ওলাই যাওঁ, এতিয়াই বৰা ধান লৈ আহিমগৈ।" এইবুলি তীখৰে এৰীয়া কাপোৰ খন গাত লৈ ওলাই গ'ল।

এঘৰ মানুহৰ ঘৰত বৰাধানৰ মৰণা এটা দেখি তীখৰ সোমাই গৈ চোতালতে মৰণাৰ ওচৰতে বহিল। গিৰিহঁতে ধানখেৰ জোকাৰি আঁতৰাইছে, তীখৰে তাক বাৰেভচহু ফুচুৰি কথা কৈ হঁহুৱাব লাগিছে। এনেতে এবাৰ তীখৰে তাৰ পিয়াহ লাগিছে বুলি কৈ গিৰিহঁতক পানী এঘাটি আনিবলৈ ভিতৰলৈ পঠিয়াই দি ধানৰ ওপৰত বাগৰিবলৈ ধৰিলে। মানুহটোৱে পানী লৈ আহি দেখে যে ল'ৰাটো ধানৰ ওপৰত বাগৰি ফুৰিছে। সি তাক সুধিলে,—"হেৰ তীখৰ, তোৰ কি হ'ল অ'?" তীখৰে কেকাই কেকাই উত্তৰ দিলে—"উস্ মই

পেটৰ কামোৰণিত বক্ষাকে পোৱা নাই। কি কৰোঁ, কলৈ যাওঁ?" মানুহটোৱে তীখৰৰ পেটত ঘঁহি দিবলৈ এটোপা তেল আনিবলৈ লৰালৰিকৈ আকৌ ভিতৰলৈ গ'লতে তীখৰে "উস্ মই ঘৰলৈকে



যাওঁ ; ইয়াত থাকিলে মৰিম" বুলি বিভিয়াই কৈ উঠি লৰ মাৰিলে। ঘৰলৈ আহি তীখৰে বায়েকক—"এইয়া ধান নে" বুলি কৈ কাপোৰখন জোকাৰি ধান এগাল উলিয়াই দিলে। বায়েকৰ মহা ৰং। তাই কলে,—"ধান জানিবা পালো, কিন্তু তেল এটোপা পাওঁ ক'ত?" তীখৰ—"বাৰু মোক টেকেলি এটা দে" বুলি কৈ, বায়েকক খুজি টেকেলি এটা লৈ আকৌ ওলাই গ'ল। গৈ গৈ এঘৰ মানুহৰ ঘৰত তেলীশালত তেলপেৰা দেখি তাত সোমাই কাষতে অলপ থিয় দি গৰাকীক কলে,—"ককাই, ময়ো বেতেৰিটোৰ ওপৰত উঠিম নে? ভৰ সৰহ হলে বেগাই তেল ওলাব।" শালৰ গৰাকীয়ে কলে,—"উঠিবৰ

মন গৈছে যদি উঠ, হানিনো কি ?" বেতেৰিৰ ওপৰত উঠিয়েই তীখৰে ৰাগ টানি গীত ধৰিলে,—

"এ গীতা শান্তি এ, তোক মই নোবোলো ভাল।
সুবৰ্ণৰ দলিচাই গা জুৰ নহলে,
তোক লাগে গিৰিগৰ ছাল ॥"

তীখৰৰ মাতটো বৰ সুৰীয়া ; সেইদেখি তেলশালৰ গৰাকীয়ে গীতটো শুনি সন্তোষ পালে। গীত গোৱা হলত তীখৰে কলে,—"ককাই মোৰ ডিঙিটো চৰ্চৰাইছে, এখন তামোল খাবলৈ পোৱা-হেঁতেন ভাল আছিল।" সি এই বুলি ক'লত, গিৰিহঁতে তামোল আনিবলৈ ভিতৰলৈ গ'লতে, তীখৰে লাহেকৈ শালৰ পৰা নামি কাপোৰৰ তলৰ পৰা টেকেলিটো উলিয়াই এটেকেলিকৈ তেল ভৰাই লৈ গুচি গ'ল। উভতি আহি তীখৰে বায়েকক তেল টেকেলি দিলত বায়েকে ৰং পাই কলে,—বাৰু তেল হ'ল, কিন্তু গুড় নহলে পিঠা খাবি কিহেৰে ?" তীখৰে আকৌ গুড় বিচাৰি লৰ ধৰিলে।

তীখৰে গৈ গৈ এখন কুঁহিয়াৰ শালত গোটাচেৰেক মানুহে কুঁহিয়াৰ পেৰি থকা দেখি এটা বুধি সাজি সেই গাঁৱৰ অলপ ওচৰৰ হাবি এচুবাত জুই লগাই দিলেগৈ। যেই বতাৰ পাতত জুই লাগি জ্বলি উঠিল তীখৰে লৰি আহি ফোঁপাই-জোপাই কুঁহিয়াৰ পেৰি থকা মানুহ কেইটাক কলে,—"ককাই সৰ্ব্বনাশ। সৌ চোৱাচোন, তোমালোকৰ গাওঁত ধম্ ধম্ কৰে জুই লাগিছে। এতিয়া তোমা-লোকৰ ঘৰ-বাৰী পুৰি ভস্ম হব।" মানুহকেইটাই সেই ফালে চাই জুই লগা দেখি, কুঁহিয়াৰ শালতে কুঁহিয়াৰ, থালীতে পগোৱা

গুড় আৰু কলহত ভৰোৱা গুড় এৰি সিহঁতৰ ঘৰৰ ফালে লৰ মাৰিলে। তীখৰে সুৰুঙা পাই তাৰেপৰা গুড় একলহ লৈ পলায়ুৰ্দ্ধঃ কৰিলে।

গুড় পাই চুটিবাইৰ বৰ আনন্দ হ'ল। তাই পিঠা কৰিবলৈ যো-জা কৰোঁতেই হঠাৎ তাইৰ মনত পৰিল খৰি নাই। তেতিয়া তীখৰৰ বায়েকে ক'লে,—"তীখৰ, ভাল কথাটো হ'ল,—খৰিলৈ পাহৰি-লোৱেই। খৰি এডালো নাই। বায়েকৰ কথা শুনি তীখৰে হাতত দা লৈ খৰি লুৰি আনিবলৈ লৰ ধৰিলে। এখন গেজেপনি হাবিত সোমাই তীখৰে দাৰে ঘপ্ ঘপ্ কৰে গছৰ ডাল কাটি খৰি লুৰি থাকোতে এটা বাঘে ওচৰ চাপি আহি মাত লগালে,—"তই কোন অ'? দেখোন ঘপ্ ঘপ্ কৰে গছৰ ডাল কাটিব লাগিছ? এইখন মোৰ বাৰী বুলি তই নাজাননে? তই কিয় মোৰ বাৰীত খৰি লুৰিছ অ'?"

তীখৰে বাঘক দেখি ভয় পাইও ভয়টো লুকাই লৈ মনটো ডাঠকৈ উত্তৰ দিলে,—"অ' এইটি আমাৰ বাঘ ককাই নে? এৰা ককাই! মই এইখন তোমাৰ বাৰী বুলি জানো। মই বোলো বাঘ ককায়েনো চেনেহৰ ভায়েকক খৰি এডালো নিবলৈ নিদিবনে? ককাই, মোৰ ঘৰত পিঠা খোৱা পাতিছো। ভাবিলো তালৈ গৈ বাঘ ককাইকো মাতি যাওঁ আৰু খৰি ডালচেৰেকো লৈ যাওঁ।"

তীখৰৰ কথা শুনি বাঘে সন্তোষ পাই কলে,—"নিয়া, নিয়া, মোৰ ভাইটি, যিমান খৰি লাগে নিয়া। মই যামতো পিঠা খাবলৈ। তোমাৰ ঘৰত নেখাম আৰু নো কাৰ ঘৰত খাম? পিছে কেতিয়ানো যাব লাগিব?" তীখৰে তাৰ ঘৰৰ ফালে আঙুলিয়াই উত্তৰ দিলে—

"সৌকালে যিদিনা বৰ ধোঁৱা দেখিবা, সেইদিনাই।" ইয়াকে বাঘক কৈ তীখৰে খৰি লুৰি লৈ ঘৰ পালেগৈ।

ইয়াৰ পিচত বায়েকে পিঠা ভাজি দিলে; তীখৰে পেট পেলাই খালে, বাঘে তাৰ ভুকে নেপালে। পিছদিনা সিহঁতৰ ঘৰৰ আগ-চোতালত তিতা ধানখেৰ এসোপাত জুই লগাই বৰকৈ ধোঁৱা কৰি দি, বায়েকৰ হতুৱাই তিনিখন পিঠা কৰালে। এখন পিঠা পদূলি-মুখত, এখন দুৱাৰমুখত আৰু এখন ঢেঁকীৰ ফিচাত সি থৈ দি বায়েকৰ সৈতে বৰচাঙত উঠি থাকিল। পদূলিমুখত থোৱাখন বৰা চাউলৰ, দুৱাৰমুখত থোৱাখন কচুৰ আৰু ঢেঁকীৰ ফিচাত থোৱাখন চূণৰ পিঠা আছিল। বাঘে ধোঁৱা দেখি আহি তীখৰৰ ঘৰৰ পদূলিৰ মূৰ পাই পোনতে তাত থোৱা পিঠাখন খাই জুতি পাই দুৱাৰমুখৰখন খালেহি। সেইখন খালতে তাৰ ডিঙি খজুৱাবলৈ ধৰিলে। ডিঙিৰ খজুৱতিত বাঘ থাকিব নোৱাৰি লৰি আহি ঢেঁকীশাল পাই ঢেঁকীৰ ফিচাত পিঠা এখন আছে দেখি সেইখনো খালতে তাৰ ডিঙিত ঘা লাগি সি সেপ ঢুকিব নোৱাৰি মৰি থাকিল।

# চম্পাৱতী

এসময়ত এঠাইত এজন বৰ ধনী মানুহ আছিল। তেওঁৰ দুজনী ঘৈণীয়েক আছিল। ডাঙৰজনী লাগী আৰু সৰুজনী এলাগী।

লাগীজনীবো এজনী ছোৱালী হৈছিল আৰু এলাগীজনীবো এজনী ছোৱালী হৈছিল। লাগী তিৰোতাৰ কথা শুনি গিৰিয়েকে সৰুজনীক তাইৰ জীয়েকৰে সৈতে চুৱাপাতনিত থাকিবলৈ এটি পঁজা ঘৰ সজাই দিলে। এলাগীয়ে দুখ-কষ্টেৰে জীয়েকক লৈ খুজি-মাগি খাই ঘৰতে থাকিবলৈ ধৰিলে। এলাগীৰ জীয়েকৰ নাম চম্পাৱতী। এদিন বাপেকে চম্পাৱতীক পকা ধান ৰখিবলৈ হুকুম দিলে। চম্পা-ৱতীয়ে সদায় ধাননিৰ মাজত টঙিৰ ওপৰত উঠি চৰাই খেদাই থাকে। এইদৰে বহুদিন গৈছে, এদিন চম্পাৱতীয়ে ধান ৰখিবলৈ গৈ টঙিৰ ওপৰত উঠি—

"হুৰ হুৰ বতা চৰাই ;
মোৰ ধান নাখাবি তোক দিম গোটাকৰাই।"

বুলি কওঁতেই ওচৰৰ হাবিৰ মাজৰপৰা কোনোবাই উত্তৰ দিলে,—

"ধানো খাম চাউলো খাম।
চম্পাৱতীক বিয়া কৰি ঘৰলৈ যাম।"

চম্পাৱতীয়ে এইবোৰ কথা শুনি কেউফালে মানুহ-দুনুহ চাই কাকো নেদেখি বিচূৰ্তি হ'ল। তাৰ পিচত গধূলি পৰত ধান ৰখি উভতি আহি চম্পাই মাকৰ আগত সেইদিনাৰ সেই কথা কলে। পিছদিনা মাকে চম্পাৰ কথা সঁচা নে মিছা জানিবৰ নিমিত্তে চম্পাৰ লগতে ধাননিৰ মাজলৈ গ'ল আৰু মাকে কবলৈ দিয়াত চম্পাই কবলৈ ধৰিলে—

"হুৰ হুৰ বতা চৰাই ;
মোৰ ধান নাখাবি তোক দিম গোটেকৰাই।"

ইয়াৰ উত্তৰত হাবিৰ মাজৰপৰা কোনোবাই মাত লগালে,—

"ধানো খান চাউলো খান।
চম্পাৱতীক বিয়া কৰাই ঘৰলৈ যান।"

মাকে এই কথা শুনি বিচুৰ্ত্তি হ'ল আৰু এবাৰ মাকে চম্পাক আগবঢ়ৰে মাতিবলৈ দিয়াত, চম্পাৱতীয়ে মতাত, পুনৰ হাবিৰপৰা আগৰদৰে কোনোবাই উত্তৰ দিলে। তেতিয়া মাক-জীয়েক দুয়ো ঘৰলৈ উভতি আহিল। এলাগীয়ে গিৰিয়েকক সকলো কথা কলে। গিৰিয়েকে এলাগীক, চম্পাক আৰু ওচৰ-চুবুৰীয়া মানুহ গোটাচেৰেকক লগত লৈ ধাননিলৈ গৈ চম্পাক সেইদৰে মাতিবলৈ দিয়াত চম্পাই আগৰদৰে মতাত ওচৰৰ হাবিৰপৰা আগৰ দৰে উত্তৰ পালে। সকলো মানুহে কোনে মাতিছে বুলি চাবলৈ হাবিৰ মাজলৈ সোমাই গ'ল, কিন্তু কাকো নেদেখিলে। তাৰ পিচত চম্পাৰ বাপেকে হাবিৰ ফালে চাই মাত লগালে,—"যদি সঁচাকৈয়ে তোমাক চম্পাৱতীক লাগে, তেনেহলে তুমি যেই কি নোহোৱা ওলাই আহা। সত্যে সত্যে তিনি সইত খাই কৈছোঁ, চম্পাৱতীক তোমালৈ মই বিয়া দিম।" এই কথা শুনি হাবিৰ মাজৰ পৰা এটা বৰ ডাঙৰ অজগৰ সাপ ওলাই আহিল। সাপটো দেখি সকলো মানুহে ভয়ত পলাবলৈ ধৰাত চম্পাৰ বাপেকে সিহঁতক নপলাবলৈ কৈ সাহ দিলত একেলগে সকলোটি থুপ খালে। তাৰ পিচত সি অজগৰক মাতি তাৰ ঘৰলৈ নিলে। এলাগী আৰু জীয়েক দুয়ো ডিঙিত ধৰাধৰিকৈ কান্দিবলৈ ধৰিলে; এলাগীয়ে জীয়েকক অজগৰে সৈতে বিয়া নিদিবলৈ গিৰিয়েকক কাকুতি কৰিবলৈ ধৰিলে হয় কিন্তু লাগীৰ কথা শুনি গিৰিয়েকে তালৈ কাণ নকৰি কেঁচা

পাণ, কেঁচা তামোল কাটি সাপলৈ চম্পাক বিয়া দি এটা সুকীয়া ঘৰত মাক-জীয়েক, জোঁৱায়েকক থাকিবলৈ ঠাই দিলে। সেইদিনা লাগীৰ আৰু আনন্দৰ সীমা নাই যে আজি ৰাতি চম্পাৱতীক অজগৰে খাই পেলাব। অজগৰক চম্পাৱতীৰে সৈতে একেটা খোটালিত থাকিবলৈ দিয়া হ'ল। চম্পাৱতীয়েও তাইক আজি অজগৰে গিলিব ভাবি ঈশ্বৰৰ চৰণত শৰণ লৈ শোকে বেজাৰে পৰি থাকিল। মাকে পিচদিনা ৰাতিপুৱাই, লৰালৰিকৈ উঠি চম্পাৱতীৰ ঘৰলৈ গৈ দেখে যে চম্পাৱতীৰ গা সোণৰ অলঙ্কাৰ-পাতিয়ে জক্‌মকাব লাগিছে আৰু তাইৰ গা গোটেইটো সোণময় হৈ আছে, কিন্তু অজগৰ আৰু তাত নাই। মাকে চম্পাৱতীক জগালত তাই সাৰ পাই, নিজৰ গাত সোণৰ অলঙ্কাৰ পাতি ভৰি থকা দেখি তাইৰ আনন্দত পাৰ নোহোৱা হ'ল। ইফালে চম্পাৰ বাপেকে লাগীক লগত লৈ চম্পাৱতীক অজগৰে গিলিলে ভাবি চাবলৈ আহি দেখে যে, চম্পাৱতীৰ গা সোণৰ অলঙ্কাৰেৰে জক্‌মকাব লাগিছে। দেখিয়েই দুয়ো বিচুত্তি হ'ল। চম্পাৱতীৰ এনে হোৱা দেখি লাগীৰ হিংসা লাগি তেতিয়াই গিৰিয়েকক নিজৰ জীয়েকৰ নিমিত্তে এটা অজগৰ আনিবলৈ কুতৰিবলৈ ধৰিলে। গিৰিয়েকেও ঘৈণীয়েকৰ কথা শুনি লগত কিছুমান মানুহ লৈ ঘোৰ অৰণ্যলৈ গৈ, বিচাৰি এটা অজগৰ সাপ ধৰি ঘৰলৈ লৈ আহিল। কেঁচা পাণ, কেঁচা তামোল কাটি লাগীয়েও অজগৰেৰে সৈতে জীয়েকক বিয়া দিলে। চম্পাৱতীক শুবলৈ দিয়াৰ দৰে লাগীয়েও নিজৰ জীয়েকক অজগৰৰ লগত শুবলৈ দিলে। লাগীৰ আনন্দত সীমা নাই,—আজি জীয়েকে সোণৰ নতুন নতুন অলঙ্কাৰ পিন্ধিবলৈ পাব বুলি। আনন্দত মাক ৰাতি নুশুই জীয়েকে শোৱা খোটালিৰ কাষতে বহি আছিল। ইফালে

ৰাতি অজগৰ সাপে লাগীৰ জীয়েকক তাইৰ ভৰিৰ ফালৰ পৰা গিলিবলৈ ধৰিলে। জীয়েকে মাকক ভিতৰৰপৰা ক'লে,—

"আই মোৰ ভৰি কুটেকুটায়।"

বাহিৰৰপৰা মাকে কলে,—

"আই মোৰ জোঁৱায়ে নেপূৰ পিন্ধায়।"

লাহে লাহে অজগৰে গিলি আনি কঁকাল পালেগৈ।
জীয়েকে কলে,—

"আই মোৰ ককাল কুটেকুটায়।"

মাকে কলে,—

"আই মোৰ জোঁৱায়ে মেখেলা পিন্ধায়।"

তাৰ পিছত অজগৰে গিলি যেতিয়া বুকু পালেগৈ জীয়েকে মাত লগালে,—

"আই মোৰ বুকু কুটেকুটায়।"

মাকে উত্তৰ দিলে,—

"আই মোৰ জোঁৱায়ে ৰিহা পিন্ধায়।"

তাৰ পিছত অজগৰে গিলি ডিঙি পালত জীয়েকে মাতিলে,—

"আই মোৰ ডিঙি কুটেকুটায়।"

মাকে উত্তৰ দিলে,—

"আই মোৰ জোঁৱায়ে মণি পিন্ধায়।"

লাহে লাহে অজগৰে গিলি মূৰ পালত, জীয়েকৰ আৰু মাত নাইকিয়া হ'ল। মাকে ভাবিলে,—"মোৰ জীয়ে অলঙ্কাৰ-পাতি পাই

আনন্দত টোপনি গৈছে।” ইয়াকে ভাবি মাকেও বং মনেৰে শুই থাকিল। ৰাতিপুৱা মাকে টোপনিৰপৰা উঠি আনন্দ মনেৰে গৈ দেখে যে জীয়েক নাই, অজগৰটোহে খাই গেৰেলা হৈ পৰি আছে। তেতিয়া তাই কথাটো বুজিব পাৰি হুৱাওবাৰে কান্দিবলৈ ধৰিলে। কান্দোন শুনি গিৰিয়েক ওলাই আহি কি হ'ল বুলি সোধাত ঘৈণীয়েকে সকলো কথা ক'লত, সি ঢাচকৰে মাটিত পৰিল। এলাগী আৰু চম্পাৱতীয়েও কান্দিবলৈ ধৰিলে। গাঁৱৰ সকলো মানুহ আহি গিৰিয়েক-ঘৈণীয়েকক নিন্দি অজগৰৰ পেট ফালি জীয়েকক উলিয়াই শটো খৰি দিলে। ইয়াৰ পিচত গিৰিয়েক আৰু লাগীয়ে এলাগী আৰু চম্পাৰতীক সনূলি দেখিব নোৱাৰা হ'ল। দিনে ৰাতিয়ে কেনেকৈ মাক-জীয়েকক মাৰিব পাৰিব ইয়াকেহে সিহঁতে ভাবিবলৈ ধৰিলে। এদিন ৰাতি দুয়ো হাতত তৰোৱাল লৈ মাক-জীয়েকক কাটিবলৈ যাওঁতেই চম্পাৱতীক বিয়া কৰোৱা অজগৰটোৱে হঠাৎ ওলাই আহি দুয়োকো গিলি থৈ চম্পাৱতীক আৰু মাকক টোপনিতে দাঙি লৈ এখন অৰণ্যৰ মাজৰ এটা ভাল পকি ঘৰত থলেগৈ। পিচদিনা মাক আৰু জীয়েকে উঠি অচিনাকি ঠাই দেখি ভয়ত কান্দিবলৈ ধৰিলে। সাপে কলে,—“ইয়াত তোমালোকৰ একো ভয় নাই ; মই হে তোমালোকক ইয়ালৈ লৈ আহিলোঁ।” এই বুলি কৈ নিশাৰ ঘটনাটোৰ কথা সি কবলৈ ধৰিলে। তাৰ কথা শেষ হ'লত মাক আৰু জীয়েকে অজগৰক শলাগি তাতে বং মনেৰে থাকিল। সেই অৰণ্যৰ ঘৰতে মাক-জীয়েকে আৰু অজগৰ সুখেৰে খাই-বৈ থাকিবলৈ ধৰিলে। তাতে থাকোঁতে হঠাৎ এদিন মাকৰ জ্বৰ হৈ মৃত্যু হ'ল। অজগৰে আৰু জীয়েকে শোক কৰি কান্দি-কাটি মাকৰ সৎকাৰ কৰিলে। ইয়াৰ কিছুমান দিনৰ পিচত অজগৰ ফুৰিবলৈ



"ইয়াত তোমালোকৰ একো ভয় নাই……."

ওলাই গ'লত, অকস্মাৎ এজনী বুঢ়ী আহি সেই ঘৰত ওলালহি। চম্পাৱতীয়ে বতহুদিন মানুহৰ মুখ দেখা নাছিল; সেই বাবে বুঢ়ীক দেখি আনন্দ মনেৰে আস্তবেস্তকৈ বহিবলৈ দি, ক'ৰ মানুহ, ক'লৈ আহিছে বুলি সোধাত, বুঢ়ীয়ে কলে—"আই, তুমি যিজন অজগৰ সাপ পতি ৰূপে পাইছা, সেইজন এজন দেৱতা। তেওঁ সদায় নিশা তোমাক চিকুটি-বাকুটি সাৰ নোপোৱা দেখিলে সাপৰ মোটটো সলাই থৈ দেৱতা ৰূপ ধৰি স্বৰ্গলৈ গুছি যায় আৰু তাতে দেৱতাবিলাকৰ সৈতে কথা পাতি থাকেগৈ। আই, যদি তোমাৰ অজগৰক তুমি দেৱতাৰূপে পাবলৈ আশা কৰা তেনেহলে আজি ৰাতি তুমি সাৰে থাকি চিকুটা-বাকোটা কৰিলে একো গম নোপোৱা দেখুৱাই টোপনি ভাও জুৰি থাকিবা। তেওঁ তোমাৰ টোপনি ভালকৈ আহিছে ভাবি সাপৰ

মোটটো সলাই থৈ দেৱতাৰ লগত কথা পাতিবলৈ যাব; ইফালে তুমি উঠি সেই মোট্‌টো তুঁহজুইত পুৰি পেলাবা। মোটটো পুৰি পেলোৱা মাত্রকে তেওঁ গাৰ পোৰণিত থাকিব নোৱাৰি দেৱতাৰ মাজৰ পৰা গুচি আহি দেৱতা হৈয়েই তোমাৰ ওচৰ পাবহি। তেতিয়া তুমি লৰালৰিকৈ বিচনীৰে তেওঁক বিচি শুবলৈ দিবা আৰু লাহে লাহে তেওঁৰ টোপনি আহিব। ৰাতি পুৱালেই তুমি উঠি সেই থুলন্তৰ পুৰুষজনক ভালকৈ সেৱা-সৎকাৰ কৰি মালা দি বৰিবা। তেৱেঁই তোমাৰ অজগৰ স্বামী।" চম্পাৱতীয়ে বুঢ়ীৰ কথাত আনন্দিত হৈ তাইক এচৰু ৰূপ আৰু এচৰু সোণ দি বিদায় দিলে আৰু নিশা বুঢ়ীয়ে কোৱা মতে সকলো কৰাত এজন থুলন্তৰ পুৰুষ দেখিবলৈ পাই তেওঁৰ ভৰিত পৰি সেৱা কৰিলে। ইয়াৰ পিচত দুয়ো মনৰ সুখেৰে দিনৰ পিচত দিন কটাবলৈ ধৰিলে। এদিন গিৰিয়েক ফুৰিবলৈ যাওঁতে সেই বুঢ়ী আকৌ ওলালহি। চম্পাৱতীয়ে বুঢ়ীক দেখি লৰালৰিকৈ বহিবলৈ দি, কি কাৰণে আকৌ আহিছে বুলি সুধিলত, বুঢ়ীয়ে এইবাৰ ছলনা কৰি কবলৈ ধৰিলে,—"আই, তোমাৰ ভালৰ নিমিত্তে দু-আষাৰমান কথা কবলৈ আহিছোঁ। তুমি কাইলৈ দুপৰীয়া তেওঁক তোমাৰে সৈতে একেখন কাঁহীতে ভাত খাবলৈ কবা। তেওঁ তোমাৰ কথামতে তোমাৰ লগত যেতিয়া খাবলৈ বহিব তেতিয়া তুমিও অলপো সংকোচ নকৰি তেওঁৰ লগতে খাবা। এইদৰে খালে আগতকৈ তেওঁৰ মৰম তোমালৈ বেছি হব আৰু তেওঁ তোমাক এৰি থাকিব নোৱাৰিব। খাই বৈ উঠি কবা যে মই আজি ভাত খাই থাকোতে আপোনাৰ মুখতে অনেক গাওঁ দেখাদি দেখিলো; এতেকে মোক ভালকৈ মুখ মেলি গোটেইখন পৃথিৱী দেখুৱাওক।" সেই কথাত তেওঁ তোমাৰ ওপৰত খং কৰি পানীত পৰি কব যে,

"মোক লাগে নে, পৃথিৱী চাবলৈ লাগে ?" তেতিয়া তুমি পৃথিৱী চাওঁ বুলি কবা। তোমাক তেতিয়া মুখ মেলি গোটেইখন পৃথিৱী দেখুৱাই পানীত বুৰ মাৰি—"মোক আৰু ছবছৰৰ পিছত দেখা পাবা" বুলি কব ; কিন্তু সেই কথাত তুমি অলপো নিপিছলি নৈৰ পাৰত বহি থাকিবা ; দেখিবা অলপ পৰৰ পিচত তেওঁ আকৌ তোমাৰ ওচৰলৈ আহিব।" চম্পাৱতীয়ে এই কথাত আনন্দিত হৈ বং মনেৰে বুঢ়ীক আগৰ দৰে সোণ এচৰুৱে, ৰূপ এচৰুৱে দি বিদায় দিলে। বুঢ়ীয়ে নিজৰ অভিপ্ৰায় সিদ্ধি হবৰ আগন্তুক দেখি হৰিষ মনেৰে ঘৰলৈ উলটি গ'ল। চম্পাৱতীয়ে বুঢ়ীয়ে কোৱা মতে পিছদিনা একেখন কাঁহীতে গিৰিয়েকৰে সৈতে খাবলৈ বহিল। গিৰিয়েকে—"তোমাৰ মতি গতি লাহে লাহে বেয়া হৈছে" বুলি কৈ সেই কাঁহীতে খালে। খাই বৈ উঠিলত চম্পাৱতীয়ে বুঢ়ীয়ে কোৱামতে—"আপোনাৰ লগত আজি ভাত খাওঁতে আপোনাৰ মুখৰ ভিতৰত অনেক গাওঁ থকাৰ নিচিনা দেখিলো, আপোনাৰ মুখখন মেলি তাত কি আছে মোক দেখুৱাওকচোন" বুলি কলত, গিৰিয়েকে চম্পাক কলে,—"তেনেহলে মোক আৰু তুমি দেখা নোপোৱা।" চম্পাৱতীয়ে তেতিয়াও নুশুনাত অগত্যা তেওঁ নৈলৈ গৈ আকৌ এবাৰ চম্পাক কলে,—

"মৰমৰ চম্পা ঐ !
কোৱা থিৰে কৰি, মোক লাগে নে, পৃথিৱী চাবা ?"

চম্পাৱতীয়ে ক'লে—

"চৰণে ধৰিছোঁ, কাকুতি কৰিছোঁ দেউতা ঐ।
তোমাকো লাগে পৃথিৱীও চাম।"

গিৰিয়েকে মুখখন মেলি চম্পাক পৃথিৱী দেখুৱাই এটি সোণৰ

আঙঠি দি কবলৈ ধৰিলে—"মৰমৰ চম্পা, যি বুঢ়ীৰ কথা শুনি তুমি ইয়াকে কৰিলা, সেইজনী বুঢ়ী মোৰ আইৰ এজনী বেটী। মোৰ আই এজনী ৰাক্ষসী। তেওঁ মোক আন এজনী ছোৱালী বিয়া কৰিবলৈ কোৱাত মই নকৰি তোমাক বিয়া কৰিলত, যাতে তেওঁ তোমাক মোৰ নগৰ পৰা আঁতৰ কৰি নৈ গৈ এঠাইত খাব পাৰে, সেই চক্ৰান্ত কৰিয়েহে বুঢ়ীয়ে তোমাক ছলনা কৰিলে। তোমাক আয়ে খালে মই সেই ছোৱালীজনী বিয়া কৰিবলৈ বাধ্য হব লাগিব। এতেকে যি হ'ল হ'ল, তোমাক মোৰ সোণৰ আঙঠিটো দিলো। এই আঙঠিটো ভালকৈ ৰাখিবা। এইটো তোমাৰ হাতত থাকিলে আয়ে হে নেলাগে ৰাক্ষস-ৰাক্ষসী বা হিংস্রুক জন্তুৱেও তোমাক খাব নোৱাৰে। এই আঙঠিটো তুমি নগৰ পৰা এৰিলেই তোমাব মহা বিপদ মিলিব বুলি জানিবা। আৰু এটা কথা, এই আঙঠিটোৰ গুণতেই তুমি মোক ছবছৰৰ পিচত মোৰ ৰাক্ষসী আইৰ ঘৰত দেখা পাবা। এতিয়া মোৰ প্ৰতিজ্ঞা মতে মই আহিলোঁ। সাৱধান আঙঠিটো যেন নেহেৰায়।" এই বুলি কৈ চম্পাৰ গিৰিয়েকে পানীত বুৰ মাৰিলে। চম্পাৱতীয়ে তেতিয়াহে সকলো কথা বুজিব পাৰি কান্দিবলৈ ধৰিলে। তাৰ পিচত তেওঁ সেই ঘৰ-বাৰী এৰি আঙঠি-টোকে বুকুত বান্ধি নৈ অৰণ্যে অৰণ্যে কান্দি কান্দি ফুৰিবলৈ ধৰিলে। গিৰিয়েকৰ মাক ৰাক্ষসীয়ে চম্পাক খাবৰ নিমিত্তে নানা ভেশছন কৰিলে, নানা চেলু বিচাৰিলে, কিন্তু আঙঠিটোৰ গুণত একো-প্ৰকাৰে চম্পাৰ ওচৰকে চাপিব নোৱাৰিলে। এইদৰে আজি কালিকৈ চম্পাৱতীক গিৰিয়েকে এৰি যোৱা ছবছৰত সোমালহি। এদিন চম্পাই অকস্মাৎ গিৰিয়েকেক দেখি লৰি গৈ গিৰিয়েকৰ ভৰি দুটাত সাবট মাৰি ধৰিলেগৈ। গিৰিয়েকে চম্পাক দেখি আনন্দত

কান্দি পেলালে আৰু তাত দুয়ো থাকি সুখে-সন্তোষেৰে দিন কটাবলৈ ধৰিলে।

ইফালে ৰাক্ষসী মাকে বোৱাৰীয়েকক অহা দেখি বৰ খং উঠিল; আৰু বোৱাৰীয়েকক তাই খাবলৈ নানা চেলু বিচাৰিবলৈ ধৰিলে। চম্পাৱতীয়ে গিৰিয়েকৰ ওচৰ পোৱা নাত্ৰকতে তাইৰ হাতৰ আঙঠিটো নাইকিয়া হ'ল। তথাপি পুতেক থকাত ৰাক্ষসীয়ে চম্পাক খাব নোৱাৰি, এদিন মনে মনে গিৰিয়েকে নজনাকৈ ৰাক্ষসীয়ে এখন চিঠিত—"মোৰ ঘাই শত্ৰু গৈছে, মাৰি-কাটি সকলোৱে খাই, মোলৈকো এভাগ মঙহ দি পঠিয়াবা।" বুলি লেখি চম্পাৱতীৰ হাতত সেই চিঠিখন দি এঘৰলৈ চম্পাৱতীক পঠিয়াই দিলে। চম্পাৱতীয়ে শাহুৱেকৰ আজ্ঞা মতে গিৰিয়েকে নজনাকৈ লৰি চিঠিখন দি আহিবলৈ গৈছে। এনেতে গিৰিয়েকে সকলো বুজিব পাৰি লৰালৰিকৈ গৈ চম্পাৱতীক পাছফালৰপৰা মাত লগালে,—

"মদনৰ চম্পা ঐ।
ইনান বেগ দি নেলাগে যাব;
কওঁক বোৱাচোন ঐ।"

চম্পাৱতীয়ে গিৰিয়েকৰ কথা শুনি ৰলত, গিৰিয়েকে চম্পাৱতীৰ হাতৰ পৰা চিঠিখন কাঢ়ি লৈ পঢ়ি যঁতাই খঙত বলিয়া হৈ চম্পাক আঁকোৱাল মাৰি ধৰি তেতিয়াই ঘৰলৈ গৈ মাকক সোধ-পোচ নোহোৱাকৈ চোকা তৰোৱালেৰে কাটি দোছোৱা কৰিলে। তাৰ পাছত দুয়ো সেই ঘৰ-বাৰী আৰু ৰাজ্যৰ গাওঁ এৰি এখন সুকীয়াকৈ নগৰ পাতি মনৰ সুখেৰে সেই নগৰতে খাই-বৈ থাকিল।

---

# জৰদগৱ ৰজাৰ উপাখ্যান

এঠাইৰ এজন পণ্ডিতে এজন ছাত্ৰৰে সৈতে দেশ চাবলৈ ওলাই গ'ল। তেওঁলোক গৈ এক ৰজাৰ এখন নগৰ পালেগৈ। তেওঁলোকে দেখিলে যে সেই নগৰত জহা চাউলৰ দাম সেৰে দুই পইচা, উখুৱা, আহু চাউলৰ সেৰে দুই অনা, ঘিউৰ সেৰে চৰতীয়া আৰু তেলৰ সেৰে এটকা। পণ্ডিতে ছাত্ৰক কলে,—"বোলে আমাৰ ইয়াতেহে কিছুদিন থকা ভাল।" এইবুলি তেওঁলোকে এঘৰত থাকিবলৈ ঠাই ললে।

এদিন ৰজাৰ হাউলিৰ ওচৰৰে এঘৰ মানুহৰ ঘৰত চোৰে সিন্ধি দি চুৰি কৰিছিল। সি চুৰ কৰি ওলাই যাব খোজোতেই গৃহস্থৰ হাতত ধৰা পৰিলত, গৃহস্থই তাক বান্ধি আনি ৰজাৰ আগত হাজিৰ কৰিলেহি। ৰজাই পাত্ৰ-মন্ত্ৰী সকলেৰে বৰ চ'ৰাত বিচাৰ কৰিবলৈ বহি অনেক ভাবি ভাবি পালে যে সিন্ধিটো ডাঙৰ নোহোৱা-হেঁতেন চোৰটো তাত সোমাব নোৱাৰিলেহেঁতেন। ইয়াকে ভাবি ৰজাই চোৰক সুধিলে,—"হেৰ চোৰ, তই সিন্ধিটো কিয় ডাঙৰ কৰিছিলি?" চোৰে উত্তৰ দিলে,—"স্বৰ্গদেউ, কাটক বা মাৰক মোৰ চিপ্ৰাংখন ডাঙৰ আছিল সেইদেখি তাৰে খান্দোতে সিন্ধিটো ডাঙৰ হৈ পৰিল।" এই উত্তৰ শুনি ৰজাই কলে,—"ওঁ হয় তো, চোৰৰ গাত কি দায়? কটা কমাৰে চিপ্ৰাংখন ডাঙৰকৈ কিয়

গঢ়িছিল ? ধৰ কমাৰক। আন কমাৰক। আন তাক পাছলৈ বান্ধি দি মোৰ আগলৈ।” ৰজাৰ হুকুম শুনি তেতিয়াই টেকেলা গৈ কমাৰক বান্ধি আনি ৰজাৰ আগত হাজিৰ কৰিলেহি। ৰজাই সুধিলে,—“হেৰ কমাৰ, তই কিয়নো চিপ্ৰাংখন ডাঙৰকৈ গঢ়িছিলি ? যদি ডাঙৰকৈ নগঢ়িলিহেঁতেন তেন্তে ই চোৰে কেতিয়াও সিন্ধিটো ডাঙৰকৈ খান্দি সোমাই বস্তু চুৰ কৰিব নোৱাৰিলেহেঁতেন।” কমাৰে ৰজাৰ আগত আঠু লৈ কলে,—“স্বৰ্গদেউ, সুধি কাটিলে কটা নাযাওঁ, নুসুধি কাটিলেহে কটা যাওঁ।” ৰজাই কলে,—বাৰু সুধিছো, তোৰ াক কবলৈ আছে ক ? নহলে তোক আজি শূলত দিম।” কমাৰে মাত লগালে,—“স্বৰ্গদেউ, মই চিপ্ৰাংখন গঢ়ি থাকোতে স্বৰ্গদেউৰ বান্দীজনী মোৰ আগেদিয়েই লচ পচ্ কৰে লৰ মাৰিছিল। তাইৰ ফালে মোৰ চকু গলতে চিপ্ৰাংখনত এটা কোব বেছিকৈ পৰিল।” ৰজাই কমাৰৰ কথা শুনি কলে,--“কথাটো সঁচা, তোৰ গাত দোষ নাই। তাই বেটী সেই সময়ত তোৰ আগেদিয়েই বা কিয় গৈছিল ? ধৰ তাইক। আন তাইক।” ৰজাৰ মুখৰপৰা এই হুকুম ওলোৱা মাত্ৰকতে টেকেলাই গৈ ৰজাৰ বান্দীজনী ধৰি আনিলে। ৰজাই বান্দীজনীক সুধিলে,—“হেৰ তই সঁচাই বুলিছ্ নে ? কমাৰে চিপ্ৰাং-খন গঢ়ি থাকোতে তই তাৰ আগেদি কিয় লৰ মাৰিছিলি ?”

বান্দীয়ে হাতযোৰকৈ ক'লে,—“দেউতা, বেটীক মাৰকেই বা কাটকেই নকৈ নোৱাৰোঁ, আই দেউতাৰ ন'ৰা পাবৰ হৈছিল দেখি মই বেজিনীক মাতি আনিবলৈ লৰি গৈছিলো।” ৰজাই বোলে, “কথাটো হয়, এইৰ গাত দোষ নাই ; মোৰ ন'ৰাৰ গাতহে দোষ। সিনো এই সময়ত উপজিবলৈ ওলাইছিল কিয় ? আন মোৰ ন'ৰাক ধৰি।” ৰজাৰ হুকুমত ৰজাৰ কণমান কোঁৱৰক আগলৈ লৈ অহা

হ'ল। ৰজাই কোঁৱৰক সুধিলে,—"হেৰ তই এইখিনি সময়ত কিয় উপজিবলৈ ওলাইছিলি ?" কেচুৱা কোঁৱৰে একো উত্তৰ দিব নোৱাৰি মনে মনে থকা দেখি ৰজাই কোঁৱৰক শূলত দিবলৈ হুকুম দি কলে,— "হলেই বা মোৰ ল'ৰা, মই ৰজা, মই ধৰ্মৰ অৱতাৰ, মই কেতিয়াও অন্যায় বিচাৰ কৰিব নোৱাৰোঁ। এতেকে ন্যায় বিচাৰ কৰি মোৰ ল'ৰাকে শূলত দিম।" ৰজাৰ ল'ৰাক শূলত দিবৰ হুকুম হলত মন্ত্ৰীয়ে ভাবিলে,—"বৰ বেয়া কথা হ'ল ; এটা বুধি কৰি ইয়াক এৰুৱাব লাগিব।" ইয়াকে ভাবি মন্ত্ৰীয়ে ৰজাক কলে,—"স্বৰ্গদেউ, এই কেচুৱা ল'ৰাটিক শূলত নধৰে, গাই-গাৰিয়ে শকত এটা ডাঙৰ মানুহ হলেহে শূলত ভালকৈ বহুৱাব পৰা যাব।" ৰজাই মন্ত্ৰীৰ কথা শুনি হুকুম দিলে,—"মোৰ ৰাজ্যত যি গায়ে-গাৰিয়ে শকত ডাঙৰ মানুহ আছে, তাকে ধৰি আনি মোৰ কোঁৱৰৰ সলনি শূলত দিয়া হওক।" মন্ত্ৰীয়ে নগৰত ডাঙৰ গাৰে মানুহ এটা বিচাৰিবলৈ টেকেলা পঠিয়াই দিলে।

ইফালে পণ্ডিত আৰু তেওঁৰ ছাত্ৰৰে ৰজাৰ নগৰত থাকি সস্তা জহা চাউলৰ ভাত আৰু ঘিউ খাই গায়ে-গাৰিয়ে ডাঙৰ হৈ পৰিছিল। পণ্ডিত ক'ৰবালৈ ওলাই গৈছিল। এনেতে ৰজাৰ মানুহে ছাত্ৰকে গায়ে-গাৰিয়ে শকত দেখি ধৰি লৈ গুচি আহিল। পণ্ডিত ঘৰলৈ উভতি আহি ছাত্ৰক নেদেখি সি কলৈ গ'ল আৰু তাক সুধি জানিলে যে ৰজাৰ মানুহে তাক শূলত দিবলৈ লৈ গ'ল। এই কথা শুনি পণ্ডিত ৰজাৰ ঘৰ ওলালগৈ। ৰজাক পণ্ডিতে আশীৰ্ব্বাদ কৰিলত ৰজাই তেওঁক কোন বুলি সুধিলে। পণ্ডিতে কলে,—'মই পণ্ডিত, হাত চাব জানো আৰু গণি-পঢ়ি ভূত-ভৱিষ্যত সকলো কথা কব পাৰো।" ৰজাই নিজৰ আৰু ৰাণীৰ হাত দেখুৱালত, গণকজনে

নানা ভাল কথা কৈ ৰজাক সন্তুষ্ট কৰিলে। এনেতে ৰজাই কলে,— "কাইলৈ ৰাতিপুৱা এটা মানুহ শূলত দিয়া হব, তাৰ বিষয়ে তুমি কি কব পাৰা ?" এই কথা শুনি পণ্ডিতে অনেক গণি-পঢ়ি চাই



কলে,—"উঃ মহাৰাজ ! তাৰ কপালখন বৰ বলী। কাইলৈ সেই সময়ত যি মানুহক শূলত দিয়া যাব সেই মানুহেই তৎক্ষণাৎ স্বৰ্গ পাই স্বৰ্গৰ ৰজা হব।" ৰজাই এই কথা শুনি জপিয়াই উঠি কলে,—"মই থাকোঁতে ক'ৰ কুকুৰধূলি মানুহ এটা স্বৰ্গৰ ৰজা হবগৈহে ? এনে কথা মই কেতিয়াও হবলৈ দিব নোৱাৰো।" এই বুলি ৰজাই

তেতিয়াই মন্ত্ৰীক মতাই আনি হুকুম দিলে যে "সেই ডাঙৰ মানুহটোক এতিয়াই এৰি দিয়া আৰু আইলৈ মইহে শূলত উঠিম। আন কোনো উঠিব নোৱাৰে।" যেনে হুকুম তেনে কথা হ'ল। পিচদিনা জৰদ্গৱ ৰজাক শূলত দিয়া হ'ল।

# পানেশৈ

এখন গাঁৱত এজনী বুঢ়ী আছিল। তাইৰ এটা মৰমৰ ল'ৰা আছিল। ল'ৰাটোৱে এদিন পাণনি চুৰুকি থাকোতে হঠাৎ হাঁহ-কণী এটা পাই মাকক দিলেগৈ। মাকে কণীটো ধোঁৱাচাঙৰ ওপৰত তুলি থলে। কণীটো ফুটি তাৰ পৰা এজনী দিব্য ছোৱালী হৈ মনে মনে ধোঁৱাচাঙতে লুকাই থাকিল। বুঢ়ী ফুৰিবলৈ গলে ছোৱালী-জনীয়ে সদায় চাঙৰপৰা নামি আহি বুঢ়ীৰ ঘৰৰ পইতা ভাত খাই তপত এগাল ৰান্ধি থৈ মনে মনে চাঙৰ ওপৰত উঠি থাকেগৈ। এদিন বুঢ়ীৰ মনত গাজিলে—মই চৰুত পইতা ভাত থৈ যাওঁ, কোনে নো দিনৌ পইতা খাই তপত গাল ৰান্ধি থৈ যায়হি ? বুঢ়ীয়ে এদিন বুধি পাতি ওচৰ-চুবুৰীয়াক ডাঙৰকৈ কলে,—"আজি মই দূৰলৈ ফুৰিবলৈ যাম। তহঁতে মোৰ ঘৰ চাবি দেই।" এই বুলি বুঢ়ীয়ে

কৈ দুৱাৰৰ চুকত লুকাই থাকিল। আন দিনাৰ দৰে ছোৱালীজনীয়ে বুঢ়ী ওলাই গল ভাবি আহি পইতাগাল খাই তপত এগাল ৰান্ধি থৈ, বেৰেদি চাঙলৈ উঠি যাওঁতেই বুঢ়ীয়ে খপ্‌কৰে ছোৱালীজনীৰ ভৰিত ধৰিলে। বুঢ়ীয়ে তেতিয়া "তই ক'ৰ ছোৱালী ? ইয়াত তই কেলৈ আছ ?" বুলি সোধাত তাই আঁতিগুৰি সোপাকে ভাঙি বুঢ়ীক কৈ দিলে। সেইদিনাখনৰেপৰা তাই বুঢ়ীৰ ঘৰত দেখা শুনাকৈ থাকিল আৰু বুঢ়ীয়ে তাইৰ নাম পানেশৈ দিলে ; অইন মানুহে এইজনী ক'ৰ ছোৱালী বুলি সুধিলে বুঢ়ীয়ে "মোৰ জী" বুলি কয়।

বুঢ়ীৰ পুতেক লাহে লাহে ডেকা হৈ উঠিল। পানেশৈকে তাৰ বিয়া কৰাবৰ মন গ'ল। কিন্তু লাজত সি মাকক একো কব নোৱাৰি ৰোষ-ঘৰৰ ভিতৰত ওখ চাঙত উঠি শুই-থাকিলগৈ। ইপিনে মাকে পুতেকক বিচাৰি গোটেইখন খলক লগালে, পুতেক নাই। পাছে বুঢ়ীয়ে ৰোষ-ঘৰ সাৰিবলৈ যাওঁতে চাঙৰ তলত তামোলৰ চোবা এখন পৰি থকা দেখি ওপৰলৈ চাই পুতেকক দেখি মাতিলে,— "বোপাই নামি আহ, তোক মই যিহকে লাগে তাকে দিম।" তেতিয়া পুতেকে মাকক কলে যে তাৰ পানেশৈক বিয়া কৰাবৰ মন গৈছে। বুঢ়ীয়ে এৰাব নোৱাৰি মান্তি হৈ, পানেশৈয়ে গম নোপোৱাকৈ তলে তলে বিয়াৰ ঠিক কৰিলে। বিয়াৰ দিনা পানেশৈয়ে নৈৰ ঘাটত মাহ হালধি বাটি আছে, এনেতে সিফালৰ পৰা মগনিয়াৰ বুঢ়ী এজনী আহি পানেশৈক—"আই মোক মাহ দুটামান দিয়া" বুলি খুজি তাইৰ ওচৰতে বহিলহি। পানেশৈয়ে "যা ক'ৰ বুঢ়ী। মই ককাইৰ বিয়ালৈ মাহ হালধি বাটিছোঁ, তোক কেনেকৈ দিম ?" এই বুলি কলে। বুঢ়ীয়ে "বাৰু আই ভাল ককায়েৰৰ বিয়ালৈ মাহ হালধি

বাটিছ ; ছোৱালী কোন কৰ পাৰ নে ?" এই বুলি সুধিলে। পানেশৈয়ে "নোৱাৰো কব বাই ; কোন নো কচোন ?" বুলি বুঢ়ীক সোধাত বুঢ়ীয়ে কলে,—"ছোৱালী আৰু কোন হব আই, তোৰে লগত বিয়া পাতিছে।" পানেশৈয়ে কথাটো শুনি ভয় খাই বুঢ়ীক —"বাই মইনো এতিয়া কি কৰিম কচোন ?" বুলি সোধাত বুঢ়ীয়ে কলে,—"তই ইকৰাৰ নাও এখন আৰু ইকৰাৰ বঠা এপাত লৈ, তহঁতৰ ঘৰৰ পিচত থকা বৰ পুখুৰীত খেলাই থাকগৈ। তোক মাতিলে কেতিয়াও নাহিবি। ৰাতি হলে পুখুৰীৰ পাৰতে থকা ছোৱা গছৰ মূঢ়াতে সোমাই থাকিবিহি" বুলি বুধি দি গুচি গ'ল। পানেশৈয়ে



ঘৰলৈ আহি ইকৰাৰ নাও আৰু ইকৰাৰ বঠা এপাত লৈ পুখুৰীত খেলাই থাকিবলৈ ধৰিলে। মাকে মাতেহে মাতে, পানেশৈ নাহে।

পানেশৈ নহা দেখি মাকে বিনাই বিনাই মাতিলে—

"পানেশৈ পানেশৈ মোৰ ভাই পানেশৈ
মোৰ ঘাটে চপাই দে নাও।
দুহাতে দুমুঠি দি যান চাৰি মুঠি
ডিঙিতো পিন্ধান হাৰ।
খাটলিপীৰাতে বহি ভাতে খাবি
বেটীয়ে ধৰিব আল।"

পানেশৈয়ে মাকক উত্তৰ দিলে—

"দুহাতে দুমুঠি নলওঁ চাৰি মুঠি
তোৰ ঘাটে নচপাওঁ নাও।
খাটলিপীৰাতে বহি ভাতে নাখাওঁ
বেটীয়েও নধৰক আল।"

ককায়েকেও পানেশৈক মাতিলে—

"পানেশৈ পানেশৈ মোৰ ভনী পানেশৈ
মোৰ ঘাটে চপাই দে নাও।
দুহাতে দুমুঠি দি যান চাৰি মুঠি,
ডিঙিতো পিন্ধাম হাৰ।
খাটলিপীৰাতে বহি ভাতে খাবি,
বেটীয়ে ধৰিব আল।"

পানেশৈয়ে উত্তৰ দিলে,—

"ককাইদেউ ককাইদেউ, অ' মোৰ ককাইদেউ,
তোৰ ঘাটে নচপাওঁ নাও।

দুহাতে দুমুঠি লওঁ চানি মুঠি,
ডিঙিতো লিপিক্সো হাৰ।
খাটলিপীৰাতে বহি ভাতে খাওঁ,
বেটীয়ে নধৰক আল।
আগেয়ে আছিলা মৰমৰ ককাইদেউ
এতিয়া হলাহি স্বামী।"

পানেশৈয়ে এইদৰে কৈ একোতে নাহিলত, সাক আৰু ককায়েক বেজাৰত ঘৰলৈ গুচি আহিল। দিনত পানেশৈয়ে ইকবাৰ পাতৰ নাও আৰু বঠা লৈ এইদৰে খেলাই ফুৰে, ৰাতি ছোৰা গছৰ মূঢ়াতে সোমাই থাকে।

এদিন ককায়েকে ছোৰাৰ মূঢ়াৰ ওপৰত উঠি বৰশী বাইছিল। বৰশীত মাছে নুখুটি কেৱল কাণীপুঠি দুটামানে খুটিছিল। তাকে দেখি পানেশৈয়ে মূঢ়াৰ ভিতৰৰ পৰা মাত লগালে—

"একো মাছে নোখোটে, খোটে কাণীপুঠি।
ককায়ে বৰশী বায় ছোৰা মূঢ়াত উঠি।"

এইদৰে কেবাবাৰো মাতি আছে। ককায়েকে শুনি থাকি ইয়াতনো কি আছে বুলি মূঢ়াটো কুঠাৰ এখন আনি চিটাচিট কৰি পেলালেহি। এনেতে সেই নগনিয়াৰ বুঢ়ীজনী আহি এচটা খৰি খুজিলে। সি খঙত জলি উঠি কলে,—"বেটী তয়ে মোৰ বিয়াখন ভাঙিলি। এতিয়া আকৌ খৰি বিচাৰি আহিছ। যা তোক খৰি নিদিওঁ।" বুঢ়ীয়ে নৈৰ পলশবোকাত চিটিকি পৰি থকা চলি এচটাকে লৈ গুচি গ'ল। চলি চটা বুঢ়ীয়ে ধুই-পখালি ধোঁৱা-চাঙত তুলি থলেগৈ, পানেশৈ সেই চলিতে সোমাই আছিল। বুঢ়ীয়ে বাহিৰলৈ

ওলাই গলে, পানেশৈয়ে চৰুৰ পইতাগাল খাই তপত ভাত ৰান্ধি থয় । এইদৰে বহুতদিন গ'ল, এদিন পানেশৈ বুঢ়ীৰ হাতত ধৰা পৰিল । দিনত পানেশৈয়ে বুঢ়ীৰ ঘৰত খুৰী ঘিলাহাঁহ এজনী হৈ থাকে, ৰাতি ছোৱালী হৈ বুঢ়ীৰ লগতে শুই থাকে । এদিন ককায়েকে এই বুঢ়ীৰ চোতালতে সমনীয়া ল'ৰা দুটামানৰ সৈতে ঘিলা খেলি আছিল । পানেশৈ খুৰী হাঁহজনী হৈ ওচৰতে টোকুটোকাই আছিলহি । ককায়েকে ঘিলাটো মাৰি দিলতেই তাই থাপ মাৰি লৈ গ'ল । ককায়েকে ভাবিলে "এইজনী হাঁহতো কম নহয় ; এই হাঁহ নহয়, কিবাহে" ইয়াকে ভাবি সি ৰোষ-ঘৰত সোমালহি । মাকে কি হৈছে বুলি তাক সুধিলত সি কলে,—"বুঢ়ীৰ ঘৰৰ হাঁহজনী মোক লাগে ।" মাকে মগনীয়াৰ বুঢ়ীক বৰকৈ ধৰি ৰূপবান দি হাঁহজনী আনি পুতেকক দিলে । পুতেকে হাঁহজনী আতোলতোলকৈ মৰম কৰি ৰাখে আৰু ৰাতি নিজৰ লগতে শোৱাপাটীত শুৱাই থয় । এদিন মগনীয়াৰ এজনীয়ে ল'ৰাটোৰ পৰা সকলো বৃত্তান্ত শুনি কলে,—"বোপাই সেইজনী হাঁহ নহয় তোৰ পানেশৈহে । আজি ৰাতি তই টোপনিৰ ভাও জুৰি পৰি থাকিবি । তোক হাঁহজনীয়ে খুটিব, কিন্তু তই নুঠিবি । তেতিয়া তোৰ টোপনি আহিছে ভাবি তাই মোট সলাই বাহিৰলৈ যাওঁতেই তই মোটটো তুঁহজুই একুৰাত সুমাই দিবি । তাই তেতিয়াই ভিতৰলৈ লৰি আহি মুচকচ্ গৈ পৰিব । তেতিয়াই তাইৰ মূৰত তেল পানী নেমুটেঙা থপিয়াই দিবি আৰু বিচনিৰে বিচিবি । তেনে কৰিলে তাই জ্ঞান পাব ।" এই বুলি মগনিয়াৰ বুঢ়ী গুচি গ'ল । ল'ৰাই ৰাতি ঠিক মগনিয়াৰ বুঢ়ীয়ে কোৱাৰ দৰেই কৰিলত, হাঁহজনী এজনী দিব্য ছোৱালী হৈ পৰিল । তায়ে সেই পানেশৈ । ইয়াৰ পিছত সি তাইক বিয়া কৰাই ঘৰ পাতি বহুত দিন সুখেৰে কটালে ।

---

# জোঁৱাইৰ সাধু

এদিন এটা মানুহে তাৰ জোঁৱায়েকক বিহু খাবলৈ মাতিছিল। জোঁৱায়েকে শহুৰেকৰ নিমন্ত্ৰণ ৰাখিবলৈ আবেলি বেলিকা ঘৰলৈ যাবলৈ ওলাল। শহুৰেকে অকলৈ যাবলৈ কৈছিল সেই কাৰণে সি কোনো মানুহ লগত লৈ যোৱা নাছিল। কিন্তু সি অলপ বাট গৈ দেখিলে,—তাৰ লগত তাৰ ছাঁটোও আহিছে। সি ভাবিলে শহুৰে মোক কোনো মানুহক লগত নিনিবলৈ কৈছে, যদি মই এতিয়া ছাঁটো মোৰ লগত লৈ যাওঁ তেন্তে শহুৰে মোক নিশ্চয় খং কৰিব। ইয়াকে ভাবি সি ছাঁটোক কলে,—"হেৰ তোক কি লাগে, কিয় আহিছ? গুচি যা।" কিন্তু ছাঁটোৱে নমতা দেখি সি আকৌ সুধিলে,—"তই নামাত কিয়? চেলেংখন লাগে নেকি?" এই বুলি যেতিয়া সি মূৰ লৰালে তেতিয়া অলপ ছাঁটোৱেও মূৰ লৰালে। ছাঁটোৱে মূৰ লৰোৱা দেখি সি ভাবিলে, ইয়াক চেলেংখন লাগে। ইয়াকে ভাবি সি চেলেংখন তাতে পেলাই গুচি গ'ল। গৈ সি আকৌ ছাঁটো দেখিলে। সি এইবাৰ চোলাটো ছাঁটোক দিলে। এইদৰে তাৰ চুৰিয়া, গামোছা সকলোকে দি অন্ত কৰিলে। লাহে লাহে গধূলি হৈ আহিল, ছাঁ নেদেখা হ'ল। তেতিয়া ভাবিলে ছাঁটো গ'ল। সি কুকুৰীকণা আছিল, সেই কাৰণে অলপ গৈয়েই বাট নেদেখা হ'ল। এনেতে সি তাৰ শহুৰেকৰ বুঢ়া গৰু এটা দেখিলে। সি বুঢ়া গৰুটোৰ

নেগুৰত ধৰি তাৰ পিছে পিছে যাব ধৰিলে। অলপ সময়ৰ পাছত সি ঘৰ পালেগৈ। কিন্তু তাৰ গাত চুৰিয়া নথকাৰ কাৰণে সি শহুৰেকৰ আগত ওলাবলৈ লাজ কৰি কলগছ এজোপাৰ তলত চুৰাপাতনিত বহি থাকিল। শহুৰেকে জোঁৱায়েক আহিব বুলি বহুত ৰাতিলৈকে বৈ আছিল। পিচত নহা দেখি খাই-বই শুই থাকিল। শাহুৰেকে চুৰা-তুৰা ধুই এন্ধাৰে-মুন্ধাৰে চুৰাপানী আনি চুৰাপাতনিলৈ মাৰি পঠিয়ালত জোঁৱায়েকৰ মূৰত পৰিল। জোঁৱায়েকে উস্ উস্ বুলিলত শাহুৰেকে চাকি লৈ চাই জোঁৱায়েকক দেখি মাতি আনিলে আৰু গা-পা ধুৱাই কাপোৰ-কানি দি ভাত খাবলৈ দিলে। ভাতৰ লগতে তাক গুড় দিছিল। সি গুড় কেতিয়াও নেদেখা কাৰণে-এই-বিলাক নাখাওঁ বুলি ক'লে। শাহুৰেকে ক'লে--খোৱা। এই জুলীয়া গুড় খাবলৈ বৰ ভাল।" তেতিয়া সি অলপ খাই চাই সোৱাদ পাই "এইবিলাক ক'ত আছে" বুলি সুধিলে। শাহুৰেকে ক'লে,—"সোৱা বৰ-চাঙৰ ওপৰত কলহত আছে।" সি ভাত খাই উঠিলত শাহুৰেকে জোঁৱায়েকক শুবলৈ দি শুই থাকিল। জোঁৱায়েক শুলে, কিন্তু তাৰ টোপনি নাহিল, কাৰণ তাৰ মনটো গুড়তহে পৰি আছিল। যেতিয়া সি শহুৰেকৰ টোপনি অহা যেন গম পালে তেতিয়া মাৰি এডাল লৈ ওপৰত থকা গুড়ৰ কলহটো ফুটাই তলত মুখ পাতি গুড় খাবলৈ ধৰিলে। খাই অঁতাই দেখে গুড় গাত পৰি তাৰ গাটো এঠা-এঠা হ'ল। তুলী কৰিবলৈ থোৱা কিছুমান তুলা সি দেখিবলৈ পালে। সি উপায় নাপাই তাৰ ওপৰতে বাগৰ দিলে। তাৰ পিচত সি দেখিলে তাৰ গাটো গোটেই বগা নোমাল হ'ল। ওচৰতে গোটাচেৰেক ছাগলী বন্ধা আছিল, তাকে দেখি তেতিয়া সি মনে মনে ছাগলীৰ মাজতে থাকি ৰাতিটো কটাওঁ বুলি সোমাই থাকিল। সেইদিনা চোৰে ছাগলী

চুৰ কৰিবলৈ আহিছিল। সিহঁতে ভাবি আহিছিল যে বিটো ছাগলীৰ নোমত ধৰিলেই নোম উঠি আহিব সেইটো ছাগলীকে নিব লাগে, কাৰণ তেনেকুৱা ছাগলীৰ তেল বেছি। সিহঁতে আহি পোনেই মানুহটোৰ গাত হাত দি দেখিলে যে তাৰ নোমবোৰ উঠি আহিছে। সেইদেখি তাকেই তেলাল ছাগলী বুলি ভাবি ভাল পাই বান্ধি সাঙ্গী কৰি সিহঁতে লৈ গ'ল। সিহঁতে যাওঁতে এখন নৈ পাৰ হৈছিল। যেতিয়া সিহঁতে নৈৰ মাজ পালেগৈ তেতিয়া মানুহটোৰ টিকা পানীত লাগি তিতিল। সি চোৰ কেইটাক ক'লে,—

"দাং দাং চোৰ ;
টিকা তিতিল মোৰ।"

তেতিয়া চোৰ কেইটাই ছাগলীয়ে মাতিছে বুলি আচৰিত হৈ ভয় খাই তাক পানীত পেলাই লৰ মাৰিলে। পানী তৰাং আছিল দেখি সি বুৰি নমৰি নাহে নাহে পাৰত উঠি বহিলহি। এনেতে ৰাতি পুৱাল। নৈৰ পাৰত সি বহি থাকোঁতে শহুৰেকে বিচাৰি বিচাৰি তাক পালেগৈ আৰু ঘৰলৈ আনি খুৱাই-বুৱাই তাৰ পিচত তাক নিজা ঘৰলৈ পঠিয়াই দিলে।

---

# কুকুৰীকণা

এখন গাঁৱত এটা মানুহৰ দুজনী ৰূপহী জীয়েক আছিল। ডাঙৰজনীৰ নাম ৰূপেশ্বৰী, সৰুজনীৰ নাম গুণেশ্বৰী। ৰূপেশ্বৰীক

বিয়া দিবৰ হ'লত, বাপেকে তাৰ গাঁৱত অনেক প্ৰবন্ধ কৰি দৰা বিচাৰিবলৈ ধৰিলে, কিন্তু ছোৱালীৰ যোৰৰ দৰা বিচাৰি নাপালে। সেইদেখি দূৰৰ গাঁৱত দৰা বিচাৰিবলৈ বুলি বাপেক ওলাল। এনেতে ৰূপেশ্বৰীৰ মাকে গিৰিয়েকক কলে,—"আপুনি দূৰলৈ দৰা বিচাৰি নাযাব, দূৰত মই ছোৱালী বিয়া নিদিওঁ। ওচৰতে বিয়া দিলে মই সততে ছোৱালীজনী দেখি থাকিবলৈ পাম ; দূৰৈত দিলে সেইটো কেনেকৈ হ'ব ?" গিৰিয়েকে ঘৈণীয়েকৰ কথা এৰাব নোৱাৰি অগত্যা ওচৰৰে ডেকা ল'ৰা এটাৰ লৈতে জীয়েক ৰূপেশ্বৰীক বিয়া দিলে।

ৰূপেশ্বৰীৰ গিৰিয়েক কুকুৰীকণা আছিল ; কিন্তু সেই কথা সি লুকাই ৰাখিছিল। সেইদেখি গাঁৱৰ আন আন মানুহে আৰু তাৰ শাহুৱেক-শহুৰেকে সেইটো নাজানিছিল।

জোঁৱায়েকে শহুৰেকৰ গৰু এটা খুজি আনি দিনচেৰেক হাল বাইছিল। এদিন শহুৰেকে জোঁৱায়েকক গৰুটো ওভতাই খুজি পঠিয়ালে। সেইদিনা দৈবাৎ গৰুটো ঘৰলৈ উভতি অহাত সন্ধ্যা লাগিছিল। কুকুৰীকণা জোঁৱায়েক মস্কিলত পৰিল, কেনেকৈ সি গৰুটো নি শহুৰেকৰ ঘৰত দিয়েগৈ। সি ভালেখিনি পৰ ভাবি-চিন্তি থিৰ কৰিলে যে 'গৰুটো শহুৰৰ ঘৰ-মুৱাকৈ এৰি দি তাৰ নেজত ধৰি মই গৈ থাকো ; তেনেহলে সি নিশ্চয় তাৰ চিনাকি ঘৰ ওলাবগৈ।' সি তাকে কৰিলত, গৰুটো গৈ তাৰ আগৰ গোহালিত সোমালগৈ আৰু সিও তাৰ নেজত ধৰি গৈ সেইখিনি পালেগৈ। এনেতে শহুৰেকে জোঁৱায়েকক দেখা পাই সুধিলে,—"সেইটি জোঁৱাই নে ?" জোঁৱায়েকে উত্তৰ দিলে,—"আপুনি গৰুটো খুজি পঠিয়াইছিল দেখি আনি গোহালিত বান্ধিছোহি।" ইয়াৰ পিচতো জোঁৱায়েক ওলাই নহা দেখি শহুৰেকে মাত লগালে,—"ওলাই আহা,

ভাত কি কৰিছা ? হাত-ভৰি ধুই বহি নেলি এমুঠি ভাতকে খোৱাহি।
নোখোৱাকৈ নেযাবা।" জোঁৱায়েকে উত্তৰ দিলে,—"এৰা আপোনা-
লোকৰ গোহালিত গৰু কেইটা আছে তাকে লেখিহে চাইছো এতিয়া।"
শহুৰেকে ক'লে,—"এই কিনো গৰু লেখিবা, টিকৌটিপৌ মেমেৰা
চেবেলা গৰু গোটাচেৰেকহে আছে ; ভালকেইটা আৰু বেলি
ছবকাত পৰি মৰি-হজি ঢুকাইছে" বুলি শহুৰেক ভিতৰ সোমাই গৈ
জীয়েক গুণেশ্বৰীক ক'লে,—"আই ঘটি এটাত পানী এঘটি লৈ যা,
ভিনীহিয়েৰক মাতি আনি ভৰি ধুবলৈ পানী দি বহুৱাগৈ।"

সিফালে জোঁৱায়েকে গোহালিৰ পৰা ওলাই ঘৰলৈ উভতি যাবলৈ
বাট খেপিয়াই ফুৰিছিল ; এনেতে খুলশালীয়েকে মাত লগালে,—
"ভিনীহিদেউ, আহা ভৰি ধোৱাহি, পানী আনিছোঁ।" ভিনীহিয়েকে
খুলশালীয়েকৰ মাত শুনি উত্তৰ দিলে,—"আইটী নে ? আহা, মোক
আদৰি নিয়াহি, নহলে মই এনেয়ে নাযাওঁ ; মোৰ নিচিনা ভিনীহিনো
ক'ত পাইছিলা ?" এই কথা শুনি সৰল মনৰ গুণেশ্বৰীয়ে
ভিনীহিয়েকৰ হাতত ধৰি কাবৌ-কোকালি কৰি লৈ গৈ ভৰি ধুবলৈ
ভিনীহিয়েকক পানী ঘটি আগবঢ়াই দিলে। এনেতে ভিনীহিয়েকে
মাত লগালে,—"তুমি মোৰ ভৰি ধুৱাই দিয়া ; আজি ভালেমান দিনৰ
মূৰত আহিছোঁ ; তোমালোকে দেখিছো মোক সনুলি মৰম নকৰা।"
গুণেশ্বৰীয়ে এই কথা শুনি ভিনীহিয়েকে ধেমালি কৰিছে বুলি ভাবি
ভিনীহিয়েকৰ ভৰি ধুৱাই দি হাতত ধৰি নি বহিবলৈ চৰা পাৰি দি
"বহা" বুলি তাতে বহুৱাই দিলে।

এইদৰে জোঁৱায়েকে কিছুপৰ বহি থকাৰ পিচত ভাত খাবৰ
হ'ল। শহুৰেক ভাত খাবলৈ বহিল। শাহুৱেকে জোঁৱায়েকলৈ
ভাত বাঢ়ি দি বহি আছে ; জোঁৱায়েকক ভাত খাবলৈ মাতিছে

কিন্তু সি উঠি নাহে। বৰকৈ মাতিলত জোঁৱায়েকে উত্তৰ দিলে,—“আজি মোৰ বৰ ভাগৰ লাগিছে, উঠিবই নোৱাৰোঁ ; আপোনা-লোকৰ মোলৈ মৰম আছে যদি ইয়াতে ভাত দিয়ক খাওঁ।” জোঁৱা-য়েকৰ উত্তৰ শুনি শাহুৱেকে ভাত আনি দিলেহি। ভাত দিয়া হ'ল, কিন্তু সি দেখিবলৈ নাপায় ; নাখাই বৈ আছে। সেই দেখি গুণেশ্বৰীয়ে মাত লগালে, “খোৱা, ভিনীহিদেউ খোৱা।” ভিনীহি-য়েকে উত্তৰ দিলে,—“তুমি ভাতত মোৰ হাতখন লগাই দিলেহে খাম, নহলে নাখাওঁ ; কাৰণ তুমিনো আৰু কিমান দিন বাপেৰাৰ ঘৰত থাকিবা ; অলপ দিনৰ মূৰতেই গুচিয়েই যাবা ; এতেকে এই কেইদিনতে তোমাৰ হতুৱাই বন কৰাই লওঁ, তেহে মোলৈ মনত থাকে যদি।” ভিনীহিয়েকৰ কথা শুনি গুণেশ্বৰীয়ে তাৰ হাতখন ভাতত লগাই দিলত সি ভাত খাবলৈ বহিল। ইয়াৰ পিচত খুলশালীয়েকেও ভাত খাবলৈ ভিতৰলৈ উঠি হ'ল। অলপ পৰ পিচতে শাহুৱেকে ওলাই আহি দেখিলে যে জোঁৱায়েকে আৰু সেই পাততে এফালৰপৰা মেকুৰীয়েও ভাত খাব লাগিছে। তাকে দেখি শাহু-ৱেকে জোঁৱায়েকক ক'লে,—“বোপা তুমি জানো দেখা নাই, তোমাৰ পাততে এফালে মেকুৰীজনীয়ে ভাত খাব লাগিছে ; খেদি নিদিয়া কেলৈ ?” জোঁৱায়েকে উত্তৰ দিলে,—“আই খাওক দিয়ক, অকল মানুহে খালেই হয়নে ? আন জীৱ-জন্তুৱেও খাব লাগে, মেকুৰীয়েও খাওক, মইও খাওঁ ; সকলোৱে লাগিভাগি খাই শেষ কৰোহঁক।” শাহুৱেকে কলে,—“নহয় নহয়, মেকুৰীজনী খেদাই দিয়া। তোমাৰ অকণো ঘিণ নেলাগেনে ?” এই বুলি শাহুৱেকে চুহ চুহ কৰি মেকুৰীজনী খেদাই দি, মেকুৰীজনী আকৌ আহিলে খেদাই দিবলৈ বুলি জোঁৱায়েকৰ হাতত ডোখৰাখৰি এডাল



দি ভিতৰলৈ সোমাই গ'ল। ভিতৰৰ পৰা আকৌ শাহুৱেকে ভজা মাছ আৰু চৰ্চৰীয়া আনি জোঁৱাৰেকৰ পাতত দিওঁতে জোঁৱায়েকে ভাবিলে যে আকৌ মেকুৰীজনীয়েহে ভাত খাইছেহি। ইয়াকে ভাবি সি কাঠখৰিডালেৰে শাহুৱেকৰ হাতত মাৰ মাৰি দিলে। মাৰ খাই শাহুৱেক বহি পৰিল। উস্ উস্ কৈ শাহুৱেকে মাত লগালে, —"ভাল কৰিলা বোপা, তুমি মোৰ হাততে মাৰ মাৰি দিলা।" তেতিয়া জোঁৱায়েকে কি সৰ্ব্বনশীয়া কাম কৰিলোঁ বুলি জানি, শাহুৱেকৰ ভৰিত ধৰি ক'লে,—"আই, ভাত খাওঁতে খাওঁতে মোৰ টোপনি আহিছিল। মই সমাজিক দেখিছিলোঁ সেই মেকুৰীজনীয়ে আকৌ মোৰ পাতত ভাত খাইছিল বুলি। সেই দেখি মেকুৰী বুলিহে মই মাৰ মাৰি দিলোঁ। আই, মই আপোনাৰ দুটি ভৰিত

যদি কাবোকৈ মাতিছো, মোক ক্ষমা কৰক আৰু এই কথা কাকো নকব।" শাহুৱেকে এই কথা শুনি জোঁৱায়েকক ক্ষমা কৰি বেজাৰ নকৰিবলৈ কৈ ভিতৰলৈ গলতে, জোঁৱায়েকে ভাতৰ পাত্ৰপৰা উঠি খেপিয়াই বাহিৰলৈ আহি হাতমুখ ধুলে। এই ঘটনাৰ পিচত সি আৰু লাজত ভিতৰলৈ যাবলৈ মন নকৰি কাকো মাত নলগোৱাকৈ ঘৰলৈ যাবলৈ ধৰিলে। দুখোজমান গৈয়েই সি বাট বিচাৰি নাপায় চোতালৰ আগত থকা কচুৱনিত সোমালগৈ। কচুৱনিত সোমাই সি ভাবিলে,—"এইখন ডাঙৰ হাবি, ৰাতি ইয়াৰপৰা ওলাই বাট বিচাৰি গৈ ঘৰ পোৱাটো মোৰ পক্ষে অসাধ্য ; এতেকে আজি ৰাতিটোলৈ ইয়াতে মনে মনে সোমাই থাকি ৰাতি পুৱালেই কোনেও নেদেখাকৈ ঘৰলৈ যামগৈ।" ইয়াকে ভাবি সি নিশ্চিন্ত মনে তাতে বহি থাকিল। ইফালে শাহুৱেক-শহুৰেকে জোঁৱায়েকক নেদেখি, সি ঘৰলৈ গুচি গ'ল ভাবি মনে মনে থাকিল। ইয়াৰ অলপ পিচতে শাহুৱেকে জোঁৱায়েকৰ চুৱা ধুই চৰিয়াৰ চুৱা পানীবোৰ বাহিৰলৈ ওলাই আহি কচুৱনিৰ মাজলৈ মাৰি পঠিয়ালে। চৰিয়াৰ পানীবোৰ দীঘল দীঘল কচুৰ পাতত পৰি, তাৰ পৰা চিটিকি গৈ জোঁৱায়েকৰ গা-মূৰ তিয়াই পেলালে। এইদৰে গাত পানী পৰিলত, জোঁৱায়েকে ভাবিলে, বৰষুণহে দিছে। তাকে ভাবি সি মাত লগালে,—"হে মেঘ দেৱতা, কুকুৰীকণাৰ প্ৰতি প্ৰসন্ন হোৱা আৰু বৰষুণ নিদিবা ; আজি যিবোৰ দুখ পাইছো সেইবোৰেই আঁতিছে আৰু দুৰ্ভগীয়াক দুখ নিদিবা।" জোঁৱায়েকৰ মাত শুনি শাহুৱেকে লৰালৰিকৈ চাকিটো বাহিৰলৈ উলিয়াই আনি দেখে জোঁৱায়েক কচুৱনিৰ মাজত জুৰুলি-জুপুৰি হৈ বহি আছে। তেতিয়া শাহুৱেকে জোঁৱায়েকক কুকুৰীকণা বুলি বুজিব পাৰি গিৰিয়েক আৰু জীয়েকক মাতি আনি সকলো

কথা কৈ জোঁৱাৰেকক তাৰপৰা ধৰি-মেলি আনি গা-পা ধুৱাই শুৱান চুৰিয়া পিন্ধাই পাটীত শুৱাই থৈ দিলে।

---

# ভেকুলীৰ সাধু

এখন গাঁৱত এটা বুঢ়া আৰু এজনী বুঢ়ী আছিল। সিহঁত অপুত্ৰক আৰু বৰ দুখীয়া আছিল। এদিন গঞা মানুহে মাছ ধৰিবলৈ বুলি পল জুলুকি লৈ উকিয়াই ওলালত বুঢ়া-বুঢ়ীৰো গা উঠিল। বুঢ়াৰ ভগা পল এটা আৰু বুঢ়ীৰ ভগা জকাই এখন আছিল, তাকে লৈ মাছলৈ দুয়ো ওলাল। বিলত নামি গঞা মানুহে গাইপতি ভাবে ভাবে মাছ মাৰিছে। কিন্তু বুঢ়া-বুঢ়ীয়ে চাবিয়াই চাবিয়াই চন্দা এটাও ধৰিব নোৱাৰিলে। শেষত বুঢ়াৰ খং উঠি বুঢ়ীৰ সৈতে দন্দ এখন পাতি লৈ উত্তৰা-উত্তৰি কৰি বুঢ়ীৰ ওপৰত খং সাৰিবলৈ ধৰিলে। বুঢ়ীয়ে বুঢ়াৰ গালিত মনত বৰকৈ বেজাৰ পাই ভগা জকাইখন লৈ আকৌ চাবচেৰেক মাৰিলত, তাইৰ জকাইত এটা ভেকুলী উঠিল। বুঢ়ীৰ জকাইত ভেকুলীটো উঠা দেখি বুঢ়াই খঙতে চিটিকি পৰি ভেকুলী-টোকে এসেকা দিওঁগৈ বুলি ঘৰলৈ আহিল।

ঘৰ পাই বুঢ়াই ভেকুলীটো চোতালত পেলাই কাঠখৰি এডাল আনি তাৰ মূৰত মাৰ মাৰি দিব খোজোতেই ভেকুলীটোৱে বুঢ়াক মাত লগালে, "ককা মোক নামাৰিবা, মই তোমালোকৰ ঘৰত বহতীয়া হৈ থাকি যি কৰিবলৈ কোৱা তাকে কৰিম।" বুঢ়াই উত্তৰ দিলে, "বাৰু অ'। তই মোৰ ঘৰত বহতীয়া হৈ থাকি মোক সোণৰ সোলেং এটা দিবি দেখিছোঁ। মোৰ পথাৰত কিজানি তই হাল কোৱো বাই দিবি হবলা।" ভেকুলীয়ে কলে,—"দিম, হাল কোৰ বাই ককা। তুমি মোক ৰাখি চোৱাচোন।" ভেকুলীৰ কথাটো শুনি বুঢ়াই ভাবিলে, "চোৱাই যাওকচোন ইনো কি কৰে; ই দেখোন বৰ গওপ মাৰিছে।" ইয়াকে ভাবি বুঢ়াই ভেকুলীটো নামাৰি ৰাখিলে। পিছদিনা পুৱাই বুঢ়াই ভেকুলীক কলে,—"যাচোন গৰুহাল লৈ পথাৰলৈ, তইনো কি হাল বাব চাওঁ।" বুঢ়াৰ কথা শুনি ভেকুলীয়ে গৰু আৰু নাঙল লৈ বুঢ়াৰ পথাৰত হাল বাবলৈ গ'ল। সেইদিনা ভেকুলীয়ে খুব হাল বালে আৰু হাল বাই অঁতাই পথাৰত আলি দিবলৈ লাগিল।

এনেতে এক ৰজাই চহৰ ফুৰিবলৈ আহি, মানুহে-দুনুহে, ভেকুলীয়ে হাল বাই আলি দিয়া মাটি ডবাৰ ওপৰেদি গচকি আলিটো ভাঙি তহিলং কৰি গ'ল। তাকে দেখি ভেকুলীয়ে ৰজাক নথৈ গালি পাৰিবলৈ ধৰিলে। ৰজাই গালি শুনি চাৰিওফালে চায়হে চায় কোনে গালি পাৰিছে, গৰুহালৰ বাহিৰে আন কাকো তাত নেদেখে। বাৰে-পতি গালি পৰা শুনি ৰজাৰ অসহনীয় হলত, তেওঁ খং কৰি গৰু-হালকে লৈ গুচি গ'ল।

ভেকুলীয়ে এই কাণ্ড দেখি নাহেকৈ বোকাৰ তলৰ পৰা ওলাই উঠি বুঢ়াৰ ঘৰলৈ উভতি আহি বুঢ়া-বুঢ়ীক সকলো ভাঙি ক'লত

বুঢ়া-বুঢ়ীয়ে বেজাৰ কৰিবলৈ ধৰিলে। ভেকুলীয়ে বুঢ়ীক কলে,—"আই বেজাৰ নকৰিব ; আপুনি মোক এদোণমান মাহ গোটকৰাই দিয়ক, মই গৰুহাল আনিবলৈ যাওঁ।" বুঢ়ীয়ে সুধিলে—"তই গোটকৰাই কি কৰিবি ?" ভেকুলীয়ে কলে—"মই যি কৰো কৰিম, আপুনি মাথোন দিয়কচোন একো চিন্তা নকৰিব।" বুঢ়াই কলে—"নেলাগে বোপাই তই গৰু আনিবলৈ যাব ; ৰজাৰে সৈতে বিবাদ কৰি তই একো কৰিব নোৱাৰ, মৰাহে পৰিবি। মই মৰকীয়াকৈয়ে গৰু আনি যি পাৰো খেতি কৰিম তই নালাগে যাব বোপাই।" কিন্তু ভেকুলীয়ে একোতে ক্ষান্ত নহৈ যাবলৈ ওলোৱা দেখি শেহত বুঢ়ীয়ে তাক এদোণমান মাহ গোটকৰাই ভাজি দিলত সি তাকে লৈ ওলাই গ'ল। ভেকুলীয়ে জোলোঙাত মাহ গোটকৰাই লৈ একো মুঠি খাই এই বুলি বাটে বাটে গাই যাবলৈ ধৰিলে—

"মাহ গোটকৰাই খাওঁ
বাটে বাটে যাওঁ,
মোৰ্ব লগত যেয়ে আহে,
তাকো এগাল দিওঁ।"

ভেকুলীৰ কথা শুনি, মাহ গোটকৰাই খোৱাৰ লোভত অনেক সিংহ, বাঘ, ভালুক আদি বনৰীয়া জন্তু আনকি মৌ, বৰল, কোঁদো প্ৰভৃতিও তাৰ লগ লাগিলহি। ভেকুলীয়ে সকলোকে একোগালকৈ মাহ গোটকৰাই খুৱাই বহিচ কৰি গোটেইটো ঘটনা সিহঁতৰ আগত ভাঙি ক'লত সিহঁতে সেই কথা শুনি ৰজাৰে সৈতে যুঁজ দিবলৈ ভেকুলীৰ লগতে গ'ল। ভেকুলীয়ে এটাইবোৰ জন্তুৰে সৈতে, মাটিৰ ধূলি উৰাই গুজৰি-গুমৰি ৰজাৰ পদূলি পাই ৰজালৈ কৈ পঠিয়ালে যে, "ৰজাই মোৰ গৰু ওভোতাই দিবনে, মোৰে সৈতে যুঁজ দিব ?"

ৰজাই যুঁজহে দিব বুলি কলত, ৰজাৰ সৈন্যৰে সৈতে ভেকুলীৰ সৈন্যৰ ঘোৰ ৰণ লাগিল। ৰণত ৰজাৰ অলেখ সৈন্য আৰু দুটা ল'ৰা মৰিলত, ৰজা নিৰুপায় হৈ গৰুহাল লৈ ভেকুলীৰ ভৰিত দীঘল দি পৰিলহি। ৰজাই ডিঙিত কাপোৰ মেৰাই ভেকুলীক কাকূতি কৰি কলে,—"যদি ভেকুলীয়ে মোক এইবাৰলৈ ক্ষমা কৰে তেন্তে মই ভেকুলীক মোৰ অৰ্দ্ধৰাজ্য আৰু মোৰ জীক দিম।" এই কথা শুনি ভেকুলীয়ে ৰজাক ক্ষমা কৰিলে আৰু ৰজাৰ জীয়েকক বিয়া কৰাই ৰজাৰ জোঁৱাই হৈ, ৰজাৰ ঘৰতে থাকি, বুঢ়া-বুঢ়ীকো তালৈ তুলি লৈ গৈ সুখেৰে কাল কটাবলৈ ধৰিলে।

———

# তাৰৈয়েকৰ সাধু

দুজন বৰ মৰমৰ সখি আছিল। এজন মৰিবৰ সময়ত তেওঁৰ পুতেকক সখিয়েকৰ হাতত গতাই দি কলে,—"সখি, মোৰ ল'ৰাটো তোমাক গতালোঁ; তুমি তাক বুধি-ভৰসা দি চলাই-মেলি মানুহ কৰিবা।" পুতেককো সি কলে,—"মোৰ সখিৰ হাতত তোক গতালোঁ। সখিয়ে তোক যিহকে কয় তাকে কৰিবি, যেনেকৈ চলায় তেনেকৈ চলিবি; কোনো কথাত সখিৰ বাইকৰ চুলি এডালৰ সমানো আঁতৰ

নহবি ; কোনো কাম কৰিবলগীয়া হলে সখিৰ কাণ চুৱাই হে কৰিবি ।"

বাপেক ঢুকাল। পুতেকেও সেই মনে চিতেই তাৰৈয়েকৰ কথাত চলি আছে। এদিন তাৰ ঘৈণীয়েকৰ ল'ৰা এটা উপজিলত সি তাৰৈয়েকক সেই বাতৰি দিলেগৈ। তাৰৈয়েকে তাক কলে,— "তোমাৰ ঘৰৰ পিচফালে পোতা পুখুৰীটোত ল'ৰাটো নি এতিয়াই পুতি থোৱাগৈ।" সি তাৰৈয়েকৰ কথাত অবাক হ'ল। কিন্তু বাপেকৰ আজ্ঞা সুমৰি, একো নকৈ ল'ৰাটো নি তাৰ ঘৰৰ পিছফালৰ পোতা পুখুৰীত পুতি থলেগৈ। ইয়াৰ এবছৰ পিচত তাৰ আকৌ এটা ল'ৰা উপজিলত তাকো তাৰৈয়েকে আগৰ দৰে পুতি থবলৈ ক'লত, সি মনত বৰ বেজাৰেৰে তাৰৈয়েকৰ কথা সাৰোগত কৰি মানি তাকে কৰিলে। ইয়াৰ ডেৰবছৰমানৰ পিচত তাৰ ঘৈণীয়েকে ছোৱালী এজনী পালে। এইবাৰ সি ভাবিলে তাৰৈয়েকে আৰু আগৰ দৰে ছোৱালীজনী পুতি থবলৈ ব্যৱস্থা নিদিয়ে। কিন্তু সি বিস্ময় মানিলে যে তাৰৈয়েকে এই ছোৱালীজনীকো আগৰ ল'ৰা দুটাৰ দৰে সেই পোতা পুখুৰীতে পুতি থবলৈ কলে। সি নিৰুপায় হৈ মনৰ বেজাৰ মনতে পুহি, তাৰৈয়েকৰ কথামতে ছোৱালীজনীকো পুতি থলে। ইয়াৰ দুবছৰমান পিচত তাৰ ঘৈণীয়েকৰ আকৌ ল'ৰা এটা উপজিল। সি এইবাৰ ভাবিলে যে বাৰু তাৰৈক এই বাতৰি দিওঁ, কিন্তু যি থাকে কপালত, এইবাৰ তেওঁ এই ল'ৰাটো পুতি থবলৈ কলেও আৰু মই তেওঁৰ কথা নুশুনো। ইয়াকে ভাবি সি তাৰৈয়েকৰ ঘৰলৈ গৈ ল'ৰা হোৱা বাতৰি দিলত, তাৰৈয়েকে তাক কলে,—বোপা, এই ল'ৰাটো তুমি ধুৱাই পখলাই লোৱাগৈ। কিন্তু মই এটা কথা তোমাক কওঁ,—তুমি তোমাৰ আগৰ ল'ৰা-ছোৱালী

কেইটা য'ত পুতি থৈছিল আজি ৰাতি সেইখিনিতে পল এটা পাতি তাৰ ওপৰত পৰ দি বহি থাকিবা।" তাৰৈয়েকৰ কথা মতেই সি সৰবৈ গৈ ল'ৰাটো ধুৱাই-পখলাই ললে আৰু ৰাতি সেইদৰে পোতা-পুখুৰীৰ মাজত পল এটা পাতি পৰ দি থাকিল।



ৰাতি দুপৰ হৈছে, এনেতে ৰৰটো ল'ৰাই গাঁতৰ ভিতৰৰপৰা মাত লগালে,—ভাইটি ঐ। মই থাকিবলৈ নাপালোঁ। পোৱা-হেঁতেন তাক থিয়ৈ থিয়ৈ শূলত দিয়ালোহেঁতেন। উঃ কটা ভাল সাৰিল।" মাজুটো ল'ৰাই মাত লগালে,—"ককাইটি ঐ। মই থাকিবলৈ পোৱা হলে তাৰ ডিঙিত চিপজৰী লগালোহেঁতেন। তাৰ তাৰৈয়েকে আমাৰ মঙহ খালে।" ইয়াৰ পিচত ছোৱালীজনীয়ে মাত লগালে,—"ককাইটিহঁত, যদি মই কেনেবাকৈ থাকিবলৈ পালো-

হেঁতেন তেন্তে তাক কেঁকোৰাই খোলাদি খুলি খুলি খালোহেঁতেন। কি কম ককাইটিহঁত, মনৰ কথা মনতে ৰৈ গ'ল।"

এইবোৰ কথাবাৰ্ত্তা শুনি মানুহটোৱে তেতিয়া ভালকৈ বুজিলে যে তাৰ তাৰৈয়েকে তাৰ কি উপকাৰ কৰিলে। তেতিয়া তাৰৈয়েকৰ ওপৰত তাৰ আৰু ডাঠ বিশ্বাস হ'ল।

ইয়াৰ কিছুদিনৰ পিচত তাৰ ধান বেচিবৰ হ'লত সি তাৰৈয়েকক সুধিলে,—"তাৰৈ, মোৰ ধানগাল বেচিব খুজিছো।" তাৰৈয়েকে তাক সুধিলে,—"ধানৰ দৰ কি হৈছে?" সি উত্তৰ দিলে—"টকাত ১২ পুৰা।" তাৰৈয়েকে কলে,—"এতিয়া বেচিব নেলাগে।"

আৰু কিছুমান দিনৰ পিচত সি তাৰৈয়েকৰ ঘৰ ওলাই তাৰৈয়েকক কলে,—"তাৰৈ, ধানৰ দৰ কমিলহে। এতিয়া কি কৰিম? লাহে লাহে কিজানি আৰু কমিবহে।" তাৰৈয়েকে সুধিলে,—"কেই পুৰাকৈ হৈছে?" সি কলে—"এতিয়া ২০ পুৰা হ'ল।" তাৰৈয়েকে কলে,—"যোৱা এতিয়া বেচি দিয়াগৈ।" সি তাৰৈয়েকৰ কথামতেই টকাত ২০ পুৰাকৈ ধান বেচি টকাখিনি লৈ গৈ তাৰৈয়েকক দেখুৱালত তাৰৈয়েকে কলে,—"ভাল হৈছে; এতিয়া তুমি এই টকাৰে সোণ কিনি আনি সোণাৰিৰ হতুৱাই এটা লাড়ু গঢ়োৱা। তাৰৈয়েকৰ কথামতেই সি সোণৰ লাড়ুটো কৰি আনি তাৰৈয়েকক দিলত, তাৰৈয়েকে কলে,—"এই লাড়ুটো তুমি নৈত পেলাই দিয়াগৈ।" সি তাৰৈয়েকৰ কথা শুনি মনত বেজাৰ পাই অগত্যা সোণৰ লাড়ুটো নৈত পেলাই দিলেগৈ।

মাহচেৰেকৰ মূৰত ডোম এটাই এটা ৰৌমাছ বেচিবলৈ বুঢ়াৰ পুতেকৰ ঘৰলৈ আনিছিল। সি ৰৌমাছটো লৈ কাটিলতে তাৰ

পেটত সেই সোণৰ লাড়ুটো ওলাই পৰিল। সি তাৰৈয়েকক লাড়ুটো দেখুৱালত, তাৰৈয়েকে তাক কলে,—"তোমাৰ এইটোহে নিজৰ বস্তু। যোৱা এইটো ভালকৈ থৈ দিয়াগৈ। তুমি কিজানি আগেয়ে মোক তোমাৰ শত্রু বুলিহে ভাবিছিলা। এতিয়া মই দুইটা কথাৰে তোমাক পতিয়ন দিব পাৰি ঈশ্বৰৰ চৰণত সেৱা কৰিছোঁ। যোৱা বোপা, তুমি ধৰ্মত মতি ৰাখি ঈশ্বৰৰ চৰণত নিৰ্ভৰ কৰি সকলো কৰিবলগীয়া কাম-কাজ কৰি সুখেৰে খাই-বৈ থাকাগৈ। কোনো চিন্তা নাই, মোৰ প্ৰভুৱে তোমাৰ সততে মঙ্গল কৰিব।"

# লট্কন

এখন দেশত লট্কন নামেৰে এটা বৰ দুখীয়া বামুণ আছিল। বামুণৰ ঘৈণীয়েকজনী বৰ মুখ-চোকা আছিল। গিৰিয়েকে টকা কড়ি ঘাট আনিব নোৱাৰে দেখি তাই সদায় গিৰিয়েকক দপালি থাকে। ঘৈণীয়েকৰ দপালনি খাই খাই এদিন বামুণৰ মনত বৰকৈ বেজাৰ লাগিল। সি ভাবিলে, "মই ঘৰবপৰা ওলাই যাওঁ। কপবান এগাল ঘাট আনিব নোৱাৰিলে আৰু মই ঘৰলৈ উভতি নাহোঁ।" ইয়াকে ভাবি বামুণ পুৱাই ঘৰৰ পৰা ওচি গ'ল।

বামুণ যাওঁতে যাওঁতে বেলি দুপৰ হ'ল। তেতিয়ালৈকে তাৰ পেটত খুদ-কণ এটিও পৰা নাই। ভোকে পিয়াহে বামুণক জৰ্জৰিত কৰিলে। এনেতে আলিৰ কাষতে বামুণে এখন মিঠৈৰ দোকান দেখি ওচৰ চাপি গ'ল। দুপৰীয়া মিঠৈৰ দোকানৰ গৰাকীটোৱে খাই-বৈ উঠি তাৰ ৮ বছৰীয়া পুতেকক দোকান ৰখীয়া পাতি সিটো কোঠালীত ভলপ শুইছিল। বামুণ দোকানৰ ওচৰত থিয় হলতে ল'ৰাটোৱে সুধিলে,--"তোমাক কি লাগে ? তোমাৰ নাম কি ?" বামুণে উত্তৰ দিলে,—"মই মিঠৈ খাবলৈ আহিছোঁ ; মোৰ নাম মাখি" এই বুলি বামুণে টপ্‌কৰে মিঠৈ মুখত সুমাবলৈ ধৰিলে। বামুণৰ কাম দেখি ল'ৰাটোৱে বাপেকক মাতি কলে,—"বোপাই বোপাই, মাখিয়ে মিঠৈ খাইছে।" বাপেকৰ চিলমিলকৈ টোপনি আহিছিল, পুতেকে তাৰ টোপনি ব্যাঘাত কৰা দেখি সি আমনি পাই উত্তৰ দিলে,—"মাখিয়ে মিঠৈ খাইছে যদি খাওক, তই মোক দিগদাৰি কৰি নাথাকিবি।" এই কথা শুনি বামুণে লাহেকৈ ল'ৰাটোক ক'লে,— "শুনিলি এতিয়া ? তোৰ বাপেৰে মোক মিঠৈ খাবলৈ কৈছে।" এই বুলি বামুণে মিঠৈবোৰ খাই আধ্যা কৰিলে। ল'ৰাটোৱে দেখি সহিব নোৱাৰি আকৌ ৰিঙিয়াই বাপেকক কলে,--"বোপাই মাখিয়ে মিঠৈবোৰ খাই আধ্যা কৰিলে।" এইবাৰ বাপেকে ভেকাহি মাৰি দি কলে,—"আধ্যা কৰিলে যদি কৰক, তই কেপ্‌কেপাই নাথাকিবি।" ল'ৰাটোৱে এই কথা শুনি বাপেকক কথাটো ভালকৈ বুজাই কবলৈ ভিতৰলৈ উঠি গ'ল আৰু সেই সুৰুঙাতে বামুণে মিঠৈৰ দোকানীৰ হাতনি-পেৰাটো তাতে পৰি থকা দেখি তাৰপৰা দুকুবি ৰূপ উলিয়াই লৈ পলায়ুৰ্দ্ধং কৰিলে। ল'ৰাটোৱে বাপেকক জগাই মাখিয়ে মিঠৈ খোৱা কথাটো ভাঙি কলত বাপেকে বাহিৰলৈ ওলাই আহি দেখিলে

যে তাৰ মিঠৈ এটাইবোৰ খালে। সি তেতিয়া ল'ৰাটোক ৰবকৈ খং কৰিলত ল'ৰাটোৱে কলে,—"মই দেখোন তোমাক গুৰিবে পৰা কৈয়েই আছিলোঁ মাখিয়ে মিঠৈ খাইছে বুলি, তুমিহে ক'লা খাওক।" বাপেকে কলে,—"তই কৈছিলি, মাখিয়ে খাইছে বুলি; মানুহে খাইছে বুলি নকলি কিয় ?" পুতেকে উত্তৰ দিলে,—"সি মোক তাৰ নাম মাখি বুলি কৈছিল।" বাপেকে কোন ফালে মানুহটো পলাই গ'ল পুতেকক সুধি লৈ তাৰ ঘোঁৰাটোত লৰালৰিকৈ উঠি সেই ফালেই খেদি গ'ল।

বামুণে মিঠৈ খাই বেগাবেগিকৈ পলাই গৈ থাকি ভাগৰ লাগি বাটৰ কাষৰে গছ এজোপাৰ তলত বহি জিৰাইছিল। এনেতে হঠাৎ হাবিৰপৰা এটা গাহৰি ওলাই আহি বামুণৰ ফালে চোঁচা ললে। বামুণে উঠি গছজোপাৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে আৰু গাহৰি-টোও ঘূৰিবলৈ ধৰিলে। এইদৰে দুয়ো ঘূৰি থাকোতে এবাৰ বামুণে খপ কৰে গাহৰিটোৰ নেজত ধৰিলে। বামুণে গাহৰিৰ নেজত ধৰি ঘূৰি থাকোতে তাৰ খোচোনাৰ পৰা সেই ৰূপবোৰ এটকা এটকাকৈ গছজোপাৰ চাৰিওফালে সিচঁৰিত হৈ পৰিল। বামুণে গাহৰিৰ নেজডাল এৰিব নোৱাৰা হ'ল; কাৰণ এৰিলেই তাক গাহৰিয়ে সাং কৰিব।

ইফালে মিঠৈৰ মালিকে ঘোঁৰাত উঠি গৈ সেইখিনি পাই দেখিলে যে এটা গাহৰিৰ নেজত ধৰি এটা মানুহে এজোপা গছৰ চাৰিওফালে ঘূৰিব লাগিছে। সি সেইখিনিতে তাৰ ঘোঁৰাটো ৰখাই ঘোঁৰাটোৰ পিঠিৰপৰা নামি বামুণক সুধিলে,—"ককাই তুমি গাহৰিটোৰ নেজত ধৰি তাক এইদৰে ঘূৰাই আছা কিয় ?" বামুণে উত্তৰ দিলে,—"তোমাৰ কথাৰ উত্তৰ দিবৰ মোৰ আজৰি নাই। তুমি জানো দেখা নাই সেই



টকাবোৰ ?'' সি ক'লে,—''দেখিছো ।'' বামুণে ক'লে,—''গাহৰিটো এইদৰে ঘূৰাই থাকিলে গাহৰিটোৱে পাকেপতি ৰূপ লাদি দিয়ে ; সেইদেখি ঘূৰাইছোঁ ।'' মিঠৈৰ দোকানীয়ে এই কথা শুনি ভাবিলে— আজি মোৰ অনেক টকা লোকচান হৈছে, যদি এইদৰে এগাল টকা ঘাটি লব পাৰো তেন্তে ভালেই হয় । ইয়াকে ভাবি সি বামুণক ক'লে,— ''ককাই মোকো পাকচেৰেক ঘূৰাবলৈ দিবানে ? মইও বৰ বিপদত পৰিছো । মোকো যদি পাকচেৰেক গাহৰিটো ঘূৰাই টকাচেৰেক ৰূপ ঘাটিবলৈ দিয়া, বৰ উপকাৰ হয় । এটা জুৱাচোৰে মোক আজি বৰকৈ ঠগি মোৰ বহুত টকা চুৰ কৰি নিলে ।'' তাৰ কথা শুনি বামুণে ক'লে,—''তুমি বিপদীয়া পথিক, তোমাক উপকাৰ কৰিলে মোৰ পুইণ হব, বাৰু ঘূৰুৱা ।'' এইবুলি সি ঘূৰি থাকোতেই গাহৰিৰ নেজডালত মিঠৈৰ দোকানীক ধৰিবলৈ কৈ, দোকানীয়ে ধৰিলত,

সাউতকৰে নিজে এৰি দি লৰালৰিকৈ ৰূপবোৰ গোটাই লৈ দোকানীৰ ঘোঁৰাটোৰ পিঠিত উঠি চাপলি মেলি গুচি গ'ল আৰু দোকানীয়ে গাহৰিৰ নেজডাল এৰিব নোৱাৰি ঘূৰি থাকিবলৈ ধৰিলে, কাৰণ নেজডাল এৰি দিলেই গাহৰিয়ে তাক মাৰি পেলাব।

বামুণ ঘোঁৰাত উঠি ভালেমান বাট গৈ গধূলি এঘৰত আলহী ৰ'লগৈ। ৰাতি সি তাতে খাই বৈ শুই থাকি ৰাতিপুৱাৰ আগতেই তাৰ ঘোঁৰাটো য'ত বান্ধি থৈছিল তাত ঘোঁৰাটোৰ মুখৰ আগৰ ঘাঁহবোৰৰ ভিতৰত ৰূপ দহ টকা সুমাই থৈ গুচি আহি আকৌ শুই থাকিলহি। ৰাতি ভালকৈ পুৱালত গৃহস্থ শুই উঠিল। আলহী বামুণেও উঠি লৰালৰিকৈ গৃহস্থক দেখুৱাই ঘোঁৰাটোৰ মুখৰ আগৰ ঘাঁহবোৰ জোকাৰি ৰূপ দহ টকা উলিয়ালে। গৃহস্থই দেখি আচৰিত মানি, কি কথা, কি ব্যৱস্থা তাক সুধিলত সি কলে,—"এই ঘোঁৰাটোৰ খাবলৈ বাকী থকা ঘাঁহবোৰৰপৰা নিতৌ ৰাতিপুৱা দহ টকাকৈ ৰূপ পাওঁ; আৰু তাৰেই মই প্ৰতিপালিত হওঁ।" বামুণৰ কথা শুনি গৃহস্থৰ লোভ লাগিল। সি ঘোঁৰাটো বামুণৰপৰা কিনি লবলৈ বৰকৈ খট্‌বান্ধকৈ ধৰিলে। দৰ-দস্তুৰ কৰি সি ছশ টকা ৰূপত বামুণৰ পৰা ঘোঁৰাটো কিনি লবলৈ ওলাল। বামুণে প্ৰথমতে নিদিওঁ নথওঁকৈ শেহত কলে,—"বাৰু আৰু আঢ়েকুৰি অৰ্থাৎ ৬৫০ টকা দিয়া আৰু মই ঘৰলৈ যাবলৈ তোমাৰ ঘোঁৰাটো দিয়া। দি, তুমি তেৰা যেতিয়া মোৰ ঘোঁৰাটো লোৱা।" গৃহস্থই তাতে মান্তি হৈ ৬৫০ টকা আৰু নিজৰ ঘোঁৰাটো বামুণক দি বামুণৰ ঘোঁৰাটো ললে আৰু বামুণে লৰালৰিকৈ টোপোলা বান্ধি ৰূপগাল লৈ গৃহস্থই দিয়া সেই ন ঘোঁৰাত উঠি গুচি আহিল। আগেয়ে যি বাটেদি বামুণ গৈছিল সেই বাটেদিয়েই উভতি আহোঁতে সি সেই গছৰ তলত মিঠৈৰ দোকা-

নীয়ে তেতিয়ালৈ সেই গাহৰিটোৰ নেজত ধৰি ঘূৰি থকা দেখিলে। বামুণক দেখি মিঠৈৰ দোকানীয়ে মাত লগালে,—"মোক ভাল ঠগি গ'লা ; ৰূপও নাই অথচ গাহৰিটোৰ নেজত ধৰি ঘূৰি ঘূৰি লেবেজান হলো।" বামুণে উত্তৰ দিলে—"ককাই মই তোমাক ঠগোৱা নাই, তুমি মোৰ কথা শুনি যদি লেখি লেখি এশ পাক গাহৰিটোক ঘূৰোৱা তেন্তে দেখিবা নিশ্চয় ১০০ টকা ৰূপ পাবা।" বামুণে দেখিছিল যে গাহৰিটো ঘূৰি ঘূৰি লাহে লাহে দুৰ্বল হৈ আহিছে আৰু এশ পাক ঘূৰিলেই সি পৰি মৰিব ; সেইদেখি সি সেই কথা কৈছিল। বামুণে এইদৰে মিঠৈৰ দোকানীক কৈ বোঁৱা চেকুৰাই গুচি গ'ল। দোকানীয়ে অলপ উশাহ পাই ঘূৰাই থাকোতে অলপ পৰৰ পিচত গাহৰিটো পৰি মৰি থাকিল। তাৰ পিচত দোকানীয়ে ৰক্ষা পৰিলোঁ বুলি ভাবি তাৰ ঘৰলৈ উভতি গুচি আহিল। বামুণে ঘৰ পাই বামুণীৰ হাতত টকাবোৰ পেলাই দি কলে—"নে এইবোৰ ৰূপ।" ৰূপবোৰ দেখি বামুণীৰ মহা আনন্দ মিলিল।

---

# লখিমী তিৰুতা

সত্যযুগত দুটি বুঢ়া-বুঢ়ী আছিল। সিহঁতৰ সাতোটা পো। সাতোটা পোলৈ সাতজনী বোৱাৰী আনিলে। বৰজনীৰ ল'ৰা এটি হ'ল। সেই সাতজনীৰ ভিতৰত সিচেই সুমনীয়াজনী বৰ

নখিনী তিৰুতা আছিল। বুঢ়া-বুঢ়ীৰ মৃত্যুৰ ওচৰ চাপিল। বুঢ়া-বুঢ়ীয়ে সিহঁত সকলোটিকেই নিচেই সৰুজনী বোৱাৰীয়েকৰ কথা-মতে চলিবলৈ হুকুম দিলে। ইয়াৰ পিচত সেইমতেই সিহঁত চলিবলৈ ধৰিলে। নুমলীয়া বোৱাৰীয়েকে সিহঁতক শুদা হাতে কোনো ফালৰ পৰা অহা দেখিলে খং কৰে, সেইদেখি সিহঁত উপায় নাপাই দিনে যি পায় তাকে হাতত লৈ আহে। এদিন এজনে বাটতে এটা গেলা সাপ পালে; পাই ভাবিলে, 'বোৱাৰীয়ে সদায় শুদা হাতে গলে খং কৰে, আজি এই সাপটোকে লৈ যাওঁচোন বাৰু কি হয় দেখোঁ।' ইয়াকে দেখি সি সাপটো লৈ গৈ আগচোতালৰ জেওৰাতে থৈ বোৱাৰী-য়েকক কলে,—"ইয়াতে কিবা বস্তু এটা আছে নিবি, মই গা ধুই আহোঁ।" বোৱাৰীয়েকে ওলাই গৈ দেখে যে গেলা সাপটো পৰি আছে আৰু তাতে বৰ মাখিয়ে কণী দিছে। তাকে দেখি তাই ভিতৰলৈ সোমাই গৈ বৰজনাকক কলে,—"গেলা সাপটো আনি মোক দেখুৱাইছে। বাৰু 'একো কথা নাই।" এই বুলি তাই আকৌ ওলাই দেখেহি, সাপটো থোৱা ঠাইতে এটা টোপোলা ওলমি আছে আৰু টোপোলাটো ফাটি সোণৰ পুৱীয়া, বাখৰুৱা মণি, আঙঠি, চিপাত, গলপতা আদি কৰি কিছুমান অলঙ্কাৰ ওলাই পৰিছে। তাই লৰ মাৰি গৈ টোপোলাটো দাঙি লৈ ভিতৰলৈ লৈ আহি বৰজনাকক কলে,—"চাওকচোন বাৰু, আপুনি সাপটো আনিছিল মোৰ ওপৰত খং কৰি কিন্তু এতিয়া তাৰ ঠাইত এই অলঙ্কাৰবোৰ ক'ৰপৰা ওলাল? মই আপোনালোকক শুদা হাতে ঘৰলৈ আহিবলৈ হাক দিলে আপোনা-লোকে নোক বেয়া পায়; এতিয়া চাওক।" নৈৰ ঘাটত এজনী জীয়ৰী ছোৱালীয়ে গা ধুবলৈ যাওঁতে পাৰতে তাইৰ অলঙ্কাৰবোৰ টোপোলা বান্ধি থৈ পানীত নামোতে চিলাই থাপ মাৰি আনিছিল,

কিন্তু আত খোৱা বস্তু একো নাপাই, চিনাই সাপটো দেখি টোপোলাটো পেলাই তাকে দিলে।

ইয়াৰ পিচত এদিন সৰু-মাছু বৰজনাকে শুকান গোবৰ খুটিৰ টোপোলা এটা বান্ধি লৈ আহি তাৰ চালৰ পাচতে খোচা মাৰি থৈ বোৱাৰীয়েকক কলে,—"ইয়াতে বস্তু এটা আছে নি থবি।" তাই মেলি চাই দেখিলে গোবৰৰ খুটি ভোখৰ। বাৰু ইয়াকে চুঙাৰ কোপত ভৰাই থওঁ বুলি তাই ভৰাই থৈ দিলে। প্ৰায় পাঁচ বছৰমানৰ মূৰত এজন ৰজাই জীয়েকৰ নৱিয়াত দৰবৰ নিমিত্তে পাঁচবছৰীয়া শুকান গোবৰ বিচাৰ কৰিলে। কিন্তু কতো নাপাই কলে বোলে, "যেয়ে মোক এনে গোবৰ দিব তাক সোণ-ৰূপ দুচৰু দিম।" এই কথা নগৰত ঢোল পিটি শুনাই দিলে, অকস্মাৎ তাইৰ মনত পৰিল সেই গোবৰৰ খুটি ভোখৰৰ কথা। মনত পৰি তাই তাক ৰজালৈ পঠিয়াই দিয়াত ৰজাই তাইক দুচৰু সোণ-ৰূপ দিলে।

এদিন নুমলীয়া বোৱাৰীয়েকক এটা নগনিয়াৰ ফকীৰে মন্ত্ৰ কৰি পলুৱাই নিলে। তাৰ পিচত সেই ঘৰৰ মানুহবোৰ মৰি-জহি চুকাল; গৰু, ম'হ, হাতী, ছাগলী হেৰাই মৰি নিপাত হবলৈ ধৰিলে। একমাত্ৰ বৰজনাৰ ল'ৰাটি ঘৰত ৰ'লগৈ। সিও শেহত তৰিব নোৱাৰি দেশে দেশে ফুৰি ফুৰি এখন অৰণ্যৰ মাজত নৈৰ ঘাটত খুৰীয়েকক লগ পালে। সিহঁতৰ দেখা-দেখি হোৱা মাত্ৰকতে চিনাচিনি হ'ল। ভতিজাকে কলে বোলে, "ঘৰ দুৱাৰৰ কথা কবলৈ সঁচ নাইকিয়া হ'ল, মইহে আছোঁ।" তাই কান্দিকাটি কলে বোলে, "মোক ফকীৰে নেৰে, পলাই গলেও মাৰিব; সি বৰ মন্ত্ৰ জানে। মই ফকীৰে কোৱা শুনিছোঁ বোলে ফকীৰৰ জীৱটো ব্ৰহ্মাৰ ওচৰত থকা শালিকা

চৰাইজনীৰ গাত আছে, যদি চৰাইজনী মাৰিব পাৰ তেন্তে মই যাব পাৰোঁ।" এই কথা শুনি ভতিজাকে ব্ৰহ্মাৰ ওচৰত কান্দি কাটি প্ৰাৰ্থনা কৰিলত ব্ৰহ্মাই বৰ সন্তোষ পাই তালৈ জীয়েকক বিয়া দিলে। উছৰ্গাত সি অনেক বস্তু পালে। পিচত সি কলে বোলে,—"মোক শালিকাটিও দিয়ক।" সি সেই বুলি কলত ব্ৰহ্মাই তাক শালিকাটিও দিলে। সি শালিকাটি পাই একে টিপাই মাৰিলত ফকীৰ য'তে আছিল ত'তে মৰিল। তেতিয়া খুৰীয়েকে জানিলে যে শালিকা মৰিল। ইয়াৰ পিচত সি ব্ৰহ্মাৰ জীয়েক আৰু তাৰ খুৰীয়েকে তিনিও গোট খাই এখন ঘৰ পাতিলে আৰু ব্ৰহ্মাৰ আশীৰ্ব্বাদ পাই অলপ দিনৰ ভিতৰতে আগৰ দৰে ঘৰ-বাৰী, মানুহ-দুনুহ, বই-বস্তৰে সৈতে চহকী হ'ল।

---

# দুই বুধিয়ক

এদিন এটা গজলীয়া ডেকাই এভাৰ কেতুৰি খানি হাটলৈ নি এদা বুলি বেচিবলৈ বুধি পাতিলে আৰু সেইদৰে সেই দিনাই আন এঠাইৰ আন এটা চেঙেলীয়া ডেকাইও এভাৰ ভোমলতিৰ গুটি পাৰি লৈ জালুক বুলি হাটত বেচিবলৈ কাৰবাৰ কৰি হাটকুৱা হৈ যাবলৈ ধৰিলে। জালুকৰ বেপাৰী আৰু এদাৰ বেপাৰী দুয়োৰে

বাটত ভেটাভেটি হ'ল। কোনে কি বেচিবলৈ লৈ গৈছে বুলি দুয়ো গোধাসুধি কৰি জানিব পাৰি জালুকৰ বেপাৰীয়ে এদাৰ বেপাৰীক কলে,—"এ ককাই মোৰ বাৰীত এইবাৰ জালুকেই উপচি হ'ল। আজি এইভাৰ লৈ আহিছোঁ। আধামূলীয়াকৈ পালে দি গুচি যাম ; কোনেনো দুপৰলৈকে খাপ লৈ থাকিব দেওহে।" তাৰ কথা শুনি এদাৰ বেপাৰীয়ে ভাবিলে,—"ইয়াক মোৰ কেতুৰি ভাৰ দি ইয়াৰ জালুক ভাৰ লৈ যাব পাৰিলে হয়।" তাকে ভাবি সি মাত লগালে,—"এৰা ভাই, মোৰো সেয়ে কথা ; মোৰ বাৰীতো এইবাৰ এদা উভৈনদীকৈ হৈছিল। মইও সেইদেখি এইভাৰ লৈ আহিছো ; নৰালৰিকৈ বেচি গুচি যাব পাৰিলে ৰক্ষা পাওঁ। বেলি দুপৰলৈকে বহি থকাতকৈ মইও পাৰিলে আধামূলীয়াকৈ এদা ভাৰ দি গুচি যাম বুলি ভাবিছো।" তাৰ কথা শুনি জালুক বেপাৰীয়ে ভাবিলে,—"মোৰ ভোমলতিৰ গুটি ভাৰ ইয়াক দি ইয়াৰ এদা ভাৰ লৈ যাব পাৰিলেও বেয়া নহয়। ইয়াকে ভাবি সি মাত লগালে,—"মোৰ ঘৰতো এদা নাই, চপৰাচেৰেক মইও নিব লাগিব হে।" তাৰ কথা শুনি এদাৰ বেপাৰীয়ে কলে,—"মোৰ ঘৰতো জালুক নাই, সেৰচেৰেক মইও নিম বুলি ভাবিছোঁ।" দুইও এইদৰে কথা হোৱাৰ পিচত জালুক বেপাৰীয়ে কলে,—"ককাই, তুমি যদি এদা ভাৰ আধামূলীয়াকৈ দিবলৈ ওলাইছা, মইও মোৰ জালুকভাৰ আধামূলীয়াকৈ দিম বুলি ভাবিছো, তেন্তে আমিনো দুয়ো পোনেই সলাই নথওঁ কিয় ?" এদাৰ বেপাৰীয়ে এই কথা শুনি ৰং পাই কলে,—"বেচ কথা আহাঁ, আমি তাকে কৰোঁ।" এই বুলি এদাৰ বেপাৰীয়ে জালুকৰ ভাৰ আৰু জালুকৰ বেপাৰীয়ে এদা ভাৰ লৈ দুফালে গুচি গৈ, অলপ আঁতৰ হৈ দুয়ো দুয়োকো নেদেখা হলতে দুয়ো ফিৰিঙতি ভগাদি ভাগিল।

দুয়ো দুয়োকো ঠগিলো বুলি ভাবি মনে মনে ৰং পাই ঘৰ পাই দুয়ো নিজৰ নিজৰ ভাৰ মেলি চাই দেখিলে যে, দুয়ো সমান, কোনেও কাকো বলে নোৱাৰিলে। এই ঘটনাৰ ভালেমান দিনৰ পিচত এদিন দৈবাৎ আকৌ সেই হাটতে দুয়োৰো দেখা হ'লত জালুক ভাৰৰ গৰাকীটোৱে কেতুৰিভাৰৰ গৰাকীটোক সুধিলে, "হেৰা ককাই, সেই দিনা জালুকভাৰ কেনে পালা ?" কেতুৰিৰ গৰাকীয়ে কলে,—"এনা ভাৰ যেনে পালা তেনেকুৱাই।" এইদৰে কথাবাৰ্তা পাতি দুয়ো দুইকো শলাগি কলে,—"আমি দুয়ো যোৰ হৈছোহঁক; আহাঁ সখি বান্ধোহঁক।" এই বুলি দুয়ো সখি বন্ধাই লগ লাগি লোকক ঠগাই ধন ঘাটিবৰ মনেৰে এঠাইলৈ ওলাই গ'ল। দুয়ো গৈ এঘৰ বামুণৰ ঘৰ পালেগৈ। সিহঁতে বামুণক—"আমি কাম-কাজ বিচাৰি আহিছোঁ" বুলি ক'লত, বামুণে সিহঁতক নিজৰ ঘৰতে বনুৱা কৰি ৰাখিলে। জালুকৰ বেপাৰীক বামুণে তেওঁৰ কপিলী গাইজনী ৰখিবলৈ দিলে আৰু এদাৰ বেপাৰীক তুলসীজোপাৰ গুৰিত পানী দিবলৈ লগালে। বামুণৰ কপিলী গাইজনী বৰ দুষ্ট আৰু চুৰুণী: তাইক জালুক বেপাৰীয়ে এখন্তেকো এৰি দিব নোৱাৰে। দিলেই তাই লৰি গৈ লোকৰ বাৰীত সোমাই শাক-পাত, ধান-চাউল খাই আধ্যা কৰে। তুলসীজোপাও এনে আহুকলীয়া যে তাৰ গুৰিত যিমানেই পানী দিয়া সেই পানী খিতাতে নাইকিয়া হয়। সিটোৱে গৰু ৰখি ইটোৱে তুলসীগছৰ গুৰিত পানী দি হাইৰাণ; দুয়ো ওৰে দিনটো সেই কাম দুটা কৰি সুস্থিৰকে নোপোৱা হ'ল। সেইদেখি দুয়ো পেটে পেটে ভাবিলে যে সিহঁতৰ বন দুটা সালসলনি কৰি দুয়ো দুইকো ঠগিব। ইয়াকে ভাবি এদিন গৰখীয়াই পানী আনি দিওঁতাক সুধিলে,—"সখি, তোমাৰ কামটো কেনে ? মই হলে মোৰটো বৰ

সুখৰ পাইছোঁ। গৰুজনী হাবিলৈ খেদি দিওঁ আৰু মই ফন্তি মাৰি ওবে দিনটো গছৰ তলত শুই থাকো। গধূলি হলেই গাইজনী খেদি আনি গোহালিত বান্ধি থৈ দিওঁ।" তাৰ কথা শুনি পানী দিওঁতাই কলে—"মোৰটো কাম একোৱেই নহয় বুলিব লাগে। দিনটোৰ ভিতৰত এঘাটি বা দুঘাটি পানী আনি তুলসীৰ গুৰিত দিওঁ আৰু তাৰ পিচত দিনৰ দিনটো শোৱা বহা যেই কৰা সেই।" দুয়োৰে কথা দুয়ো শুনি গৰখীয়াই পানী দিওঁতাৰ কাম আৰু পানী দিওঁতাই গৰখীয়াৰ কাম কৰি চাবলৈ মন কৰি পিছদিনা দুয়ো সালসলনি কৰি ললে। গধূলি দুয়োৰে দেখা হ'লত, গৰখীয়াই পানী দিওঁতাক সুধিলে,—"সখি কাম কেনে পালা ?" পানী দিওঁতাই উত্তৰ দিলে,— "তুমি যেনে পালা।" ইয়াৰ পিচত দুয়ো দুয়োকো শলাগি কলে যে এই তুলসীজোপাৰ গুৰিত ইমানবোৰ পানী দিয়া যায় সেই পানীবোৰ থিতাতে কলৈ শুহি যায় চাব লাগিল। ইয়াকে দুইয়ো পাঙি, ৰাতি বামুণ শুলত, কোৰ এখন আনি তুলসীজোপা খানি তুলি চাই দেখিলে যে তাৰ তলতে পাঁচহাতমান দ এটা ডাঙৰ গাঁত আছে। জালুক বেপাৰীক এদা বেপাৰীয়ে কলে,—"সখি তুমি নামি চোৱাগৈ গাঁতটোত কি আছে।" জালুক-বেপাৰী নামি গৈ দেখিলে যে গাঁতটোৰ তলিত কেবাকলহো ৰূপ আছে। সি লৰালৰিকৈ গাঁতৰপৰা উঠি আহি সেই কথা ইটোক ক'লত, দুয়ো তেতিয়াই সিহঁতৰ গাৰ বৰ-কাপোৰ দুখনৰে দুটা ডাঙৰ মোনা সিলে। এদাৰ বেপাৰীয়ে জালুকৰ বেপাৰীক কলে,—"সখি তুমি এটা মোনা লৈ গাঁতলৈ নামি যোৱা আৰু সেই মোনাত এমোনা ৰূপ ভৰাই গাঁতৰ ওপৰলৈ তুলি দিবা। তাৰ পিচত ইটো মোনাও মই পেলাই দিম আকৌ তাত তুমি ৰূপ ভৰাই তুলি দিবা।" এইদৰে আলচি জালুক-বেপাৰীয়ে এমোনা

ৰূপ গাঁতৰ তলিৰ পৰা ওপৰলৈ দিলত, এদা-বেপাৰীয়ে সেইটো তুলি লৈ সিটো মোনা গাঁতত পেলাই দিলে। জালুক-বেপাৰীয়ে ভাবিলে যদি এই মোনাটোও সি তুলি অকলৈ ৰূপবোৰ লবৰ মনেৰে ৰই গাঁতৰপৰা উঠাৰ আগেয়ে লৰালৰিকৈ সি মাটি দি মোক পুতি পেলায় তেন্তে কথাৰ ওৰেই পৰিব। সেইদেখি জালুক-বেপাৰীয়ে বুধি কৰি পিছৰ মোনাটোত অলপ ৰূপ ভৰাই তাতে নিজেই সোমাই, সখিয়েকক মাত লগালে,—"সখি এই মোনাটো তুমি টানি তোলা, বৰ গধুৰ হৈছে, মই অকলৈ নোৱাৰিম।" এই কথা শুনিয়েই এদাৰ বেপাৰীয়ে সেই মোনাটো টানি তুলিলে আৰু জালুক-বেপাৰীয়ে ভৰা কথাকে থিতাতে কৰিলে। গাঁততে জালুক-বেপাৰীক পুতি থবৰ মনেৰে সি খুমধামকৈ গাঁতৰ পাৰৰ মাটি গাঁতত পেলাই দি, তাক গাঁতত পুতিলো বুলি ভাবি ভাৰ কৰি মোনা দুটা লৈ নিজৰ ঘৰমুৱা হৈ গুচি গ'ল। ভাৰখন বৰ গধুৰ। সেইদেখি সি অলপ জিৰাবৰ মনেৰে বাটৰ এঠাইত এজোপা গছৰ তলতে ভাৰখন থৈ বহিল। বৰ দুখ কৰা বাবে তাৰ পিয়াহো লাগিল, সেইদেখি সি ভাৰখন তাতে এৰি বাটৰ কাষৰে পুখুৰী এটাত পানী খাবলৈ নামিল। সি যেই পুখুৰীত নামিল, ইফালে মোনাৰ ভিতৰৰ পৰা সখিয়েক লাহেকৈ ওলাই ভাৰখন লৈ সাউৎকৰে পলাল। সি পানী খাই উভতি আহি দেখে যে ভাৰখন নাই। তেতিয়াহে সি বুজিলে যে তাক তাৰ সখিয়েকে বুধিৰে ঠগিলে। "মই বুজিবই নোৱাৰিলো যে কটাৰ-পো মোনাতে সোমাই মোৰ কান্ধত উঠি আহিছিল।" এই বুলি ইস্ আগ্ আস্কৈ বেজাৰ কৰি সি নিজৰ ঘৰ পালেগৈ।

বহুত দিনৰ মূৰত আকৌ এদিন দুই সখিয়েকৰ দেখাদেখি হলত জালুক বেপাৰীয়ে কলে,—"সখি তুমি মোক ভাল গাঁতত পুতি থৈ

আহিছিলা ?'' এইটোৱে উত্তৰ দিলে,—''যোৱাহে তুমি ৰূপ গালো নিলা মোৰ কান্ধতো উঠি আহিলা ।'' এইদৰে দুয়ো আলাপ কৰি আকৌ ক্ষন্তেকতে মহামিত্ৰ হৈ পৰিল । এদা বেপাৰীটোৰ কিন্তু মনৰ পৰা বেজাৰ নগ'ল যে জালুক-বেপাৰী তাৰ কান্ধত উঠিল । ইয়াৰ কিছুদিন পিচত এদা-বেপাৰীয়ে এদিন বুদ্ধি এটা সাজি তাৰ ঘৈণী-য়েকক কলে যে ''মই শোৱা পাটাতে শুই থাকোঁ তই মোৰ মূৰে-গাৰে কাপোৰ এখন দি মোক ঢাকি দি মই মৰিলোঁ বুলি বহি কান্দ । আৰু এটা মানুহ লগুৱাই সখিৰ ওচৰলৈ পঠিয়াই বাতৰি দে যে মই মৰিলোঁ । সি যেতিয়া আহি পাবহি তেতিয়া তাক কবি মৰিবৰ সময়ত মই তোক বিশেষকৈ কৈ গৈছোঁ যে মোক যেন আনে নুচুই কেৱল মোৰ মৰমৰ সখিয়েহে ছোৱে আৰু সখিয়ে হে কান্ধত তুলি পুৰিবলৈ লৈ যায় ।'' তাৰ ঘৈণীয়েকে সেই দৰেই সকলো কৰিলত জালুক-বেপাৰী সখিয়েকে সকলো শুনি কথাটো ফাঁকি বুলি বুজিলে আৰু মিছাকৈ কান্দি চকুপানী উলিয়াই সখিয়েকৰ ঘৈণীয়েকক কলে,— ''মোৰ সখিয়েই যেতিয়া গ'ল আমাৰ সকলো শূন্য হ'ল । এই ঘৰ এই বাৰী এইবোৰ কোনে খাব কেলৈ লাগিছে ? সেইবোৰ দেখিলে সখিলৈ মনত পৰি ধমধমকৈ আমাৰ বুকুত জুইহে জ্বলিব ।'' এই বুলি সি মিছাকৈয়ে বুকুত ভুকুৱাই কান্দি-কাটি দাখন লৈ গৈ বাৰীত সোমাই জালুক পাণ টেঙা আদি লাগতিয়াল গছবোৰ ঘপ্ ঘপ্ কৰে কাটি খান্তাং কৰিলে । তাৰ পিচত মৰা সখিয়েকৰ ওচৰলৈ আহি তাৰ ঘৈণীয়েকক কলে,—''মই অকলৈ মোৰ সখিক বলে নোৱাৰিম, সেইদেখি দোছোৱাকৈ কাটি এছোৱা এছোৱাকৈ দুবাৰে মৰাশালিলৈ লৈ যাওঁ ।'' এইবুলি মিছা-মিছিকৈ সি টোৱাই-ভিৰাই দাখন জোকাৰি কোব মাৰিব খোজোতেই ভয়ত এদাৰ বেপাৰী একেচাৰেই উঠি বহিল ।

তেতিয়া দুয়ো হাঁহিবলৈ ধৰিলে। এদাব বেপাৰীয়ে কলে,—"সখি, হৈছে আৰু নেলাগে। মই তোমাৰ কান্ধত উঠিব নোৱাৰিলো। লাভৰ ভিতৰত মোৰ বাৰীৰ গছ-গছনিবোৰ গ'ল; মোতকৈ তোমাৰ বুদ্ধি বেছি।"

---

# কাঞ্চনী

এক বুঢ়াৰ সাতোটা পুতেক আছিল। বুঢ়াই পুতেকহঁতৰ সুখ-সন্তোষ দেখিবলৈ নাপালে। পুতেক এটাইকেইটাই খাব-খুটিব পৰা হোৱাৰ আগেয়ে বুঢ়া মৰি গ'ল। বুঢ়ীয়ে ছয়োটালৈ ছোৱালী বিয়া কৰাই আনি অলপমান সুখ-সন্তোষৰ মুখ দেখিছিল কিন্তু তেনেতে তাইয়ো মৰিল। মাক মৰাৰ পিচত ককায়েকহঁত সাতোওটা মিলা-প্ৰীতিৰে একেলগে আছিল। সিহঁতৰ ভিতৰত নুমলীয়াটো ল'ৰা দেখিবলৈ বৰ মোহ লগা আৰু কথাই-বতৰায়ো ভাল আছিল, সেইদেখি ছয়োটা ককায়েকে তাক বৰ মৰম কৰিছিল। ককায়েকহঁতে নিজৰ নিজৰ ঘৈণীয়েকহঁতক সিহঁতৰ ধন-বস্তুৰ গৰাকিনী নাপাতি চতুৰ নুমলীয়া ভায়েকক হে গৰাকী পাতিছিল, সেইদেখি বোৱেকহঁতে পেটে পেটে তাক সমূলি দেখিব নোৱাৰা হৈছিল। নুমলীয়া দেওৰেকে কোনো বস্তু উলিয়াই নিদিলে বোৱেকহঁতে কুটা এগছকো নাপাই-

ছিল আৰু কাকো একো দিব নোৱাৰিছিল। যদিও বোৱেকহঁতে তাক সমূলি দেখিব নোৱাৰিছিল, তথাপি গিৰিয়েকহঁতৰ ভয়ত কেতিয়াও কোনো কথাকে সিহঁতে তাক হেচটেপ কৰিব নোৱাৰিছিল।

এইদৰে কিছুকাল যোৱাৰ পিছত এদিন এজনী মাগনী বুঢ়ী সিহঁতৰ ঘৰলৈ চাউল মাগিবলৈ আহিছিল। নুমলীয়া দেওৰেক সেই সময়ত ঘৰত নথকা বাবে বোৱেকহঁতে মাগনী বুঢ়ীক চাউল এমুঠি দিব নোৱাৰি তাইক কলে,—"বুঢ়ী বাই, আমাৰ দেওৰ কণবোপা কৰবালৈ ওলাই গৈছে, তেওঁ নাহিলে তোক চাউল কোনে উলিয়াই দিব? আমি দিব নোৱাৰোঁ। তেওঁ হে সকলো বস্তুৰ গৰাকী।" বুঢ়ীয়ে এই কথা শুনি সিহঁতক কলে,—"আইৰে আই। এইটো নো কি কথা? তহঁত দুজনী বোৱাৰী ঘৰত আছে, তহঁত ঘৰৰ ঘৈণী নহৈ মতা ল'ৰাটো হে ধন-বস্তুৰ গৰাকী হ'ল? এনে কথা দেখা শুনা নাইহে।" সিহঁতে বুঢ়ীক কলে,—"এৰা বাই, তই নেদেখিলে নুশুনিলেও, আমি কুটা এগছৰো গৰাকী নহওঁহঁক, কি কৰিবি। ককায়েকহঁতে সৰু বোপাকহে গৰাকী পাতিছে।" বুঢ়ীয়ে সিহঁতৰ মন বুজি কলে,—"তহঁতনো ক'ৰ জাধলী তিৰোতা ঐ। তাক গৰাকী ভাঙি তহঁত গৰাকিনী নহৱ কিয়?" সিহঁতে কলে,—"কেনেকৈ ভাঙিম বুঢ়ী আই?" বুঢ়ীয়ে কলে,—"মোৰ বুধি শুন যদি আজিয়েই ভাঙিব পাৰ।" সিহঁতে বুঢ়ীৰ কথা শুনি বৰ আগ্ৰহেৰে বুঢ়ীৰ ওচৰ চাপি আহি বুঢ়ীক বুধি সুধিলত, বুঢ়ীয়ে উঠি গৈ এটা কোট-কোৰা কাঁইট আনি মন্ত্ৰ মাতি জাৰি কাঁইটটো সিহঁতৰ হাতত দি কলে,—"আজি তহঁতৰ দেওৰ উভতি আহিলে, তহঁতৰ এজনীয়ে তাক ওচৰলৈ মাতি আনি তাৰ ওকণী চাওঁ বুলি বহুৱাই লৈ ওকণী চাই থাকোতে খট্‌কৰে এই কাঁইটটো তাৰ কাণৰ সঁতাত মাৰি দি

কুকুৰ হৈ যা বুলি কলেই সি কুকুৰ হৈ গুচি যাব আৰু তহঁতে ঘৰৰ মৈণী হৈ ধন-বস্তুৰ গৰাকিনী হৈ সুখে-সন্তোষে থাকিব পাৰিবি।" ইয়াকে কৈ বুঢ়ী গুচি গ'ল। সিহঁতৰ নুমলীয়া দেওবেক আছিলত সিহঁতে বুঢ়ীৰ বুধিমতে তাক ওকণী চাববলৈ বহুৱাই লৈ তাৰ কাণৰ গঁতাত কাঁইটটো মাৰি তাক কুকুৰ কৰিলে। সি এটা ডতুৱা কুকুৰ হৈ মনৰ দুখত ঘৰৰ পৰা তেতিয়াই ওলাই গুচি গ'ল। গধূলি ককায়েকহঁতে আহি ভায়েকক নেদেখি, "কণবোপা কলৈ গ'ল?" বুলি মৈণীয়েকহঁতক সুধিলত "আমি কব নোৱাৰো" বুলি সিহঁতে উত্তৰ দিলে। ইয়াৰ পিচত ককায়েকহঁতে ভায়েকক অনেক বিচাৰি ক'তো নাপাই বেজাৰ অসন্তোষ কৰি থাকিল।

নুমলীয়া ভায়েকটো কুকুৰ হৈ অনেক দেশ ফুৰি ফুৰি শেহত এখন নগৰত ওলালগৈ। সেই নগৰতে এঘৰ মানুহ আছিল, সিহঁতৰ ল'ৰা-ছোৱালী, মিতিৰ-কুটুম কোনো নাছিল। মাথোন গিৰিয়েক আৰু ঘৈণীয়েক। গিৰিয়েকে দিনে খাই-বৈ কাম-কাজ বিচাৰি ওলাই যায় আৰু ঘৈণীয়েকে অকলৈ তাঁত-সূত বৈ ঘৰৰ বন-বাৰী কৰি থাকে। কুকুৰটো গৈ সিহঁতৰ ঘৰতে চাপিল। ক'ৰবাৰ পৰা কুকুৰটো ঘৰ চপা দেখি পো-পোৱালি নাইকিয়া গিৰিহঁতনীয়ে মৰমকৈ তাক এমুঠি পাতৰ ভাত খাবলৈ দিলে আৰু ছেই ছেই চুহ-চুহ নকৰি তাঁতশালতে পৰি থাকিবলৈ দিলে। সিও মৰম পাই তাতে থাকিবলৈ ধৰিলে।

গিৰিহঁতনীয়ে দিনৌ তাঁত বয় আৰু কুকুৰটো ওচৰতে পৰি থাকে। এদিন তাইৰ হাতৰ পৰা এবাৰ মাকোটো সৰি পৰিলত, তাই কুকুৰটোৰ ফালে চাই ধেমালিতে ক'লে,—"তই মোৰ মাকোটো তুলি দিব নোৱাৰ? অঁজাতৰীয়া মাকোডাল ঘনে ঘনে মোৰ

হাতৰপৰা পৰি যায়, মই নো কিমান চাপৰি চাপৰি আনি থাকিম ? দে মোৰ মাকোটো তুলি মোৰ দেপাই, লাগে যদি মোৰ ছোৱালী হলে মই তোলৈকে তাইক বিয়া দিম ।" মানুহজনীৰ কথা শুনি কুকুৰটোৱে খপ্‌কৰে মাকোটো তুলি দিলে । মানুহজনীয়ে বিচুতি হৈ ভাবিলে, 'আও ! ই কম কুকুৰ নহয় । ই মানুহতকৈও গুণী । মোৰ কথাটো ই কেনেকৈ বুজিলে ! মোৰ ছোৱালী নাহেই ; হোৱা হলে এনেটো কুকুৰলৈকে দিলেও একো হানি নাছিল ।"

এই কথাৰ কেইনাহমান পিচত ঈশ্বৰৰ ইচ্ছাত মানুহজনীৰ ছোৱালী এজনী উপজিল । বাপেকে মৰম কৰি জীয়েকৰ নাম কাঞ্চনী ৰাখিলে । দিনক-দিনে ছোৱালীজনী ডাঙৰ হৈ আহিবলৈ ধৰিলে । তাই ৰূপে-গুণে তমস্কাৰ হ'ল । কুকুৰটোও নিজৰ গুণত দিনক-দিনে গিৰিহঁতনীৰ বুকুত সোমাই আহিবলৈ ধৰিলে । কাঞ্চনীৰ বিয়া দিবৰ কাল পৰিলত, এদিন ঘৈণীয়েকে গিৰিয়েকক সেই মাকো পৰাৰ দিনৰ কথাটো কলে,—"মোৰ ছোৱালী হলে, মই কুকুৰটোলৈ বিয়া দিম বুলি কৈছিলোঁ । সেই বাবেইহে মোৰ ছোৱালী-জনীও হ'ল কিজানি, নাইবা মোৰ পেটত ল'ৰা-ছোৱালী হবৰ কোনো আগন্তুক নাছিল । এতেকে মই মোৰ কথামতে তালৈকে কাঞ্চনীক বিয়া দিম বুলি ভাবিছোঁ, তুমি কি বোলা ?" গিৰিয়েক বৰ হোজা আৰু ধাৰ্ম্মিক মানুহ আছিল । সি উত্তৰ দিলে,—"যদি তুমি তাৰ আগত তেনেকৈ কৈছিলা, তেনেহলে নিশ্চয় তোমাৰ কথা ৰাখিব লাগিব, নহলে আমাক পাপে চুব । আৰু সঁচাকৈ কবলৈ গলে, আমি এনেটো কুকুৰ আগেয়ে ক'তো দেখাও নাছিলো । সি মানুহতকৈ সাত-চাৰ । এতেকে মোৰ মনেৰে আমাৰ কাঞ্চনীক তালৈ বিয়া দিয়াটোহে উচিত ।" এই বুলি বাপেকে জীয়েকক মাতি আনি

সেই কথা কলত, জীয়েকে উত্তৰ দিলে,—"তোমালোকৰ ইচ্ছামতে চলাটোৱেই হে মোৰ কৰ্ত্তব্য। আয়ে কুকুৰলৈকে যেতিয়া মোক বিয়া দিবলৈ সইত খাইছে, সেই সইত ৰাখিমেই ৰাখিম।" জীয়েকৰ কথা শুনি মাক-বাপেকে সন্তোষ পাই তাইক কুকুৰলৈকে বিয়া দি দুয়োকো যতন কৰি খুৱাই-বুৱাই ঘৰতে ৰাখিলে।

কাঞ্চনীয়ে বৰ যতনেৰে খুৱাই-বুৱাই অঁতাই-পিতাই নিজৰ স্বামী বুলি কুকুৰটোক সেৱা ভক্তি কৰিবলৈ ধৰিলে। এদিনলৈকে তাইৰ মনত বেজাৰ নালাগিছিল। যেণীয়েকে কুকুৰটোৰ গা অঁতাই-পিতাই ধুই-পখালি চিকণ কৰি দিলেও, অলপ পৰ পিচতে কুকুৰটোৱে গৈ মাটি লৈ গাত ধূলি-মাকতি সানে। এদিন কাঞ্চনীৰ মাকে কাঞ্চনীক কলে,—"আই চাচোন, তোৰ গিৰিয়েৰৰ গাটো ধূলি-মাকতি লাগি কেনে ক'লা হৈ পৰিছে। তাক লৈ যা, নৈত ভালকৈ তাৰ গাটো ঘঁহি-পিহি ধুৱাই লৈ আহগৈ।" মাকৰ কথা শুনি কাঞ্চনীয়ে গিৰি-য়েকক লৈ গৈ নৈত জুবুৰিয়াই ভালকৈ তাৰ গা-ভৰি মূৰ-কাণ ঘঁহি দিওঁতেই এবাৰ তাইৰ হাতটো কুকুৰটোৰ কাণৰ গাঁতাত লাগিলত, অলপ খহতা যেন পাই ভালকৈ চাই দেখিলে যে তাত এটা কাঁইট পোত খাই আছে। কাঁইটটো দেখি কাঞ্চনীয়ে আজুৰি উলিয়ালত তৎক্ষণাত কুকুৰটো কুকুৰ গুচি কেঁচা সোণৰ বৰণৰ সুন্দৰ ডেকা-ল'ৰা এটা হ'ল। গিৰিয়েক কুকুৰ গুচি মানুহ হোৱা দেখি তাইৰ আনন্দৰ পাৰ নোহোৱা হ'ল। তেতিয়া গিৰিয়েকে তাইক আগৰপৰা শুৰিলৈকে সকলো কথা ভাঙি কলত তাই তাক কলে যে,—"মই যদি তোমাক এইদৰে আমাৰ ঘৰলৈ লৈ যাওঁ তেন্তে মোৰ বোপাই, আই আৰু ওচৰ-চুবুৰীয়া আন মানুহে ভাবিব মই কুকুৰটো মাৰি কৰবাৰ ডেকা ল'ৰা এটা লগ লগাই লৈ গৈছো বুলি ; তেতিয়া

ৰৰ বদনামৰ কথা হব ; আৰু মই আচল কথা ভাঙি কলেও কোনেও বিশ্বাস নকৰে। সেই দেখি তোমাৰ কাণৰ সঁতাত আকৌ এই কাঁইটটো মাৰি দিওঁ, দি তোমাক আগৰ দৰে কুকুৰ কৰি ঘৰলৈ লৈ যাওঁ।



ঘৰ পাই সকলোৰে আগত তোমাৰ কাণত তেল-তুল দি চিকুণাই থাকোঁতে যেন হঠাৎ মই সেই কাঁইটটো তাত দেখি এইটো কি বুলি টানি উলিয়াই আনিম আৰু আনিলেই তুমি মানুহ হবা। আৰু তেতিয়া কোনেও একো কব নোৱাৰে।" ইয়াকে গিৰিয়েকক কৈ কাঞ্চনীয়ে আকৌ সেই কাঁইটডাল গিৰিয়েকৰ কাণৰ সঁতাত আগৰ দৰে

মাৰি গিৰিয়েকক কুকুৰ কৰি ঘৰলৈ লৈ গুচি আহিল। ঘৰ পাই কাঞ্চনীয়ে মাকক কলে,—"আই, মই তেওঁক ধুৱাই আনিছো। এতিয়া তেল এটোপা ঘঁহি দিমনে?" মাকে কলে,—"দে আই।" এই বুলি মাকে ক'লত কাঞ্চনীয়ে তেল আনি ঘঁহাৰ ছলতে কুকুৰটোৰ কাণৰ কাঁইটডাল মাকক দেখুৱাই কলে,—"আই, আই, চাহিচোন এটা বৰ কাঁইট কাণৰ সঁতাত কেনেকৈ সোমাই আছে।" মাকে ক'লে,—"সোমাব পাৰেতো মোৰ আই, সি য'তে পাই ত'তে শুই ফুৰে, কাঁইটটো টানি উলিয়াই দে।" মাকে এই বুলি কোৱাত কাঞ্চনীয়ে কাঁইটটো উলিয়াই দিলে আৰু ততালিকে সি কুকুৰ গুচি সুন্দৰ পুৰুষ এটা হ'ল। এই কথা দেখি মাক-বাপেক আৰু ওচৰ-চুবুৰীয়া সকলো-বোৰে বিস্ময় মানি, তাক কি কথা, কি বতৰা বুলি সুধিলত সি সকলো কথা ভাঙি পাতি ক'লে। সকলোৱে আচৰিত মানি আনন্দ পালে, কাঞ্চনী আৰু তাইৰ মাক-বাপেকে আনন্দত বিভোৰ হৈ জোঁৱায়েকক লৈ মহা সুখেৰে থাকিল।

কুকুৰ এটা গুচি মানুহ হ'ল, এই কথা চাৰিওফালে ওলাই পৰিলত ৰজাই শুনিবলৈ পাই কাঞ্চনীৰ গিৰিয়েকক মতাই নি, কি কথা, কি বাৰ্ত্তা বুলি সুধিলত, সি ৰজাক সকলো কথা কলে। ৰজাই সন্তোষ পাই তাক তেওঁৰ ঘোঁৰাশাল চাওঁতাৰ বিষয়খন দি ৰাখিলে।

ইকাণ সিকাণকৈ লাহে লাহে গৈ ৰজাৰ কাণত পৰিল গৈ যে ঘোৰাশাল চাওঁতা-চিতোতা বিষয়াজনৰ ঘৈণীয়েকজনী বৰ গুণী আৰু বৰ শুৱনী দীপ্লিপ তিৰুতা। ৰজাই ভাবিলে যে এনেজনী তিৰুতা ৰজাৰহে যোগ্য, এতেকে তাইকে আনি মোৰ কুঁৱৰী পাতিম। ইয়াকে ভাবি ৰজাই তেওঁৰ ঘোঁৰাৰ বিষয়াক কলে যে সি ঘৈণীয়েকক

ৰজাৰ অন্তেষপুৰলৈ পঠিয়াই দিব লাগে। সি ৰজাৰ কথাত কোনো-মতে মান্তি নহ'ল। ৰজাই বাৰে বাৰে কৈও ঘোঁৰাৰ বিষয়াক সেই কথাত কোনোমতে মান্তি কৰিব নোৱাৰি তাক বন্দী কৰি থোৱালে। গিৰিয়েকক বন্দী কৰি থৈয়েই ৰজাই ঘৈণীয়েক কাঞ্চনীৰ ওচৰলৈ নিজে আহি নানা প্ৰকাৰে কাঞ্চনীক তেওঁৰ কুঁৱৰী হবলৈ বুজাবলৈ চেষ্টা কৰিলে, কিন্তু তাই একোতে সেই কথাত মান্তি নহ'ল। ৰজা ভোটা হৈ উভতি গৈ ভাবিলে যে গিৰিয়েক জীয়াই থাকে মানে কাঞ্চনীক মোৰ কুঁৱৰী কৰিবলৈ সৈমান কৰাব নোৱাৰো, সেইদেখি তাইৰ গিৰিয়েকক মাৰি পেলাই বাটটো মুকলি কৰি লওঁ। ইয়াকে ভাবি ৰজাই কাঞ্চনীৰ গিৰিয়েকক শালত দিবলৈ হুকুম দিলে।

ৰজাৰ বৰচ'ৰাৰ মুখতে কাঞ্চনীৰ গিৰিয়েকক শালত দিছে। কিন্তু এই কথাৰ কাঞ্চনীয়ে তেতিয়াও একো বুজ পোৱা নাই, তাই বং মনেৰে ঘৰত জালি তাঁত এখন বৈ আছে। এনে সময়তে এজনী কাউৰীয়ে শালত দিয়া কাঞ্চনীৰ গিৰিয়েকৰ গাৰপৰা ওলোৱা তেজ খাই ঠোঁট ৰঙা কৰি উৰি আহি কাঞ্চনীৰ ওচৰতে পৰি চটফটাবলৈ ধৰিলে। এবাৰ কাউৰীজনীয়ে গাত লগালে,—

"কাঁচনী, কাঁচনী নবৰি কাঁচনী, জালি তাঁত এবেলি থ।
বৰচ'ৰাৰ মুখতে ৰজাই শালত দিছে, তাকে চাবলৈকে ব'ল।"

এই কথা শুনি কাঞ্চনীয়ে কাউৰীজনীৰ ফালে চাই তাইৰ ঠোঁটটো ৰঙা দেখি গাত লাই-গৰিয়হ কুটা যেন পালে। কাঞ্চনীয়ে কাউৰীক সুধিলে,—

"কাউৰী কাউৰী, অজাতি কাউৰী, কি খাই বোলালি ঠোঁট?"
কাউৰীয়ে উত্তৰ দিলে,—

"কাঁচনী বাই, মই অজাতি কাউৰী, একো খাই নোবোলাওঁ ঠোঁট।
বৰচ'ৰাৰ মুখতে গিৰিয়েৰক শালত দিছে, তেজেৰে বোলালো ঠোঁট।"

এক কথা শুনা মাত্রকতে কাঞ্চনীয়ে জালি তাঁত এৰি ভিতৰ সোমাই সেন্দুৰৰ ফোঁট আৰু বেথা পিন্ধিলে, সকলো অলঙ্কাৰ-পাতি পিন্ধিলে আৰু সামৰণৰ ভাল বিহা-মেখেলাযোৰ পিন্ধি ধাননিৰ মাজেদিয়েই বাট পোনাই নৰি ৰজান বৰচ'ৰাৰ ফালে চাপলি মেলিলে। ইফালে চাওদাঙে কাঞ্চনীৰ গিৰিয়েকক তাৰ ভৰিৰ ফালৰ পৰা কুণ্ডা শালত চেপি আনি থাকোঁতেই গিৰিয়েকে দূৰৰপৰা কাঞ্চনী নৰি অহা দেখি বিনাই কলে,—

"ধাননি ধাননি, নাহিবি কাঞ্চনী,
ধান-পাতে কাটিব গা।
মোৰে বিনাই যি হবৰ হওকে,
ঘৰলৈ উভতি যা॥"

কাঞ্চনীয়ে নৰি আহি থাকোঁতেই গিৰিয়েকৰ কথা শুনি উত্তৰ দিলে,—

"কাটিলে কাটকে ধানৰে পাতে গা,
তালৈ নকৰোঁ কাণ।
তোমাৰে লগতে হম সয়ম্ভৰী,
নাৰাখো দুখুনী প্ৰাণ।"

এই বুলি কাঞ্চনীয়ে গিৰিয়েকৰ ওচৰ পাই দীঘল দি গিৰিয়েকক সেৱা কৰি গিৰিয়েকৰ লগতে শালতে মূৰটো সুমাই দিলে। কোনেও তাইক হকা-বধা কৰিবলৈ সাহ নকৰিলে। অলপ পৰৰ পিচতে দুয়োৰে জীৱ দুটিয়ে ভেল দুটা এৰি গোসাঁইৰ ওচৰলৈ উৰি গ'ল।

ৰজাই এই বাতৰি শুনিলত বেজাৰ কৰিবলৈ ধৰিলে,—

"কাঁচনী যাবৰে শুনিলোহেঁতেন,
ছুকুৰি লগুৱা লগত দিলোহেঁতেন।
কাঁচনী যাবৰে শুনিলোহেঁতেন,
দোলায়ে ঘোঁৰায়ে পঠালোহেঁতেন,
কাঁচনী যাবৰে শুনিলোহেঁতেন,
গিৰিয়েকক শালত নিদিলোহেঁতেন।"

শোক কমিলত ৰজাই কাঞ্চনী আৰু তাইৰ গিৰিয়েকক নৈৰ কাষত খৰি দিবলৈ মন্ত্ৰীক হুকুম দি কলে,—"নৈৰ এপাৰে কাঞ্চনীক আৰু আনপাৰে গিৰিয়েকক খৰি দিয়া। কাঞ্চনীক চন্দন, সৰল, পদ্ম, উৰৈঁ, গন্ধসৰৈ, ধূপ-ধুনা, ঘিউৰে খৰি দিয়া। গিৰিয়েকক চুৰাখুটি, শুকান চুৰাপাত ইত্যাদিৰে খৰি দিবা।"

ৰজাৰ হুকুম মতেই মন্ত্ৰীয়ে কাম কৰিলে। দুয়োৰে চিতাত ধম্‌ধম্ কৰে দুকুৰা জুই জ্বলিছে, এনেতে দেখা গ'ল যে দুয়োৰো চিতাৰ দুইকুৰা জুইৰ আগ দুটা পাৰৰ পৰা দীঘল হৈ আহি নৈৰ মাজতে পাক খাই একেটা হ'ল। সকলোৱে এই কথা শুনি আচৰিত মানিলে। ৰজাইও পিচত মন্ত্ৰীৰ মুখে এই কথা শুনি আচৰিত হৈ দুইখন মৰিশালিত দুজোপা গছ ৰুই দিবলৈ হুকুম দি কলে,— "কাঞ্চনীৰ মৰিশালিত আঁহত এজোপা আৰু গিৰিয়েকৰ মৰিশালিত বৰগছ এজোপা ৰুবা।"

কিছু কালৰ মূৰত দেখা গ'ল যে, নৈৰ দুয়োপাৰৰ দুইজোপা গছে ফেৰ ধৰি ডাঙৰ হৈ দুফালৰ পৰা হালি আহি ঠিক নৈৰ মাজত মিলি এজোপা হৈ বাঢ়িবলৈ ধৰিলে।

অন্ত



# বুঢ়ী আইৰ সাধু